
# কৰ্ষণ

২০১৬ - ২০১৭ বৰ্ষ

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী



তত্ত্বাৱধায়ক ঃ সোমনাথ বৰা
ড° পুণ্য লতা গোহাঁই

সম্পাদিকা ঃ দীক্ষা শৰ্মা



মহাবিদ্যালয়ৰ গ্ৰীণ পুলিচৰ সদস্যসকলৰ দ্বাৰা আয়োজিত স্বচ্ছতা শিবিৰৰ এটি দৃশ্য, তাৰিখ ২৬ জানুৱাৰী, ২০১৭




মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহৰ সাংস্কৃতিক শোভাযাত্ৰা



সপ্তাহ সমাৰোহৰ ছোৱালীৰ বেডমিণ্টন প্ৰতিযোগিতাৰ এটি দৃশ্য



সপ্তাহ সমাৰোহ উপলক্ষে আয়োজিত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ বিচাৰৰ এটি মুহূৰ্ত



সপ্তাহ সমাৰোহ উপলক্ষে আয়োজিত সাজপাৰ প্ৰতিযোগিতাৰ এটি দৃশ্য




ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সহযোগত মহাবিদ্যালয়ৰ মহিলা কোষৰ দ্বাৰা বৰচুংজোৰত আন্তৰ্জাতিক নাৰী দিৱস পালনৰ এটি দৃশ্য

# কৰ্ষণ

# KARSHAN

## ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ আলোচনী

DR. B.K. BAROOAH COLLEGE
জ্ঞানৰ বন্তি জ্বলাওঁ
BKBC
PURANIGUDAM ESTD 1967 NAGAON

২০১৬- ২০১৭ বৰ্ষ

তত্ত্বাৱধায়কদ্বয়
সোমনাথ বৰা
ড০ পুণ্য লতা গোহাঁই

সম্পাদিকা
দীক্ষা শৰ্মা

**কৰ্ষণ**

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ঃ ২০১৬-১৭




**সম্পাদনা সমিতি**

**সভাপতি**

ড° ভূপেন শইকীয়া, অধ্যক্ষ, *ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়*

**তত্ত্বাৱধায়কদ্বয়**

সোমনাথ বৰা

ড° পুণ্য লতা গোহাঁই

**সম্পাদিকা**

দীক্ষা শৰ্মা

**ছাত্ৰ সদস্য/সদস্যা**

সিদ্ধাৰ্থ শংকৰ দাস

বিস্তি বৰা

**শিল্পসজ্জা**

হেমন্ত কুমাৰ বৰা

**প্ৰচ্ছদ পৰিকল্পনা**

সোমনাথ বৰা

ড° পুণ্য লতা গোহাঁই

**প্ৰচ্ছদৰ শিল্পকৰ্ম**

পাৰ্থ প্ৰতীম ডেকা

**প্ৰকাশক**

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা

**অক্ষৰ বিন্যাস**

নিউ অজন্তা প্ৰেছ, এম.জি. ৰোড, নগাঁও- ১


**মুদ্ৰক**


অজন্তা প্ৰেছ, নগাঁও- ২




## উচৰ্গা

২০১৭ বৰ্ষত অকালতে প্ৰাণ হেৰুৱা
মহাবিদ্যালয়ৰ ষাণ্মাসিক ছাত্ৰ কল্পজ্যোতি বৰাৰ
পবিত্ৰ স্মৃতিত
এই সংখ্যাৰ কৰ্ষণ উচৰ্গা
কৰা হ'ল।





**ঘোষণা ঃ**

কৰ্ষণত প্ৰকাশিত ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিসমূহ মৌলিক বুলিয়েই প্ৰকাশ কৰা হৈছে। এইক্ষেত্ৰত কিবা বিসংগতি থাকিলে তাৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।

*সম্পাদনা সমিতি*

কৰ্ষণ

# সম্পাদকীয়

শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি। এটি দেৱশিশু জন্ম হোৱাৰ পিছত পোনপ্ৰথমে নিজ ঘৰখনতেই ক্ৰমান্বয়ে শিক্ষা গ্ৰহণ কাৰ্য আৰম্ভ কৰে। সেয়েহে 'ঘৰখনতেই শিশুৰ শিক্ষাৰ কঠিয়াতলী' বুলিও কোৱা হয়। ঠুনুক-ঠানাককৈ মাত ফুটি ক্ৰমে ডাঙৰ-দীঘল হৈ অহা এটি অজান শিশুৰ বাবে নিজৰ ঘৰখনেই আটাইতকৈ ভাল বিদ্যালয় আৰু শিশুটি মাতৃগৰাকীয়েই আটাইতকৈ ভাল শিক্ষয়িত্ৰী। গতিকে নৱজাত শিশু এটিক সু-পৰিৱেশৰ মাজেৰে বিশেষকৈ শিক্ষাৰ দিশত আগুৱাই নিয়াৰ বেলিকা মাতৃ শিক্ষাৰ অত্যধিক প্ৰয়োজনীয়তাবোধ কৰা হয়। গতিকে এই ক্ষেত্ৰত মাতৃগৰাকীয়ে উপযুক্ত জ্ঞান আহৰণ কৰি সু-শিক্ষিতা হোৱাটো নিতান্ত প্ৰয়োজন। কেৱল পাঠ্যপুথিৰ শিক্ষাই প্ৰকৃত শিক্ষা নহয়। পাঠ্যপুথিৰ পুথিগত শিক্ষাৰ সমান্তৰালকৈ ব্যৱহাৰিক শিক্ষাৰো প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। গুণগত শিক্ষাৰে প্ৰকৃতাৰ্থত শিক্ষিত হোৱাটোহে আমাৰ কাম্য হোৱা উচিত।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ গীতৰ ভাষাৰে—

সূৰ্যোদয় যদি লক্ষ্য আমাৰ<br>
সূৰ্যাস্তৰ পিনে ধাৱমান কিয়?<br>
শীতল বৃষ্টি যদি কাম্য আমাৰ<br>
অনাবৃষ্টি খেদি ফুৰিছো কিয়?

বৰ্তমান আমাৰ সমাজখনত যুৱ মানসিকতাৰ অৱক্ষয় ঘটিছে। একালে শিক্ষা গ্ৰহণৰ জৰিয়তে জ্ঞানৰ বন্তিগছিৰে নিজকে আলোকিত কৰি সমাজৰ প্ৰতি সেৱা আগবঢ়োৱা প্ৰয়াস, আনফালে যুৱ-উচ্ছৃংখলতাৰ প্ৰতিও দুৰ্বলতা প্ৰকাশ কৰি সমৰ্থন আগবঢ়াই নিজকে বিপথগামী কৰি তোলা এয়া যেন একাংশৰ সামাজিক ব্যাধি। গতিকে আমি বিশেষকৈ উচ্চ শিক্ষা গ্ৰহণৰ বাবে আগবাঢ়ি অহা যুৱক-যুৱতীসকলে এই ভয়াবহ ব্যাধি সমাজৰ পৰা দূৰীকৰণৰ ক্ষেত্ৰত চেষ্টা কৰা উচিত। কিয়নো উচ্ছৃংখলতাক প্ৰশ্ৰয় দিয়াটো উচিত নহয়।

যি কি নহওক, নগাঁও জিলাৰ বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ অন্তৰ্গত 'বৰুৱাচুক' নামৰ ঠাইখন ইতিহাস বিজড়িত। মোমাই তামুলী বৰবৰুৱাই 'খৰঙী বৰুৱা'ৰ বিষয়বাব দিয়া (খৰঙী শব্দৰ অৰ্থ হৈছে পাইক), আহোম স্বৰ্গদেউসকলৰ দিনৰপৰাই 'খৰঙী বৰুৱা'ৰ পৰিয়াল বুলি জনাজাত ময়ূৰধ্বজৰ বংশৰ উত্তৰপুৰুষ বিজয়ৰাম বৰুৱাৰ ঔৰসত, লীলাৱতীৰ গৰ্ভত পুৰণিগুদাম বৰুৱাচুকত ইং ১৯০৮ চনৰ ১০ নৱেম্বৰত অসমৰ এগৰাকী বিশিষ্ট লোক-সংস্কৃতিৰ গৱেষক ড° বিৰিঞ্চিকুমাৰ বৰুৱা নামৰ মহান ব্যক্তিগৰাকীয়ে জন্ম গ্ৰহণ কৰিছিল। বিশ্ববিদ্যালয়ৰ অধ্যাপক, সাহিত্যিক, ঔপন্যাসিক— এইগৰাকী মহান ব্যক্তিয়ে মাত্ৰ ৫৪ বছৰ কালহে জীৱন নাটত ভাও দিব পাৰিলে। তেখেতৰ ত্যাগ, আদৰ্শ আৰু গুণৰাজিৰ প্ৰতি শ্ৰদ্ধা জনাই তেখেতৰ পবিত্ৰ স্মৃতিত পুৰণিগুদামৰ মাজমজিয়াত ইং ১৯৬৭ চনত প্ৰতিষ্ঠিত হ'ল 'ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়।' স্থানীয় তথা দূৰ-দূৰণিৰ যিসকল মহানুভৱৰ ত্যাগ আৰু কষ্টৰ

বিনিময়ত উচ্চ শিক্ষা গ্ৰহণৰ এই অনুষ্ঠানটিয়ে জন্ম লাভ কৰিলে, সেই মহাপ্ৰাণ ব্যক্তিসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা আৰু সেৱা যাচিছোঁ আৰু ইতিমধ্যে ইহ সংসাৰৰ পৰা বিদায় লোৱা সকলক সুঁৱৰি তেখেতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

মহাবিদ্যালয়খনত সেৱা আগবঢ়াই ইতিমধ্যে অৱসৰ গ্ৰহণ কৰা কিম্বা স্বৰ্গগামী হোৱা সন্মানীয় বিভিন্ন অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক আৰু কৰ্মচাৰীৰ প্ৰতিও আমাৰ শ্ৰদ্ধা আৰু ভক্তিভৰা অৰ্পণ কৰিছোঁ। এই সুযোগতে বৰ্তমান কৰ্মৰত মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দৰ প্ৰতিও সম্পাদকীয় প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক শলাগ, শ্ৰদ্ধা আৰু সেৱা আগবঢ়াইছোঁ।

বাগ্মীবৰ নীলমণি ফুকনৰ ভাষাৰে ক'বলৈ গ'লে, সাহিত্যই জাতিৰ দাপোণ। সমগ্ৰ ভাৰতবৰ্ষ ইংৰাজৰ শাসনত থকা কালছোৱাতে সাহিত্যসম্ৰাট লক্ষ্মীনাথ বেজবৰুৱা লেখীয়া অসম মাতৃৰ এচাম সুযোগ্য সন্তানে অসম, অসমীয়া জাতি, ভাষা, সাহিত্য, কলা-সংস্কৃতি আদিক জগতত সভাত প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা আগবঢ়াই থৈ গৈছে। জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিবিম্ব স্বৰূপ। ছাত্ৰ সমাজখন হৈছে শিক্ষা জগতৰ অবিচ্ছেদ্য অংগ। আজিৰ ছাত্ৰ-ছাত্ৰীসকলেই হৈছে দেশৰ ভৱিষ্যতৰ মানৱ সম্পদ। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহণৰ লগে লগে সাহিত্য চৰ্চাৰ প্ৰতিও মনোনিবেশ কৰাটো বাঞ্ছনীয়। ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্নিহিত প্ৰতিভাক লিখনিৰ জৰিয়তে বিকশিত কৰি তোলাত ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰতি বছৰেই প্ৰকাশিত 'কৰ্মদা' নামৰ আলোচনীখনৰ সম্পাদনা সমিতিৰ সভাপতি শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ শিক্ষাগুৰুৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ আৰু ইয়াৰ লগত জড়িত সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ প্ৰতিও আন্তৰিক শলাগ যাচিছোঁ। উচ্চ মানদণ্ডৰ এখন আলোচনী প্ৰস্তুতিৰ বাবে লেখা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলকে প্ৰমুখ্য কৰি মোৰ জ্যেষ্ঠ, কনিষ্ঠসমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কৃতজ্ঞতা জনাইছোঁ। প্ৰেছৰ স্বত্বাধিকাৰী ভাণ্ডাৰীৰ তৎপৰতাত আলোচনীখন সময়মতে সুন্দৰকৈ ছপা কৰি দিয়াৰ বাবে তেখেতকে প্ৰমুখ্য কৰি নিৰ্মাণ কাৰ্যত জড়িত প্ৰেছৰ প্ৰতিজন ব্যক্তিলৈ হিয়াভৰা শলাগ যাচিছোঁ।

ড° বিবেকানন্দকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ দৰে এখন আগশাৰীৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ আগবঢ়াই দিয়া সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ প্ৰতি এই প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

এই সুযোগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভালৈ অধিক সক্ৰিয় কাৰ্যপন্থা আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ।

সদৌ শেষত, মহাবিদ্যালয়খনিৰ পৰশত দূৰ-দুৰণিৰ লগতে 'কলং'ৰ দুয়োপাৰৰ বিদ্যাৰ্থী সমাজ শৈক্ষিক দিশত সোণৰ দৰে জিলিকি উঠক— এই শুভ কামনাৰে...

**দীক্ষা শৰ্মা**

# সূচীপত্ৰ

## প্ৰবন্ধ


বহুমুখী প্ৰতিভাৰ অধিকাৰী
মহাপুৰুষ মাধৱদেৱ অঞ্জনা গোস্বামী ৩
কলিয়াবৰ অঞ্চলৰ লোকনৃত্যানুষ্ঠান
'কণীবুঢ়ী নাচ' প্ৰাৰ্থনা হাজৰিকা ৬
নৱকান্ত বৰুৱাৰ কবিতাত লোকমন আৰু আধুনিকতাবাদ ড° পুণ্য লতা খোইহি ৯
অসমীয়া সমাজৰ ন-পুৰণি খেল-ধেমালি পাৰ্থ প্ৰতিম ডেকা ১৪
ভাৰতৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি প্ৰতিভা পাটিল ৰশ্মিৰেখা গগৈ ১৬
অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ পৰম্পৰাগত লোক উৎসৱ দৃষ্টিৰেখা বৰা ১৮
নৱপ্ৰজন্মৰ ওপৰত ইলেক্ট্ৰনিক মিডিয়াৰ প্ৰভাৱ অম্লানজ্যোতি বৰা ২১
খেল-ধেমালি আৰু বৰচাপৰিৰ অঞ্চলৰ কিছু কথা প্ৰবালী শইকীয়া ২৩
শুনিছা আমাৰ গাঁওখনি অতি পল্লৱী খনিকৰ ২৬
সকলোৱে লগত সহাবস্থান কৰাৰ চেষ্টা কৰক গায়ত্ৰী বৰুৱা ২৮
মোৰ কলেজীয়া জীৱনৰ কনভোকেচন সেই স্মৰণীয় দিনটো শামিমা বেগম ৩০
চিৰ সেউজীয়া প্ৰাকৃতিক ৰম্যভূমি হৃদয়ী ৰাধা খাকলাৰী ৩১
বিপন্ন চৰাই (Common Lora) প্ৰতিজ্ঞা বৰা ৩৩
ভূমিকম্প দীক্ষা শৰ্মা ৩৪


## অতিথি লেখকৰ পিতাল


অসমীয়া বধকাব্য : আধাৰ গ্ৰন্থ আৰু মৌলিকতা ড° ধনেশ্বৰ কলিতা ৩৫
বাংলা নদীকেন্দ্ৰিক উপন্যাস ড° শেৱালী ডেকা খনিকৰ ৪৫


## গল্প


বৈতৰণীৰ সিপাৰে খিৰুমণি শইকীয়া ৫৩
বনফুল শৰ্মিষ্ঠা দেৱী ৫৭
সুৰা সমাধি শীতিকা শইকীয়া ৫৯
বেদনা নাজিবা আহমেদ ৬১
ভাৰতীৰ জীৱন কাহিনী বৰ্ণালী দাস বাভা ৬২
মৰীচিকা চিৰঞ্জীত মেধি ৬৪
মোৰ প্ৰেম এক আলেখ্য শৰৎ শৰ্মা ৬৬
পৰিকল্পিত প্ৰতিশ্ৰুতি ৰবিতা বৰা ৬৭
মন্দিৰৰ পণ্ডিত মহমুদা বেগম ৬৮
আত্মঘাতী তাহ্মিনা ইয়াচমিন ৬৯
পদুমকলি গণ্পী গায়ন ৭১

## কবিতা


শৰ্মিষ্ঠা দেৱী ৭৩
অজানদ্বীপ শইকীয়া ৭৩
সুৰজ নায়ক ৭৪
চিত্ৰৰঞ্জন শৰ্মা ৭৪
শৰৎ শৰ্মা ৭৪
বিস্তি বৰা ৭৪
নাচৰিন চুলতানা ৭৫
নাৰায়ণ চডি ৭৫
শিখামণি হাজৰিকা ৭৬
দীক্ষা শৰ্মা ৭৬
চাজিনা ইয়াচমিন ৭৬
কলাৰা বেগম ৭৭
সুৰজ নায়ক৭৭
মুনমী বৰা ৭৮
পথী বৰা ৭৮
ভাস্কৰজ্যোতি ভূঞা ৭৮
নাচিৰা খাতুন ৭৯
ৰাফিনা বেগম ৭৯
বিয়া পাল ৭৯
ভাৱতী নায়ক ৮০
ববিতা ৰবা ৮০
ভাৱতী নাথ ৮০
ৰাধা খাকলাৰী ৮১
দিব্যজ্যোতি মুৰা ৮১
মাহমুদা বেগম ৮১
ৰীমা বানিক ৮২
অনন্ত কায়স্থ ৮২


## চিঠি


৮৫-৮৮


সুমিত্ৰা দাস।। পল্লী হাজৰিকা
জয়শ্ৰী শইকীয়া।। ডলী ডেকা
মিতালী বসুমতাৰী।। শামিমা বেগম
জোন বৰদলৈ।। দিব্যজ্যোতি মুৰা
নীহাৰিকা কেওঁট।। ডলী ডেকা
প্ৰিয়ংকা বাখলা


## English


Economic Development Global Warming and Climate Change **Ajay Kumar Subba** ৯৫
Philosophy and Methodology in Geography **Akashee Bhuyan** ৯১
The formation of the Himalayas **Debita Kemprai**৯৩


## প্ৰতিবেদন


সভাপতিৰ প্ৰতিবেদন ৯৭
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ৯৮
সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ১০০
ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন ১০১
সহকাৰী ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন ১০২
সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ১০৩
সহকাৰী সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ১০৪
সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন ১০৫
ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন ১০৭
ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন ১০৮
তৰ্ক সম্পাদিকাৰ প্ৰতিবেদন ১০৯
ব্যায়ামাগাৰ সম্পাদকৰ প্ৰতিবেদন ১১০
মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ১১১

# প্ৰবন্ধ

# বহুমুখী প্ৰতিভাৰ অধিকাৰী
# মহাপুৰুষ মাধৱদেৱ

**অঞ্জনা গোস্বামী**
সহযোগী অধ্যাপিকা
শিক্ষা বিভাগ

**শ্ৰীমন্ত** শঙ্কৰদেৱৰ প্ৰিয়শিষ্য মাধৱদেৱৰ জন্ম হয় ১৪৮৯ খ্ৰীষ্টাব্দত, বৰ্তমান লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেতেকু পুখুৰীৰ বঙাজান নামৰ ঠাইত। তেখেতৰ পূৰ্বপুৰুষসকল কনৌজৰ পৰা আহি বৰ্তমানৰ বাংলাদেশৰ বণ্ডুকাত বাস কৰিছিল। মাধৱদেৱৰ পিতৃ হ'ল গোবিন্দগিৰি। তেখেতৰ প্ৰথমা পত্নী অনুসূয়াই দামোদৰ নামৰ এটি পুত্ৰ সন্তান জন্ম দি স্বৰ্গগামী হয়। কিছুদিনৰ পাছত গোবিন্দগিৰিয়ে বণ্ডুকা ত্যাগ কৰি বৰদোৱালৈ গৈ কুসুম্বৰ ভূঞাৰ পৰিয়ালৰ মনোৰমা আইক বিয়া কৰায়। বৰদোৱাৰ পৰা গোবিন্দগিৰি আৰু তেওঁৰ পত্নী বহুতো বিপৰ্যয়ৰ মাজেৰে আহি নাৰায়ণপুৰৰ উজীৰ হৰিশিঙা (হৰসিংহ) ৰবাৰ ঘৰত থিতাপি লয়, আৰু ইয়াতেই এই মহাপুৰুষজনাই জন্ম লাভ কৰে।

মহাপুৰুষ মাধৱদেৱৰ শৰীৰত আৰু বুদ্ধিৰ তীক্ষ্ণতাত মহাপুৰুষৰ লক্ষণসমূহ সকলো পৰাই পৰিলক্ষিত হৈছিল। কিন্তু হৰিশিঙা উজীৰৰ লগতো বিভিন্ন দুৰ্যোগ আহি পৰাত গোবিন্দগিৰিৰ পৰিয়াল ঘাঘৰিত থকা তেওঁৰ পুৰণা বন্ধু গোবিন্দ মাঝিৰ ঘৰ পায় তাতে থাকিবলৈ লয়। এই মাঝিৰ ঘৰতে মাধৱদেৱৰ ভগ্নী উৰ্বশীৰ জন্ম হয়। উৰ্বশী ক্ৰমান্বয়ে বিবাহোপযোগী হোৱাত ভবানীপুৰিৰ গয়াপানী ওৰফে ৰামদাসৰ লগত বিয়া দি মাধৱদেৱ আৰু তেখেতৰ পিতৃয়ে মনোৰমা আইক উৰ্বশীৰ লগত থৈ পুনৰ বণ্ডুকালৈ প্ৰত্যাবৰ্তন কৰে।

বণ্ডুকাত মাধৱদেৱক ভাতৃ দামোদৰদেৱে ৰাজেন্দ্ৰ অধ্যাপকৰ টোলত ভৰ্তি কৰি শিক্ষা লাভৰ সুবিধা প্ৰদান কৰে। অতি কমদিনতে মাধৱদেৱে বিভিন্ন

মহাপুৰুষ শংকৰদেৱৰ সিঁচৰতি হৈ থকা কীৰ্তনঘোষা ভাগিন ৰামচৰণ ঠাকুৰৰ হতুৱাই সংগ্ৰহ কৰি অপূৰণীয়া সম্পদটি যতিতিযুগীয়া কৰি অসমীয়াৰ লগতে বিশ্ববাসীকো তাৰ অমৃত পান কৰাৰ সুবিধা দিলে।

শাস্ত্ৰৰ উপৰিও হিচাব ৰক্ষক হিচাপে দক্ষতা অৰ্জন কৰে। তেনে সময়তে তেখেতৰ পিতৃ গোবিন্দগিৰিৰ মৃত্যু হোৱাত তেওঁ পুনৰ মাতৃদেৱীৰ ওচৰলৈ যাবলৈ মন মেলে। কিন্তু বাটত মাতৃদেৱীৰ অসুস্থতাৰ কথা শুনি মাতৃৰ আৰোগ্যৰ বাবে এহাল ছাগলী বলিৰ বাবে আগবঢ়ায়, আৰু ইয়েই শংকৰ-মাধৱৰ মণিকাঞ্চন সংযোগৰ বাবে এক সংযোগকাৰী অধ্যায় হিচাপে সূচনা হয়। ধুৱাহাট বেলগুৰিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ লগত বলি দিয়া সম্পৰ্কে তৰ্কত অৱতীৰ্ণ হয় আৰু শেষত শংকৰদেৱৰ একশৰণ ধৰ্মৰ অনুগামী হয়। মাধৱদেৱে মহাপুৰুষ শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি ১৫৯৬ চনত স্বৰ্গগামী হোৱালৈকে তেখেতৰ পদ অনুসৰণ কৰি অসমীয়া সমাজলৈ এক বৃহৎ অৱদান আগবঢ়ায়। সেয়েহে কলাগুৰু বিষ্ণু ৰাভাৰ তুলিকাত দুয়ো এক হৈ প্ৰকাশ পাইছে।

মহাপুৰুষ মাধৱদেৱ আছিল একেবাৰে এজন সু-গায়ক, সু-কৰি, প্ৰকৃত ভক্ত আদিৰ উপৰিও এজন নান্দনিক চেতনাৰে সমৃদ্ধ নাট্যকাৰ, বয়নশিল্পী, সংগঠক আৰু গণতান্ত্ৰিক ভাৱধাৰা বিশ্বাসী লোক। মাধৱদেৱ মহাপুৰুষ শংকৰদেৱৰ লগত দ্বিতীয়বাৰ তীৰ্থভ্ৰমণকে আদি কৰি সকলোবিলাক বৌদ্ধিক দিশৰ সংগী আছিল। সুগায়ক আৰু কবি হিচাপে তেখেতে শংকৰদেৱৰ অনুৰোধ ৰক্ষা কৰি বৰগীতসমূহ ৰচনা কৰিছিল আৰু সুৰ দিছিল। শংকৰদেৱৰ বৰগীতসমূহৰ সৰহভাগ কমলা গায়নে শিকিবলৈ নিয়াৰ পাছত বনপোৰা জুইত হেৰাই যোৱাত তেখেতৰ বুকুৰ বান্ধৱ মাধৱদেৱক বৰগীত ৰচনা কৰিবৰ বাবে অনুৰোধ কৰিছিল। তেতিয়া মাধৱদেৱে শংকৰদেৱৰ বৰগীতৰ ৩৪ (চৌত্ৰিশ) টা সংগ্ৰহ কৰি আৰু নিজেও কিছু ৰচনা কৰি মুঠতে ১৯১ (এশ একানব্বৈ) টা বৰগীত গোটালে। তেখেতৰ বৰগীতসমূহত দাস্য আৰু বাৎসল্য ভাৱৰ সুন্দৰ প্ৰকাশ পাইছে। যশোদাৰ পুত্ৰ স্নেহ, ভগৱানৰ লীলা, প্ৰাকৃতিক সৌন্দৰ্য আদি তেখেতৰ বৰগীতৰ বৈশিষ্ট্য। উদাহৰণস্বৰূপে জাগৰণ গীতসমূহত পুৱাৰ সুন্দৰ প্ৰাকৃতিক সৌন্দৰ্য প্ৰকাশ পাইছে। তেনে বৰগীতৰ এটি স্তৱক হ'ল—

ৰজনী বিদুৰ দিশ ধৱলী বৰণ।
তিমিৰ ফেৰিয়া ৰাজ ৰবিৰ কিৰণ।।
শতপত্ৰ বিকশিত ভ্ৰমৰ উৰায়।
ব্ৰজবধূ দধি মথে তুৱা গুণ গাই।।

'পাচে গুৰুজনে বোলে
বঢ়াৱপো তোমাৰ মিতাৰ
শাস্ত্ৰ কবিতা গুচাৱ
খোজে, আমি ধৰো
গোৱত তুমি হোৱা আগে।
তেহে আদ্য, উত্তৰা
কৰিছে'

মানৱ জীৱনৰ বিভিন্ন আবেগ, অনুভূতি তেখেতৰ বৰগীতত ফুটি উঠিছে। বৰগীতসমূহৰ মনোমুগ্ধকাৰী আৰু মৰ্মস্পৰ্শী গুণৰ বাবে ১৫ শ (পোন্ধৰ শ) শতিকাৰ পৰা বৰ্তমান শতিকালৈকে ইয়াৰ গতি তিলমাত্ৰও ম্লান পৰা নাই। যাৰ বাবে বিদেশী লোকসকলেও অসমৰ বিভিন্ন ঠাইত বৰগীতৰ প্ৰশিক্ষণ লৈ চাৰিও দিশে প্ৰচাৰ কৰিছে। তীৰ্থনাথ শৰ্মাৰ ভাষাত—'In the elegance softness and music of his poetic dictions as well as in point of richness of sentiment of Borgits of Madhabdeva will stand comparison with composition of other master song writers of India'. (কাকতি ঃ১৬৫)

একান্ত গুৰুভক্ত হিচাপে গুৰুৰ প্ৰতিটো আদেশ, অনুৰোধ ৰক্ষা কৰিছিল মাধৱদেৱে। মহাপুৰুষ শংকৰদেৱৰ অনুৰোধত সেয়ে তেওঁ আদিকাণ্ড ৰামায়ণ ৰচনা কৰে। 'পাচে গুৰুজনে বোলে বঢ়াৱপো তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা গুচাৱ খোজে, আমি ধৰো গোৱত তুমি হোৱা আগে। তেহে আদ্য, উত্তৰা কৰিছে' (লেখাৰু ঃ ১১৯) মাধৱদেৱৰ আদিকাণ্ড বাল্মীকি ৰামায়ণৰ অনুবাদ যদিও ইয়াত তেখেতৰ কল্পনা শক্তিয়ে প্ৰাধান্য লাভ কৰিছে। ইয়াৰ বৰ্ণনা পঢ়িলে এনে অনুভৱ হয় যে এইখন মাধৱদেৱৰ মৌলিক সৃষ্টি। কাৰণ ইয়াত অসমীয়া জনবিশ্বাস, যোজনা, পটন্তৰ আদিৰ অপূৰ্ব সমাহাৰ দেখা যায়। উদাহৰণস্বৰূপে—

দক্ষিণ নয়নস্পন্দে দক্ষিণ হৃদয়।
পুত্ৰ হৈব হেন নৃপতিৰ মনে লয়।।

মাধৱদেৱ যদিও শংকৰদেৱৰ একান্ত অনুগামী আছিল তথাপি তেওঁৰ ৰচনাসমূহত এক নিজস্ব ৰীতি পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে শংকৰদেৱৰ দৰে নাট ৰচনা কৰিছিল যদিও তেওঁৰ নিজস্ব বৈশিষ্ট্যৰ বাবে তাক ঝুমুৰাহে বোলা হয়। অৱশ্যে অৰ্জুন ভঞ্জনক নাট জ্ঞান কৰে। মাধৱদেৱৰ নাটসমূহত বাৎসল্য ভাৱৰ লগতে হাস্যভাৱৰো প্ৰকাশ পাইছে। নাটসমূহত আখ্যানৰ পৰিৱৰ্তে নৃত্য, শিশুৰ চতুৰালি, মাতৃস্নেহৰ প্ৰকাশ পাইছে। অৱশ্যে প্ৰতিখন ঝুমুৰাতে ভগৱান শ্ৰীকৃষ্ণৰ অলৌকিক মহিমা বিৰাজমান। মাধৱদেৱ এজন সু-অভিনেতাও আছিল। নৃসিংহ যাত্ৰাত নিজে নৃসিংহৰ অভিনয় কৰি ৰাইজক আমোদ দিছিল। নামঘোষা মাধৱদেৱৰ সৃষ্ট এক আপুৰুগীয়া সম্পদ। ইয়াত মুঠতে এহেজাৰ ঘোষা ছয়টা ছন্দত লিখা আছে। সেয়ে ইয়াক হাজাৰী ঘোষা বোলা হয়। কোনো কাহিনী নথকাকৈ ভগৱানৰ ভক্তিক নামৰ দ্বাৰা সৰ্বসাধাৰণ লোকক মোহিত কৰাটো কঠিন কাম। কিন্তু মহাপুৰুষজনাই এই কঠিন কামকো এক নতুন গতিৰে নামধৰ্ম প্ৰচাৰত অৰিহণা যোগালে। মাধৱদেৱে ঠিক কেতিয়া নামঘোষা ৰচনা কৰিবলৈ লৈছিল কোৱা টান। কথাগুৰু চৰিতৰ মতে শ্ৰীমন্ত শংকৰদেৱৰ আজ্ঞা অনুসৰি ইয়াক ৰচা হয়। মহাপুৰুষ শংকৰদেৱৰ তিৰোভাৱৰ পাছতহে ইয়াৰ ভালেখিনি ঘোষা লিখা হৈছিল। (নেওগ ঃ ১৮৯)



কৰ্ষণ ▸ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ▸ ২০১৬-২০১৭ চন

নামঘোষা হৈছে মাধৱদেৱৰ সাহিত্যিক আৰু আধ্যাত্মিক জীৱনৰ কাৰ্তিস্তম্ভ। Namghosa is the magnum opus of his literacy life and probably of the religions literature period (Sarma : 165)।

গুৰু শংকৰদেৱৰ আদেশত তেখেতে গুৰুৰ পৰা লাভ কৰা জ্ঞানৰ প্ৰকাশ ঘটে 'নামঘোষা'ৰ মাধ্যমেৰে। নামঘোষা হ'ল তালফল সদৃশ, বাহিৰত যেনে কোমল ইয়াৰ ভিতৰৰ অৰ্থ অতি কঠিন। তথাপি ইয়াৰ সুৰ, লয় আৰু শব্দই বৰ্তমান বিদ্যালয়ৰ পৰা আৰম্ভ কৰি নামঘৰ, মন্দিৰ, সত্ৰ, থান অথবা গৃহস্থী সকলোতে জন্মৰ পৰা মৃত্যু অনুষ্ঠানলৈকে পুৱা-গধূলি বিদ্যমান। ড° বাণীকান্ত কাকতিদেৱে ইয়াক মহাপ্ৰস্থানিক গীত হিচাপে আখ্যা দিছে।

মাধৱদেৱে লিখা আনখন প্ৰসিদ্ধ গ্ৰন্থ হ'ল ৰাজসূয় কাব্য, য'ত শ্ৰীকৃষ্ণৰ গুণ-গৰিমা, জগত সৃষ্টিৰ কাৰণ আৰু লীলাৰ উপৰি শ্ৰৱণ, কীৰ্তন আৰু ভক্তিৰ দ্বাৰা ভগৱানক সন্তুষ্ট কৰি কিদৰে মানৱ জাতিয়ে বিপদৰ পৰা মুক্ত হৈ আনন্দ লভিব পাৰে তাৰ বৰ্ণনা দাঙি ধৰিছে।

তদুপৰি বিষ্ণুপুৰী সন্ন্যাসীৰ ভক্তি ৰত্নাৱলীৰ পদ ভাঙনি কৰে মাধৱদেৱে। কণ্ঠভূষণৰ মতে—ই শাস্ত্ৰ ভকতৰ সৰ্বস্ব, বৈষ্ণৱৰ হিয়াৰ বস্তু। (নাথ ঃ ২৬)

মহাপুৰুষ শংকৰদেৱৰ সিঁচৰতি হৈ থকা কীৰ্ত্তনঘোষা ভাগিন ৰামচৰণ ঠাকুৰৰ হতুৱাই সংগ্ৰহ কৰি আপুৰুগীয়া সম্পদটি যাউতিযুগীয়া কৰি অসমীয়াৰ লগতে বিশ্ববাসীকো তাৰ অমৃত পান কৰাৰ সুবিধা দিলে।

'জয়গুৰু শংকৰ সৰ্ব্ব গুণাকৰ' বুলি ভটিমাটি ৰচনা কৰি নাম, দেউ, ভকতৰ লগত গুৰুকো প্ৰতিষ্ঠিত কৰে। বৰ্তমান সময়লৈকে পৃথিৱীত এনে সুন্দৰ গুৰু বন্দনা দ্বিতীয় এটি সৃষ্টি হোৱা নাই।

সংসাৰৰ মায়াৰ পৰা আঁতৰি নাম, দেউ, ভকত আৰু গুৰু এই চাৰি বস্তুকে জীৱনৰ সংগী কৰি লৈছিল। নিজৰ আদৰ্শত অটল মাধৱদেৱ শংকৰদেৱৰ প্ৰিয় শিষ্য যদিও, তেখেত একবাৰী উদাসীন ভক্তহে আছিল। গুৰুৱে বিবাহৰ কথা কোৱাত তেখেতে গড় নৰখাকৈ খুঁজাজনহে প্ৰকৃত খুঁজাৰু বুলি যুক্তি দৰ্শাইছিল।

মাধৱদেৱ আছিল গণতান্ত্ৰিক চিন্তাধাৰাৰ সমৰ্থক ব্যক্তি। গণতান্ত্ৰিক পদ্ধতিৰে যি কেইখন সত্ৰত সত্ৰাধিকাৰ নিৰ্বাচন কৰা হয় সেয়া তেখেতৰ চিন্তাধাৰাৰ ফল। ভকতসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ বৰ্তমান সমবায় পদ্ধতিৰ দৰে সকলোৰে মাজত বিতৰণ কৰাৰ বাবে তেখেতক বহুতে অসমৰ সমবায় পদ্ধতিৰ পথ প্ৰদৰ্শক বুলিও অভিহিত কৰে।

এইজনা মহাপুৰুষৰ কৰ্মৰাজি আৰু গুণৰাজি অতি বিস্তৃত। মহাপুৰুষ শংকৰদেৱৰ ক্ষেত্ৰত কবি যতীন্দ্ৰনাথ দুৱৰাদেৱে বৰ্ণনা কৰা কথাখিনি মাধৱদেৱৰ ক্ষেত্ৰতো প্ৰযোজ্য—

'তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ
সমগ্ৰ অসম জুৰি বিস্তৃত জীৱনী যাৰ।'

মাধৱদেৱৰ অসাধাৰণ গুণসমূহৰ বাবে তেখেতকো 'মহাপুৰুষ' উপাধিৰে বিভূষিত কৰিছে। বৰ্তমানৰ নতুন প্ৰজন্মই এইজনা মহাপুৰুষৰ আদৰ্শৰে নিজকে গঢ় দি তুলিব পাৰিলে গুৰু-শিষ্যৰ মধুৰ সম্পৰ্ক সদায় জিলিকি ৰ'ব, লগতে নৃত্য-গীত, কবিতা আৰু সুকুমাৰ কলাত জগতত আগস্থান লভিবলৈ সক্ষম হ'ব। সেয়েহে পাঠ্যক্ৰমত মাধৱদেৱৰ কৃতি আৰু কৃতিত্ব সম্পৰ্কে অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক নান্দনিক চেতনা, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ জগাই তোলাটো সকলোৰে কৰ্তব্য।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

ইংৰাজী

i) Bharali, Arunima : Assamese Culture, Chandra Prakash, Guwahati, 2009
ii) Borkakoti, S.Kr.: Mahapurush Sri Sri Madhavadeva, A life Sketch, 2005
iii) Kakati, Banikanta : Sankardeva, Madras, 1921
iv) Goswami, Prbitrapran : Borgit, A musicological explosation, New era media Service, Jorhat, 2001
v) Neog, Maheswar : Sankardeva and his times, Lawyer's Book Stall, Guwahati, 1998
vi) Sarma, Satyendranath : The new Vaisnevite Movement and the Sattra Institute of Assam, Guwahati University', 2016

অসমীয়া

vii) চলিহা, ভৱপ্ৰসাদ ঃ মাধৱদেৱৰ সাহিত্য প্ৰতিভা, গুৱাহাটী, ১৯৮৭
viii) দত্তবৰুৱা, হৰিনাৰায়ণ ঃ মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত বৰগীত, গুৱাহাটী-১, ১৯৯৯
ix) নাথ, জীৱকান্ত ঃ মহাপুৰুষ মাধৱদেৱ, শ্ৰীমন্ত শংকৰদেৱ সংঘ, নগাঁও, ২০১৪
x) লেখাৰু, উপেন ঃ কথা গুৰুচৰিত, হৰিনাৰায়ণ দত্তবৰুৱা, ১৯৫২।

# কলিয়াবৰ অঞ্চলৰ লোকনৃত্যানুষ্ঠান
# ক'লীবুঢ়ী নাচ

**প্ৰাৰ্থনা হাজৰিকা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

মেজি পোৰা ছাই গা-মুখত সানি ধেমালি কৰাৰ লগতে বিশেষকৈ বয়সীয়া বা বৃদ্ধ তিৰোতাই নৃত্য-গীতত অংশ লোৱাৰ বাবেই এই নৃত্যানুষ্ঠানক 'ক'লীবুঢ়ী নাচ' বুলি কোৱা হয়। এই অনুষ্ঠানত পুৰুষৰ প্ৰৱেশ বা উপস্থিতি সম্পূৰ্ণৰূপে নিষিদ্ধ। উল্লেখযোগ্য যে সম্পূৰ্ণভাৱে স্বকীয় বৈশিষ্ট্য সম্বলিত, একক এই নৃত্যানুষ্ঠানৰ লগত বিহুগীত-নৃত্যৰ লগতে অসমৰ অন্যান্য লোকনৃত্য-নাট্যানুষ্ঠানৰো বিবিধ সাদৃশ্য পৰিলক্ষিত হয়। প্ৰবন্ধটিৰ জৰিয়তে কলিয়াবৰৰ উল্লেখযোগ্য এই অনুষ্ঠানটোৰ পৰিচয় দিয়াৰ লগতে তাৰ সামগ্ৰিক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

**প্ৰস্তাৱনা ঃ** অসমৰ নগাঁও জিলাৰ পূব দিশত অৱস্থিত এখনি ইতিহাস প্ৰসিদ্ধ অঞ্চল ঐতিহ্যমণ্ডিত কলিয়াবৰ। স্বকীয় ঐতিহ্যৰে অসমৰ ইতিহাসত নাম খোদিত কৰা কলিয়াবৰৰ সাংস্কৃতিক ক্ষেত্ৰখনো যথেষ্ট জীপাল। বাৰেৰহণীয়া আৰু বৈচিত্ৰ্যপূৰ্ণ লোক-সাংস্কৃতিক উপাদানসমূহে অঞ্চলটোক সাংস্কৃতিক দিশৰ পৰা যথেষ্ট চহকী আৰু সমৃদ্ধিশালী হৈ উঠাত সহায় কৰিছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি কলিয়াবৰত লোক-সংস্কৃতিৰ অন্তৰ্গত বিবিধ লোক-অনুষ্ঠানৰ প্ৰচলন হৈ আহিছে সুদূৰ অতীতৰে পৰা। লোক-সংস্কৃতিৰ বিচিত্ৰ ৰূপৰ মাজত এনে কেতবোৰ স্বকীয় বিশেষত্বপূৰ্ণ অনুষ্ঠান আছে, যি অঞ্চলটোৰ লগতে সমগ্ৰ অসমৰ লোক সাংস্কৃতিক সমৃদ্ধ কৰি তোলাত সহায়ক হৈছে। কলিয়াবৰৰ সাংস্কৃতিক জগতখনত পৰিলক্ষিত এনে এপদ একক অনুষ্ঠান 'ক'লীবুঢ়ী নাচ'। কলিয়াবৰৰ সোণাৰি আৰু কামাখ্যা গাঁৱত মাঘ বিহু বা ভোগালী বিহুৰ সময়ত পৰম্পৰাগতভাৱে এই অনুষ্ঠান প্ৰচলিত হৈ আহিছে।

লোক-সংস্কৃতিৰ এক উল্লেখযোগ্য বিভাগ হৈছে লোক-পৰিৱেশ্য কলা। গীত, নৃত্য আৰু অভিনয়ৰ অপূৰ্ব সমাহাৰ এই ক'লীবুঢ়ী নৃত্যানুষ্ঠান লোক-পৰিৱেশ্য কলাৰ অন্তৰ্ভুক্ত এক উল্লেখযোগ্য নৃত্য-নাট্যৰ অনুষ্ঠান ৰূপে চৰ্চিত হৈছে। মাঘ বিহুৰ সময়ত মেজি জ্বলোৱাৰ অন্তত সোণাৰি আৰু কামাখ্যা গাঁৱৰ আদহীয়া আৰু বয়সীয়া মহিলাসকলে মিলি গীত-নৃত্যত অংশ লয়। মেজি পোৰা ছাই গা-মুখত সানি ধেমালি কৰাৰ লগতে বিশেষকৈ বয়সীয়া বা বৃদ্ধ তিৰোতাই নৃত্য-গীতত অংশ লোৱাৰ বাবেই এই নৃত্যানুষ্ঠানক 'ক'লীবুঢ়ী নাচ' বুলি কোৱা হয়। এই

মাঘ বিহুৰ সময়ত মেজি জ্বলোৱাৰ অন্তত সোণাৰি আৰু কামাখ্যা গাঁৱৰ আদহীয়া আৰু বয়সীয়া মহিলাসকলে মিলি গীত-নৃত্যত অংশ লয়। মেজি পোৰা ছাই গা-মুখত সানি ধেমালি কৰাৰ লগতে বিশেষকৈ বয়সীয়া বা বৃদ্ধ তিৰোতাই নৃত্য-গীতত অংশ লোৱাৰ বাবেই এই নৃত্যানুষ্ঠানক 'ক'লীবুঢ়ী নাচ' বুলি কোৱা হয়।





অনুষ্ঠানত পুৰুষৰ প্ৰৱেশ বা উপস্থিতি সম্পূৰ্ণৰূপে নিষিদ্ধ। উল্লেখযোগ্য যে সম্পূৰ্ণভাৱে স্বকীয় বৈশিষ্ট্য সম্বলিত, একক এই নৃত্যানুষ্ঠানৰ লগত বিহুগীত-নৃত্যৰ লগতে অসমৰ অন্যান্য লোকনৃত্য-নাট্যানুষ্ঠানৰো বিবিধ সাদৃশ্য পৰিলক্ষিত হয়। প্ৰবন্ধটিৰ জৰিয়তে কলিয়াবৰৰ উল্লেখযোগ্য এই অনুষ্ঠানটোৰ পৰিচয় দিয়াৰ লগতে তাৰ সামগ্ৰিক আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

**বিষয়বস্তুৰ বিশ্লেষণ ঃ** কলিয়াবৰৰ ক'লীবুঢ়ী নাচ জাতীয় উৎসৱ বিহুৰ দৰেই এক বৈশিষ্ট্যপূৰ্ণ অনুষ্ঠান। এই নৃত্য কলিয়াবৰৰ এক উল্লেখযোগ্য সাংস্কৃতিক সম্পদ। কলিয়াবৰৰ এটি বিশেষ অঞ্চল সোণাৰি আৰু কামাখ্যা গাঁৱতহে এই নৃত্যানুষ্ঠানৰ প্ৰচলন দেখা যায়। মাঘৰ বিহুত মেজিঘৰ বা হাৰলিঘৰ পোৰাৰ দিনা ভাটিবেলা এই অনুষ্ঠান অনুষ্ঠিত হয়। সোণাৰি-কামাখ্যা গাঁৱৰ আঠখেলৰ বাইজ লগ হৈ পথাৰৰ মাজত সজা মেজিঘৰত জুই দিয়ে। মেজি পোৰা স্থানৰ পৰা মহিলাসকল উভতি নগৈ আহুতীয়া ঠাই হোকোৰাগুৰি নামৰ ঠাইত গোট খাই নৃত্য-গীত কৰে। এই নৃত্যানুষ্ঠানত অংশ লোৱা বয়সস্থ মহিলাসকলে মেজি পোৰা ছাই গা-মুখত সানি লৈ ৰং-ৰহইচ কৰি গীত-নৃত্য কৰে। মুখত ক'লা ছাই সানি লোৱাৰ বাবে এই নৃত্য 'ক'লীবুঢ়ী নাচ' বুলি পৰিচিত হোৱাৰ কথা প্ৰচলিত হৈ আহিছে। এই নৃত্যত মহিলাসকলে পৰিৱেশন কৰা গীতসমূহ যথেষ্ট বিশেষত্বপূৰ্ণ। বিহুগীত, ভক্তিমূলক গীত আদিৰ মিশ্ৰিত উপাদান এই গীতসমূহত সন্নিবিষ্ট হৈ থকা দেখা যায়। ক'লীবুঢ়ী নৃত্যত পৰিৱেশিত গীতবাজিক লোকগীতৰ উল্লেখযোগ্য প্ৰকাৰ অনুষ্ঠানমূলক লোকগীতৰ শ্ৰেণীত পেলাব পাৰি। এই গীতসমূহৰ বিষয়বস্তু ভিন্ন ভিন্ন হোৱা পৰিলক্ষিত হয়। ক'লীবুঢ়ী নাচত গোৱা গীতত বিহুগীতৰ স্বৰূপ এনেধৰণৰ—

'হাতো মেলি হালধি
ঘঁহিম মই মালতী
চুলি মেলি ঘঁহিম মই তেল
খৰাগড়ৰ মূৰলৈ
যামেই মই মালতী
ভাঙিম ডেকা ল'ৰাৰ মেল।
গাততে লুকালে
গাঁতৰে ঢেঙেলি
লুইতত লুকালে অ' চিতল
আজি আমাৰ ক'লীবুঢ়ী নাচিলে
বিৰিভাৰ জোপাতে লুকাল।' ইত্যাদি

এই গীতসমূহত কলিয়াবৰ অঞ্চলৰ বিভিন্ন বৰ্ণনাৰ লগতে ভগবানৰ গুণানুকীৰ্তনৰো প্ৰকাশ লক্ষণীয়—

'এইখন কলিয়াবৰ ঐ মালতী
এইখন কলিয়াবৰ
ছত্ৰিশ এখন সত্ৰ বাৰখন থান
ধৰ্মই বেঢ়ি আছয়।
প্ৰথমে প্ৰণামো লক্ষ্মী সৰস্বতী
দ্বিতীয়ত প্ৰণামো বাইজ
সোণাৰি কামাখ্যাই ক'লীবুঢ়ী নচুৱাই
ক'লীবুঢ়ী গীতকে গায়।'

উল্লেখযোগ্য যে ক'লীবুঢ়ী নাচৰ গীতসমূহ মূলতঃ বিহুসুৰীয়া যদিও অসমৰ এক বিশিষ্ট লোকনাট্যানুষ্ঠান ওজাপালিৰ সুৰৰ প্ৰাধান্যও ইয়াত অনুভূত হয়।

জেং বিহুৰ অনুৰূপ ক'লীবুঢ়ী নৃত্যতো মহিলাসকলে সমবেত হৈ নৃত্য-গীতত অংশগ্ৰহণ কৰে। অৱশ্যে জেং বিহুত সকলো বয়সৰ বোৱাৰী, মহিলাই ভাগ লোৱাৰ বিপৰীতে ক'লীবুঢ়ী নাচত কেৱল আদহীয়া আৰু বৃদ্ধা মহিলাসকলেহে অংশ লয়। ন বোৱাৰী বা কম বয়সীয়া বোৱাৰীয়ে এই নৃত্যত অংশগ্ৰহণ কৰা দেখা নাযায়। এই নৃত্যত এগৰাকী প্ৰধান নাচনী বা নামতী থাকে আৰু তেওঁ মূৰত কাপোৰৰ পাগুৰি মাৰি নৃত্য কৰে। তেওঁ অঙ্গ সঞ্চালন কৰি নাম লগাই দিয়ে আৰু লগে লগে পালিসকলে গোৱা আৰম্ভ কৰে। গীতৰ লগে লগে হস্ত আৰু পদচালনা কৰি ঘূৰি ঘূৰি মহিলাসকলে নৃত্য কৰে। গীতসমূহ বিহুসুৰীয়া যদিও এই নৃত্যৰ উপস্থাপন শৈলীত পৃথকতা দেখা যায়। বিহুনৃত্যৰ দৰে মুদ্ৰা, যৌনভঙ্গিমা আদিৰ প্ৰয়োগ ইয়াত দেখা নাযায়। কেৱল হাত আৰু কঁকাল ঘূৰাই-ঘূৰাই মাৰ্জিতভাৱে এই নৃত্য কৰা হয়। গীতসমূহতো ভিন ভিন সুৰৰ অৱস্থিতি প্ৰত্যক্ষ কৰিব পাৰি।

গীত আৰু নৃত্যৰ সমান্তৰালভাৱে অভিনয়ৰ অৱস্থিতি ক'লীবুঢ়ী নৃত্যানুষ্ঠানৰ উল্লেখযোগ্য বিশেষত্ব। পৰম্পৰাগত অসমীয়া ভাওনা আৰু ওজাপালিৰ উপস্থাপন ৰীতিৰ সৈতে এই নৃত্যৰ কিছু সাদৃশ্য দেখা পোৱা যায়। মূল নামতীগৰাকীয়ে ভাওনাৰ সূত্ৰধাৰীৰ দৰে ভঙ্গিমা কৰি ঘূৰি ঘূৰি নাম লগাই দিয়ে। নৃত্যৰ মাজে মাজে নাচনীসকলে ভাওনাৰ ভাৱৰীয়াৰ দৰে পদ সঞ্চালন কৰাও পৰিলক্ষিত হয়। অৱশ্যে সাজ-পাৰৰ ক্ষেত্ৰত তেওঁলোকে চাদৰ, ৰিহা আৰু মেখেলাই পৰিধান কৰে।

বিহু, ভাওনা, ওজাপালি আদি বিভিন্ন সাংস্কৃতিক উপাদানৰ প্ৰভাৱেৰে পৰিপুষ্ট হৈয়ো স্বকীয় বিশেষত্বৰ দ্বাৰা অঞ্চলটোৰ লগতে সমগ্ৰ অসমৰ লোক-সংস্কৃতিৰ পথাৰখনকো সমৃদ্ধি প্ৰদান কৰিছে। উল্লেখনীয় যে সোণাৰি আৰু কামাখ্যা গাঁৱৰ বাদে কলিয়াবৰৰ আন কোনো গাঁও বা অঞ্চলত এই নৃত্যানুষ্ঠান অনুষ্ঠিত হোৱা দেখা নাযায়।

সেইলৰে মূল নামতীগৰাকীয়ে ওজাপালিৰ ওজাৰ দৰে ভূমিকা গ্ৰহণ কৰে বুলিও ক'ব পাৰি।

'ওজাপালিত ওজা আৰু দাইনাপালিয়ে সমজুৱাৰ মনোৰঞ্জনৰ বাবে যিদৰে ৰসিকতা কৰে, ভাওনাত দূত আৰু বহুৱাই যেনেকৈ হাস্যৰসেৰে দৰ্শকক আপ্লুত কৰিবলৈ চেষ্টা কৰে, তেনেদৰে ইয়াতো অভিনয় আৰু ৰসাত্মক গীত-মাতেৰে হাস্য-ৰস সৃষ্টি কৰা দেখা যায়—

'কঁকালটো হেকেৰা
মুখখন পকা থেকেৰা
চুলি যদিও মোৰ পকা
মোৰ লগত ভাণ্ডি দিলে
আগৰ দিনত ল'ৰাইতে শ শ টকা।'

(বৰা, কলিয়াবৰৰ লোকসংস্কৃতিত ক'লীবুঢ়ী নাচ, পৃঃ ২১৯)

নাৰীসকলে হাতৰ চাপৰিৰে তাল ৰাখি গীতসমূহ গাই গাই নৃত্য কৰে। লগতে বাঁহৰ টকা আৰু সৰু তালৰ দৰে থলুৱা বিভিন্ন বাদ্যযন্ত্ৰৰ ব্যৱহাৰো এই নৃত্যানুষ্ঠানত লক্ষণীয়।

উজনি অসমৰ যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া আদি জিলাৰ কিছুমান অঞ্চলত 'কুলাবুঢ়ী নাচ' বুলি এক লোক-নৃত্যানুষ্ঠান প্ৰচলনৰ তথ্য পোৱা যায়। বিশিষ্ট লেখক ৰঞ্জিত কুমাৰ বৰাই অনুসন্ধান কৰি কলিয়াবৰৰ 'ক'লীবুঢ়ী নাচ'ক উজনিৰ 'কুলাবুঢ়ী নাচ'ৰে এটি থলুৱা পৰিৱৰ্তিত ৰূপ বুলি মত প্ৰকাশ কৰিছে। তেওঁৰ মতে, 'মেলেং-কাকজান পৰ্যন্ত যোৰহাট অঞ্চলত সাধাৰণতে বিয়াৰ আগদিনাখন ৰাতি গাঁঠিয়ন খুন্দি কইনাক যেতিয়া নোৱাবলৈ আয়োজন কৰি বেইৰ ৰৱণীৰাত বহুৱাই, তেতিয়া কইনাৰ মূৰৰ ওপৰত এখন চাদৰ তৰি দিয়া হয়। সেই চাদৰৰ ওপৰত ধান, ক'লা ছাই, খোলাকটি আদি দিয়া হয় আৰু পাছত সেইবোৰ একজনী বুঢ়ী মানুহে কুলা এখনত লয় আৰু লগৰীয়া তিৰোতা মানুহৰ লগত গীত গাই নাচে। সেই সময়ত কুলাবুঢ়ীয়ে গোৱা গীত এনে ধৰণৰ—

'চৰাই চিৰিকটি পণ্ড পতং
কুলাবুঢ়ী নাচিছে জপং জপং
নাচ কুলাবুঢ়ী নাচ
তয়ো ক'লী ময়ো ক'লী
একেখন বিলৰে মাছ।'

এই গীতফাকিৰ মাজেৰে এটা কথা প্ৰতীয়মান হৈছে যে হাতত কুলা-লোৱা নাচনীগৰাকীৰ বৰণ ক'লা, অৰ্থাৎ স্বাভাৱিক বৰণ ক'লা নহ'লেও অনুষ্ঠান পৰিৱেশনৰ সময়ত মুখত ক'লা ৰং বা ছাই সানি ক'লী হৈ লয়।' (বৰা, উল্লিখিত, পৃঃ ২২১) গতিকে কলিয়াবৰৰ ক'লীবুঢ়ী উজনিৰ কুলাবুঢ়ীৰে নামান্তৰ বুলি বৰাই স্পষ্ট মত আগবঢ়াইছে।

উল্লেখযোগ্য যে উজনিৰ কুলাবুঢ়ী নাচ অসমীয়া বিবাহৰ লগত জড়িত এক অনুষ্ঠান হোৱাৰ বিপৰীতে কিন্তু সোণাৰি-কামাখ্যা গাঁৱৰ ক'লীবুঢ়ী নৃত্য মাঘ বিহুৰ সময়ত পালিত এক লোক-নৃত্যানুষ্ঠান।

**সামৰণি**

কলিয়াবৰৰ লোক-সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ ক'লীবুঢ়ী নাচ লোক-পৰিবেশ্য কলাৰ অন্তৰ্গত এক অনন্য নৃত্যানুষ্ঠান। এই নৃত্যত গোৱা গীতসমূহো অসমীয়া মৌখিক সাহিত্যৰ অমূল্য সম্পদ। গীতৰ কথা, সুৰ, নৃত্যৰ ভঙ্গিমা, অভিনয় আদি সকলো দিশৰে পৰা এই অনুষ্ঠানটো যথেষ্ট তাৎপৰ্যপূৰ্ণ। বিহু, ভাওনা, ওজাপালি আদি বিভিন্ন সাংস্কৃতিক উপাদানৰ প্ৰভাৱেৰে পৰিপুষ্ট হৈয়ো স্বকীয় বিশেষত্বৰ দ্বাৰা অঞ্চলটোৰ লগতে সমগ্ৰ অসমৰ লোক-সংস্কৃতিৰ পথাৰখনকো সমৃদ্ধি প্ৰদান কৰিছে। উল্লেখনীয় যে সোণাৰি আৰু কামাখ্যা গাঁৱৰ বাদে কলিয়াবৰৰ আন কোনো গাঁও বা অঞ্চলত এই নৃত্যানুষ্ঠান অনুষ্ঠিত হোৱা দেখা নাযায়। সুখৰ কথা যে বৰ্তমান সময়ত এই পৰম্পৰাগত লোক-নৃত্যানুষ্ঠানৰ মঞ্চলৈও প্ৰৱেশ ঘটিছে। যি কি নহওক কলিয়াবৰৰ এই উল্লেখযোগ্য অনুষ্ঠানটিৰ উৎস তথা উদ্ভৱ সম্পৰ্কীয় অধিক গৱেষণাৰ আৱশ্যকতা আছে।

**সহায়ক গ্ৰন্থপঞ্জী**


বৰা, লীলাধৰ : *ঐতিহ্যমণ্ডিত কলিয়াবৰ*, লয়াৰ্ছ বুকষ্টল, গুৱাহাটী, ১৯৯৩

বৰকটকী, উপেন্দ্ৰ (সম্পা.) : *দাপোণত কলিয়াবৰ*, কলিয়াবৰ জিলা শাখা, শ্ৰীমন্ত শংকৰদেৱ সংঘ, ফেব্ৰুৱাৰী, ২০১২

শৰ্মা, ভূপেন (সম্পা.) : 'কলিয়াবৰৰ লোকসংস্কৃতিত ক'লীবুঢ়ী নাচ', 'কলিয়াবৰ অঞ্চলৰ লোক-সংস্কৃতি', *মনপুৰ মৌচন্দা*। অসম সাহিত্য সভাৰ ত্ৰিসপ্ততিতম কলিয়াবৰ অধিৱেশনৰ স্মাৰক গ্ৰন্থ, ফেব্ৰুৱাৰী, ২০১৫








# নৱকান্ত বৰুৱাৰ কবিতাত লোকমন আৰু আধুনিকতাবাদ

ড° পুণ্য লতা গোহাঁই
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

**অৱতৰণিকা :**

আধুনিক অসমীয়া কাব্য-সাহিত্য জগতৰ এজন অগ্ৰণী কবি হ'ল নৱকান্ত বৰুৱা।কবি নৱকান্ত বৰুৱা একেধাৰে এজন অধ্যাপক, উপাধ্যক্ষ, কবি, ঔপন্যাসিক, শিশু সাহিত্যিক, সাহিত্য সমালোচক, গীত ৰচক হিচাপে খ্যাত। এইজনা সু-সাহিত্যিকৰ ৰচনাসম্ভাৰসমূহ হ'ল— কাব্যগ্ৰন্থ — 'হে অৰণ্য হে মহানগৰ' (১৯৫১), 'এটি দুটি এঘাৰটি তৰা', 'ৰাৱণ', 'সম্ৰাট', 'যতি আৰু কেইটিমান ডেচ', 'মোৰ আৰু পৃথিৱীৰ', 'ৰত্নাকৰ', 'ৰাতি জিল-মিল' আৰু 'দলঙত তামীঘৰা' আদি। উপন্যাস হ'ল— 'কপিলীপৰীয়া সাধু', 'ককাদেউতাৰ হাড়', 'গৰমা কুঁৱৰী', 'মানুহ আটাইবোৰ দ্বীপ' আদি। শিশু সাহিত্য— 'আখৰৰ জখলা', 'শিয়ালী পালেগৈ ৰতনপুৰ', 'ভত উকাৰে ভূ' ইত্যাদি। চল্লিশৰ দশকৰ পৰা কবিতা চৰ্চা কৰি অহা নৱকান্ত বৰুৱাৰ উক্ত গ্ৰন্থসমূহে অসমীয়া সাহিত্য জগতলৈ বিশেষভাৱে বৰঙণি আগবঢ়াই আহিছে।




তেওঁৰ অন্যান্য সাহিত্যসমূহৰ তুলনাত কাব্য সাহিত্যৰ জগতখন হ'ল একক আৰু অতুলনীয়। তেওঁৰ কাব্যজগতখন অতি ব্যাপক আৰু নিঃসন্দেহে কাব্যিক মহত্বৰে উজ্জ্বল। তেওঁৰ কবিতাসমূহ নগৰ-চেতনা, নিঃসংগতাবোধ, নেতি আৰু নৈৰাজ্যবোধ,

কবি নৱকান্ত বৰুৱাৰ কবিতাত প্ৰতিফলিত হোৱা বিভিন্ন বিষয়বোৰৰ ভিতৰত লোকমন আৰু আধুনিকতাবাদৰ প্ৰভাৱ আৰু প্ৰকাশ ব্যাপক বুলি ক'লেও বঢ়াই

আত্মিক অৱক্ষয়, আন্তৰ্জাতিকতাবাদ, পাৰ্থিৱ জীৱনৰ আদৰ্শৰ জয়ধ্বনি, মৃত্যু-চেতনা, ঈশ্বৰীয় অস্তিত্ব তথা চহা জীৱনৰ বৃথা আদি বিষয়বোৰে আচ্ছন্ন।

কবি নৱকান্ত বৰুৱাৰ কবিতাত প্ৰতিফলিত হোৱা বিভিন্ন বিষয়বোৰৰ ভিতৰত লোকমন আৰু আধুনিকতাবাদৰ প্ৰভাৱ আৰু প্ৰকাশ ব্যাপক বুলি ক'লেও বঢ়াই কোৱা নহ'ব। তেওঁৰ প্ৰথমফালৰ কবিতাসমূহৰ মাজত আধুনিকতাৰ লক্ষণস্বৰূপ নগৰ-চেতনাই এক বিশেষ ভূমিকা গ্ৰহণ কৰি আছে। ঊনবিংশ শতিকাৰ শেষৰফালে ইউৰোপত উদ্ভৱ হোৱা আধুনিকতাবাদ হ'ল এবিধ মহানগৰ কলা। ইউৰোপীয় বহুভাষিক মহানগৰসমূহ যেনে— বাৰ্লিন, ভিয়েনা, মস্কো, চেইণ্ট পিটাৰ্ছবাৰ্গ আৰু যুদ্ধৰ পিছত লণ্ডন, জুৰিখ, নিউয়ৰ্ক, ছিকাগো, পেৰিছ আদি মহাদেশসমূহত যি যি কাৰণত নতুন ভাবনা তথা নতুন নতুন দৰ্শন আৰু ৰাজনীতিৰ সৃষ্টি হৈছিল তাতেই আধুনিকতাবাদৰ প্ৰথম শুভাৰম্ভ ঘটে।[১] এনে মহানগৰসমূহ লাহে লাহে বৌদ্ধিক আৰু সাংস্কৃতিক চৰ্চা আৰু বিনিময়ৰ কেন্দ্ৰ ৰূপে পৰিগণিত হৈছিল। এনে বৌদ্ধিক চিন্তা-চৰ্চাৰ লগে লগে মহানগৰৰ জটিলতাই মানুহৰ মানসিক জগতখন ভাৰাক্ৰান্ত কৰি তুলিছিল আৰু তাৰ লগে লগে আধুনিক চেতনাবোধে সাহিত্যত দ'লৈকে শিপাবলৈ সুবিধা পায়।




উল্লেখনীয় যে ইউৰোপীয় সাহিত্যত যি কাৰণত আধুনিক চেতনাবোধে গা কৰি উঠিছিল, তেনে পৰিপক্ক কাৰণ অসমীয়া সাহিত্যত বিচাৰি পোৱা নাযায়। আনকি অসমৰ বিপৰীতে ভাৰতবৰ্ষতে তেনে কোনো নাগৰিক আৰু ঔদ্যোগিক জীৱনৰ শুভাৰম্ভ হোৱা নাছিল। সেয়ে ক'ব পাৰি চল্লিশৰ দশকত কবিতা ৰচনা কৰিবলৈ আৰম্ভ কৰা নৱকান্ত বৰুৱাৰ মনত সম্ভৱত কলিকতাৰ প্ৰৱসুৱা জীৱনে নগৰ চেতনাৰ গঢ় দিছিল। সংশয় আৰু আশ্বাসৰ জটিল উত্তেজনা, বিচ্ছিন্নতাবোধ আদিবোৰে নৱকান্ত বৰুৱাৰ কবিতাত আধুনিকতাবাদৰ উত্তৰণৰ ঘটাইছিল। ঠিক একেদৰে তেখেতৰ বহুবোৰ কবিতাৰ মাজেৰে লোকমনৰ সাৱলীল চিন্তন আৰু লোকজীৱনৰ প্ৰকাশ ঘটা দেখা যায়।

**বিষয়বস্তুৰ উপস্থাপন ঃ**

লোকজীৱন হ'ল সৰ্বসাধাৰণ গ্ৰাম্য সমাজৰ জীৱন প্ৰণালী য'ত নগৰীয়া সভ্যতাৰ আৱেশ নাই কিন্তু আধুনিকতাৰ প্ৰভাৱ আছে। মানুহে নিজৰ প্ৰয়োজনত গাঁও বা সমাজ পাতি বসবাস কৰে। প্ৰয়োজনত নগৰ পাতি বাস কৰে। কিন্তু সেই নগৰ আৰু গাঁৱৰ পৰিৱেশৰ মাজত পাৰ্থক্য আছে। মন কৰিবলগীয়া যে গাঁও বা নগৰত বসবাস কৰা সকলো শ্ৰেণীৰ লোকৰ মাজতেই আধুনিকতাবাদৰ প্ৰভাৱ পৰিছে। কিন্তু কবি নৱকান্ত বৰুৱাৰ প্ৰায়বোৰ কবিতাৰ মাজতেই জীৱন-জগত, নগৰকেন্দ্ৰিক সভ্যতা, ধ্বংসৰ লীলা আদি বিষয়বোৰে ভুমুকি মাৰিছে। য'ত লোকমনৰ প্ৰকাশ ঘটাৰ লগে লগে আধুনিকতাৰ প্ৰভাৱ আৰু প্ৰতিষ্ঠাই লোকমনক কেনেদৰে পৰিচালিত বা বিপদাপন্ন কৰিছে, তাক উজ্জ্বল ৰূপত দাঙি ধৰিছে। কিন্তু উল্লেখনীয় যে নগৰীয়া জীৱনৰ দৰে গ্ৰাম্য জীৱন জটিল নহয়। তাৰ বিপৰীতে গ্ৰাম্য জীৱন সহজ-সৰল আৰু তাৰ পৰিৱেশো অত্যন্তই মনোমোহা। নৱকান্ত বৰুৱাৰ 'উভতি অহাৰ কবিতা' নামৰ কবিতাটিত গাঁৱৰ এক মনোমোহা ছবি আৰু সৰলতা প্ৰকাশ কৰি এনেদৰে কৈছে—

কোৱা নহ'ব। তেওঁৰ প্ৰথমফালৰ কবিতাসমূহৰ মাজত আধুনিকতাৰ লক্ষণস্বৰূপ নগৰ-চেতনাই এক বিশেষ ভূমিকা গ্ৰহণ কৰি আছে। ঊনবিংশ শতিকাৰ শেষৰফালে ইউৰোপত উদ্ভৱ হোৱা আধুনিকতাবাদ হ'ল এবিধ মহানগৰ কলা।

এয়েই চিনাকি গাঁও, কুঁৱলীৰ কাগজত
জাপানী ছবিৰ মায়া বিজুলী বাঁহৰ
বহুতো অতীত সনা বহুতো পথাৰৰ বাটে ঘাটে
উশাহ উপচি পৰা চিনাকি সৌৰভ
কবাৰ ফুলৰ আৰু তোমাৰ চুলিৰ আৰু সেমেকা নৰাৰ...





কবিতাফাকিৰ মাজেৰে লোকসমাজখনৰ বহুবোৰ সমল তথা এটি পৰিৱেশ সুন্দৰ ৰূপত উপস্থাপন কৰিছে। কিন্তু আধুনিক জীৱন প্ৰণালীত মানুহে এনে পৰিৱেশ বাছি নলয়। কিন্তু কবিৰ মতে মানুহে জীৱনৰ সুখ-শান্তি এনে পৰিৱেশতহে বিচাৰি পোৱা বুলি ক'ব বিচাৰে। কাৰণ জন্মৰ আদিম অৱস্থাত বা পৰিৱেশতহে শান্তি উপভোগ কৰিব পাৰে। কিন্তু আধুনিকতাৰ চকমকীয়া জীৱনত অভ্যস্ত হৈ পৰা লোকসমাজখনে নগৰীয়া জীৱনৰ মোহ ত্যাগ কৰিব নোৱাৰে সেয়ে লোকমনৰ অৱচেতনাত আধুনিকতাবাদৰ উত্তৰণ ঘটিছে। কবি বৰুৱাৰ মতে লোকমনৰ বহিঃপ্ৰকাশ বা লোকমনৰ আনন্দ আৰু জীৱনৰ সাৰ্থকতা আদিম জীৱনৰ সৰলতাৰ মাজতহে বিচাৰি পোৱা যায় বুলি ক'ব বিচাৰে। তেওঁৰ 'মনত পৰেনে অৰুন্ধতী' নামৰ কবিতাটিত 'অৰুন্ধতী'ৰ প্ৰতীকি অৰ্থত আদিম সৰল জীৱনৰ মূৰ্তিময়ী আনন্দ 'অৰুণিমা'ৰ প্ৰতীকি অৰ্থহি বহন কৰিছে। বশিষ্ঠ মুনিৰ পত্নী 'অৰুন্ধতী' নামকৰণৰ মাজেৰে কবিতাটিত লোকপ্ৰীতি আৰু অতীত প্ৰীতি প্ৰতিফলিত হৈছে। য'ত প্ৰাকৃতিক সমস্যাৰ মাজত থাকিও মানুহে লাভ কৰিছিল চিৰ প্ৰশান্তি। আনফালে 'লখিমী' নামৰ কবিতাটিৰ মাজেৰে গ্ৰাম্য সমাজখনত নাৰীয়ে পুৱা স্নান কৰি শিৰত সেন্দুৰৰ ফোঁট লৈ তুলসীৰ তল মচি প্ৰদীপ জ্বলাই মনত অপাৰ আনন্দ উপলব্ধি কৰা আৰু তেনে বোৱাৰীক লোকসমাজে লখিমী বোৱাৰী ৰূপে গ্ৰহণ কৰে। ইয়াৰ মাজেৰে কবিতাটিত লোকসমাজখনৰ মানসিক প্ৰশান্তি বা লোকমনৰ আভাস পোৱা যায়। কবিৰ ভাষাত—

তেওঁৰ 'মনত পৰেনে অৰুন্ধতী' নামৰ কবিতাটিত 'অৰুন্ধতী'ৰ প্ৰতীকি অৰ্থত আদিম সৰল জীৱনৰ মূৰ্তিময়ী আনন্দ 'অৰুণিমা'ৰ প্ৰতীকি অৰ্থহি




আঁচলৰে উৰৰাই পপীয়া তৰাৰ ছাই
তাৰ চোতালৰে
দুখনী লাহৰী হাতে
মচি থলে তুলসীৰ তল;
আজি গধূলিতে তাত প্ৰদীপ জ্বলিব
- - - - - - - - - - - - - - - - - -
যাৰ, খোচনাত বিহাৰ আঁচল
আৰু
শিৰত সেন্দুৰ।

আনফালে নৱকান্ত বৰুৱাৰ বহুবোৰ কবিতাৰ মাজেৰে জনগোষ্ঠীয় লোকসমাজখনো প্ৰতিফলিত হোৱা দেখা যায়। তেওঁৰ কবিতাত জনগোষ্ঠীয় লোকসমাজখনৰ নৃত্যময় আদিম অনুভূতিৰ সুবাস বিচাৰি পোৱা যায়। একেদৰে লোকমনৰ নিভাঁজ উক্তিও বৰুৱাৰ কবিতাত লক্ষ্য কৰা যায়। তেওঁৰ 'বোধিদ্ৰুমৰ খৰি' নামৰ কবিতাটিত ইয়াৰ প্ৰকাশ ঘটিছে এনেদৰে—

বহন কৰিছে। বশিষ্ঠ মুনিৰ পত্নী 'অৰুন্ধতী' নামকৰণৰ মাজেৰে কবিতাটিত লোকপ্ৰীতি আৰু অতীত প্ৰীতি প্ৰতিফলিত হৈছে। য'ত প্ৰাকৃতিক সমস্যাৰ মাজত থাকিও মানুহে লাভ কৰিছিল চিৰ প্ৰশান্তি।

আমাৰ কাৰণে যদি শান্তি আছে
আশা আছে
চিৰশিশু মানুহৰ মহা মৃত্যুত,
তামোলৰ পিকসনা আইতাৰ জধলা চুমাত।

কবিতাফাঁকিৰ মাজেৰে সমস্যাহীন সৰল লোকমনৰ আন্তৰিকতা প্ৰকাশ পাইছে। কিন্তু আনফালে এনে সৰলতাৰ সুকভাৱে সৰকি অহা ধ্বংসাত্মক ৰূপৰ প্ৰতিও কবিৰ সতৰ্ক দৃষ্টি। সেয়ে কবিয়ে কৈছে—

জ্ঞান জ্বলে। সিপাৰত
গছ নীলা কুকুৰা পাহাৰ জ্বলে। জ্ঞান স্থিৰ।
জ্ঞান ধ্ৰুৱ। জ্ঞান মৃত্যু। নিজে নিৰ্বিকাৰ

**পলস, ইয়াত নদী আছিল, বোধিদ্ৰুমৰ খৰি আদি কবিতাত ইয়াৰ মূৰ্ত প্ৰকাশ ঘটিছে। ক'ব পাৰি আধুনিক যুগৰ কবি হৈও বৰুৱা কবি মন ধূলি-মাটিৰ পৃথিৱীখনৰ প্ৰতি আকৃষ্ট আছিল। সেয়ে আধুনিকতাবাদৰ লগে লগে লোকমনেও তেওঁৰ কবিতাত উজ্জ্বল ৰূপত জিলিকি উঠিছে। এনে সংযোগ সাধনে তেওঁৰ কবি প্ৰতিভাক অধিক প্ৰসাৰিত প্ৰজ্বলিত কৰি তুলিছে।**

তাৰ অখণ্ড শিখাই আমাৰ উশাহ পোৱে।
প্ৰেম পোৱে। (পুৱণি ধূপৰ দৰে যৌৱনে কবিতা আঁকি
মায়া গঢ়ে — সুৰভি নিদিয়ে) স্মৃতি পোৱে।
(বোধিদ্ৰুমৰ খৰি)

ইয়াতকৈ এখোজ আগবাঢ়ি গৈ কবিয়ে কৈছে—

আমাৰ কাৰণে শান্তি
পোনাটি বুকুত লৈ
ভাগৰুৱা শেতেলীত
পকোৱা মুগাৰে বোৱা লখিমীৰ ঘাম টেঁচা ছাল।
(বোধিদ্ৰুমৰ খৰি)

কবিতাফাকিৰ মাজেৰে লোকমনৰ শান্তি শেষ স্থান বা লোকমনৰ মাজত সংগোপনে শুই থকা সুখ সন্ধানী জীৱনৰ উদ্ৰেক ঘটিছে। কবিয়ে সহজ আৰু স্বাভাৱিক জীৱন আশা কৰে। সেয়ে তেওঁৰ এই আশা ব্যক্ত কৰিছে 'ক্ৰমশঃ' নামৰ কবিতাটিৰ অন্তিমতে এনেদৰে—

এইখন দেশ আমি চিনি পাওঁ
ইয়াৰ বজাৰে, বাঁৰী কোঁৱৰৰ সাধুকথা
- - - - - - - - - - - - - - - - - - -
আমি যুগ যুগ ধৰি নতুন গঢ়ৰে গঢ়িছোঁ
তেজীমলা মৰি ফুল-কলি হয়।

দেখা যায় যে নৱকান্ত বৰুৱাৰ কবিতাত কেৱল লোকমনৰ আভাস বা আধুনিকতাবাদৰ লক্ষণেই প্ৰকাশ পোৱা নাই। ইয়াৰ লগে লগে লোকসমাজত বহলভাৱে প্ৰচলিত হৈ থকা লোককথাসমূহেও ভুমুকি মাৰিছে। যেনে— কমলা কুঁৱৰী, বাঁৰী কোঁৱৰৰ সাধুকথা, তেজীমলাৰ সাধুকথা আদিৰ উল্লেখে কবিৰ মনত থকা লোকস্পৃহাৰ কথাই সোঁৱৰাই দিয়ে। কিন্তু সময়ৰ লগে লগে সমাজ পৰিবৰ্তন হয়। এনে পৰিবৰ্তন নৱকান্ত বৰুৱাৰ কবিতাত প্ৰখৰ। আনফালে আধুনিকতাবাদৰ লক্ষণস্বৰূপ নগৰকেন্দ্ৰিক সভ্যতাৰ পৰিব্যাপ্তিয়ে বৰুৱাৰ কবিতা সমুজ্জ্বল। তেখেতৰ 'সম্ৰাট', 'ৰাৱণ' আদি কাব্যগ্ৰন্থৰ কবিতাসমূহৰ মাজেৰে আধুনিকতাবাদৰ মুক্ত স্ফুৰণ ঘটিছে। তেওঁ 'ৰাৱণ' নামৰ কবিতাটিত ৰাৱণৰ প্ৰাসাদটোক আধুনিক জীৱনৰ প্ৰতীক হিচাপে চিহ্নিত কৰিছে। কবিৰ মতে—

ৰচিলোঁ সুউচ্চ মঞ্চ সগুদল প্ৰাসাদ বিশাল
দলিত বিশ্বৰ প্ৰতি সেয়া হ'ল প্ৰচ্ছন্ন বিদ্ৰূপ
বিমানৰ উচ্চতাই হতাশাৰ দিগন্ত বঢ়ায়,
প্ৰাসাদৰ বাতায়নে শোকৰ সুৰভি আমেলায়।

আধুনিক জটিল জীৱনৰ অন্ধকাৰময় দিশটোৰ প্ৰতি কবিৰ মনত যেনে উৎকণ্ঠা আছিল; ঠিক তেনেদৰেই ধূলি-মাটিৰ পৃথিৱীখনৰ প্ৰতিও কবিৰ অনুৰাগ আছিল। এই পৃথিৱীখনত লাহে লাহে মানুহৰ মাজত হ'বলৈ ধৰা আত্মিক অৱক্ষয়ৰ প্ৰতিও কবিৰ মন-মগজু চিন্তিত। সেয়ে 'ইয়াত নদী আছিল' কবিতাটিত কবিয়ে কৈছে—

দুবৰিৰ নীলা সেই গাঁওখনলৈ
এইবেলি সোনকালে আযোগ আহিল - আহিনতে?
এইবাৰ বহাগৰ বল নাহে নেকি?
উজানৰ বগা মাছে ৰূপোৱালী নকৰে নিজৰা?

আধুনিক মানুহৰ জীৱন নিঃসংগতাৰে ভৰপুৰ। নিজৰ মাজতে অকলশৰীয়া আধুনিক মানুহে প্ৰতিটো মুহূৰ্ততে সংশয় আৰু অবিশ্বাসৰ দাবানলত জ্বলি-পুৰি শেষ হ'বলৈ ধৰিছে। তেনে সময়ত মানুহৰ মন প্ৰকৃতিৰ বুকুলৈ ধাপলি মেলে আৰু প্ৰকৃতিৰ অকৃত্ৰিম পৰশত বিচাৰি পাই মনৰ সান্ত্বনা। কবি বৰুৱাই 'স্বনিমন্ত্ৰিত' নামৰ কবিতাটিত কৈছে—

মই জানো, আছে বন্ধু
মন আৰু মগজুৰে ঘোলা কৰা লুইতৰ
কোনোবা অংশতে আত্মাৰ মাজুলী আছে
তোমাৰ প্ৰেমৰ, য'ত তোমাৰ প্ৰিয়াৰ কলাফুল
মিলি থাকে সৰিয়হ ফুল আৰু কুহুমীয়া
ৰ'দালি উমত।

আধুনিকতাবাদে মানৱ জীৱনলৈ কঢ়িয়াই অনা জটিল জীৱনে উত্তৰপুৰুষৰ জীৱন কেনেদৰে বিপদাপন্ন কৰি তুলিব পাৰে তাৰ প্ৰতিও কবিৰ উদ্ৰেক প্ৰকাশ পাইছে। কিন্তু কবি নিৰাশ নহয়। ভৱিষ্যত প্ৰজন্মক লৈ কবি আশাবাদী। সেয়ে 'পলস' কবিতাটিত কবিয়ে কৈছে—

আমাৰ নাতিৰ নতুন পামৰ নাঙলৰ সীৰলুত
আমি সাৰ পাম। সিহঁতে পঢ়িব আমাৰ জীৱাশ্মত
জাতিস্মৰৰ হাঁহি উঠা সাধু। সপোন অন্ধ যি গলিত
আমি মাখোঁ তাৰে নয়নাঞ্জলিত সিহঁতৰ ভৱিষ্যত।





দেখা যায় যে, কবি নৱকান্ত বৰুৱাৰ প্ৰতিটো কবিতাৰ মাজেৰেই যুগ যন্ত্ৰণা বা যুগ চিন্তন প্ৰকাশ পাইছে। এনে চিন্তন আৰু মননৰ মাজেৰে কবিগৰাকীৰ আধুনিক জীৱনৰ প্ৰতি থকা স্পৰ্শকাতৰ অনুভূতি আৰু আনফালে ধূলি-মাটিৰ সহজ-সৰল পৃথিৱীখনৰ ধ্বংসলীলা এই দুয়োটা ৰূপেই প্ৰকাশ পাইছে। কবি বৰুৱাই কলিকতাত থকা সময়খিনিত নগৰীয়া জীৱনৰ অন্ধকাৰময় বাস্তৱ দাৰুণ জীৱনৰ সত্যক ঘেঁছিকৈ উপলব্ধি কৰিছিল। সেয়ে সেই সময়চোৱাত লিখা তেওঁৰ বহুতো কবিতাৰ মাজেৰে আধুনিকতাবাদৰ অনুৰণন শুনিবলৈ পোৱা যায়। দিনৌ নন সংঘাটে কঁপাই যোৱা ভীতিগ্ৰস্ত নগৰকেন্দ্ৰিক জীৱনৰ অসহায় ৰূপটো তেওঁৰ কবিতাত স্পষ্ট ৰূপত ধৰা দিছে। তেওঁৰ 'হে অৰণ্য হে মহানগৰ' নামৰ কবিতাটিত কৈছে—

কাৰ্ফুৰ সময় হ'ল
সূৰ্যস্নাতা নগৰীৰ আঁচলৰ শেষ ৰশ্মিকণো
শুহি ল'লে ৰাতিৰ আকাশে ;

নিস্তব্ধ মৰণ নামে। নগৰীৰ ধমণী কৰোঁ অনুভৱ বৰুৱাৰ কবিতাসমূহৰ মাজেৰে কেৱল আধুনিকতাবাদৰ সুৰহে শুনা যায় এনে নহয়; আধুনিকতাক হাত বাউল দি মতা সমসাময়িক সমাজখনৰ চিৰন্তন মূল্যবোধ, মানৱতাবোধ, অতীতপ্ৰীতি বা ইতিহাস চেতনা আদি বহুতোৰ বিষয়েই প্ৰাণ পাই উঠিছে। সমাজ আৰু সভ্যতাৰ মাজৰ সংকট, লোকসমাজ আৰু অভিজাত্য নগৰীয়া সমাজৰ মাজত হোৱা অনুভূতিৰ সংঘাত, আদিয়োৱে নৱকান্ত বৰুৱাৰ কবিতাক আধুনিক অসমীয়া কবিতাৰ সৃষ্টিৰ ধাৰাটোত এক সুকীয়া আসন প্ৰদান কৰিছে। এজন আধুনিক কবি হিচাপে কবি নৱকান্ত বৰুৱাৰ বিভিন্ন কবিতা যেনে— প্ৰাৰ্থনা, বোধিদ্ৰুমৰ খৰি, হে অৰণ্য হে মহানগৰ, সম্ৰাট, ৰাৱণ, এজাৰ ৰাতিৰ ইলিজী, স্বনিমন্ত্ৰিত, আমাৰ পৃথিৱী, ইয়াত নদী আছিল, পলস, ক্ৰমশঃ, মনত পৰেনে অৰুন্ধতি, শৰণীয়াত সন্ধ্যা, উভতি অহাৰ কবিতা আদি বিভিন্ন কবিতাসমূহৰ মাজেৰে তেওঁৰ কাব্যকীৰ্তি উজ্বলি আছে। তেওঁৰ কবিতাসমূহত লোকসমাজখন বা আধুনিক -তাবাদৰ স্বৰূপেই প্ৰকাশ পোৱা নাই। ইয়াৰ লগে সমকাল চেতনা, মৃত্যু চেতনা, আধ্যাত্মিক চিন্তা, নৰ নাৰীৰ প্ৰেম, ক্ষয়িষ্ণু সমাজ ব্যৱস্থা, মূল্যবোধৰ অৱক্ষয়, আদিম সভ্যতাৰ পতন, অতীতপ্ৰীতিৰ বাসনা আদি বিভিন্ন বিষয়েৰে পূৰ্ণ হৈ আছে। আনফালে তেওঁৰ কবিতাত আধুনিক জীৱনৰ কালিমা, মনৰ গ্লানি, হতাশবোধ আদিও প্ৰকাশ পাইছে। ঠিক একেদৰে অসমীয়া লোকজীৱনৰ আদৰ্শ তথা সৰল গ্ৰাম্য পৰিবেশেও বহুতোৰ কবিতাৰ বিষয়বস্তু হিচাপে ভুমুকি মাৰিছে। তেওঁৰ কবিতাৰ ভাষা সৌষ্ঠৱপূৰ্ণ, ভাব ব্যঞ্জনাৰে পূৰ্ণ আৰু প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ তেওঁৰ কবিতাৰ অতি চিনাকী ৰূপ। নৱকান্ত বৰুৱাৰ কবিতাত আধুনিকতাবাদৰ লগে লগে অনুৰ্বৰ মনৰ জীৱনৰ দুখ আৰু মানবীয় অনুভূতিৰে বঞ্চিত। ক'ব পাৰি আধুনিক কবি হিচাপে কবি বৰুৱাৰ কবিতাসমূহত সাধাৰণ জীৱনৰ ব্যৰ্থতা, হা-হুমুনিয়াহ তথা নগৰীয়া আৰু গ্ৰাম্য সভ্যতাৰ জ্বলন্ত উদাহৰণেৰে প্ৰোথিত।

**সামৰণি ঃ**

আধুনিক মনন, চিন্তন আৰু আদৰ্শৰে কবিতা ৰচনা কৰি অসমীয়া কাব্য সাহিত্য জগতত সুকীয়া আসন দখল কৰিবলৈ সক্ষম হোৱা কবি নৱকান্ত বৰুৱাৰ কবিতাসমূহত প্ৰতিফলিত হোৱা এটি উল্লেখযোগ্য আৰু আলোচনাৰ উপযোগ্য বিষয় হ'ল লোকমন আৰু আধুনিকতাবাদ। দেখাত বা শুনাত দুয়োটা বিষয়েই এটাৰ আনটো বিপৰীত যেন লাগিলেও, প্ৰকৃততে লোকমনৰ ভেটিতেই আধুনিকতাবাদৰ উদ্ভৱ হৈছে। সেয়ে লোকমনৰ কমতি শিলত কটা ছবিৰ দৰে আধুনিকতাবাদো হ'ল নৱকান্ত বৰুৱাৰ কবিতাৰ এক সুকীয়া উপলব্ধি। কাৰণ লোকমন বা সমাজৰ গাত আউজি আধুনিকতাবাদে থিয় দিছে। এক অৰ্থত দুয়োটাকে এটা মুদ্ৰাৰ দুটা পিঠি বুলিলে বঢ়াই কোৱা নহ'ব।

''নৱকান্ত বৰুৱাৰ কবিতাত লোকমন আৰু আধুনিকতাবাদ'' শীৰ্ষক বিষয়টি আলোচনা কৰি দেখা গ'ল যে বৰুৱাৰ কবিতাত একালে লোকসমাজখন চিনাকী ছবি, ঘৰুৱা চিনাকী শব্দ সম্ভাৰৰ প্ৰয়োগ আনফালে আধুনিকতাবাদৰ লক্ষণস্বৰূপ নগৰকেন্দ্ৰিক সভ্যতাৰ গ্লানি আৰু ব্যৰ্থ জীৱনৰ স্পন্দন লক্ষ্য কৰা যায়। আকৌ লোকমনে আমন্ত্ৰণ জনোৱা আধুনিকতাবাদে লোকসমাজখনত বৰপীৰা পাৰি বহিছে। যেনে— পলস, ইয়াত নদী আছিল, বোধিদ্ৰুমৰ খৰি আদি কবিতাত ইয়াৰ মূৰ্ত প্ৰকাশ ঘটিছে। ক'ব পাৰি আধুনিক যুগৰ কবি হৈও বৰুৱা কবি মন ধূলি-মাটিৰ পৃথিৱীখনৰ প্ৰতি আকৃষ্ট আছিল। সেয়ে আধুনিকতাবাদৰ লগে লগে লোকমনেও তেওঁৰ কবিতাত উজ্জ্বল ৰূপত জিলিকি উঠিছে। এনে সংযোগ সাধনে তেওঁৰ কবি প্ৰতিভাক অধিক প্ৰসাৰিত প্ৰজ্বলিত কৰি তুলিছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১. আহমেদ, এম কামালুদ্দিন ঃ *আধুনিক অসমীয়া কবিতা*, কলকাতা, প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০০৫।
২. গোস্বামী, প্ৰবোধচন্দ্ৰ ঃ *অসমীয়া কবিতাৰ আলোচনা*, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, গুৱাহাটী, ১৯৯৬।
৩. ফুকন, নীলমণি (সম্পা) ঃ *কুৰি শতিকাৰ অসমীয়া কবিতা*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০০৫।
৪. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সৌমাৰ প্ৰকাশ, গুৱাহাটী, ২০০৬।
৫. শইকীয়া, নগেন ঃ *অসমীয়া কবিতা আৰু অন্যান্য বিষয়*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৬।

# অসমীয়া সমাজৰ ন-পুৰণি খেল-ধেমালি

**পাৰ্থ প্ৰতিম ডেকা**
স্নাতক ৩য় ষাণ্মাসিক

আমাৰ দেশৰ ভালে সংখ্যক খেল-ধেমালিৰ প্ৰচাৰ আৰু উন্নতিৰ বাবে অতীতত ৰজা-মহাৰজাসকলে যত্ন লোৱাৰ দৰে বৰ্তমান গণতান্ত্ৰিক চৰকাৰেও চৰকাৰী আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ ধৰিছে।





ঢেং গুটি খেল



এঠেঙীয়া দৌৰ

অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে নানা ধৰণৰ খেল-ধেমালি যুগ যুগ ধৰি চলি আছে। কিছুমান খেল ঋতু অনুসৰি আৰু আন কিছুমান খেল দৈনন্দিনভাৱে চলি থকা আমি দেখিবলৈ পাওঁ।

আমাৰ দেশৰ ভালে সংখ্যক খেল-ধেমালিৰ প্ৰচাৰ আৰু উন্নতিৰ বাবে অতীতত ৰজা-মহাৰজাসকলে যত্ন লোৱাৰ দৰে বৰ্তমান গণতান্ত্ৰিক চৰকাৰেও চৰকাৰী আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ ধৰিছে।

আমাৰ দেশৰ পুৰণি আৰু আধুনিক খেল-ধেমালি হৈছে দুভাগত বিভক্ত। যেনে—শিশুসকলৰ খেল-ধেমালি আৰু ডেকা-গাভৰুসকলৰ খেল-ধেমালি।

শিশুসকলৰ খেল-ধেমালিৰ ভিতৰত সৰহভাগেই মনোৰঞ্জনমূলক। যেনে ঃ দবা-কইনা, ধুলিৰ ধেমালি, কাগজৰ নাও খেল, লুকা-ভাকু, খোলা-গুটিৰ, ঢেংখেলা খেল, খলিগুটি খেলা, গুদু খেল, মল্ল যুঁজ, ঘোঁৰা দৌৰৰ প্ৰতিযোগিতামূলক খেল, ঘিলা খেল, টাং গুটিৰ খেল, ভটা গুটি খেল, পেং খেল, বাঁহৰ গছৰ খেল, ৰছী টনা, চকুত গামোচা বান্ধি টেকেলি ভঙা, বুলবুলি চৰাইৰ যুঁজ, মুৰ্গী চৰাইৰ যুঁজ, শেন চৰাইৰ যুঁজ আদি। পুৰণি খেল-ধেমালিৰ ইতিহাস বিচাৰিলে দেখা যায় যে কংস অসুৰৰ ভয়ত নন্দ যশোদাৰ ঘৰত বসুদেৱে তেওঁৰ পুত্ৰ কৃষ্ণক লুকুৱাই থৈছিল। কৃষ্ণই শিশুকালত নানা ধৰণৰ খেল-খেলিছিল। সেয়ে এটা লোকগীত আছে —

ভাল গকুলত ঘিলা খেলিছিল
ঘিলা খেলি হৰি আছে বংকৰি
যশোদাই লৈ যায় কোলাত কৰি।

অসম দেশখন ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ইয়াৰ পিছৰ পৰ্যায়ত অৰ্থাৎ ইয়াণ্ডাবু সন্ধিলৈ (১৮২৬ খ্ৰীষ্টাব্দ) আহোমসকলে শাসন কৰিছিল। তেওঁলোকে একাধিক ঠাইত ৰাজধানী পাতিছিল। খেলা-ধূলাৰ পৃষ্ঠপোষকতা কৰি স্বৰ্গদেউসকলে ৰংঘৰ সাজিছিল দুইতলীয়া কৰি। এই ৰংঘৰৰ বাকৰিতে নানা খেল-ধেমালি কৰিছিল। ৰজাদিনীয়া খেল-ধেমালি আৰু বৰ্তমান যুগৰ খেল-ধেমালিৰ মাজত বহুত পাৰ্থক্য দেখা যায়। কেইবিধমান খেলৰ পৰিচয় তলত দাঙি ধৰা হ'ল—

**ধৰাগুদু খেল ঃ** এই খেল দুটা দলৰ মাজত খেলোৱা হয়। দুয়োটা দলৰ মাজত কমেও ৬ জন বা ততোধিক খেলুৱৈ থাকে। খেলৰ পথাৰখন নিৰ্দিষ্ট পৰিসীমাৰ মাজত আয়তাকাৰ ধৰণৰ হ'ব লাগে। একে উশাহতে চৈ গুদু গুদু চৈ গুদু গুদু...বুলি হাতেৰে বা ভৰিৰেও বিপৰীত দলৰ খেলুৱৈক চুব পাৰিলেই তেওঁ খেল পথাৰৰ পৰা বাহিৰ হ'ব লগা হয়। এই দৰেই গুদু দি দি থকা দলে এজনৰ পিছত আনজনে ক্ৰমে গুদু দি উশাহ নসলোৱাকৈ বিপৰীত দলৰ খেলুৱৈক থাপ মাৰি চুই নিজৰ ভূমিলৈ ঘূৰি আহিব পাৰিব লাগিব আৰু তেওঁক যদি বিপৰীত দলে ধৰি ৰাখিব পাৰে তেনেহ'লে তেওঁ খেলৰ পৰা বাহিৰ হ'ব। যদি তেওঁ কষ্টকৰি প্ৰাণটাকি বগাই বগাই উশাহ নসলোৱাকৈ সীমাদাল চুব পাৰে তেন্তে তেওঁ খেলৰ পৰা বাহিৰ নহয়।

**খলিগুটিৰ খেল ঃ** এইবিধ খেল হ'ল সমান্তৰালভাৱে এক হাতমান বা ডেৰ হাতমান দূৰৈ খন্দা গাঁত পাঁচ যোৰ। এই গাঁতত সৰু সৰু আমলখি বা তামোল ভৰাই দিয়া হয়। এজন পৰিদৰ্শক থাকে। প্ৰতিটো গাঁতত গুটি যদি আঠোটাকৈ দিয়া হয়। তেন্তে এটা খালৰ গুটিয়ে সোঁফালে বা বাওঁফালে এটা এটা গুটি গাঁতে প্ৰতি দি গ'লে ন নং ঘৰৰ গাঁতত দিবলৈ গুটি নাথাকে আৰু তেতিয়া ন নং ঘৰৰ আঠোটা গুটি এটা এটাকৈ গাঁতে প্ৰতি দি গ'লে যদি সাত নং গাঁতত গুটি শেষ হয় তেন্তে তাৰ আগৰটো গাঁতত গুটি নাথাকে তেন্তে সৰহ গাঁতটোৰ গুটিবোৰ খেলোতাজনৰ হ'ব।

**ঢেংগুটি খেল ঃ** সৰু সৰু শিলগুটি ৫ টামান হাতত লৈ ছোৱালী বা ল'ৰা কেইটামান গোট খাই খেলা খেলটো হৈছে ঢেংগুটি খেল। হাতত মুঠি মাৰি লোৱা পাঁচোটা গুটি অলপ ওপৰলৈ দলিয়াই দি মাটিত পৰা পাঁচোটা শিলগুটি বুটলি লৈ ওপৰলৈ দলিয়াই দিয়া শিলগুটি বুটলি ল'ব পাৰিব লাগিব নোৱাৰিলেই তেওঁ হাৰিল।

**টাংগুটি খেল ঃ** টাংগুটি খেলক ভটা গুটি খেল বুলিও কোৱা হয়। আধুনিক ক্ৰিকেটাৰসকলে এই খেলবিধক ক্ৰিকেটৰ পূৰ্বাভাগ বুলি ক'ব খোজে। হাতৰ তলুৱাৰ সমান দীঘল আৰু তাৰ আধাৰ বহল এটা গাঁত। বাঁহৰ দুফুটমান গুধ খুটি এটা পোতা হয় গাঁতটোৰ দুফুটমান পাছত। হাতৰ তলুৱাৰ সমান দীঘ-প্ৰস্থৰ গাঁতটো খন্দা হয় এচলীয়াকৈ। জাতি বাঁহৰ লেকেছিৰ একেবাৰে গুৰি ফালৰ এবেগেতমান দীঘলকৈ টাংগুটিটো কটা হয়। এই এবেগেতমানৰ গুটিটো এচলীয়াকৈ কটা হয়। গাঁতটোত বাঁহৰ এবেগেত গুটিটো থৈ এহাত দীঘল বাঁহৰ টাঙোনডালে মূৰটো অলপ জোৰেৰে কোবাই দিলে গুটিটো পাকখাই ওপৰলৈ উঠোতেই খেলুৱৈজনে কোব মাৰি দূৰত পেলাবলৈ যত্ন কৰে। কোবটো গুটিটোত লাগিলে কিছু দূৰত পৰেগৈ।

**বৌ গুদু খেল ঃ** খেল পথাৰখনৰ মাজত ৩০/৪০ ফুটমান দূৰত ২টা ৪/৫ ফুটমান বৃত্তৰ আকাৰৰ ঘৰ। ধৰি লোৱা হওক উত্তৰ ফালৰটো ঘৰ দেওবেকৰ আৰু দক্ষিণফালৰটোৰ ঘৰ বৌয়েকৰ। দেওৰৰ ঘৰলৈ বৌয়েক আহিব নোৱাৰাকৈ এজন ৰখীয়া আৰু বৌয়েকৰ ঘৰতো এজন ৰখীয়া থাকে। দেওৰৰ ওচৰৰ ৰখীয়াক উশাহ নসলোৱাকৈ গুদু দি চুব পাৰিব লাগিব। খুব জোৰ দি দৌৰি গৈ বৌয়েক যাবলগীয়া ঘৰৰ ৰখীয়াক চুব পাৰিলে ৰখীয়া হাৰে আৰু ৰখীয়াক খেদি থাকোতেই বৌজনী দৌৰি গৈ দেওৰৰ ঘৰ পাব লাগিব।

**কড়ি খেল ঃ** আগৰ দিনত ব'হাগ বিহুত কড়ি খেল খেলাটো আমাৰ সমাজত প্ৰচলিত আছিল। কিন্তু বৰ্তমান এই খেল লুপ্ত।

কড়ি খেল খেলিবলৈ ৬ টা গুটি মুঠিমাৰি ধৰি মাটিত বগৰাই দিয়া হয়। এটা তলমুখ কৰি বাকী ৫ টা ওপৰলৈ মুখ কৰি পৰিলে পাঁচ হয়। দুয়োটা কড়ি তলমুখ কৰি পৰিলে দুয় আৰু একেবাৰতে তিনিবাৰকৈ ছয় উঠি চতুৰ্থবাৰ যদি ছয় নহয় তেন্তে তিনিবাৰত ছয় গেলি যায়। ছয়টা গুটি হাতৰ মুঠিত লৈ মাটিত মাৰি দিলে এটা তলমুখ আৰু এটা ওপৰলৈ মুখ কৰি পৰে তেন্তে দহ হয়। দহ এবাৰ উঠিলেহে গুটি গজে আৰু দহৰ পাছত দুই তিনি চাৰি যি কোনো এটা সংখ্যা দহৰ লগত যোগ হৈ গুটিটো খেলুৱৈজনৰ সোঁফালে আগবাঢ়ি গৈ থাকে আৰু আনৰ গুটিয়ে নাখালে নিজৰ চালেদি সোমাই গুটি পকি উঠি যায়।

**পুখুৰী পাৰ খেল ঃ** এই খেলবিধ খেলিবৰ বাবে বৃত্ত এটা আঁকি লোৱা হয়। বৃত্তটোৰ চাৰিওফালে ঘূৰণীয়াকৈ খেলুৱৈসকলক থিয় কৰাই লোৱা হয়। খেলৰ পৰিচালকজনে মুখত হুইচেল বা সুহুৰি এটা লৈ হুইচেল মাৰি সকলো খেলুৱৈক খেল আৰম্ভ হোৱাৰ সংকেত দিয়ে। তেতিয়া পুখুৰী বুলি ক'লে সকলো খেলুৱৈয়ে জাঁপ মাৰি বৃত্তটোৰ ভিতৰত যাব লাগে আৰু পাৰ বুলি ক'লে বৃত্তটোৰ বাহিৰত যাব লাগে। এইদৰে এবাৰ পুখুৰী এবাৰ পাৰ বুলি কৈ থাকোঁতে যদি কোনো খেলুৱৈ পুখুৰী বুলি কওঁতে বৃত্তটোৰ বাহিৰত থাকে তেনেহ'লে তেওঁ বাহিৰ হ'ব আৰু যদি পাৰ বুলি কওঁতে কোনো খেলুৱৈ বৃত্তটোৰ ভিতৰত থাকে তেনেহ'লে তেওঁ খেলৰ বাহিৰ হ'ব। এনেদৰে এজন এজন খেলুৱৈ বাহিৰ হোৱাৰ পাছত শেষত এজন খেলুৱৈ থাকেগৈ। তেওঁৱেই জয়ী হয়গৈ।

সকলো ধৰণৰ খেল-ধেমালি যেনেকৈ আনন্দৰ বিষয় তেনেকৈ দেশৰ ঐক্য-সম্প্ৰীতি-সংহতি ৰক্ষাৰ এটা উত্তম উপায়। ওপৰত উল্লিখিত খেলসমূহ প্ৰায় লুপ্তপ্ৰায় অৱস্থা। সেয়েহে এই খেলসমূহক উদ্ধাৰ কৰি নৱ-প্ৰজন্মৰ আগত পৰিচয় কৰাৰ চেষ্টা কৰিব লাগে।

# ভাৰতৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি প্ৰতিভা পাটিল

**ৰশ্মিৰেখা গগৈ**
স্নাতক ৩য় ষাণ্মাসিক



Corruption is the enemy of development, and of good governance. It must be got rid of. Both the government and the people at large must come together to achieve this national objective.

Pratibha Patil



ভাৰতৰ মহাৰাষ্ট্ৰ ৰাজ্যখন আগতে গুজৰাট ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত ভাষাৰ ভিত্তিত ৰাজ্য পুনৰ্গঠন কৰোঁতে মাৰাঠাৱাড়া আৰু বিদৰ্ভ অঞ্চলক গুজৰাট ৰাজ্যৰ পৰা পৃথক কৰি নতুনকৈ মহাৰাষ্ট্ৰ ৰাজ্য গঠন কৰা হয়। এই মহাৰাষ্ট্ৰ ৰাজ্যৰ ৰাজ্যভাষা হ'ল মাৰাঠী আৰু ৰাজধানী মুম্বাই।

মহাৰাষ্ট্ৰ ৰাজ্যৰ অন্তৰ্গত জলগাঁও জিলাত নাদগাঁও নামৰ এখন বিশাল গাঁও আছে। এই গাঁৱতেই ইং ১৯৩৪ চনৰ ডিচেম্বৰ মাহৰ ১৯ তাৰিখে এগৰাকী সৰ্বসুলক্ষণা ছোৱালীৰ জন্ম হয়। ছোৱালীজনীৰ পিতৃৰ নাম আছিল নাৰায়ণ ৰাও পাটিল। জন্মৰ পিছত দেউতাক নাৰায়ণ ৰাৱে চোৰা-চিতা কৰাই ছোৱালীজনীৰ নামকৰণ কৰে প্ৰতিভা। প্ৰতিভা ৰাও পাটিল।

প্ৰতিভা অতিশয় মেধাৱী হোৱাৰ কাৰণে নামটো তেওঁৰ সৈতে বাককৈয়ে খাপ খাইছে। প্ৰতিভাৰ দেউতাক নাৰায়ণ ৰাও আছিল শিক্ষানুৰাগী। উপযুক্ত বয়সত গাঁৱৰ আন দহজন ল'ৰা-ছোৱালীৰ সৈতে একেলগে তেওঁৰ বিদ্যাৰম্ভ হয়। চোকা বুদ্ধিৰ ছাত্ৰী প্ৰতিভাই বিদ্যালয়লৈ যোৱা দিনৰে পৰাই শিক্ষাগুৰুৰ আদেশ-উপদেশ আখৰে আখৰে মানি চলিছিল। প্ৰাথমিক বিদ্যালয়ৰ শেষ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পিছত দেউতাকে প্ৰতিভাক জলগাঁৱৰ আৰ.আৰ. হাইস্কুলত নাম লগাই দিয়ে। আৰ. আৰ. স্কুলৰ পৰা হাইস্কুলীয়া শিক্ষাগ্ৰহণ কৰাৰ পিছত প্ৰতিভাই উত্তৰ মহাৰাষ্ট্ৰ বিশ্ববিদ্যালয়ৰ পৰিসীমাৰ অন্তৰ্ভুক্ত মূলজী জৈঠা মহাবিদ্যালয়ত নাম লগায়। অতিশয় মেধাৱী তথা পঢ়া-শুনাৰ প্ৰতি অত্যন্ত আগ্ৰহী প্ৰতিভাই একাগ্ৰচিত্তে পঢ়া-শুনা কৰি উক্ত মহাবিদ্যালয়ৰ পৰাই সুখ্যাতিৰে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। মূলজী জৈঠা মহাবিদ্যালয়ত পঢ়া-শুনা কৰাৰ সময়ত প্ৰতিভাই একান্তমনে পঢ়া-শুনা কৰাৰ লগতে খেল-ধেমালিতো সমানেই অংশগ্ৰহণ কৰিছিল। কেইবাবাৰো মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাত মহিলা টেনিচ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বিজয়ী হৈ তেওঁ পুৰস্কাৰ লাভ কৰিছিল। খেল-ধেমালিৰ লগতে কবিতা আবৃত্তি, আকস্মিক





বক্তৃতা, তৰ্ক প্ৰতিযোগিতা আদিত অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলৰ মাজত জনপ্ৰিয়তা লাভ কৰিছিল। মেধাৰ লগতে নম্ৰ আৰু ভদ্ৰ ব্যৱহাৰৰ বাবে প্ৰতিভাই মহাবিদ্যালয়ৰ আটাইৰে মৰম-চেনেহ লাভ কৰি জনপ্ৰিয়তাৰ শিখৰত আৰোহণ কৰিছিল। সেয়ে, স্নাতক মহলাত পঢ়ি থকাৰ সময়ত কলেজ কৰ্তৃপক্ষই প্ৰতিভাক ইং ১৯৬২ চনত 'কলেজ কুইন' খিতাপেৰে বিভূষিত কৰিছিল।



স্বামী দেবীসিং ৰামসিং শেখাৱটৰ সৈতে

স্নাতক উপাধি লাভ কৰাৰ পিছত প্ৰতিভাই আইন পঢ়িবলৈ ইচ্ছা কৰে। সেয়ে তেওঁ বোম্বাই (বৰ্তমান নাম মুম্বাই) বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত মুম্বাই চৰকাৰী আইন মহাবিদ্যালয়ত নাম লগাই পঢ়া-শুনা কৰি আইনৰ শেষ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ আইনৰ স্নাতক হয়।

আইনৰ স্নাতক উপাধি লাভ কৰাৰ পিছত প্ৰতিভাই কিছুদিন জলগাঁৱত ওকালতি কৰে। তেওঁ ওকালতি কৰিবলৈ লোৱাৰ আগতেই ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ বিধিগত সদস্যা হৈ ৰাজনীতিত জড়িত হৈ পৰে। সেয়ে তেওঁ জলগাঁৱত ওকালতি কৰাৰ লগতে সমাজসেৱামূলক কামতো ব্ৰতী হয়।

ইং ১৯৬২ চনত চীন দেশে ভাৰত আক্ৰমণ কৰে। সেই বছৰতে ভাৰতৰ তৃতীয়বাৰৰ বাবে লোকসভা আৰু বিধানসভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। উক্ত নিৰ্বাচনত প্ৰতিভাই তেওঁৰ ৰাজনৈতিক গুৰু যশোৱন্ত ৰাও চৱনৰ নিৰ্দেশত মহাৰাষ্ট্ৰৰ আদিলবাদ সমষ্টিৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি বিজয়ী হয়। সেই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ২৭ বছৰ। মাত্ৰ ২৭ বছৰ বয়সতে প্ৰতিভাই বিধানসভাৰ সদস্যা নিৰ্বাচিত হোৱাৰ কাৰণে সকলো আচৰিত হৈ পৰে। ১৯৬২ চনত মহাৰাষ্ট্ৰ বিধানসভাৰ সদস্যা নিৰ্বাচিত হোৱাৰ পিছত ১৯৮৫ চনলৈকে একেৰাহে পাঁচবাৰ তেওঁ বিধায়িকা নিৰ্বাচিত হয়।

শ্ৰীমতী প্ৰতিভা পাটিলৰ স্বামী দেৱীসিং ৰামসিং শেখাৱত এগৰাকী সমাজ সেৱক আছিল। তেওঁলোকৰ দুটা সন্তান আছিল। ল'ৰাজনৰ নাম ৰাজেন্দ্ৰ শেখাৱত আৰু জীয়েকৰ নাম জ্যোতি ৰাঠোৰ। প্ৰতিভা পাটিল আৰু দেৱীসিং ৰামসিং শেখাৱতৰ পুতেক ৰাজেন্দ্ৰ শেখাৱতে মহাৰাষ্ট্ৰ বিধানসভাৰ নিৰ্বাচনত ভাৰতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অমৰাৱতীৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি বিধায়ক নিৰ্বাচিত হয়। শ্ৰীমতী প্ৰতিভা পাটিলৰ পুত্ৰই পিতৃৰ সলনি মাতৃৰ পদাংক অনুসৰণ কৰিছে।

২০০৭ চনত প্ৰতিভা পাটিলে নিৰ্বাচনত ভাৰতীয় জনতা পাটিৰ প্ৰাৰ্থী ভৈৰোসিং শেখাৱতে ৩,৩১,৩০৬টা ভোট লাভ কৰাৰ বিপৰীতে শ্ৰীমতী প্ৰতিভা পাটিলে ৬,৩৮,১১৬টা ভোট লাভ কৰি ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে বিজয়ী হয়। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ কে.জি. বালকৃষ্ণণৰ ওচৰত ২০০৭ চনৰ জুলাই মাহৰ ২৫ তাৰিখে ভাৰতৰ ৰাষ্ট্ৰপতিৰূপে শপত গ্ৰহণ কৰে।



ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ সৈতে

শ্ৰীমতী প্ৰতিভা পাটিলে নিৰ্বাচনত বিজয়ী হৈ ভাৰতৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈ ভাৰতবৰ্ষৰ ইতিহাসৰ এক নতুন অধ্যায়ৰ সূচনা কৰে। কাৰণ শ্ৰীমতী প্ৰতিভা পাটিল ডাঙৰীয়ানীয়েই হ'ল ভাৰতৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি তথা দেশৰ সৰ্বোচ্চ পদবীত অধিষ্ঠিত হোৱা প্ৰথম মাৰাঠী মহিলা।



# অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ পৰম্পৰাত লোক উৎসৱ

**দৃষ্টিৰেখা বৰা**
স্নাতক ১ম যাথাসিক

অসমভূমিত বিভিন্ন জাতি-ধৰ্ম আৰু ভাষিক জনগোষ্ঠীৰ লোকে বসবাস কৰে। এই জনগোষ্ঠীসমূহৰ ভিতৰত এটা জনগোষ্ঠী হ'ল চাহ জনগোষ্ঠী। চাহ জনগোষ্ঠীয় লোকসকল মূলতঃ চাহশিল্পক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছিল।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত অসম তথা ভাৰতলৈ যেতিয়া ইংৰাজসকল আহিছিল, তাৰ পাছতেই ১৮৩৯ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰথম চাহ খেতিৰ আৰম্ভ কৰিছিল।

অসম যিহেতু চাহশিল্পত এক চহকী ৰাজ্য, সেয়েহে এই চাহ শিল্পসমূহক কেন্দ্ৰ কৰিয়েই চাহ জনগোষ্ঠীয় লোকসকল গঢ়ি উঠিছিল আৰু চাহ বাগিচাসমূহক কেন্দ্ৰ কৰিয়েই তেওঁলোকে জীৱন নিৰ্বাহ কৰি আহিছে।

চাহ জনগোষ্ঠীয় লোকসকল এক সংস্কৃতিবান গোষ্ঠী। তেওঁলোকৰ বহুতো পৰম্পৰাগত লোকউৎসৱ আছে। এই লোকউৎসৱসমূহৰ সন্দৰ্ভত এটি প্ৰবন্ধ আগবঢ়োৱা হ'ল।

**কৰম পূজা ঃ** চাহ জনজাতিসকলৰ কৰম পূজা হৈছে এক কৃষিভিত্তিক উৎসৱ। ভাদ মাহৰ শুক্লা একাদশী তিথিত এই কৰম পূজা পালন কৰা হয়। কৰম পূজা সাধাৰণতে দুবিধ, জিতিয়া কৰম আৰু ৰাজহ কৰম। ভাদ মাহৰ পঞ্চমী তিথিৰ পৰা একাদশীলৈ ৰাজহ কৰম পূজা পতা হয়। আনহাতে জিতিয়া কৰম পূজাৰ কোনো নিৰ্দিষ্ট সময় নাই।

কৰম পূজাৰ প্ৰস্তুতি সাধাৰণতে 'জাওৱা' অনুষ্ঠানৰ যোগেদি সম্পন্ন হয়। জাওৱা হৈছে শস্য গজোৱা পৰ্ব। কৰম পূজাৰ এই দিনকেইটাত গাঁৱৰ অবিবাহিত কুমাৰী ছোৱালীয়ে অৰ্থাৎ কৰমতীসকলে ধৰাৰ বুকুত অধিক শস্য কামনা আৰু বংশবৃদ্ধি হোৱাৰ আশাৰে নৈত গৈ গা-পা ধুই মন প্ৰসন্ন কৰি ভক্তিভাৱেৰে তাৰ এডোখৰ পৰিষ্কাৰ ঠাইত থাপনা পাতে। থাপনা পতাৰ অন্তত কৰমতীসকলে লগত নিয়া টুপা বা ডালি আনুষ্ঠানিকভাৱে নৈৰ পৰা বালি, মাটি আনি তাত বুট মাহ, মগু, সৰিয়হ আদি বিভিন্ন শস্যৰ বীজ অঙ্কুৰিত হ'বলৈ সিঁচি দি পবিত্ৰতাৰে পাত্ৰবোৰ নিৰ্দিষ্ট ঠাইত থয়। এই নিয়ম অনুযায়ী কৰমতীসকলে কেতবোৰ নিৰ্দিষ্ট নীতি-নিয়ম পালন কৰে। এই দিনকেইটাত তেওঁলোক উপবাসে থাকে। মূল কৰমৰ





আগদিনালৈকে মূৰৰ চুলি নাবান্ধে, কুচি-মুচি নোশোৱে আৰু অপবিত্ৰ ঠাইলৈ গমন নকৰে। তেওঁলোকৰ বিশ্বাস যে এনেবোৰ কাৰ্য কৰিলে গজালি ওলাবলৈ ধৰা বীজসমূহ পোন নহৈ একা-বেঁকা আৰু শস্যবোৰ নিশকতীয়া হ'ব পাৰে।

কৰম বুঢ়াই কৰ্মা আৰু ধৰ্মা নামৰ দুই ভাতৃৰ কথাৰে কৰমপূজাৰ তাৎপৰ্য ব্যাখ্যা কৰে। কৰম কাহিনীৰ যোগেদি এই পূজাৰ অন্তত ঢোল-মাদলৰ তালে তালে গোটেই নিশা ঝুমেইৰ নৃত্য-গীত কৰে।

এনেদৰেই মানৱ মনৰ চিৰন্তন দুখ-কষ্ট, হা-হুমুনিয়াহবোৰ ক্ষণিক সময়ৰ বাবে আঁতৰাই চাহ বাগানীয়াসকলে মনৰ আনন্দৰে গাই নাচি-বাগি গোটেই নিশা তেওঁলোকৰ জনজীৱনৰ ৰহস্যময় তাৎপৰ্য আৰু সাংস্কৃতিক পৰম্পৰা প্ৰকাশ কৰাৰ অন্তত উৎসৱৰ পিছদিনা ৰাতিপুৱা নৃত্য-গীতৰ মাজেৰে কৰম গোসাঁইক নৈত বিসৰ্জন দিয়ে।

**টুচু পূজা ঃ** কৰম পূজাৰ দৰে টুচু পূজা হৈছে চাহ জনগোষ্ঠীয় নাৰীৰ হিয়া-মন উৎফুল্লিত কৰি তোলা সকলোৰে জনপ্ৰিয় এটি লোকউৎসৱ। পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা টুচু পৰব পালন কৰা হয়। ইয়াকে 'পুচ পৰব' বুলি কোৱা হয়। এই উৎসৱ প্ৰধানকৈ মহিলাসকলে পালন কৰে। টুচু পৰব পালন কৰিলে পৰিয়ালৰ



সা-সম্পত্তি বৃদ্ধি আৰু তিৰোতাসকলৰ মনৰ বাঞ্ছা পূৰ্ণ হয় বুলি বিশ্বাস কৰে। পুহ মাহ সোমোৱাৰ পাছত সাত বা নগৰাকী তিৰোতা লগ লাগি টুচু পৰব পাতিবৰ বাবে আলোচনা কৰে। তাৰে মুখিয়াল এগৰাকীক টুচুৰ মাক হিচাপে বাচি লোৱা হয়। সাধাৰণতে টুচুৰ মাকৰ ঘৰতে পূজা পাতিবলৈ ঠিক কৰে। টুচুৰ নামত নতুন ধাঁহৰ সৰু পাচিত ন চাউলৰ পিঠাগুড়ি, ফুল, সেন্দুৰ আদি লৈ সন্ধিয়া বেলিকা এই পূজাৰ আৰম্ভণি হয়। এগৰাকীয়ে গীত গায় আৰু বাকীসকলে সুৰ ধৰি গায়।



কৰ্ষণ ▸ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ▸ ২০১৬-২০১৭ চন

এনেদৰেই পুহৰ সংক্ৰান্তি অৰ্থাৎ মাঘ বিহুৰ দিনা অনুষ্ঠিত হয় টুচু পৰবৰ পূৰ্ণ জাগৰণ অনুষ্ঠান। নিশা ডেকা-গাভৰুসকলে উজাগৰে থাকি টুচু মূৰ্তি প্ৰতিষ্ঠা কৰে। ঘৰৰ চোতালত গোটেই নিশা টুচু গীত-পদ গাই ঢোল মাদল বজাই নৃত্য কৰি হেঁপাহ পলুৱাই মনৰ আনন্দ প্ৰকাশ কৰে। পিছদিনা টুচু 'ভাসান' পৰব। বাতিপুৱা সোকমোকালিতে টুচুমতীসকলে এমাহ ব্যাপি পূজা-বন্দনা কৰা টুচু মাৰ মূৰত তুলি দি দেৱীক ভাসান অৰ্থাৎ বিসৰ্জন দিয়াৰ অৰ্থে নদীলৈ গমন কৰে। টুচু মাৰ পিছে পিছে টুচুমতীসকলে গীত-পদ গাই আনন্দ কৰি



যায়। টুচু ভাসানৰ পিছতে সকলোৱে সেই নদীত গা ধুই মনৰ শান্তি লভে। সেই স্নানক মকৰ স্নান বোলে। এনেদৰেই টুচু পূজা অনুষ্ঠিত কৰে।

**ফাগুৱা বা হোলী উৎসৱ ঃ** ফাগুন মাহৰ দৌলযাত্ৰা উৎসৱক চাহ জনগোষ্ঠীৰ লোকসকলে বৰ উলহ-মালহৰে উদ্‌যাপন কৰে। এই উৎসৱক তেওঁলোকে হোলী পৰব বা ফাগুৱা বোলে। হোলীৰ আগদিনা কোনো এডোখৰ ঠাইত তেওঁলোক একগোট হয়। শিমলু গছৰ ডাল অথবা অন্য কোনো গছৰ ডাল এটা পুতি খেৰ-বাঁহ আনিৰে এটা মেজি সাজে। পূজাৰীয়ে পূজা কৰি আঁতোৰৰ পাছত সেই মেজি দাহ কৰা হয়। ইয়াকে হোলিকা দাহ কৰা বোলে। মাঘ বিহুত কৰাৰ নিচিনাকৈ আনৰ বাৰীৰ বস্তু চুৰ কৰি আনি মেজি সজা ইয়াতো দেখা যায়। এই পৰবত বিহুত পিন্ধাৰ নিচিনাকৈ সকলোৱে নতুন সাজ-পোছাক পৰিধান কৰে আৰু ঘৰে ঘৰে গৈ নৃত্য-গীত কৰি ৰঙলি গায়। ফাগুৱা পৰবত গোৱা গীতসমূহক হোলী গীত বোলে। এই হোলী গীত নিশা মেজিত পৰ দিওঁতেই গোৱা আৰম্ভ কৰে। ডেকা-গাভৰুসকলে লগ লাগি হোলী গীত গাই দণ্ড নৃত্য কৰে। এই নৃত্যত সকলোৱে হাতে হাতে এহাতমান দীঘল দণ্ড বা মাৰি লৈ ঘূৰি ঘূৰি নৃত্য কৰে। সাধাৰণতে বাগতি, গড়াই, কালিন্দী, মুৰা আদি জাতিসকলৰ মাজত এই নৃত্য অধিক প্ৰচলিত আছে।

**সহঁৰাই পৰব ঃ** সঁহৰাই পৰব চাহ জনগোষ্ঠীসকলৰ এটি বিশেষ উৎসৱ। এই উৎসৱো মূলতঃ কৃষিৰ লগত জড়িত। ইয়াক দেৱালী বা সঁহৰাই পৰব বা বন্দনা পৰব বুলিও কোৱা হয়। সঁহৰাই পৰব কালি পূজাৰ পাছদিনাখন অনুষ্ঠিত হয়। চাহ জনগোষ্ঠীসকলৰ সহঁৰাই পৰব গৰখীয়া জীৱনৰ লগত জড়িত। হিন্দু ধৰ্মৰ মতে ভগৱান শ্ৰীকৃষ্ণই এজন সাধাৰণ গৰখীয়াৰ দৰে গৰু চৰাই বাঁহী বজাই ঘূৰি ফুৰিছিল আৰু সেয়েহে গৰখীয়াসকলৰ এক সুকীয়া স্থান আছে। চাহ জনজাতি লোকে সেয়েহে সঁহৰাই পৰবত গো পূজা কৰে। সহঁৰাই পৰব গো লক্ষ্মীৰ পূজা-অৰ্চনা কৰা উৎসৱ। সেই দিনা গৰুৰ মূৰত তেল, সেন্দূৰ দিয়ে, গৰুক গা ধুৱাই ডিঙিত ফুলৰ মালাৰ লগতে ধানৰ মালা পিন্ধাই পূজা-সেৱা কৰে। গৰখীয়াসকলে দুয়ো নিশা মানুহৰ ঘৰে ঘৰে গৈ ঢোল, মাদল, ত.ল আদি বজাই গীত গাই গৃহস্থক আশীৰ্বাদ দিয়ে। এই গীতবোৰক জাহলী গীত বোলে।

কৃষিজীৱী লোকৰ অপৰিহাৰ্য অংগ গৰুৰ শ্ৰীবৃদ্ধি আৰু মঙ্গল কামনাৰ উদ্দেশ্যেই সঁহৰাই পৰবটি অনুষ্ঠিত কৰা হয়।

সাধাৰণতে লোকউৎসৱসমূহ প্ৰধানকৈ কৃষিক্ষেত্ৰৰ লগত জড়িত। ঠিক সেইদৰেই চাহ জনগোষ্ঠীয় লোকসকলৰ উৎসৱসমূহো কৃষিভিত্তিক উৎসৱ। এই লোকউৎসৱসমূহৰ মাজতে তেওঁলোকৰ ধৰ্মীয় বিশ্বাস, ৰীতি-নীতি পৰম্পৰা আদিবোৰ সোমাই আছে।

এনেদৰেই চাহ জনগোষ্ঠীয় লোকসকলে তেওঁলোকৰ পৰম্পৰাগত লোকউৎসৱসমূহ পালন কৰে।


**সহায়ক গ্ৰন্থপঞ্জী ঃ**
কুৰ্মী, সুশীল ঃ অসমৰ চাহ শ্ৰমিকৰ অৱদান
চাও, গঁগে লোকেশ্বৰ ঃ অসমৰ লোক-সংস্কৃতি, দ্বিতীয় খণ্ড, ২০০৪ চন।
দাস, ড° অংশুমান ঃ অসমৰ উৎসৱ-পাৰ্বণ বুটলি।





# নৱপ্ৰজন্মৰ ওপৰত ছ'চিয়েল মিডিয়াৰ প্ৰভাৱ

অম্লানজ্যোতি বৰা
স্নাতক ৫ম ষাণ্মাসিক



**আৰম্ভণি আৰু সংজ্ঞা ঃ**

নৱপ্ৰস্তৰ যুগৰ পৰাই ছ'চিয়েল মিডিয়াৰ আৰু জনসমাজৰ মাজত ঘনিষ্ঠ সম্পৰ্ক চলি আহিছে আৰু চলি থাকিব। এই ছ'চিয়েল মিডিয়া হৈছে জনসমাজক বিশ্বৰ খবৰ দিয়াৰ এক প্ৰকাৰৰ মাধ্যম। নৱপ্ৰস্তৰ যুগত প্ৰযুক্তি বিদ্যাৰ পোহৰ নোপোৱা অসমখনত খবৰ দিয়াৰ মাধ্যম হিচাপে একমাত্ৰ বাতৰি কাকতখনহে আছিল। ইয়াৰ আগতে অৰ্থাৎ আদি প্ৰস্তৰযুগত মানুহে সভ্যতাৰ পোহৰ পোৱাৰ সময়ত পাৰ চৰাই আছিল একমাত্ৰ খবৰ দিয়াৰ মাধ্যম।

বৰ্তমান ছ'চিয়েল মিডিয়াসমূহ হৈছে উন্নত প্ৰযুক্তিৰ কিছুমান মাধ্যম, যিবোৰ কম্পিউটাৰৰ দ্বাৰা নিয়ন্ত্ৰিত তথা কোনো ব্যক্তি, সংস্থা, চৰকাৰ আদিয়ে নিজৰ ধাৰণা, সৃষ্টি, বাৰ্তা আদি নেটৱৰ্কিং বা অপ্ৰকৃত যোগাযোগেৰে জনসমাজৰ মাজত বিতৰণ বা প্ৰেৰণ কৰে। এই সমূহ আন্তঃসক্ৰিয় (Inter-active) ব্যৱহাৰকাৰীৰ দ্বাৰা চালিত গণ মাধ্যম। কেইটামান বহুল প্ৰচলিত, জনপ্ৰিয় তথা আগশাৰীৰ ছ'চিয়েল মিডিয়া হৈছে, Face book, Whats app, Tubler, Instagram, Twiter, Google, You tube, Uiber, Pinterest, Linkedin.

ওপৰত উল্লেখ কৰা ছ'চিয়েল মিডিয়াসমূহ হৈছে স্বয়ংচালিতভাৱে কাৰ্যক্ষম কিছুমান অত্যাধুনিক প্ৰযুক্তিৰ কিছুমান নেটৱৰ্কিং প্ৰগ্ৰেম যিয়ে এজন ব্যৱহাৰকাৰীৰ তথ্যসমূহ আনসমূহ ব্যৱহাৰকাৰীৰ সৈতে সমন্বিতকৰণ কৰে। গুগল (Google), ফেচবুক (Face book), হ্বাটচ্‌ এপ (What's app), টুইটাৰ (Twiter) আদিয়েই হৈছে সাম্প্ৰতিক সময়ৰ বহলভাৱে ব্যৱহৃত ছ'চিয়েল মিডিয়া।

এই ছ'চিয়েল মিডিয়াসমূহে সমাজত যথেষ্টভাৱে প্ৰভাৱ পেলায়। সমাজৰ বিভিন্ন শ্ৰেণীৰ ব্যৱহাৰকাৰী যেনে— ছাত্ৰ-ছাত্ৰী, সাংবাদিক, ব্যৱসায়ী, শিল্পী-সাহিত্যিক, ৰাজনৈতিক আদি। মুঠৰ ওপৰত ইয়াক ব্যক্তিয়ে মুক্তভাৱে ব্যৱহাৰ কৰিব পাৰে আৰু ইয়াৰ পৰা ব্যৱহাৰকাৰীসকল লাভান্বিত হয়।

এই ছ'চিয়েল মিডিয়াসমূহে নৱ প্ৰজন্মৰ ওপৰত বহুতো ধনাত্মক আৰু ঋণাত্মক প্ৰভাৱ বিস্তাৰ কৰা পৰিলক্ষিত হয়।

**এই ছ'চিয়েল মিডিয়াৰ ধনাত্মক প্ৰভাৱ ঃ**

ছ'চিয়েল মিডিয়াই নৱপ্ৰজন্মক বিভিন্ন ধৰণে সহায় কৰিছে। উদাহৰণস্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ প্ৰয়োজনীয় জ্ঞান আহৰণৰ বাবে যথেষ্টভাৱে এই নেটৱৰ্কিং চাইটৰ ওপৰত নিৰ্ভৰশীল, ঠিক সেইদৰে শিল্পী-সাহিত্যিকসকলেও নিজৰ সৃষ্টিৰাজিৰ প্ৰকাশ তথা বিতৰণৰ বাবে এই নেটৱৰ্কিং

চাইটসমূহৰ আশ্ৰয় লয়। ৰাজনীতিবিদসকলে তেওঁলোকৰ প্ৰয়োজনীয় কামসমূহ এই নেটৱৰ্কিং চাইটৰ জৰিয়তে সহজে সম্পাদন কৰিছে।

ঠিক সেইদৰে ব্যৱসায়ীসকলে নিজৰ ব্যৱসায় সামগ্ৰীসমূহ এই নেটৱৰ্কিং চাইটৰ জৰিয়তে সহজতে লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান জনসাধাৰণৰ এচাম মানুহে এই নেটৱৰ্কিং চাইটসমূহৰ জৰিয়তে তেওঁলোকৰ নিত্য ব্যৱহাৰ্য বস্তুবোৰ বাসগৃহতে থাকি পোৱাৰ এটা সুবিধা পাইছে।

এক কথাত ক'বলৈ গ'লে সাধাৰণ নাগৰিকৰ শতকৰা ৮০ শতাংশই আধুনিকতাৰ প্ৰভাৱত গুগল (Google)ৰ ব্যৱহাৰ কৰে। এই ছ'চিয়েল মিডিয়াসমূহে পৰোক্ষভাৱে দেশৰ অৰ্থনীতিত, সমাজ ব্যৱস্থা আদিৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে মাইক্ৰ'ছফট তথা গুগলৰ স্বত্বাধিকাৰী বিল গেইটচ হৈছে বিশ্বৰ সবাতোকৈ ধনী ব্যক্তি আৰু তেওঁৰ এই প্ৰতিষ্ঠানে বিশ্ব-অৰ্থনীতিত বহুত প্ৰভাৱ বিস্তাৰ কৰিছে। তেওঁ এই প্ৰতিষ্ঠানৰ দ্বাৰা ১.৫০ লাখৰো অধিক ব্যক্তিক কৰ্ম সংস্থাপন দি বিশ্বৰ অৰ্থনীতিক সহায় কৰিছে।

বিশেষকৈ এইসমূহ ছ'চিয়েল মিডিয়াই নৱপ্ৰজন্মক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দিশত বেছি আকৰ্ষিত কৰিছে। উদাহৰণস্বৰূপে ৫ বছৰৰ এটা শিশুৱে বৰ্তমান সময়ত কম্পিউটাৰ ব্যৱহাৰ কৰিব পাৰিছে। ইয়াৰ দ্বাৰা বৰ্তমান সমাজৰ আধুনিকতাই প্ৰকাশ পায়। দৰাচলতে ছ'চিয়েল মিডিয়াই সমাজত আধুনিকতাৰ প্ৰভাৱ পেলাইছে। ছ'চিয়েল মিডিয়াই সমাজৰ নৱ প্ৰজন্মৰ ওপৰত অৰ্থনৈতিক প্ৰভাৱ বিস্তাৰ কৰিছে। এই অৰ্থনৈতিক প্ৰভাৱৰ ফলত সমাজত আধুনিকতাই এক বিশেষ স্থান লাভ কৰিছে। যিহেতু সমাজ গতিশীল, গতিকে বৰ্তমান সমাজখনক চাই ভৱিষ্যতৰ সমাজখন কিমান আগবঢ়া হ'ব তাক কল্পনা কৰিব পৰা যায়। ইয়াৰ পৰা এসময়ত পৃথিৱীত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত পিছপৰা মানুহ নাইকিয়া হ'ব। অৰ্থনৈতিকভাৱে পিছপৰা মানুহবো সংখ্যা কমি আহিব।

**নৱপ্ৰজন্মৰ ওপৰত ছ'চিয়েল মিডিয়াৰ ঋণাত্মক প্ৰভাৱ :**

যেনেকৈ ছ'চিয়েল মিডিয়াই নৱ প্ৰজন্মক সহায় কৰিছে, ঠিক তেনেকৈ ধ্বংসও কৰিছে। নৱ-প্ৰজন্ম ধ্বংসে হোৱা প্ৰধান কাৰণটো হ'ল মাইক্ৰ'ছফট নামৰ যিটো নেটৱৰ্কিং চিষ্টেম ইয়াক সকলোৱে মুক্তভাৱে ব্যৱহাৰ কৰিব পাৰে। যিহেতু ইয়াক সকলোৱে বাবে উপযোগীকৈ প্ৰস্তুত কৰা হৈছে গতিকে ইয়াক ব্যৱহাৰ কৰিব নাজানি কিছু সংখ্যক ব্যৱহাৰকাৰী ধ্বংসৰ পথত আগুৱাই গৈছে।

ছ'চিয়েল মিডিয়াই বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ ওপৰত বেছিকৈ প্ৰভাৱ পেলাইছে। আধুনিকতাৰ প্ৰভাৱত পৰি শতকৰা ৯০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই ম'বাইলৰ ব্যৱহাৰ কৰিছে। এই ম'বাইলৰ দ্বাৰা তেওঁলোকে ইণ্টাৰনেটৰ পৃথিৱীত সোমাই পৰিছে আৰু ফেচবুক (Face book), হোৱাটছ্ এপ্ (Wha's app) , টুইটাৰ (Twiter), ইউটিউব (You tube) এইধৰণৰ ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰ কৰিবলৈ শিকিছে। ইয়াৰ সৎ ব্যৱহাৰ কৰিব নাজানি তেওঁলোকে লাভবানৰ হোৱা বিপৰীতে ধ্বংসৰ পথত এখোজ বেছিকৈ আগুৱাই যোৱা পৰিলক্ষিত হোৱা দেখা যায়। অভিভাৱকসকলে আত্মৰক্ষাৰ বাবে ক্ৰয় কৰি দিয়া তেওঁলোকৰ দৈনিক প্ৰয়োজন ম'বাইলটো ব্যৱহাৰ কৰিব নাজানি তেওঁলোকে তেওঁলোকৰ মূল্যবান সময়ৰ অপব্যয় কৰিছে।

ওপৰত উল্লিখিত নেটৱৰ্কিং চাইটসমূহ ব্যৱহাৰ কৰিবলৈ গৈ ছাত্ৰ-ছাত্ৰীক অৰ্থৰ প্ৰয়োজন হৈছে। এই অৰ্থৰ প্ৰয়োজন পূৰাবলৈ গৈ তেওঁলোকে অভিভাৱকসকলক দাবী কৰিছে নাইবা নিজকে বিপথে পৰিচালিত কৰিছে। ইয়াৰ দ্বাৰা তেওঁলোকে তেওঁলোকৰ শৈক্ষিক দিশ, মূল্যবান অৰ্থ আৰু নৈতিক চৰিত্ৰ ধ্বংসে কৰিছে।

ইয়াৰ বাহিৰেও ছ'চিয়েল মিডিয়াসমূহে সমাজৰ মানুহক অতি সাংঘাতিকভাৱে ধ্বংসৰ পথত আগুৱাই নিয়া পৰিলক্ষিত হয়। এই ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰকাৰীসকলৰ মাজত দুই শ্ৰেণীৰ মানুহৰ সৃষ্টি হোৱা দেখা যায়। ইয়াৰে এটা শ্ৰেণীয়ে আনটো শ্ৰেণীক বিশেষভাৱে শোষণ কৰে। উদাহৰণস্বৰূপে এচাম দুষ্ট বুদ্ধিৰ হেকাৰে ধনী শ্ৰেণীৰ লোক যেনে ব্যৱসায়ীসকলক অৰ্থনৈতিকভাৱে বা ব্যৱসায় সমন্ধে তেওঁলোকৰ নথি-পত্ৰ হেকিং কৰা দেখা যায়। আনকি এখন দেশে আন এখন দেশৰ অস্ত্ৰ-শস্ত্ৰ বা প্ৰয়োজনীয় তথ্যসমূহ কিছুমান তীক্ষ্ণ বুদ্ধিৰ হেকাৰৰ দ্বাৰা হেকিং কৰা দেখিবলৈ পোৱা যায়।

**সামৰণি :**

ছ'চিয়েল মিডিয়াই নৱপ্ৰজন্মক যদিও বিপথে পৰিচালিত কৰিছে তথাপিও সমাজত ইয়াৰ ব্যৱহাৰ কমি যোৱা নাই আৰু নকমেও। ছ'চিয়েল মিডিয়া বা নেটৱৰ্কিং চাইটসমূহ ব্যৱহাৰকাৰীসকলে ইয়াক বেয়াতকৈ ভাল কামত ব্যৱহাৰ কৰিব লাগে। এই ব্যৱহাৰকাৰীসকলৰ ভিতৰত যিহেতু ৫০ শতাংশই ছাত্ৰ-ছাত্ৰী গতিকে এইসকল ব্যৱহাৰকাৰীৰ অভিভাৱকসকল এইটো দিশত সতৰ্ক হ'ব লাগে যাতে তেওঁলোকৰ সন্তানে এই ধৰণৰ ছ'চিয়েল মিডিয়াক কু-কৰ্মত ব্যৱহাৰ নকৰি সু-কৰ্মতহে ব্যৱহাৰ কৰে। সমূহ ব্যৱহাৰকাৰীয়ে ইয়াক প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিলেহে নৱপ্ৰজন্মৰ তথা দেশৰ অৰ্থনীতিৰ উন্নতিৰ দিশত দুখোজ আগুৱাই যাব বুলি কোনো ধৰণৰ শংকা নোহোৱাকৈ ক'ব পাৰি।





# খেল-ধেমালি আৰু বৰচুংঝাৰ অঞ্চলৰ কিছু কথা

**প্ৰণামী শইকীয়া**
স্নাতক ৫ম ষাণ্মাসিক



জীৱন এক অবিৰত আৰু ধাৰাবাহিক প্ৰক্ৰিয়া। অবিৰত এই জীৱনযাত্ৰাত পখিলা যেনি ফুৰা শিশুৱেপৰা আদি কৰি জীৱন সংগ্ৰামত অৱতীৰ্ণ হোৱা মানুহ নামৰ প্ৰাণীটোৱেও হাত উজান দিছে। পৃথিৱীত যুগে যুগে একোচাম মানুহ আহি আছে আৰু পূৰ্বৰ চামটো উভতি গৈছে। কিন্তু জীৱন সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ লগে লগে প্ৰত্যেকৰে জীৱনলৈ ক্লান্তি আৰু অৱসাদ নামি আহে। যাৰ বাবে সকলোৱে বিচাৰি লয় কিছুমান উপায়। তেনে এক উপায় হৈছে খেল-ধেমালি।

অৱশ্যে ল'ৰা-ছোৱালীহঁতে ক্লান্ত হ'বলগীয়াকৈ কোনো কাম নকৰে। কিন্তু খেলাৰ যি মাদকতা তাক সিহঁতে এৰায়ো চলিব নোৱাৰে। সেয়েহে পঢ়াশালিৰপৰা আহিয়েই খেলিবলৈ লব দিয়ে। মাক-দেউতাকৰ ধমকিয়েহে কেতিয়াবা সিহঁতক ধৰি ৰাখিব পাৰে।

খেলিলে মানুহৰ মন আৰু শৰীৰ সুস্থ থাকে। খেল-ধেমালিয়ে সামাজিক মিলা-প্ৰীতি অক্ষুণ্ণ ৰাখিব পাৰে। এইক্ষেত্ৰত নগৰ অঞ্চলৰ বিশেষ ভূমিকা নাথাকিলেও গাঁও অঞ্চলসমূহৰ আঁহে আঁহে খেলাৰ মানসিকতা সিঁচৰতি হৈ আছে। নগাঁও জিলাৰ অন্তৰ্গত বৰচুংঝাৰ অঞ্চলো ইয়াৰ ব্যতিক্ৰম নহয়। ওপৰত ল'ৰা-ছোৱালীৰ কথা এই কাৰণেহি উল্লেখ কৰা হৈছে যে জ্যেষ্ঠসকলে এই খেলসমূহ খেলাৰ পৰা আঁতৰি থাকে। জীৱন ধাৰণৰ লগত সঙ্গতি ৰাখি বিভিন্ন সময়ত বিভিন্ন খেলৰ সৃষ্টি হৈছিল যিবোৰ এতিয়াও আমাৰ সমাজৰ পৰা লোপ পোৱা নাই। এই খেলসমূহৰ উৎপত্তি স্থল সম্পৰ্কে সঠিককৈ ক'ব নোৱাৰি যদিও খেলসমূহ প্ৰায়বোৰ গাঁও অঞ্চলতে বিয়পি আছে। বৰচুংঝাৰ অঞ্চলত এই খেলসমূহৰ প্ৰচলন পুৰণি হৈ পৰিছে।

যিয়েই নহওক কিয়, এই অঞ্চলৰ ল'ৰা-ছোৱালীৰ মাজত জনপ্ৰিয় হৈ উঠা বিভিন্ন খেলসমূহ যেনে চেংগুটি, বৌ গুডু, দবা-কইনা খেল, ৰজা-ৰাণী খেল, বুঢ়ী আৰু ভাত, ঝঁপিওৱা খেল, কুট কুট খেল, পাত লুকুওৱা খেল ইত্যাদি। উল্লেখযোগ্য যে কোনো ধৰণৰ কুটিলতা নথকা এই খেলসমূহে ল'ৰা-ছোৱালীহঁতক বিপথে পৰিচালনা নকৰে, বৰং তেওঁলোকৰ শৰীৰ সুস্থ ৰখাত বিশেষ ভূমিকা গ্ৰহণ কৰে। খেলসমূহ খেলোঁতে সমকামিতাৰ ভাব অৰ্থাৎ ল'ৰা আৰু ছোৱালীয়ে একেলগে খেলা দেখা যায়।

**চেংগুটি খেল :**

অসমৰ গাঁও অঞ্চলত প্ৰচলিত পুৰণি জনপ্ৰিয় খেলসমূহৰ ভিতৰত চেংগুটি হৈছে অন্যতম। বৰচুংঝাৰতো

ইয়াৰ প্ৰসাৰতা দেখা যায়। পাঁচোটা সৰু শিলগুটি হাতৰ তলুৱাত লৈ এক বিশেষ কায়দাৰে ইফাল-সিফাল কৰি বিভিন্ন পৰ্যায়ৰ মাজেৰে এই খেল খেলা হয়। পৰ্যায়সমূহ যেনে (স্থানীয় ৰূপ অনুসৰি) এক তিলিকা, দুই তিলিকা, তিনি তিলিকা, চাৰি তিলিকা, ওপৰখোপা, চেপেনা, হাচিকা, দলং আৰু গেম। এই খেল কিন্তু ছোৱালীহঁতৰ মাজতহে বিশেষভাৱে প্ৰচলিত। খেলখন দুই বা ততোধিক ছোৱালীৰ মাজত হোৱা দেখা যায়। দলীয়ভাৱে খেলিলে চাৰিগৰাকী ছোৱালীয়ে দুটা দলত বিভক্ত হৈ ঘূৰণীয়াকৈ বহি লয়। একেটা দলৰ দুয়োগৰাকী সদস্যই পৰস্পৰ বিপৰীত দিশত বহি লয়। এগৰাকী খেলুৱৈয়ে যিটো স্তৰত হাৰে সহদলীয়াই সেই স্তৰৰ পৰাই আকৌ আৰম্ভ কৰে। পৰ্যায়সমূহৰ অন্তত হাতৰ তলুৱাৰ পাঁচোটা গুটি হাতৰ পিঠিত উঠাব পাৰিলে গেম হয়। পাঁচ নম্বৰকৈ পায়। এনেদৰেই খেলখন চলি থাকে আৰু শেষত যিটো দলে অধিক নম্বৰ সংগ্ৰহ কৰিব পাৰে সেই দলটোৱেই বিজয়ী হয়।

**বৌ গুডু ঃ**

বৌ গুডু এনে এবিধ খেল, য'ত খেলুৱৈসকল দুটা দলত বিভক্ত হয়। প্ৰতিটো দলৰে খেলুৱৈৰ সংখ্যা সমান। এখন মুকলি ঠাই বা পথাৰত পোতে পোনে নিৰ্দিষ্ট দূৰত ঘূৰণীয়াকৈ দুটা ঘৰ আঁচ টানি লোৱা হয়। ইয়াৰে এটা দল এটা ঘৰৰ ভিতৰত থাকে। সেই দলৰ এগৰাকী খেলুৱৈ আনটো ঘৰত বৌ হিচাপে থাকে। এই বৌগৰাকীক প্ৰতিদলৰ খেলুৱৈসকলে ঘৰৰ বাহিৰত চাৰিওফালে ঘেৰাও কৰি থাকে। বৌৰ দলৰ খেলুৱৈহঁতে এগৰাকী এগৰাকীকৈ কুট কুট ধ্বনিৰে সিহঁতক খেদি যায়। যদি কাৰোবাক চুব পাৰে তেন্তে সেইগৰাকী মৰিল। যদিহে গুডু দিয়া সদস্যাগৰাকীৰ উশাহ এৰা যাই বা এবাৰ উপক্ৰম হয় তেন্তে তেওঁ ততালিকে যিকোনো এটা ঘৰত আশ্ৰয় ল'ব লাগে। কিয়নো উশাহ সলোৱা অৱস্থাত ঘৰৰ বাহিৰত প্ৰতিদলে চুই দিলে মৰিবলগীয়া হয়। এইদৰে খেলখনত নিৰ্ধাৰণ কৰি দিয়া সংখ্যালৈকে গুডু দি থাকিব লাগে। ইয়াৰ মাজতেই বৌগৰাকীয়ে ছেগ বুজি নিজৰ ঘৰলৈ পলাব। যদি বৌগৰাকীয়ে নিজৰ ঘৰত গৈ সোমাব পাৰে তেন্তে তেওঁৰ দলটো জিকিল। কিন্তু নিজৰ ঘৰ পোৱাৰ আগতে প্ৰতিপক্ষই চুই দিলে বৌৰ দলটো হাৰে। আকৌ নিৰ্দিষ্ট গুডুৰ ভিতৰত বৌ পলাব নোৱাৰিলেও দলটো হাৰি যায়। পৰৱৰ্তী পৰ্যায়ত বিজয়ী দলটোৰ পৰা বৌ থাকেগৈ।

**দৰা-কইনা খেল ঃ**

সাধাৰণতে সৰু সৰু ল'ৰা-ছোৱালীহঁতৰ মাজত দৰা-কইনা খেলখনে বিশেষ আনন্দৰ সৃষ্টি কৰে। কণ কণ ল'ৰা-ছোৱালীহঁতে একগোট হৈ কাপোৰৰ দৰা-কইনা সজি সিহঁতক বিয়া কৰাই দিয়ে। কেতিয়াবা আকৌ নিজৰ মাজৰ পৰাও দৰা-কইনা পাতি খেলখন খেলা হয়।

**ৰজা-ৰাণী খেল ঃ**

এইখেলত ল'ৰা-ছোৱালীহঁতে দুটা দলত ভাগ হৈ লয়। এটা ৰজাৰ দল আৰু আনটো ৰাণীৰ দল। ৰজাৰ দলটোৱে প্ৰথমে হাতে হাত ধৰি ৰাণীৰ দলটোৰ ওচৰলৈ আহে "ৰজাই হুকুম দিছে এদিম ছেদিম বাই।" একেদৰেই ৰাণীৰ দলটোৱে আগবাঢ়ি আহি সোধে— "কি হুকুম দিছে, এদিম চেদিম বাই।"

ৰজাৰ দল ঃ ছোৱালী এজনীক লাগে এদিম চেদিম বাই।

ৰাণীৰ দল ঃ কোন ছোৱালীক লাগে এদিম ছেদিম বাই।

ৰজাৰ দল ঃ (ৰাণীৰ দলৰ ছোৱালী এজনীৰ নামেৰে যেনে তৰা) তৰা ছোৱালীক লাগে এদিম ছেদিম বাই।

ৰাণীৰ দল ঃ (তৰাক ৰজাৰ দলত গতাই দি) যোৱা তৰা যোৱাগৈ ৰজাৰ ৰাণী হোৱাগৈ।

এইদৰে গীত জুৰা দলটো আগুৱাই আহে আৰু আনটো দল পিছুৱাই যায়। ৰজাৰ দলে এজনী এজনীকৈ ৰাণীৰ দলৰ আটাই কেইগৰাকী ছোৱালীক লৈ যায়।

**বুঢ়ী আৰু ভাত খেল ঃ**

বুঢ়ী আৰু ভাতৰ কাহিনী এটা সৃষ্টি কৰি এই অঞ্চলত এটা আমোদজনক খেল 'বুঢ়ী আৰু ভাত'ৰ প্ৰচলন আছে। এই খেলত এগৰাকী বুঢ়ী থাকে, হাতত এডাল লাখুটি। বাকী ল'ৰা-ছোৱালীহঁতে হাতে হাতে ধৰি ঘূৰণীয়াকৈ বুঢ়ীৰ চাৰিওফালে "এক আঁঠু পানী গ'ল গ'ল ৰাণী" বাক্য উচ্চাৰণ কৰি ঘূৰি থাকে। বুঢ়ীয়ে মাজত গছৰ পাত আদি সামগ্ৰীৰে সেতে বহি কিবা কৰি থাকে। অৰ্থাৎ সেয়া ভাত ৰান্ধিছে। ল'ৰা-ছোৱালীহঁতে মাজে মাজে বুঢ়ীৰপৰা তেল, পানী আদি বিচাৰি লয়। যেতিয়া ভাত বিচাৰে তেতিয়া বুঢ়ীয়ে কয়— "ভাত খাইবাৰ লাগি ত গা ধুইতে লাগব, আৰ আমি গা ধুইছি অ' না। আমি গা ধুই আহি, তোমৰা এইখানে থাক। আৰ কোনো দুষ্টামি কৰবেন না।" এইবুলি বুঢ়ী ওলাই যায়। কিন্তু অথাইটিং ল'ৰা-ছোৱালীহঁতে বুঢ়ী আঁতৰি যোৱাৰ লগে লগে গোটেইবোৰ লণ্ড-ভণ্ড কৰে আৰু বুঢ়ী অহা দেখি আটাইবোৰ পলাই যায়। বুঢ়ীয়েও তেনে কাণ্ড দেখি আটাইকেইটাকে খেদাই এটা এটাকৈ ধৰি লাখুটি ডালেৰে মৰাৰ ভাও ধৰে। এনেকৈয়ে খেলখনৰ সামৰণি পৰে।

**জঁপিওৱা খেল ঃ**

বৌ গুডু, বুঢ়ী আৰু ভাত আদিৰ দৰেই জঁপিওৱা খেলটোৰো জনপ্ৰিয়তা অধিক। খেলখনত দুগৰাকীয়ে মুখামুখিকৈ বহি হাত-ভৰিকেইটা সন্মুখলৈ মেলি লগ লগাই ওখ কৰে। ইয়াৰ ওপৰেৰে বাকী ল'ৰা-ছোৱালীসকল ক্ৰম অনুসৰি পাৰ হ'ব লাগে। একভৰি, দুইভৰি, দুইহাত একহাত, দুইভৰি, দুইহাত এনেদৰে দুয়োগৰাকীয়ে নিজৰ নিজৰ হাত-ভৰি কেইখন ওপৰা-উপৰিকৈ তুলি দিব লাগে। এইক্ষেত্ৰত যদি কোনো খেলুৱৈৰ শৰীৰৰ কোনো অংশ সিহঁতৰ হাত-ভৰিত লাগি যায় তেন্তে সেইগৰাকী মৰিল। এইখেলৰ বাকী পৰ্যায়সমূহ যেনে পদুম, ডলা, এক চালনি, দুই চালনি, গাহৰি কটা ইত্যাদি। চালনীৰ খেলত হাতে হাতে ধৰি জোকাৰি থাকি পাৰ হ'বলৈ দিয়া হয়। গাহৰি কটাৰ সময়ত দুয়োয়ে হাত একোখনকৈ পৰস্পৰে ধৰি ওপৰলৈ তুলি ধৰা হয় আৰু সিহঁতে আঁঠুলৈ নানা ছল-চাতুৰীৰে সিহঁতৰ ধ্যান ভংগ কৰি খৰকৈ পাৰ হৈ যাবলৈ যত্ন কৰে। কিয়নো পাৰ হোৱাৰ সময়ত যদি হাত দুখন ডিঙিত পৰে তেতিয়া সি মৰিল অৰ্থাৎ গাহৰি কটা যায়। উল্লেখযোগ্য যে এই খেলত খেলুৱৈসকলে দুগৰাকীকৈ বিভাজন হৈ লয়। মৰা খেলুৱৈৰ দলটো বহিবলৈ পাই আৰু বাকীসকলে পাৰ হয়। যিটো দলে যিটো পৰ্যায়ৰ পৰা উঠিবলৈ পাইছিল মৰিলে সেই পৰ্যায়ৰ পৰা বাকীসকলক খেলিবলৈ দিয়ে।

**কুট কুট খেল ঃ**

বাস্তাৰ ওপৰত, চোতালত বা মুকলি ঠাইত ল'ৰা-ছোৱালীহঁতে পাঁচোটা সমান আয়তাকাৰৰ ঘৰ আঁকি লগ লগাই লয়। সিহঁতৰ মাজত ক্ৰম অনুসৰি এগৰাকী এগৰাকীকৈ এই খেল খেলে। বাঁহ বা কাঠৰ এটা সৰু টুকুৰা (বৃত্তি) ক্ৰমে এক দুইকৈ আটাইকেইটা ঘৰত পেলাব লাগে। যিটো ঘৰত পেলোৱা হয় সেইটো ঘৰত ভৰি নিদি এটা ভৰিৰে সৈতে জপিয়াই বাকীকেইটা ঘৰত সোমাব লাগে। উভতি আহোঁতে বৃত্তিটো ভৰিখনৰ বুঢ়া আঙুলিৰে ঠেলি বাহিৰ কৰিব লাগে। পাঁচ নং ঘৰত বৃত্তি পেলাওঁতে চাৰি নং ঘৰৰ পৰা জঁপিয়াই পাৰ হৈ পাঁচ নং ঘৰৰ বাহিৰত দুটা ভৰি থ'ব পাৰে। কিন্তু যদি বৃত্তি বা ভৰিখন ঘৰসমূহৰ কোনো চিনত পৰে তেন্তে সেইগৰাকী মৰিল। পিছৰ ক্ৰমত তেওঁ এবাৰ অংশৰ পৰা আৰম্ভ কৰিব লাগে। পাঁচোটা ঘৰ খেলি হোৱাৰ পিছত আহে ছয় নং পৰ্যায়টো। এইবাৰ তেওঁ পাঁচোটা ঘৰ জঁপিয়াই পাৰ হওঁতে কুট কুট ধ্বনি দিব লাগে। সিটো মূৰত গৈ নোচোৱাকৈ মূৰৰ ওপৰেৰে বৃত্তিটো ১নং ঘৰলৈ মাৰি পঠিয়াব লাগে। যদি বৃত্তিটো নিৰ্দিষ্ট স্থানত পৰে তেন্তে খেলুৱৈগৰাকীয়ে কুট কুট ধ্বনিৰে সৈতে ২নং ঘৰৰ পৰা সেই ঘৰটোত পুৰণ চিন মাৰি জঁপিয়াই পাৰ হ'ব লাগে। আৰু ২ নং ঘৰৰপৰা পুনৰ খেলে। যিটো ঘৰ খেলুৱৈগৰাকীয়ে কাটিব সেইটো ঘৰ তেওঁৰ হ'ব আৰু তাত তেওঁ দুখন ভৰি থ'ব পাৰিব। অৱশেষে এটা ঘৰ এগৰাকীয়েহে কাটিব। বাকীসকলে খেলিবলৈ সেই ঘৰটোৰ পৰা এটা নিৰ্দিষ্ট অংশ কাটি ৰাখি বাকীখিনি এৰি দিয়া হয়। নিৰ্দিষ্ট অংশত বাকী খেলুৱৈসকলে ভৰি বা বৃত্তি পেলাব নোৱাৰিব। এনেদৰে ৫ নং ঘৰটো কটাৰ লগে লগে খেলখন আদায় হয় আৰু যিয়ে সৰ্বাধিক ঘৰ কাটিব তেওঁ বিজয়ী হয়।

**পাত লুকুওৱা খেল ঃ**


প্ৰথমে এগৰাকী খেলুৱৈৰ হাতৰ মুঠিত এডাল ৰাবি বা খেৰ ৰাখি প্ৰতিগৰাকীকে একোবাৰকৈ টানিবলৈ দিয়া হয়। যিগৰাকীয়ে টানোতে কনডাল সম্পূৰ্ণকৈ ওলাই পৰিব তেওঁ মৰে। মুকলি ঠাইত প্ৰতিগৰাকীৰ বাবে ঘূৰণীয়াকৈ বৃত্ত কেইটামান অঁকা হয় আৰু মৰাগৰাকীৰ বাবে সকলোৰে মাজত বৃত্তটো অঁকা হয়। তেওঁ বহি বহি আশে-পাশে থকা গছৰ পাতসমূহ আনিবলৈ নিৰ্দেশ দিয়ে। বাকীসকলে কুট কুট ধ্বনিৰে সেই পাত আনেগৈ। যদি কোনোৱে উশাহ এৰিলে তেওঁক চুব পাৰে তেন্তে দুয়োৰে স্থানৰ সালসলনি হয়। এইদৰে সাতবিধ গছৰ পাত অনাৰ পাছত তেওঁক কিছু আঁতৰত গৈ চকু ঢাকি নোচোৱাকৈ থাকিবলৈ দিয়া হয়। বাকীসকলে অন্য পাতৰ কিছু অংশ বৃত্তৰ ভিতৰতে গাঁত খান্দি পোতে। সকলোৰে হোৱাৰ পাছত মৰাগৰাকীক মাতি আনি সেই পাত খান্দি বিচাৰিবলৈ দিয়া হয়। এটা ঘৰত তিনিবাৰকৈ সুবিধা পায়। তেওঁ যদি সেই পাত বিচাৰি উলিয়াব পাৰে তেন্তে সেইগৰাকী মৰিল। যদি আটাইকেইটা ঘৰতে বিচাৰি উলিয়াই তেতিয়া প্ৰথমে যিটো ঘৰত উলিয়ালে সেইগৰাকী মৰিব আৰু মাজৰ ঘৰত থাকি তেওঁ কামখিনি কৰিব।

ল'ৰা-ছোৱালীয়ে খেলি ভাল পোৱা আৰু ডাঙৰে উপভোগ কৰি ভাল পোৱা এই খেলসমূহ এক উদাহৰণহে মাত্ৰ। এইবোৰৰ উপৰি এই অঞ্চলত সিঁচৰতি হৈ থকা বিশেষ খেলসমূহ যেনে কাউৰী খেল, বৰশী বোৱা, বান্ধনি খেল, সাঁতোৰ, কাঠখেল, বৰ্চী টনা, ৰবাৰ টেঙাৰ ফুটবল ইত্যাদি। ভৰ দুপৰীয়া গৰমত গাঁৱৰ ডেকা, সৰু ল'ৰা-ছোৱালীহঁতে এফেলগে নদীলৈ গৈ বিভিন্ন প্ৰকাৰৰ সাঁতোৰ দিয়া, নজনাক শিকোৱাৰ আনন্দই সুকীয়া। তদুপৰি চকীখেল, কিলাহী খোৱা, বেজীত সূতা ভৰোৱা, চাইকেল ৰেচ, কুকুৰা যুঁজ (মানুহৰ দ্বাৰা) আদি খেলসমূহ উৎসৱ প্ৰধান হোৱা দেখা যায়। এই খেলসমূহৰপৰা আমাৰ কোনো অপকাৰ নহয়, বৰং ই আমাৰ শৰীৰৰ অংগক সঞ্চালন কৰি ৰাখে আৰু ৰোগ-ব্যাধিৰ পৰা বচাই ৰাখে। ই একপ্ৰকাৰৰ ব্যায়াম।

এইক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ প্ৰসংগ এইয়ে যে সম্প্ৰতি যান্ত্ৰিক আৰু প্ৰতিযোগিতামূলক জগতখনত ল'ৰা-ছোৱালীবোৰ অধিকভাৱে জড়িত হৈ পৰাত এই খেলসমূহৰ ওপৰত প্ৰভাৱ পৰিছে। বৰ্তমান এই খেলসমূহ লোপ নাপালেও পূৰ্বৰ তুলনাত ইয়াৰ প্ৰভাৱ সীমিত হৈ আহিছে।

যন্ত্ৰৰ ব্যৱহাৰে এই খেলসমূহৰ প্ৰতি তেওঁলোকৰ আমনি ভাৱৰ সৃষ্টি কৰিছে। গতিকে যন্ত্ৰৰ পৰা অকনমান হ'লেও আঁতৰি আমি যদি এই খেলসমূহ সক্ৰিয় কৰি ৰাখিব পাৰোঁ তেতিয়া ই আমাৰ বাবেই ফলদায়ক হৈ উঠিব।





# শুৱনি আমাৰ গাঁওখনি অতি

**পল্লৱী খনিকৰ**
স্নাতক ৫ম যাণ্মাসিক

ঐতিহ্যমণ্ডিত কলিয়াবৰৰ মধ্যভাগত অৱস্থিত উলুৱনি গাঁও। ইতিহাসে গৰকি থৈ যোৱা কলংপাৰৰ এখন শুৱনি গাঁও। য'ত সুখ-শান্তি, মিলা-প্ৰীতি আদি বিৰাজমান। সকলোৱে বাবে নিজৰ গাঁওখনিয়েই পৃথিৱীৰ ক্ষুদ্ৰ তাণ্ডৱণ। সময় বাগৰি বৰ্তমানবোৰ যেতিয়া অতীত হয়। বুৰঞ্জীৰ পৃষ্ঠা আৰম্ভ হ'বলৈ লয় তেতিয়া আমাৰ অতীত বিচাৰি হাবাথুৰি খাবলগীয়া হয় আৰু বিচাৰি নোপোৱাৰ বেদনাই আবৰি ধৰে। ক্ৰমবিকাশৰ ধাৰাত আমাৰ অতীত-বৰ্তমানবোৰ হেৰাই নোযোৱাকৈ ৰাখিব পাৰিলে সেই হেৰুৱাটোৰ শিপাৰ সন্ধান কৰাত সুবিধা হয়। ইয়ে আমাৰ নিজৰ লগত পৰিচয় কৰাই দিয়ে। এনে ভাবৰ উকমুকনিতে জন্ম আমাৰ গাঁও উলুৱনি। কলংপাৰৰ এই গাঁওখন পূৰ্বতে উলুৱনেৰে ভৰা আছিল কাৰণে ইয়াৰ নাম উলুৱনি। সীমাহীন প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ আমাৰ গাঁওখন সকলো দিশৰ পৰা সমৃদ্ধশালী, গাম্ভীৰ্যপূৰ্ণ। সকলো ফালৰে পৰা আগবঢ়া। তলৰ কবিতাফাকি যেন আমাৰ গাঁওখনৰ লগত সম্পূৰ্ণ সামঞ্জস্য আছে

শুৱনি আমাৰ গাঁওখন অতি
শুৱনি গছৰে ভৰা
..............................
শাকনিত শাক, ফুলনিত ফুল
দেখিলে হিয়া জুৰাই

গাঁওখনৰ চাৰিসীমা বুলি ক'বলৈ গ'লে গাঁৱৰ সীমামূৰে কলংসুঁতি, পশ্চিমে খেতি পথাৰ আৰু বৰুৱা আটীগাঁও, উত্তৰে কুঁৱৰীটোল চাৰিআলি, দক্ষিণে উঁওনি চাৰিআলি। অতীজৰে পৰাই আমাৰ গাঁওখন শিক্ষা-দীক্ষা, সংগীত-নৃত্য আদি কলা-সংস্কৃতিৰে বিৰাজমান হৈ আছে। শিলগুৰি বাজৰুৱা নামঘৰেই অতীতৰ উলুৱনি গাঁৱৰ স্বাক্ষৰ বহন কৰি আহিছে। সত্ৰ হিচাপে ৫খন— লেটুগ্ৰাম, চুপুহা, ভুএগ, গোবিন্দ এলেঙী, ৰূপ নাৰায়ণ, খামুটীয়া সত্ৰেৰে আমাৰ গাঁওখন

আমাৰ গাঁৱৰ এটি নামজ্বলা উৎসৱ—দৌল উৎসৱ। অতীজৰে পৰা বৰ্তমানলৈকে এই উৎসৱ পালন কৰি আহিছে। বৰ্তমান ইয়াত আধুনিকতাৰ চাপ পৰিছে। গাঁৱৰ যুৱক-যুৱতী, গোপিনীসকল, আই-মাতৃসকল লগ হৈ ফাকুৱাৰ দুই-এদিন আগতেই ধন সংগ্ৰহ কৰি এই অনুষ্ঠান পতা হয়। জাক-জমকতাৰেই ঢোল, পেঁপা, বেণু আদি লৈ হাতত ফাকুৱা লৈ বাটে বাটে দুই-তিনিখন গাঁৱ ঘূৰি বাইজৰ পদূলি উদূলি-মুদূলি কৰি আবিৰ সানে। পাছত আহি স্কুল ঘৰতেই ভোজ-ভাত খাই আনন্দ কৰে।





সংস্কৃতিৰ ক্ষেত্ৰতো আগবঢ়া। শ্ৰীশ্ৰীশংকৰ গুৰুৱে দি যোৱা অৱদানৰ বৈষ্ণৱ পন্থাৰে প্ৰবৰ্তিত হৈ আছে। অতীতৰে গাঁৱৰ নামঘৰত বাঠিঘৰ মানুহৰ এটা খেল আছিল।

বৰ্তমান মই আলোচনা কৰিবলৈ লোৱা প্ৰস্তাবিত বিষয়টি হ'ল— উলুৱনি গাঁৱৰ প্ৰচলিত পৌৰাণিক উৎসৱ-অনুষ্ঠান। ধৰ্মীয় সাংস্কৃতিক ঐতিহ্যৰে পৰিপূৰ্ণ এইখন উলুৱনি গাঁওতেই বিহু, ভাওনা, ৰাস, থিয়েটাৰ আদি মহা আড়ম্বৰেৰে পাতি অহা তাহানিৰ উলুৱনি আছিল সাংস্কৃতিকভাৱে চহকী। হাজাৰ ৰাস, ওজাপালি, ভাওনা আদি অনুষ্ঠিত হোৱা এইখন গাঁও কলীয়াবৰীয়া জনকৃষ্টিৰে চহকী। সত্ৰ-নামঘৰৰ মজিয়াত সত্ৰিয়াৰ ডবা-কাঁহৰ শব্দৰ চৌদিশে বজনজনাই যোৱা উলুৱনি গাঁৱৰ চিন-চাব ৰাখি আহিছে। প্ৰতিবছৰে অতীজৰে পৰাই আমাৰ গাঁৱত বিহু, ফাকুৱা উৎসৱ আৰু গাঁৱৰ নামঘৰত জন্মাষ্টমী, শংকৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি আদি পালন কৰি অহা হৈছে।

ব'হাগ মাহ আহিলেই যেন ডেকা-গাভৰু, পুৰুষ-মহিলা, বৃদ্ধ-বৃদ্ধা আনকি কণ কণ শিশুসকলৰ গাতো তৎ নাইকিয়া হয়। কথাতে কয় নহয় এনেই বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া। ইফালে ঢোল-পেঁপা, তাল, গগনা আদিৰ শব্দই গাঁৱৰ ডেকা-গাভৰু, মহিলাসকলৰ গা সাতখন-আঠখন কৰি তোলে আৰু ব'হাগৰ বিহুত গাঁৱৰ মহিলাসকল একলগ হৈ মুকলি পথাৰৰ গছৰ তলত কোনেও নেদেখাকৈ জেং বিহু পাতে। বৰ্তমান সময়ত মানুহৰ কৰ্মব্যস্ততা ইমানেই বাঢ়ি গৈছে যে যাৰ ফলস্বৰূপে এই জেং বিহু উৎসৱ আমাৰ গাঁৱৰ পৰা হেৰাই গৈছে। তদুপৰি আমাৰ গাঁৱৰ অন্যান্য কিছুমান উৎসৱ-অনুষ্ঠান হ'ল— অংকীয়া নাট পৰিৱেশন, ভাগৱত পাঠ, পালনাম, পাচতি ভাওনা, বিয়ানাম, নিচুকনি গীত, মহৰ যুঁজ আদি।

ব'হাগ মাহ আহিলেই যেন ডেকা-গাভৰু, পুৰুষ-মহিলা, বৃদ্ধ-বৃদ্ধা আনকি কণ কণ শিশুসকলৰ গাতো তৎ নাইকিয়া হয়। কথাতে কয় নহয় এনেই বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া। ইফালে ঢোল-পেঁপা, তাল, গগনা আদিৰ শব্দই গাঁৱৰ ডেকা-গাভৰু, মহিলাসকলৰ গা সাতখন-আঠখন কৰি তোলে আৰু ব'হাগৰ বিহুত গাঁৱৰ মহিলাসকল একলগ হৈ মুকলি পথাৰৰ গছৰ তলত কোনেও নেদেখাকৈ জেং বিহু পাতে। বৰ্তমান সময়ত মানুহৰ কৰ্মব্যস্ততা ইমানেই বাঢ়ি গৈছে যে যাৰ ফলস্বৰূপে এই জেং বিহু উৎসৱ আমাৰ গাঁৱৰ পৰা হেৰাই গৈছে। তদুপৰি আমাৰ গাঁৱৰ অন্যান্য কিছুমান উৎসৱ-অনুষ্ঠান হ'ল— অংকীয়া নাট পৰিৱেশন, ভাগৱত পাঠ, পালনাম, পাচতি ভাওনা, বিয়ানাম, নিচুকনি গীত, মহৰ যুঁজ আদি।

আমাৰ গাঁৱত অতীজৰে পৰা মঞ্চস্থ কৰি অহা কিছুমান নাট যেনে—'তৃতীয় পানীপথ,' সামাজিক নাটক 'গৰীৱ মৰে কিয়?' জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী কুঁৱৰী আদি নাটক মঞ্চস্থ কৰা হৈছিল।

আমাৰ গাঁৱৰ অন্যান্য পৌৰাণিক অনুষ্ঠান হ'ল—গৰখীয়া সবাহ, গোপিনী সবাহ, বৰগীতৰ অনুষ্ঠান, সত্ৰীয়া নৃত্যৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হৈছিল।

অতীজৰে আমাৰ গাঁৱৰ মহিলাসকলে একলগ হৈ পালন কৰি অহা পৌৰাণিক অনুষ্ঠান হ'ল পাচতি ভাওনা। ভাদ মাহত নাম সামৰণিৰ দিয়া আইমাতৃসকলে পাচতি ভাওনা কৰে। নন্দবজাই গদালৈ মুখত দাড়ি লগাই পাক মাৰি পুৰুষৰ চোলা পিন্ধে। সেই সময়ত তিৰোতাই পোঞ্চ মৰাটো শাস্ত্ৰ সন্মত নহয় বাবে মেখেলা পিন্ধি ওলাইছিল। পাচতিত পুৰুষৰ প্ৰৱেশ নিষেধ কিন্তু ডবা কোবাবৰ বাবে সৰু ল'ৰা এটাক লয়। আমাৰ গাঁৱত সৰু ল'ৰা-ছোৱালী প্ৰত্যেকেই গীত-নাট, নাচ, চিত্ৰণ আদি সুন্দৰভাৱে পৰিৱেশন কৰিব পাৰে। অংকীয়া ভাওনা কৰি কেইজনমানে শিল্পী বঁটাও পাইছে। এই সকলোখিনি প্ৰতিভা তেওঁলোকে নিজৰ গাঁৱৰ লগতে অসমৰ বাহিৰতো প্ৰদৰ্শন কৰি আহি পঢ়া-শুনাৰ লগতে সংস্কৃতিৰ জগতখনতো চিনাকি ৰাখিবলৈ সক্ষম হৈছে। অতীজৰে পৰা বৰ্তমানলৈকে শিশুসকলৰ বাবে অনুষ্ঠিত কৰি অহা এটা অনুষ্ঠান মইনা পাৰিজাত। য'ত শিশুসকলৰ শাৰীৰিক, মানসিক, নৈতিক, বৌদ্ধিক আদি দিশৰ বিকাশ ঘটিছিল। কলিয়াবৰৰ প্ৰত্যেক মইনাই এই মইনা পাৰিজাতত অংশ গ্ৰহণ কৰি নিজৰ সুপ্ত প্ৰতিভা পৰিচয় দিব পাৰিছিল। প্ৰতিবছৰে আমাৰ গাঁৱত গান্ধীজয়ন্তী, স্বাধীনতা দিৱস, শিল্পী দিৱস আদি পালন কৰি অহা হৈছে।

তদুপৰি আমাৰ গাঁৱৰ এটি নামজ্বলা উৎসৱ—দৌল উৎসৱ। অতীজৰে পৰা বৰ্তমানলৈকে এই উৎসৱ পালন কৰি আহিছে। বৰ্তমান ইয়াত আধুনিকতাৰ চাপ পৰিছে। গাঁৱৰ যুৱক-যুৱতী, গোপিনীসকল, আই-মাতৃসকল লগ হৈ ফাকুৱাৰ দুই-এদিন আগতেই ধন সংগ্ৰহ কৰি এই অনুষ্ঠান পতা হয়। জাক-জমকতাৰেই ঢোল, পেঁপা, বেণু আদি লৈ হাতত ফাকুৱা লৈ বাটে বাটে দুই-তিনিখন গাঁৱ ঘূৰি বাইজৰ পদূলি উদূলি-মুদূলি কৰি আবিৰ সানে। পাছত আহি স্কুল ঘৰতেই ভোজ-ভাত খাই আনন্দ কৰে। আমাৰ গাঁৱৰ ওচৰতে এখন শুকুৰবৰীয়া বজাৰ বহে। দেখা পোৱা যায় যে মাজে-সময়ে বিদেশী পৰ্যটকো এই ঠাইলৈ আগমন ঘটে আৰু এই বজাৰখন বৰ্তমান মডেল বজাৰত পৰিণত হৈছে। আপোন গাঁওখনৰ চমু বৃত্তান্ত সামৰণি মাৰিলোঁ।

# সকলোৰে লগত সহাৱস্থান কৰাৰ চেষ্টা কৰক

গায়ত্ৰী বৰুৱা
স্নাতক ৩য় ষাণ্মাসিক

কাউণ্টেছ লিউ টলষ্টয় আছিল বিখ্যাত ৰুচ সাহিত্যিক লিউ টলষ্টয়ৰ মৰমৰ পত্নী। কাউণ্টেছে নিজৰ পেনপেননিৰ বিষাক্ত নিশঠোৰ কথা আৱিষ্কাৰ কৰিব পাৰিছিল যদিও সিমান দিনে বহু পলম হৈ গৈছিল। মৃত্যুশয্যাৰপৰা তেওঁ তেওঁৰ ল'ৰা-ছোৱালীক এনেদৰে কৈছিল— 'তহঁতৰ দেউতাৰ মৃত্যুৰ বাবে ময়েই দায়ী। মোৰ বদ্ মেজাজৰ বাবেই তেওঁ এনেদৰে কৰুণভাৱে মৃত্যুমুখত পৰিব লগা হৈছিল।' মাকৰ কথাৰ উত্তৰত ল'ৰা-ছোৱালীবোৰে একোকে কোৱা নাছিল। সিহঁতে মাথোন চকুপানী টুকিছিল। কাৰণ সিহঁতে জানিছিল মাকে উচিত কথাকে কৈছে। তেওঁ গোটেই জীৱন পেনপেন কৰি দেউতাকৰ জীৱন নৰকত পৰিণত কৰিছিল। দেউতাকে লিখা-মেলা কৰাৰ বহু মূল্যবান সময় মাকৰ পেনপেননিৰ বাবে নষ্ট হৈছিল।

সিহঁতে জানে মাকে গোটেই জীৱন দেউতাকৰ ওচৰত নানা অভিযোগ জনাই আহিছে। সকলো সময়তে তেওঁৰ সমালোচনা কৰি আহিছে। মাকৰ তেনে খিংখিঙীয়া স্বভাৱে দেউতাকৰ জীৱনৰ পৰা সমস্ত সুখ-শান্তি হৰি নিছিল। তেওঁৰ জীৱন নৰকত পৰিণত কৰিছিল।

টলষ্টয়ৰ সংসাৰত নানা অসুবিধা আছিল সঁচা। তৎসত্বেও তেওঁলোকৰ সংসাৰ সুখৰ হ'ব পাৰিলেহেঁতেন, যদিহে তেওঁৰ ঘৈণীয়েকজনী অলপমান সহনশীল, বিবেচনা শক্তিসম্পন্ন হ'লহেঁতেন।

টলষ্টয় আছিল সৰ্বকালৰ শ্ৰেষ্ঠতম উপন্যাসিক। তেওঁৰ দুখন অমৰ সৃষ্টি হ'ল 'যুদ্ধ আৰু শান্তি' আৰু 'আনা কাৰেনিনা'। এই দুখন উপন্যাস পৃথিৱীত পাঠক-সমাজ থাকে মানে জীয়াই থাকিব।

টলষ্টয় ইমান বিখ্যাত আৰু জনপ্ৰিয় আছিল যে তেওঁৰ ভক্তসকলৰ বহুতেই তেওঁৰ লগত ছাঁটোৰ দৰে লাগি থাকিছিল। আৰু তেওঁ কোৱা প্ৰতিটো কথাকে শৰ্টহেণ্ডত লিখি থৈছিল। তেওঁলোকে টলষ্টয়ক ইমান বেছি ভাল পাইছিল যে তেওঁ যদি 'এতিয়া মই শুবলৈ যাওঁ' বুলি কৈছিল, তাকো তেওঁলোকে লিখি থৈছিল।

তেওঁৰ মৃত্যুৰ পিছত ৰুছ চৰকাৰে তেওঁৰ ৰচনাৱলী প্ৰকাশৰ পৰিকল্পনা কৰে। সেই পৰিকল্পনা মতে সৰ্বমুঠ ১০০ খন কিতাপ প্ৰকাশৰ সিদ্ধান্ত লোৱা হয়। তাৰ ভালেখিনি ইতিমধ্যে প্ৰকাশ হৈ ওলাইছে।

টলষ্টয়ৰ জীৱনত সুখ-ভোগৰ একোৰে অভাৱ নাছিল। তেওঁলোকৰ ধন-সম্পত্তি, সামাজিক প্ৰতিষ্ঠা, সন্তান-সন্ততি একোৰে অভাৱ নাছিল। সাধাৰণতে খুব কম পৰিয়ালতে এই সকলোবোৰ ইমান ধুনীয়াকৈ দেখিবলৈ পোৱা যায়।

সেয়ে তেওঁৰ বৈবাহিক জীৱনৰ আৰম্ভণিত ধাৰণা হৈছিল তেওঁৰ সাংসাৰিক জীৱন বেছ সুখ-সম্ভোগৰ মাজেদি পাৰ হৈ যাব। কিন্তু পিছলৈ সেইটো ভুল বুলি প্ৰমাণিত হ'ল। টলষ্টয় লাহে লাহে সলনি হ'বলৈ ধৰিলে। আনকি তেওঁ নিজৰ বিখ্যাত গ্ৰন্থবোৰক লৈও এক ধৰণৰ লজ্জাবোধ কৰিবলৈ ধৰিলে।

তেওঁ উপলব্ধি কৰিবলৈ ধৰিলে যে এইবোৰ সাহিত্যই সমাজৰ একো কামত নাহে। সমাজ পৰিৱৰ্তনত এইবোৰ গল্প-উপন্যাসে কোনো ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে। সেয়ে তেওঁৰ নিজৰ সমস্ত ৰচনাৱলী পুৰি পেলোৱাৰ কথা কৈছিল।

সমাজ পৰিৱৰ্তনত গল্প-উপন্যাসৰ ভূমিকা নথকা বুলি উপলব্ধি কৰি তেওঁ সেইবোৰ লিখিবলৈ বন্ধ কৰি যুদ্ধ আৰু দাৰিদ্ৰ্য দূৰীকৰণৰ উদ্দেশ্যে প্ৰচাৰ পুস্তিকা আৰু প্ৰচাৰ-পত্ৰ লিখিবলৈ আৰম্ভ কৰিলে।

তেওঁ সাংসাৰিক জীৱনৰপৰা আঁতৰি ধৰ্ম-কৰ্মত মনোযোগ দিলে। তেওঁ নিজৰ সমস্ত সা-সম্পত্তি দীন-দুখীৰ মাজত দান কৰি দি নিজে এটা সাধাৰণ জীৱন বাছি লয়। তেওঁৰ নিজৰ জোতা নিজেই চিলাই লৈছিল। খেতি পথাৰত কাম কৰিছিল। খোৰাৰ বাবে ঘাঁহ কাটিছিল। নিজেই নিজৰ কোঠালিৰ সৰা-মচা কৰিছিল। কম দামী কাঠৰ পাত্ৰত খোৱা-বোৱা কৰিছিল। আৰু চেষ্টা কৰিছিল মানুহৰ মন-মানসিকতাৰ পৰিৱৰ্তন কৰিবলৈ।

লিউ টলষ্টয়ৰ জীৱন আছিল এটা বিয়োগান্তক অধ্যায়। তাৰ বাবে মূলতঃ দায়ী আছিল তেওঁৰ বিয়া। তেওঁৰ পত্নীয়ে বিলাসিতা পছন্দ কৰিছিল। কিন্তু টলষ্টয়ে সেইটোক ঘৃণা কৰিছিল। তেওঁৰ ঘৈণীয়েকে বিচাৰিছিল খ্যাতি আৰু সামাজিক প্ৰতিষ্ঠা। কিন্তু এইবোৰ সাধাৰণ বস্তুৰ প্ৰতি টলষ্টয়ৰ কোনো আগ্ৰহ নাছিল। তেওঁৰ ওচৰত এইবোৰৰ কোনো মূল্য নাছিল।





তেওঁৰ স্ত্ৰীয়ে বিপুল ধন-সম্পত্তি আৰু প্ৰভাৱ-প্ৰতিপত্তি বিচাৰিছিল। কিন্তু টলষ্টয়ে ভাবিছিল টকা-পইচা আৰু ব্যক্তিগত সম্পত্তি ৰখাটো এটা ডাঙৰ পাপ।

এনে ধৰণৰ মত পাৰ্থক্যৰ বাবে দুয়োৰে মাজত বিবোধ আৰম্ভ হৈছিল। তেওঁৰ ঘৈণীয়েকে তেওঁক সকলো সময়তে গালি-শপনি পাৰিবলৈ, নানা অভিযোগ জনাবলৈ লৈছিল, কটু ভাষাৰে সমালোচনা কৰিবলৈ লৈছিল।

টলষ্টয়ৰ লগত ঘৈণীয়েকৰ কাজিয়া লগাৰ বহুকেইটা কাৰণৰ ভিতৰত এটা টলষ্টয়ে কোনো ধৰণৰ পইচা-পাতি নোলোৱাকৈয়ে প্ৰকাশকক কিতাপ প্ৰকাশ কৰিবলৈ দি দিছিল। কিন্তু তেওঁৰ ঘৈণীয়েকে কামনা কৰিছিল টলষ্টয়ে প্ৰতিখন কিতাপৰ বাবে শকত পৰিমাণৰ ধন দাবী কৰক। অৱশ্যে বিচৰা হ'লে তেওঁ তাক পালেহেঁতেন।

ঘৈণীয়েকৰ এনে আচৰণত অতিষ্ঠ হৈ টলষ্টয়ে বলিয়া জন্তুৰ দৰে চিঞৰিছিল আৰু কানি খাবলৈ কানি খোলালৈ গৈছিল।

এবাৰ তেওঁ ঘৈণীয়েকৰ তেনে আচৰণত বিৰক্ত হৈ কুঁৱাত জাঁপিয়াই আত্মহত্যা কৰিব বিচাৰিছিল।

তেওঁৰ দাম্পত্য জীৱনত এনে এটা ঘটনা আছিল, যি এটা অত্যন্ত দুখজনক ঘটনা।

মই আগতে উল্লেখ কৰি আহিছোঁ যে টলষ্টয়ৰ দাম্পত্য জীৱনৰ আৰম্ভণি আছিল অত্যন্ত সুখদায়ক, অত্যন্ত আশাজনক। বহুদিনলৈকে অৰ্থাৎ ৪৮ বছৰলৈকে তেওঁলোকৰ সাংসাৰিক জীৱন ভালদৰেই চলি আছিল। তাৰ পিছতেই তেওঁলোকৰ জীৱনলৈ নামি আহে অভিশাপ। টলষ্টয়ে তেওঁৰ প্ৰিয়তমা স্ত্ৰীৰ চেহেৰাও সহ্য কৰিব নোৱৰা হ'ল।

৮০ বছৰ বয়সত ভগ্ন-হৃদয় টলষ্টয়ে এদিনাখন মাজনিশা গৃহত্যাগ কৰে। তুষাৰপাতৰ মাজত যেন তেওঁ নিজকে হেৰুৱাই পেলাব খুজিছিল। কাকো একো নজনোৱাকৈ তেওঁ গৃহ ত্যাগ কৰিছিল। তাৰ এঘাৰ দিন পিছত তেওঁক এটা ৰে'ল ষ্টেচনত মৃত অৱস্থাত আৱিষ্কাৰ কৰা হয়। নিউমোনিয়াত আক্ৰান্ত হৈ তেওঁ মৃত্যুমুখত পৰে।

মৰাৰ আগতে তেওঁ লিখি থৈ গৈছিল যে তেওঁৰ মৃতদেহৰ ওচৰলৈ যেন তেওঁৰ ঘৈণীয়েকক আহিবলৈ দিয়া নহয়।

কেনে তীব্ৰ ঘৃণা!

নিজৰ ঘৈণীয়েকৰ প্ৰতি পৰিয়ালৰ বিৰক্তি আৰু ঘৃণা থাকিলে এজন মানুহে এনে সিদ্ধান্ত ল'ব পাৰে কল্পনা কৰকচোন!

এই সকলোবোৰ ঘটিছিল টলষ্টয়ৰ ঘৈণীয়েকৰ অসন্তুষ্টি, অভাৱ-অভিযোগ, সমালোচনা আৰু খিংখিঙীয়া স্বভাৱৰ বাবে। এইবোৰ মানৱ জীৱনৰ বাবে চৰম অপকাৰী। টলষ্টয়ৰ জীৱনেই তাৰ জ্বলন্ত উদাহৰণ।

গোটেই কাহিনীটো পঢ়াৰ পিছত বহুতে ক'ব যে— টলষ্টয়ৰ ঘৈণীয়েকৰ তেনে আচৰণ কৰাৰ যথেষ্ট যুক্তি আছিল।

কথাটো সত্য। কিন্তু তাৰ পিছতো এটা কথা বিশেষভাৱে গুৰুত্ব দিবলগীয়া। সেইটো হ'ল— তেওঁ তেনেদৰে অশান্তি সৃষ্টি কৰি কাৰনো কি লাভ হৈছিল? তেওঁৰ নিজৰেই বা কি লাভ হৈছিল?

টলষ্টয়ে যি কৰিছিল সি আছিল তেওঁৰ আত্মাৰ আহ্বানৰ ফল। তেওঁৰ আত্মাই তেওঁক তেনেদৰে কৰিবলৈ নিৰ্দেশ দিছিল। দাৰ্শনিক দিশৰপৰা বিচাৰ কৰিলে টলষ্টয়ৰ পদক্ষেপ আছিল বহু উচ্চ স্তৰৰ। সাধাৰণ দুৰ্বল মনৰ মানুহৰ দ্বাৰা তেনে ত্যাগ কৰাটো সম্ভৱ নহয়।

সেয়ে টলষ্টয়ৰ ঘৈণীয়েকে যদি তেওঁৰ দাৰ্শনিক মনৰ স্বামীৰ সৈতে হাই-কাজিয়া নকৰি সহাৱস্থান কৰাৰ চেষ্টা কৰিলেহেঁতেন, তেনেহ'লে তেওঁলোকৰ পাৰিবাৰিক শান্তি অটুট থাকিলেহেঁতেন। আৰু টলষ্টয়ে তেনেদৰে কৰুণ মৃত্যুক সাৱটি ল'ব লগা নহ'লহেঁতেন।

মৃত্যুৰ আগত টলষ্টয়ৰ ঘৈণীয়েকে কৈছিল— 'সেই সময়ত মই বোধ কৰোঁ বলিয়া হৈ গৈছিলোঁ। সেয়ে তেওঁৰ লগত হিংস্ৰ জন্তুৰ দৰে যুঁজিছিলোঁ। হে ভগৱান, মোক ক্ষমা কৰা।'

মিছেছ টলষ্টয়ৰ মনত অনুতাপ হয় মানে বহু পলম হৈ গৈছিল। সিমান দিনে বহু বহু ক্ষতি হৈ গৈছিল।

**এটা সুখী জীৱনৰ বাবে তলৰ কথাবোৰ মন কৰিবলগীয়া ঃ**

১) এজন সামাজিক প্ৰাণী হিচাপে এটা সহনশীল মন গঢ়ি তোলক।

২) সকলো পৰিস্থিতিতে নিজক খাপ খুওৱাৰ চেষ্টা কৰক।

৩) আনক বুজাৰ চেষ্টা কৰক। যাকে-তাকে সমালোচনা কৰাৰ পৰা বিৰত থাকিব।

৪) সকলো মানুহৰে চিন্তাৰ স্তৰ বেলেগ বেলেগ। কাৰোবাক বুজিবলৈ তেওঁৰ পৰ্যায়ালৈ গৈ তেওঁ ভবাৰ দৰে সকলো কথা বিচাৰ কৰিব লাগিব। সামাজিক সহাৱস্থানৰ বাবে এইটো অত্যন্ত জৰুৰী কথা।

৫) কাকো সমালোচনা নকৰিব। সমালোচনাই মানুহৰ মাজত সম্পৰ্ক নষ্ট কৰে। সি নানা ধৰণৰ তিক্ততাৰ সৃষ্টি কৰে।

৬) খিংখিঙীয়া স্বভাৱ পৰিহাৰ কৰা।

৭) এনে কোনো কাম নকৰিব, যাৰ বাবে মানুহৰ লগত আপোনাৰ সম্পৰ্ক নষ্ট হয় আৰু পিছত অনুতাপ কৰিবলগীয়া হয়।

৮) পাৰিবাৰিক আৰু সামাজিক শান্তিৰ বাবে অহৰহ চেষ্টা কৰা।

# মোৰ কলেজীয়া জীৱনৰ বনভোজৰ সেই স্মৰণীয় দিনটো

**শামিমা বেগম**
স্নাতক ৫ম ষাণ্মাসিক

মই এগৰাকী ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী। বনভোজৰ জৰিয়তে ভ্ৰমণ কৰাৰ সুযোগ আগতে কেইবাবাৰো আহিছে যদিও তাৰ ভিতৰত মোৰ মনত সাঁচ বহুওৱা এটি বনভোজৰ কাহিনী মই বৰ্ণনা কৰিবলৈ ওলাইছোঁ—

সেইদিনা আছিল জানুৱাৰী মাহৰ ২৭ তাৰিখ, শুক্ৰবাৰ। পুৱা ৭-৪৫ মান বজাত শিক্ষা বিভাগৰ ঘনশ্যাম টাইড ছাৰ, অঞ্জনা গোস্বামী, বিজু বৰা, ৰুবী দত্ত বাইদেউৰ লগতে Sociology Subjectৰ বিশাল ছাৰকে ধৰি বান্ধৱীসহ 2nd, 4th sem আৰু 6th sem ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষা বিভাগৰ নৱ দাক ধৰি প্ৰায় ২৯ জন মানুহ মহাবিদ্যালয়ৰপৰা ভালুকপুঙত বনভোজ খাবলৈ যাবলৈ সাজু হ'লোঁ। যেতিয়া আমাৰ গাড়ী 'TRVELER'য়ে যাত্ৰা আৰম্ভ কৰিলে সেই মুহূৰ্তত সকলোৰে মনটো আনন্দত উৎফুল্লিত হৈ উঠিল। সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মাক-দেউতাকক ফোনযোগে বনভোজ অভিমুখে গাড়ীয়ে যাত্ৰা কৰা কথা জনোৱাত ব্যস্ত হৈ পৰিল। পুৱণিগুদাম পাৰ হৈ আমাৰ গাড়ীখনে চামগুৰি বজাৰৰ ওচৰত অলপ সময় ৰ'ল আৰু ছাৰহঁতে মাছ ল'লে আৰু পুনৰ আমাৰ গাড়ীয়ে যাত্ৰা কৰিলে। সকলোৱে হাঁহি-ধেমালি, স্ফূৰ্তি কৰাত ব্যস্ত হৈ পৰিল। আৰু তেতিয়াই আমাক অঞ্জনা বাইদেউৱে চকলেট আৰু চিপচ খাবলৈ দিলে। এনেদৰে আনন্দৰ মাজেৰে বহু দূৰ বাট অতিক্ৰম কৰি আমি তেজপুৰৰ কলিয়া ভোমোৰা দলঙৰ ওপৰেদি যাবলৈ ল'লোঁ, সকলোৱে খিৰিকীৰে বিশাল ব্ৰহ্মপুত্ৰ আৰু তাৰ বালিচৰবোৰ চাই মন মুগ্ধ হৈ পৰিলোঁ। আমাৰ গাড়ীয়ে অহৰহ গতি কৰিয়েই থাকিল— আৰু প্ৰায় ১১ মান বজাত আমি অৰুণাচল প্ৰদেশৰ যৰেষ্ট অফিচৰ কাষত ৰ'লোঁ আৰু তাতেই আমাৰ বনভোজৰ ঠাই ভালুকপুং যোৱাৰ সকলি 'টিপি' লৈহে যোৱা ঠিক কৰি ছাৰহঁতে 'টিপি'ৰ entry pass ল'লে আমাৰ সকলোৰে মন মৰহি গ'ল যদিও ছাৰে এফেই ঠাই বুলি ক'লে আৰু অলপ দূৰ গৈয়ে 'Picnic Spot' বুলি লিখা ফলক এখন দেখি আমি সকলো ছাত্ৰ-ছাত্ৰীয়ে চিঞৰি উঠিলোঁ। সৰু সৰু শিলৰ ওপৰেদি আমাৰ গাড়ীখনে গতি কৰিলে। বাহঃ কি সুন্দৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা এখন ঠাই। কামেং নদীৰ পানীবোৰ ইমান দ্ৰুতবেগত কুল কুল শব্দ কৰি বৈ গৈছে। এক নিৰ্জন পৰিৱেশৰ মাজত কেৱল পানীৰ শব্দ... যিয়ে হৃদয় স্পৰ্শ কৰি যায়। সঁচাকৈয়ে বহুত ধুনীয়া ঠাই, চোৱাজনেহে অনুভৱ কৰিব পাৰে।

গাড়ীৰ পৰা নামি আমি চাৰিওফালে চকু ফুৰালোঁ আৰু এনে লাগিল যেন আমি এটা দ্বীপৰ মাজতহে যেন আছোঁ...। অলপ সময়ৰ পিছতেই আমি সকলোৱে লঘু আহাৰ খালোঁ। তাৰ পাছত ছাৰ-বাইদেউক ৰন্ধা কাৰ্যত অলপ সহায় কৰি বিশাল ছাৰৰ লগত ফুৰিবলৈ গ'লোঁ।

প্ৰায় ৩.১৫ মানত আমি ভাত-পানী খালোঁ। এনেকৈ ছাপে ছাৰহঁতৰ লগত আমি ছাত্ৰ-ছাত্ৰীসকলে মিলি তৃপ্তিৰে এসাঁজ খোৱাৰ সুযোগ আৰু জীৱনত দ্বিতীয়বাৰ নাপাওঁ। সদায় মনত থাকিব এই দিনটোৰ প্ৰতিটো সুন্দৰ মুহূৰ্ত।

ভাত পানী খোৱাৰ পিছত আমি সকলোৱে এখন গ্ৰুপ ফটো উঠিলোঁ। বৰ দুখ লাগিল সেই ঠাই এৰি আহিব লগীয়া হোৱাত কিন্তু উপায় নাই ঘৰলৈ আহিবতো লাগিবই।

মনোমোহা দিনটোৰ এটা কাৰণেই মোৰ অতি বেয়া লাগিল যে খোৱা বস্তু ইত্যাদি পেলাই সৌন্দৰ্যময়ী ঠাইখনৰ পৰিৱেশটো বিনষ্ট হোৱাৰ বাবে। তাত কোনো ধৰণৰ ডাষ্টবিনৰ ব্যৱস্থা নাছিল পতিকে আমাৰ বাবে এইটো বৰ দুখজনক কথা।

প্ৰায় ৪.২০ মানত আমি ঘৰলৈ বুলি সৌন্দৰ্যৰে ভৰপুৰ ঠাই এৰি সেমেকা মনেৰে গাড়ীত উঠিলোঁ। তথাপিও আমি নাচ-গান কৰি ৭-৩০ মান বজাত আহি ঘৰ পালোঁ। আৰু জীৱনৰ এক মিঠা অনুভূতি হিচাপে আজিৰ দিনটো আমাৰ মনত চিৰস্মৰণীয় হৈ ৰ'ল।







# চিৰ সেউজীয়া প্ৰাকৃতিক ৰম্যভূমি হদহদী

**ৰাধা খাকলাৰী**
স্নাতক ৩য় ষাণ্মাসিক

জয় গণেশ, শিৱ সম্ভু বীৰ হনুমান, বনদুৰ্গা গঙ্গোত্ৰী
পঞ্চথান লুংচুং হদহদী।
ভক্তিমনে ধ্যান কৰা মন হ'ব সিদ্ধি
মানৱ জাতিৰ শুভ মঙ্গল কামনাৰে
শ্ৰীগণেশ শিৱ হনুমান মা বনদুৰ্গা গঙ্গোত্ৰী পঞ্চথান

**চিৰ সেউজীয়া প্ৰকৃতি ৰম্যভূমি হদহদী**

প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ চাপানালা এক চিৰ সুন্দৰ ঠাই। এই ঠাইখন নগাঁও জিলাৰ পূব অংশত চাপানালাৰ পৰা তিনি কিঃমিঃ দূৰত্ব অৱস্থিত। এই ঠাইখন কাৰ্বি পাহাৰ নামে জনা যায়। পাহাৰ, নিজৰা, চাহ বাগিচা, খেতি পথাৰ, কাঞ্চন আদিৰে ৰমকজমক এই ঠাইখনত প্ৰকৃতিৰ এক চিৰ অনুপম সৃষ্টি। প্ৰাক ঐতিহাসিক যুগৰে পৰা সভ্য এই ঠাইখন বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতি স্থল। আমাৰ এই লুংচুং ঠাইখনৰ এটা বিশেষত্ব আছে। ইয়াত অসমৰ বিখ্যাত জলপ্ৰপাত চম্পাৱতীৰ জলপ্ৰপাতৰ লগত সম্পৰ্ক থকা হদহদী জলপ্ৰপাত অৱস্থিত। ওচৰ চুবুৰীয়া আৰু জ্যেষ্ঠসকলৰ পৰা জানিব পাৰি যে এসময়ৰ এই সকলোবোৰ মাটি সম্পত্তি লুংচুং টেৰং নামৰ লোক এজনৰ আছিল। তেখেতৰ নাম অনুসৰিয়েই ঠাইখনৰ নাম লুংচুং হয়। তেখেতে সকলো মোৰ মাটি সম্পত্তি ইংৰাজ বিষয়া এজনৰ হাতত তুলি দিছিল। আৰু সেই ইংৰাজ বিষয়াজনে মাটি চহাই চাৰিওফালে চাহ পাতৰ খেতি কৰিলে। চাহ পুলি ৰুবৰ বাবে যেতিয়া মাটি চহোৱা হৈছিল তেতিয়া তাৰ বহুতো প্ৰত্নতাত্ত্বিক সমল যেনে দেৱ-দেৱী মূৰ্তি, পুৰণি কীৰ্তিচিহ্ন আদি পাইছিল আৰু সেই অনুসৰিয়েই হদহদীত অৱস্থিত গণেশ, শিৱ, হনুমান, বনদুৰ্গা আৰু গঙ্গোত্ৰী এই পঞ্চথান ১৯৯৮ চনত স্থাপন কৰা হৈছিল। পূৰ্ব পুৰুষৰ দিনৰ পৰা আৰম্ভ কৰি অহা প্ৰতিবছৰে মাঘ মাহৰ শুক্লা পক্ষৰ সপ্তমী তিথিৰ দিনা কুণ্ডস্নান (গঙ্গাস্নান) যাত্ৰা আয়োজন কৰা হয়। এই পবিত্ৰ দিনটোত বহুতো ভক্তপ্ৰাণ যাত্ৰীয়ে দূৰ-দূৰণিৰ পৰা আহে স্নান কৰিবলৈ। আৰু সেৱা-সৎকাৰ, পূজা-অৰ্চনা কৰিবলৈ। বহু দূৰ-দূৰণিৰ পৰা হদহদীলৈ বনভোজ খাবলৈ আহে। হদহদী নৈখন বৈ চম্পাৱতী নৈৰ লগত সংযোজিত হৈ চামচুকী নৈত পৰিছেগৈ।

পুৰণি লোকবিশ্বাস মতে বয়স্ক লোকসকলৰ পৰা জানিব পাৰি যে এই হদহদী পূৰ্বতে বহুতো পবিত্ৰ আছিল। জানিব পাৰি যে পুৰণি কালত যেতিয়া সমাজত বিয়াবাৰু, উৎসব-পাৰ্বণ, সকাম আদি পালন কৰিবলৈ মানুহৰ হাতত যেতিয়া টকা-পইচাৰ অভাৱ হৈছিল তেতিয়া মানুহে শালিকী পুৱাই গা-ধুই হদহদীত পবিত্ৰ মনে গুৱা-তামোল আৰু এগছি বন্তি জ্বলাই তাত প্ৰয়োজনীয় বস্তুবোৰ বিচাৰিলে পোৱা গৈছিল আৰু বিয়াবাৰুৰ কাৰণে কাপোৰ-কানি, বাচন-বৰ্তন এই সকলোবোৰ প্ৰয়োজনীয় বস্তু পাইছিল। আৰু এই বস্তুবোৰ নিজৰ কাম শেষ হোৱাৰ পিছত পুনৰ গা-ধুই এগছি বন্তিৰে স'তে ঘূৰাই দিব লাগিছিল। পুৰণি কালত ইয়াত বহুতো দেৱ-দেৱতা আছিল বুলি জানিব পাৰি। বৰ্তমানো মানুহে বিশ্বাস কৰি আহিছে। এই হদহদীৰ মাজৰ জলপ্ৰপাতটোত এসময়ত দেৱ-দেৱীৰ গা ধোৱা ঠাই আছিল বুলি লোকবিশ্বাস আছে। বৰ্তমানো এই ঠাইখনত বহুতো ধন-সোণ আছে বুলি বিশ্বাস কৰা হয়।



**হদহদী লৈ কেনেদৰে যাব পাৰি ঃ**

প্ৰথমে হদহদীৰ পৰা বৈ অহা পানী (নৈ)খন পাৰ হৈ গাঁৱৰ মাজেদি গৈ চাহ বাগান পাৰ হৈ যাব লাগে। আৰু গৈ গৈ এখন সৰু নলা পাৰ হৈ হদহদীখন পোৱা যায়। হদহদীৰ পৰা বৈ অহা পানী বৰ নিৰ্মল আৰু বিশুদ্ধ। হদহদীৰ পৰা বৈ অহা জুৰিত সৰু-ডাঙৰ বহুতো শিলাখণ্ডৰে ভৰপূৰ। বাগানৰ মাজেদি পাৰ হৈ যোৱা ঠেক আলিবাটৰ দুয়োকাষে বহুতো গছ-গছনিৰে ভৰপূৰ এই জলপ্ৰপাত যেন অনুপম সৃষ্টি। এই জুৰিত বিশেষ ধৰণৰ মাছ পোৱা যায়। প্ৰাণী জগতৰ হাঁওখাঁও স্বৰূপ এই ঠাইখন এক যথেষ্ট গুৰুত্বপূৰ্ণ ঠাই। ইয়াত বিভিন্ন ধৰণৰ গছ-গছনি পোৱা যায় যেনে— শাল, চেগুন, তিতাচঁপা, মাকৰিশাল, আমলখি, শিলিখা আদি। কম-বেছি পৰিমাণে অৰ্জুন, অগৰু, চন্দন আদিও পোৱা যায়।

ইয়াত বিশেষ ধৰণৰ জীৱ-জন্তুও পোৱা যায়। এই সকলোবোৰৰ ভিতৰত হাতী বিশেষভাৱে পোৱা যায়। ইয়াৰ উপৰি বান্দৰ, বাঘ, বনৰীয়া ম'হ, বাং কুকুৰ, বন গাহৰি, শহ পশু, শহা পশু আদি পোৱা যায়।

এই বনাঞ্চলত বিভিন্ন ধৰণৰ চৰাই-চিৰিকটিও পোৱা যায়। বৰ্তমান এই অঞ্চলত এক বিশেষ পৰিস্থিতিয়ে দেখা দিছে। পাহাৰখন কাৰ্বি আংলঙত হোৱা বাবে তেওঁলোকে পাহাৰৰ একো একোটা বৃহৎ অংশ নিজ নিজ হস্তক্ষেপত আনি গছ-গছনি কাটি ধ্বংস কৰি পেলাইছে। জীৱ-জন্তু মাৰি খাদ্য হিচাপে ভক্ষণ কৰিবলৈ ধৰিছে। কোৱা হয় যে গছ-গছনিৰ অবিহনে জীয়াই থকা সম্ভৱ নহয় কিন্তু মানুহে ইয়াৰ বিপৰীত দিশতহে আগবাঢ়ি যাবলৈ ধৰিছে গছ-গছনি কাটি। হদহদী পাহাৰখন অতি মনোমোহা, চালে চকু থোৱা আছিল কিন্তু বৰ্তমান গছ-গছনি কাটি ধ্বংস কৰাৰ ফলত পাহাৰখনৰ একো অস্তিত্ব নোহোৱা হৈ গৈছে। গতিকে আমি মানুহ আৰু পৰিৱেশৰ মাজৰ সম্পৰ্ক বোধ কৰিবলৈ শিকিব লাগিব। বন ধ্বংসৰ ফলত আমি বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। বিশেষকৈ ভূমিস্খলন, বানপানী, খৰাং, অতিবৃষ্টি, অনাবৃষ্টি আদিৰ ফলত খেতি কৰাৰ অসুবিধা হয়। বনাঞ্চল ধ্বংস কৰাৰ ফলত জীৱ-জন্তুৱে পাহাৰৰ পৰা নামনিলৈ আহি খাদ্যৰ সন্ধান কৰি খেতি-বাতি নষ্ট কৰিছে।

যি কি নহওক, চৰকাৰে এই হদহদীৰ উন্নতিৰ বাবে বৰ্তমান বহুতো ব্যৱস্থা হাতত লৈছে। হদহদী এখন বহু পবিত্ৰ আৰু মনোমোহা ঠাই। ইয়াৰ সৌন্দৰ্য বৰ মনোৰম। চালে চকু থোৱা চাহ বাগান আৰু পাহাৰৰ মাজত অৱস্থিত এই হদহদীৰ সৌন্দৰ্য অপৰিসীম। সুচুং প্ৰকৃতিৰ অতুলনীয় সৃষ্টি। বিভিন্ন জাতি ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এক বাৰেবৰণীয়া অঞ্চল। ইয়াৰ সকলো জাতি ধৰ্মৰ লোক মিলাপ্ৰীতিৰে বাস কৰে।

ঐতিহাসিক, প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ হদহদী জলপ্ৰপাত তথা ইয়াৰ প্ৰাকৃতিক পৰিৱেশ অধ্যয়ন কৰি ইয়াৰ বিষয়ে বহু পাৰিবেশিক জ্ঞান লাভ কৰিব পাৰি।







# বিহুৱতী চৰাই
# (Common Lora)

**প্ৰতিভা বৰা**
স্নাতক ৫ম ষাণ্মাসিক

পাহাৰ, পৰ্বত, নিৰ্জন হাবি, বাঁহৰ তলৰপৰা চ'ত-ব'হাগ মাহত নি থৌ, কৃষ্ণ, কি মোৰ বিহু বোলা দীঘলীয়া সুৰেৰে সঘনে মাতি থকা প্ৰায়ে শুনা যায়। বিহুৱতী চৰাই অসমৰ পৰিৱেশত ২/৩ বিধমান দেখিবলৈ পোৱা যায়। হাবিৰ সেউজখিনিৰ লগত মিলি পৰা গাৰ ৰঙৰ বাবে দূৰণিৰপৰা চকুত নপৰে। কণ্ঠস্বৰ অনুসৰণ কৰি কৰি খুব সংগোপনে যাব পাৰিলেহে দেখাটো ভাগ্যত ঘটে। 'বাইন'কুলাৰেৰে' চাওঁতে মতা চৰাইবোৰৰ ওপৰফাল সেউজীয়া, চকুৰ দুকাষ হালধীয়া, ডেউকা আৰু ফিচা ক'লা, ডেউকাৰ দুয়োফালে সামান্য বগা থকা, তলৰ ফালে বগা হালধীয়া আৰু মাইকীবোৰৰ অনুজ্জ্বল গাৰ ওপৰ ফালে সেউজীয়া, ডেউকাৰ ওপৰত বগা চিন, তলফালে সেউজীয়া হালধীয়া মিশ্ৰিত বৰণ হোৱা দেখা যায়। প্ৰজনন কালত মাইকীজনীৰ গাৰ ৰঙৰ কিছু তাৰতম্য চকুত পৰে। অসমৰ ৰঙালী বিহুৰ লগত সঙ্গতি ৰাখি মাত মাতে বাবে স্থানীয়ভাৱে বিহুৱতী নামটো চলি আহিছে। ইয়াতে আমাৰ দেশৰ উপৰি বাংলাদেশ, ম্যানমাৰ, শ্ৰীলঙ্কা, চীন, সুন্দা উপকূল অঞ্চলত বসবাস কৰে। প্ৰতিবিধৰে ৰঙৰ ভিন্নতা আছে। দীঘলে ৬ ইঞ্চি হয়। গাঁও-চহৰ সকলোতে ঘূৰি ফুৰে। ইংৰাজী মে' মাহৰপৰা ছেপ্টেম্বৰ মাহলৈকে প্ৰজননক্ষম হয়। কণী দুটাৰপৰা চাৰিটালৈকে পাৰে। গছৰ ডালৰ মাজখিনিত কাপৰ আকৃতিত বাঁহ, খেৰ আদি মিহলাই বাহ তৈয়াৰ কৰি লৈ মাকজনী উমনিত বহে। উমনি কাল প্ৰায় ১৫ দিন বুলি জনা গৈছে। পোক-পতঙ্গ, কেঁচু, কুমটি আদিয়েই প্ৰধান খাদ্য। পোৱালিক অতি কম সময়ৰ ভিতৰত স্বাৱলম্বী কৰাৰ কাৰণে দুয়ো আহাৰ অম্বেষণত ব্যস্ত হৈ পৰে আৰু দুই তিনি সপ্তাহৰ ভিতৰত নিজৰ পেটৰ বাবে আহাৰ গোটাব পৰা কৰি তোলে। 'স্বাৱলম্বী হোৱাৰ পিছত নিজৰ ভাগে নিজে গুচি যায়। বিহুৱতী 'ক্ৰোবোপ্ চিদা' গোত্ৰৰ চৰাই। সমগ্ৰ বিশ্বত এই বংশোদ্ভৱ চৰাই ১০/১২ বিধ থকাৰ কথা জনা যায়। পিছে আমাৰ ঠাইবোৰত সিমান দেখা নাযায়। হিন্দী নাম চৌবেগী। 'আইয়োৰা'ক স্থানীয়ভাৱে বিহুৱতী বোলাত আপত্তি থাকিলেও আমাৰ অঞ্চলৰ প্ৰচলিত নামত ভিত্তি কৰিয়েই লিখা হ'ল। আমাৰ বিহুগীততো প্ৰচলন হৈ আহিছে 'বিহুৱতী চৰায়ে কৰে বিহু বিহু'— বোলা গীতৰ মাধুৰ্যতা।



# ভূমিকম্প

দীক্ষা শৰ্মা
স্নাতক ৫ম ষাণ্মাসিক

মৃত্যু জীৱনৰ স্বাভাৱিক অনিবাৰ্য পৰিণতি, তথাপি ভূমিকম্পৰ নিচিনা প্ৰাকৃতিক বিপৰ্যয়ত যেতিয়া একেলগে হাজাৰ হাজাৰ বা লাখ লাখ মানুহৰ মৃত্যু ঘটে তেতিয়া জীৱনৰ অসহায়তা আৰু ক্ষণ ভঙ্গুৰতাৰ প্ৰশ্নই মানুহৰ মন নতুনকৈ উদ্বেলিত কৰি তোলে। ৰোগ যুদ্ধ-বিগ্ৰহ প্ৰাকৃতিক বিপৰ্যয় আৰু আকস্মিক দুৰ্ঘটনা এই কেইটাই মানুহৰ আকাল আৰু অস্বাভাৱিক মৃত্যুৰ প্ৰধান কাৰণ। বিজ্ঞানৰ যুগত ৰোগক কিবা প্ৰকাৰে হ'লেও জয় কৰি আহিছে। এতিয়া নহ'লেও ভৱিষ্যতে যুদ্ধবিহীন পৃথিৱীৰ কল্পনা কৰাটো একেবাৰে অসম্ভৱ নহয়। কিন্তু ভূমিকম্প বানপানীৰ নিচিনা প্ৰাকৃতিক বিপৰ্যয়ৰ সন্মুখত মানুহে এতিয়াও বলিৰ পঠাৰ দৰে অসহায় হৈ থাকিব লগা হৈছে। বৰ্তমানলৈকে পৃথিৱীত কিমান যে মানুহ প্ৰাকৃতিক বিপৰ্যয়ত মৃত্যুমুখত পৰিছে। মানুহে এতিয়ালৈকে প্ৰকৃতিৰ অজস্ৰ প্ৰতিকূল শক্তিক একীভূত কৰিবলৈ সক্ষম হৈছে। মহাকাশৰ কোটি কোটি মাইল পথ অতিক্ৰম কৰি গ্ৰহান্তৰলৈ যোৱাটো সম্ভৱ হৈছে। কিন্তু চকুৰ পলকতে লাখ লাখ মানুহক গুৰিপকৰাৰ দৰে মাৰি নিঃশেষ কৰিব পৰা ভূমিকম্পৰ প্ৰতিকাৰে এতিয়াও চিন্তা গোচৰ হোৱা নাই। সৌ সিদিনা ২০১৬ ৰ ১৩ জুলাইত উত্তৰাখণ্ডত হেজাৰ হেজাৰ লোকে প্ৰাণ হেৰুৱাব লগা হয়। এই কথা চীনত হৈ যোৱা প্ৰলয়ংকাৰী ভূমিকম্পই প্ৰকৃতিৰ কালান্তক ৰুদ্ৰ ৰূপৰ সন্মুখত মানুহৰ অসহায়তাৰ কথা পুনৰ মনত পেলাই দিলে। সেই ভূমিকম্পই একেখন নগৰতে চীনত ১ লাখৰ পৰা ১০ লাখ মানুহ নিশ্চিহ্ন হোৱা বুলি অনুমান কৰা হৈছে। ১৯৭৬ চনৰ ভূমিকম্পই চীনৰ বাহিৰেও পৃথিৱীৰ বহুত অঞ্চলতো ধ্বংসলীলাৰ সৃষ্টি কৰিছে। ১৯৫০ চনৰ ভূমিকম্পই অসমত ধ্বংসলীলাৰ সৃষ্টি কৰি বিখ্যাত দীপৰ বিল সৃষ্টি কৰিলে। পেৰুত ১৯৭০ চনৰ ভূমিকম্পত প্ৰায় ৫০,০০০ হেজাৰ লোকৰ মৃত্যু হয়। কিন্তু চীনৰ ক্ষেত্ৰত ভূমিকম্পত এটা বিশেষ অভিশাপ থকা যেন অনুমান হয়। ১০৫৭ চনৰ পৰা বৰ্তমানলৈকে চীনত প্ৰায় ৯/১০ টা মান বৃহৎ আৰু প্ৰলয়ংকাৰী ভূমিকম্প হয়। তাৰে ভিতৰত ১৫৫৬ চনত চীনত এটা ভূমিকম্পতে এখন নগৰত প্ৰায় ৮,৫০,০০০ লোকে প্ৰাণ হেৰুৱায়। সম্প্ৰতি হৈ যোৱা ভূমিকম্পত বহুতো লোকৰ প্ৰাণ হানি হয়।

১৭৫৫ চনত ১ নৱেম্বৰত পৰ্তুগালৰ লিছবনত হোৱা ভূমিকম্পত বহুতো খ্ৰীষ্টিয়ান লোকৰ মৃত্যু হয়।

লিছবনৰ আটাইবোৰ গীৰ্জা ধ্বংসস্তূপত পৰিণত হয়। প্ৰায় ১৫,০০০ হাজাৰ মানুহ সেই ধ্বংসস্তূপৰ তলত সমূলি পিষ্ট হ'ল। লিছবনৰ এই ভূমিকম্পই ওঠৰ শতিকাৰ য়ুৰোপৰ চিন্তা জগতত এটা বিৰাট বৌদ্ধিক আৰু আধ্যাত্মিক ভূমিকম্পৰ সৃষ্টি কৰিলে। সেই সময়ৰ য়ুৰোপৰ চিন্তানায়ক ভলটেয়াৰৰ প্ৰতিক্ৰিয়াতে তাৰ প্ৰমাণ পোৱা যায়। মহাবিশ্বৰ ভিতৰত আমাৰ পৃথিৱীখনেই হ'ল সৰ্বোত্তম, আৰু ইয়াত ঘটা সকলো ঘটনাই মানুহৰ মঙ্গলৰ কাৰণেই ঘটে। বিশ্ব জগতৰ গতি-প্ৰকৃতি অনুধাৱন কৰি ভলটেয় মনত ধাৰণা জন্মিছিল যে এক পৰম শক্তিমান আৰু মঙ্গলময় ঈশ্বৰেহে এই বিপুল বিশ্ব সৃষ্টি পৰিচালনা কৰে আৰু সেই ঈশ্বৰ হ'ল এজন। সাধাৰণভাৱে ইয়েই আছিল ওঠৰ শতিকাৰ যুক্তিবাদী য়ুৰোপৰ আধ্যাত্মিক বিশ্বাস বা জীৱন দৰ্শন। কিন্তু লিছবনৰ ভূমিকম্পই মুহূৰ্তৰ ভিতৰতে এই বিশ্বাসৰ ভেটি কঁপাই পেলালে। সকলোৰে মুখে মুখে একেটাই প্ৰশ্ন উত্থাপিত হ'ল ঈশ্বৰ যদি সৰ্বশক্তিমান, মঙ্গলময় আৰু ন্যায়পৰায়ণেই হয়, তেন্তে ঈশ্বৰৰ প্ৰাৰ্থনাৰ কাৰণে গীৰ্জাত সমবেত হোৱা হাজাৰ হাজাৰ নিৰপৰাধ মানুহক তেওঁ কিয় মুহূৰ্তৰ ভিতৰতে নিৰ্মমভাৱে হত্যা কৰিলে? লিছবনৰ ভূমিকম্পই আচল ভূমিকম্পৰ সৃষ্টি কৰিলে ভলটেয়াৰৰ মনত। লিছবনৰ ভূমিকম্পই ভলটেয়াৰৰ সমস্ত জীৱনৰ সযত্ন-লালিত আধ্যাত্মিক বিশ্বাসৰ ভেটি কঁপাই তেওঁৰ মনত এনে প্ৰবল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে।

সৌ সিদিনা ২০১৭ চনৰ মেক্সিকোত হোৱা ৮.২ প্ৰাবল্যৰ ভূমিকম্পই পুনৰ জোকাৰি গ'ল মেক্সিকোক। মানুহে মনে মনে এনে এটা বিশ্বাস লালন কৰিছে যে যি মানুহে গ্ৰহ-গ্ৰহান্তৰ জয় কৰিবলৈ আগবাঢ়িছে। সেই মানুহে এদিন ভূমিকম্পকো জয় কৰিব।





## অতিথি লেখকৰ শিতান

# অসমীয়া বধকাব্য : আধাৰ গ্ৰন্থ আৰু মৌলিকতা

ড° ধনেশ্বৰ কলিতা
সহকাৰী অধ্যাপক, শৰাইঘাট মহাবিদ্যালয়

**বধকাব্য :** পুৰণি অসমীয়া সাহিত্যত ৰাম সৰস্বতীৰ বধকাব্যসমূহৰ স্থান অন্যতম। অৱশ্যে বধকাব্যৰ লেখীয়া দুই-এখন কাব্য ৰাম সৰস্বতীৰ পূৰ্বৰ কবিসকলেও ৰচনা কৰি গৈছে। এই প্ৰসঙ্গত কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ, ৰুদ্ৰ কন্দলি, অনন্ত কন্দলি আদিৰ নাম উল্লেখযোগ্য। কবিৰত্ন সৰস্বতীৰ *জয়দ্ৰথ বধ* আৰু হৰিবৰ বিপ্ৰৰ *তাম্ৰধ্বজৰ যুদ্ধ, বভ্ৰুবাহনৰ যুদ্ধ, লৱ-কুশৰ যুদ্ধ মহাভাৰত* আৰু *জৈমিনী অশ্বমেধ* কেন্দ্ৰিক। অনন্ত কন্দলিয়ে *শ্ৰীমদ্ভাগৱতৰ* কথাৰে *বৃত্ৰাসুৰ বধ* কাব্য ৰচনা কৰে। ৰাম সৰস্বতীৰ পৰৱৰ্তী সময়তো এনেধৰণৰ কিছুমান কাব্য ৰচিত হোৱাৰ কথা জানিব পাৰি। কিন্তু ৰাম সৰস্বতীৰ বাহিৰে অইন কোনো কবি সাহিত্যিকে একাগ্ৰতাৰে এনেকুৱা কিন্তু বৈশিষ্ট্যসম্পন্ন কাব্য ৰচনা কৰাৰ প্ৰমাণ পোৱা নাযায়। বধ আখ্যান সম্বলিত এই কাব্যসমূহক সুকীয়াকৈ বধকাব্য হিচাপে শ্ৰেণীবদ্ধ কৰি পোন প্ৰথমে আলোচনা কৰিছে বাণীকান্ত কাকতিয়ে (কাকতি : ২০০৭ : ২৭)। পিছলৈ যজ্ঞেশ্বৰ শৰ্মা, বিৰিঞ্চি কুমাৰ বৰুৱা, সত্যেন্দ্ৰ নাথ শৰ্মা, নবীন চন্দ্ৰ শৰ্মাৰ দৰে সমালোচক সকলে বধকাব্য সম্পৰ্কে বিস্তাৰিত আলোচনা দাঙি ধৰে। প্ৰধানতঃ পঞ্চপাণ্ডৱৰ দ্বাৰা দৈত্য-দানৱ বধ কৰা আখ্যান হোৱা বাবেই হয়তো বাণীকান্ত কাকতিয়ে এই কাব্যশ্ৰেণীক বধকাব্য ৰূপে নামকৰণ কৰে। ৰাম সৰস্বতীয়ে কিন্তু কাব্যসমূহক তেনে কোনো নামেৰে বিভূষিত কৰা নাই।

ৰাম সৰস্বতীয়ে *অশ্বকৰ্ণ* বধক পাতালী খণ্ডৰ কথা আৰু বাকী প্ৰায়বোৰকে বনপৰ্বৰ কথা বুলিহে উল্লেখ কৰি গৈছে। সত্যেন্দ্ৰ নাথ শৰ্মাই বীৰ কাব্য সম্পৰ্কে আলোচনা কৰোতে বধকাব্য আৰু যুদ্ধকাব্য হিচাপে বধকাব্যসমূহক দুটা ভাগত ভাগ কৰিব পাৰি বুলি উল্লেখ কৰিছে (শৰ্মা : ২০০৮ : ৩১)। নবীন চন্দ্ৰ শৰ্মাৰ মতে বধকাব্যসমূহক বন-পৰ্ব, বৈষ্ণৱ-কাব্য, ভক্তি কাব্য আৰু যুদ্ধ কাব্যও বুলিব পাৰি (শৰ্মা : ১৯৯৬ : ১২৯)। এই কাব্যসমূহত অন্যায়, অশান্তি আৰু আসুৰিক শক্তিৰ প্ৰতিনিধি, শক্তিশালী দৈত্য-দানৱৰ মৃত্যু প্ৰদৰ্শন কৰা হৈছে। সেই দৈত্য-দানৱবোৰক বধ কৰোৱা হৈছে প্ৰধানকৈ পঞ্চপাণ্ডৱ দ্বাৰা। সেইবাবে এই কাব্যৰাজিক বধ-কাব্য বোলা হয় (শৰ্মা : ১৯৯৬ : ১২৯)।

বধকাব্যসমূহৰ বিষয়বস্তু, উদ্দেশ্য, আদৰ্শগত বা গঠনগত দিশৰ পৰা চাই পণ্ডিতসকলে বিভিন্ন নামেৰে নামকৰণ কৰাৰ চেষ্টা কৰিছে; কিন্তু সামগ্ৰিকভাৱে এই সকলো দিশকে সামৰি বধকাব্য নামেৰে এই শ্ৰেণী কাব্য সুপৰিচিত আৰু সৰ্বজনগ্ৰাহ্য বুলি ক'ব পাৰি। উল্লেখযোগ্য যে বধকাব্যৰাজিৰ প্ৰায়ভাগতে পঞ্চপাণ্ডৱে দৈত্য, অসুৰ আদিক নিঃশেষ কৰা নাই। বৰং সেইবোৰৰ অন্তৰালত লুকাই থকা ভক্ত বা বৈষ্ণৱ আদিক মুক্তিহে প্ৰদান কৰিছে। অভিশপ্ত হৈ অবশ্যাৰ মাজত থকা দৈত্য-দানৱৰ অভিশাপ মোচনৰ একমাত্ৰ উপায় আছিল একান্ত কৃষ্ণভক্ত পঞ্চপাণ্ডৱ। গতিকে প্ৰকাৰান্তৰে মুক্তিৰ বাবে তেওঁলোকে পঞ্চপাণ্ডৱৰ কৰবাসলৈ বাট চাই আছিল। এনে দৃষ্টিভঙ্গীৰে চাই এই কাব্যৰাজিক মুক্তিকাব্য হিচাপেও আলোচনা কৰাৰ থল আছে। বধকাব্যসমূহে সৰ্বসাধাৰণ অসমীয়া সমাজক কেইবাশ বছৰ ধৰি প্ৰভাৱান্বিত কৰি আহিছে। সেই প্ৰভাৱৰ ফলশ্ৰুতিতেই হয়তো চহা আৰু গাঁৱলীয়া মানুহৰ মুখ পৰম্পৰাতো এই আখ্যানসমূহে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এনে দৃষ্টিকোণৰ পৰা বধকাব্যসমূহক লোককাব্যও বুলিব পাৰি। ধৰ্মগ্ৰন্থৰ দৃষ্টিৰে চালে কাব্যৰ লগত জনসাধাৰণৰ দূৰত্ব বৃদ্ধি পায়। কিন্তু লোককাব্যৰ দৃষ্টিৰে এই কাব্যবোৰে সহজে জনসাধাৰণৰ ওচৰ চাপিব পাৰে। সেয়ে বোধহয় অসমীয়া জনসাধাৰণৰ মাজত অইন ধৰ্মগ্ৰন্থৰ আখ্যানতকৈ বধ আখ্যানৰ

জনপ্ৰিয়তা বেছি। বাণীকান্ত কাকতিয়ে এই প্ৰসঙ্গত আগবঢ়োৱা মন্তব্য প্ৰণিধানযোগ্য— খটাসুৰ, বধাসুৰ, কুলাচল, অশ্বকৰ্ণ, কুৰ্মবলী, জঙ্ঘাসুৰ বধ আদি আখ্যানবোৰে পুৰণি সাহিত্যত আজিকালিৰ উপন্যাস, গল্প আদিৰ ঠাই অধিকাৰ কৰি আছে। অসমীয়া গাঁৱলীয়া সমাজত এতিয়াও সেইবোৰৰ প্ৰভূত সমাদৰ। খেতি-বাতিৰপৰা আজৰি পোৱা সময়ত গাঁৱৰ মানুহে চাক পাতি বহি গোট খাই পুৰণি কালত ধৰ্মবণ্যত মুনিসকলে পুৰাণ, ইতিহাস আদি শুনাৰ দৰে এই বধ কাব্যৰ আখ্যানবোৰ শুনি শৰীৰ আৰু মনৰ দুখ-ভাগৰ পলুৱায়। (কাকতি ঃ ২০০৭ ঃ ২৭)

কাকতিৰ এই মন্তব্যৰে আঁত ধৰি বধকাব্যসমূহৰ লোকপ্ৰিয়তাক আৰু এক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি চাব পাৰি। অসমৰ চহা জনসাধাৰণে প্ৰধানতঃ কৃষিকৰ্মৰ যোগেদি জীৱন নিৰ্বাহ কৰি আহিছে। এই কৰ্মক্ষেত্ৰত প্ৰাকৃতিক দুৰ্যোগ আদিৰ বাবে হয়তো বহুসময়ত তেওঁলোকে লোকচানবো সন্মুখীন হ'বলগীয়া হৈছিল; যাৰ ফলত নানা অভাৱ-অনাটনে তেওঁলোকক জুমুৰি দি ধৰিছিল। এনেক্ষেত্ৰত তেওঁলোক শাৰীৰিক আৰু মানসিকভাৱে ভাঙি পৰা স্বাভাৱিক। এনে ধৰণৰ সাময়িক মনোকষ্টৰ পৰা বধকাব্যসমূহে মহৌষধৰ দৰে কাম কৰি তেওঁলোকক পৰিত্ৰাণ দিছিল আৰু কৰ্মক্ষেত্ৰত তেওঁলোক পুনৰ নিয়োজিত হ'ব পাৰিছিল। কাৰণ, পঞ্চপাণ্ডৱৰ দৰে ৰজা-ৰাজকোঁৱৰে যদি বনবাসত নানা বিপদ বিঘিনিৰ মাজত জীৱন নিৰ্বাহ কৰিব পাৰে তেনেক্ষেত্ৰত সাধাৰণ সংসাৰী মানুহৰ দুখ-দুৰ্দশা লেখত ল'বলগীয়া নহয় বুলি গুণ্ডা জনসাধাৰণে ভাবিব পাৰিছিল। নিজৰ দুখ-দুৰ্দশা পঞ্চপাণ্ডৱৰ দুখ-দুৰ্দশাৰ সৈতে তুলনা কৰি জনসাধাৰণে প্ৰবল সন্তুষ্টি আৰু পৰিতৃপ্তি লাভ কৰিব পাৰিছিল।

**বধকাব্যৰ মূল ঃ** ৰাম সৰস্বতীয়ে মহাভাৰতৰ বনপৰ্বৰ সৈতে সঙ্গতি ৰাখি বধকাব্যসমূহ ৰচনা কৰিছে। পঞ্চপাণ্ডৱ দুবাৰ বনলৈ যাবলগীয়া হৈছিল, প্ৰথমবাৰ জতুগৃহৰ পৰা আত্মৰক্ষা কৰিবলৈ আৰু দ্বিতীয়বাৰ পাশা-খেলত হাৰি পণ ৰক্ষা কৰিবলৈ (শৰ্মা (ক)ঃ ২০০৬ ঃ ১৪৫)। দুইবাৰতে বনে বনে ঘূৰি ফুঁৰোতে পাণ্ডৱসকল অশেষ বিপদ আৰু বাধা-বিঘিনিৰ সন্মুখীন হৈছিল (শৰ্মা (ক) ঃ ২০০৬ ঃ ১৪৫)। সৈতে, দানৱ বীৰ বা অসুৰ বধৰ একোটা কাহিনীৰ আধাৰতে কবিয়ে একোখনকৈ সুকীয়া কাব্য ৰচনা কৰি উলিয়ায়। এই কাব্যসমূহ ৰচোতে আকৌ কবিয়ে বহুতো মূল গ্ৰন্থৰ কথা আঙুলিয়াইছে। মূলৰ কথাবস্তু বঢ়া-টুটা কৰিছে তেওঁ একোটা কাহিনী কাব্যাকাৰত লিখি উলিয়াইছে বুলি উল্লেখ কৰিছে। আদি বনপৰ্ব, পুষ্পহৰণ বনপৰ্ব, *মণিচন্দ্ৰ ঘোষ বনপৰ্ব*, *বিজয় পৰ্ব*, বধাসুৰ বধ, অশ্বকৰ্ণ বধ, *কুলাচল বধ* আৰু *সিন্ধুযাত্ৰাত* কবিয়ে কেইবাখনো পুৰাণ, উপপুৰাণ আৰু শাস্ত্ৰৰ নাম উল্লেখ কৰিছে।





ওপৰত উল্লেখ কৰা উদাহৰণসমূহৰ পৰা বুজিব পাৰি যে কবিয়ে হংসকাকী, শিৱৰহস্য, যামল-সংহিতা, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, ভাগৱত আৰু অন্যান্য শাস্ত্ৰৰ পৰা এই কাব্যসমূহৰ মূল সংগ্ৰহ কৰিছে।

ৰাজপ্ৰশস্তি আৰু ৰাজানুগ্ৰহৰ এনে উদাহৰণে ৰজাসকলৰ শাস্ত্ৰপ্ৰীতিৰ কথাই প্ৰতিপন্ন কৰে। বিশ্বসিংহৰ পুত্ৰদ্বয় নৰনাৰায়ণ আৰু চিলাৰায়ে সংস্কৃত শিক্ষা লাভ কৰিবলৈ বাৰাণসী আদি ঠাইলৈ যোৱাৰ কথা জানিব পাৰি। কিন্তু পিতৃ বিয়োগত ৰাজভাৰ ল'বলৈ তেওঁলোক ঘৰলৈ উভতি আহিছিল। উভতি আহোঁতে তেওঁলোকে যথেষ্ট পৰিমাণে সংস্কৃত টীকা-ভাষ্য তাৰ পৰা নিজৰ লগত লৈ আহিছিল। পৰৱৰ্তী সময়ত সেইবোৰ লুপ্ত বা ধ্বংস হ'লেও ৰাম সৰস্বতীয়ে হয়তো ৰাজকবি হিচাপে সেইবোৰ অধ্যয়ন কৰাৰ সুবিধা পাইছিল। যাৰ বাবে তেওঁ বাৰে বাৰে বধকাব্যসমূহৰ মূল পুথি কিছুমানৰ কথা দোহাৰিছে। হয়তো সেই সমলবোৰৰ পৰাও ৰাম সৰস্বতীয়ে বধকাব্য ৰচনা কৰিবলৈ প্ৰেৰণা লাভ কৰিছিল।

আকৌ, কবিয়ে যিবোৰ মূল গ্ৰন্থৰ কথা উল্লেখ কৰিছে সেই পুথিবোৰৰ কিছুমানৰ স্থানান্তৰত নামকে শুনা নাযায়। যিবোৰ পুথি বিচাৰি পোৱা যায়, সেইবোৰতো ৰাম সৰস্বতীৰে বিষয়বস্তুৰ লগত মিল থকা কথা পোৱা নাযায় (নেওগ ঃ ২০০০ ঃ ১৩৫)। আনকি সংস্কৃত মহাভাৰততো এইজাতীয় উপাদান বা বিষয়বস্তুৰ আভাস পোৱা নাযায় (শৰ্মা ঃ ১৯৯৬ ঃ ১৩৭)। এনেধৰণৰ কথাবোৰৰ পৰা অনুমান কৰিব পাৰি যে ৰাম সৰস্বতীয়ে পাঠক সমাজক পতিয়ন নিয়াবলৈ মূল গ্ৰন্থ কিছুমানৰ নাম উল্লেখ কৰিছিল নতুবা সেইসময়ত অসমত প্ৰচলিত তেনে গ্ৰন্থ কালৰ সোঁতত লুপ্ত হ'ল। স্বকপোলত বধকাব্যৰ বিষয়বস্তু কোনো সংস্কৃত পুৰাণৰ পৰা অথবা কোনো সংস্কৃত গ্ৰন্থৰ পৰা লোৱা নাই। তদানীন্তন সমাজত মুখ পৰম্পৰা প্ৰচলিত কাহিনী, জনশ্ৰুতি, মিথ আদি কথা-সূত্ৰৰ পৰাহে বধকাব্যৰ বিষয়বস্তু আধৃত হৈছে। বিশ্বাস প্ৰৱণ শ্ৰোতা বা পাঠকৰ অন্তৰত বিশ্বাস আৰু শ্ৰদ্ধাৰ জন্মাবলৈ আৰু কাহিনীভাগত আভিজাত্য প্ৰদান কৰিবলৈ কবিয়ে বধকাব্যৰ বিষয়বস্তু ঋষি-মুখ নিঃসৃত বুলি কৈছে (শৰ্মা ঃ ১৯৯৬ ঃ ১৩৮)।

এফালে যেনেকৈ লোকসমাজৰ চিত্ৰ বধকাব্যত প্ৰতিফলিত হৈছে; তাৰ সমান্তৰালভাৱে যুদ্ধ-বিগ্ৰহৰ চিত্ৰও অধিক উৎসাহেৰে বৰ্ণিত হৈছে। ৰচনাত লোকজীৱনৰ চিত্ৰ ফুটি ওলালেও ৰাম সৰস্বতীয়ে কিন্তু তেওঁৰ সমস্ত সাহিত্য ৰাজ অনুগ্ৰহতহে ৰচনা কৰিছিল। ৰোমাঞ্চ সাহিত্য পঢ়ি পাশ্চাত্যৰ অভিজাত লোকসকলে আনন্দ বিনোদন লাভ কৰাৰ দৰে অসমৰ ৰজাসকলেও বধকাব্যৰ ৰোমাঞ্চকৰ যুদ্ধ-বিগ্ৰহৰ বৰ্ণনা পঢ়ি আনন্দ-বিনোদন লাভ কৰিছিল। গতিকে অভিজাত সাহিত্যৰ মৰ্যাদা প্ৰদান কৰিবলৈও কবিয়ে মূল গ্ৰন্থবোৰৰ নাম উল্লেখ কৰা বুলি ভাবিবৰ অৱকাশ আছে।

ইয়াৰ উপৰিও ধৰ্মীয় দৃষ্টিকোণৰ পৰাও ৰাম সৰস্বতীয়ে বধকাব্যসমূহক মৰ্যাদা প্ৰদান কৰিবলৈ মূল গ্ৰন্থ কিছুমানৰ নাম উল্লেখ কৰিব পাৰে। একান্ত বৈষ্ণৱ কবি ৰাম সৰস্বতীয়ে শ্ৰীকৃষ্ণ বা বিষ্ণুৰ মাহাত্ম্য প্ৰচাৰতে প্ৰধানকৈ গুৰুত্ব প্ৰদান কৰিছিল। ৰাজ পৰিয়াল, লোকসমাজৰ প্ৰয়োজন পূৰণ কৰাৰ উপৰিও ধৰ্মীয় উদ্দেশ্য পূৰণৰ প্ৰতিও কবি সততে সজাগ আছিল। এনেক্ষেত্ৰত কাহিনী মূলানুগ নহ'লে জনসাধাৰণে সেইবোৰৰ ৰস গ্ৰহণত অনিচ্ছুক হ'ব পাৰে। গতিকে ৰাম সৰস্বতীয়ে শাস্ত্ৰ, পুৰাণাদিৰ দোহাই দি কাব্যসমূহৰ ধৰ্মীয় মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ প্ৰয়াস কৰিছিল বুলি অনুমান কৰিব পাৰি।

এনে আলোচনাৰ পৰা দেখা যায় যে ৰাম সৰস্বতীৰ বধকাব্যসমূহ মৌলিক সৃষ্টি। স্বকীয় কল্পনা প্ৰতিভাৰে মহাভাৰতৰ বনপৰ্বক আশ্ৰয় কৰি তেওঁ এই কাব্যসমূহ সৃষ্টি কৰিছে।

**বধকাব্যৰ শ্ৰেণী ঃ** ড° নবীন চন্দ্ৰ শৰ্মাই ৰাম সৰস্বতীৰ ৰচনাৱলীৰ শ্ৰেণী বিভাগ কৰোঁতে যোল্লখন কাব্যক বধকাব্যৰ অন্তৰ্ভুক্ত কৰিছে। ইয়াৰে তেৰখনহে আচলতে স্বতন্ত্ৰ বধকাব্য। *ভোজকূট বধ* আৰু *মহিষদানৱ বধ* একেখন কাব্যৰে দুটা নাম। *মহিষ দানৱ বধৰ* শেষত কবিয়ে সেয়ে উল্লেখ কৰিছে—

*তাতে ভোজকট দানৱক বধিলন্ত।*
*দুয়ো কথা শুনিলাহা নৃপতি মহন্ত।।*

*যজ্ঞ পৰ্ব*, পদ- ১৩৬৩৫

আকৌ, *যজ্ঞ পৰ্ব* বুলি যিখন কাব্য পোৱা যায়, সেইখনো স্বতন্ত্ৰ বধকাব্য নহয়। *যজ্ঞ পৰ্বত* বধাসুৰ বধৰ পিছত আয়োজন কৰা যজ্ঞৰ বিষয়ে আলোচনা কৰা হৈছে। এই পৰ্বতে *মহিষ দানৱ বধ* আৰু *কালজঙ্ঘ বধ* কাব্য দুখন অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে *যজ্ঞ পৰ্ব মহিষ দানৱ বধ* আৰু *কালজঙ্ঘ বধৰ* সমষ্টিহে; এই দুই বধ আখ্যানৰ বাহিৰে আন বধ আখ্যান ইয়াত পোৱা নাযায়। সেয়ে প্ৰাপ্ত বধকাব্যসমূহৰ ভিতৰত তেৰখনক বধকাব্যৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি। সেইবোৰ হ'ল— *পুষ্পহৰণ বনপৰ্ব*, *মণিচন্দ্ৰ ঘোষ বনপৰ্ব*, *বিজয় পৰ্ব*, *কালকুঞ্জ শোষক বধ*, *বধাসুৰ বধ*, *যজ্ঞ পৰ্ব* অন্তৰ্গত *মহিষ দানৱ বধ* বা *ভোজকূট বধ* আৰু *কালজঙ্ঘ বধ*, *খটাসুৰ বধ*, *অশ্বকৰ্ণ বধ*, *জঙ্ঘাসুৰ বধ*, *কুলাচল বধ* আৰু *ভীম চৰিত*, *সিন্ধুযাত্ৰা বনপৰ্ব* আৰু *বিহঙ্গম মোক্ষ*।

**পুষ্পহৰণ বনপৰ্ব ঃ** পঞ্চপাণ্ডৱে বনবাস যাত্ৰা কালত সন্মুখীন হোৱা দুখ-দুৰ্দশাৰ ভিন ভিন চিত্ৰ বধকাব্যসমূহত চিত্ৰিত হৈছে। এই চিত্ৰসমূহক কবিয়ে নিজৰ কল্পনা আৰু চাক্ষুষ প্ৰতিভাৰে পাঠকৰ অতি চিনাকি আৰু ঘৰুৱা কৰি তোলাৰ চেষ্টা কৰিছে। বনবাস যাত্ৰা কালত কাম্যক বন ত্যাগ কৰি আন বনলৈ যাত্ৰা কৰাৰ সময়তে *পুষ্পহৰণ বনপৰ্বৰ* কথাবস্তু আৰম্ভ হৈছে। কাব্যখনৰ পদসংখ্যা ৫৮৩ । যামল, সংহিতা আৰু শিৱৰহস্যৰ পৰা *পুষ্পহৰণ বনপৰ্বৰ* কথাবস্তু সংগ্ৰহ কৰা বুলি কবিয়ে উল্লেখ কৰিছে।

ৰাম সৰস্বতীয়ে ৰামোপাখ্যানৰ সমস্ত ঘটনাৰ কিছু কথাহে *পুষ্পহৰণ বনপৰ্বত* সন্নিবিষ্ট কৰিছে। এই উপাখ্যান যুধিষ্ঠিৰেহে ভীম আৰু অন্যান্যসকলক বনবাস কালত বৰ্ণনা কৰিছে। দশৰথৰ সিন্ধুমুনি বধ কৰাৰ পৰা কৈকেয়ীৰ অভিসন্ধিমতে ভৰতক ৰাজ্যাভিষেক দি ৰামৰ বনবাসলৈ যোৱা সময়ছোৱাৰ কথাবস্তুহে ৰাম সৰস্বতীয়ে উল্লেখ কৰিছে।

গতিকে দেখা যায় যে ৰাম সৰস্বতীয়ে *পুষ্পহৰণ বনপৰ্বৰ* কথাবস্তু মূলৰ উপৰিও নিজস্ব কল্পনা প্ৰতিভাৰে সাৰ্থকৰূপত উপস্থাপন কৰিছে। এইখন বধকাব্যত তিনিটা বধ আখ্যান সন্নিবিষ্ট হৈছে। সেইকেইটা হ'ল—

ক. শঙ্খধৱল হস্তী বধ, খ. অগ্নিকেতু বধ, গ. নামদেৱমল্ল বধ

**মণিচন্দ্ৰ ঘোষ বনপৰ্ব ঃ** *পুষ্পহৰণ বনপৰ্বত* নামদেৱমল্ল উদ্ধাৰৰ পিছত পঞ্চপাণ্ডৱ চন্দ্ৰবনত উপস্থিত হয়। চন্দ্ৰবন এৰি ভৱাৰ্ণৱ বনত প্ৰৱেশ কৰাৰ সময়ৰ পৰা *মণিচন্দ্ৰ ঘোষ বনপৰ্বৰ* কথাবস্তু আৰম্ভ হৈছে। ভৱাৰ্ণৱ বনৰ আন্তিক হ্ৰদৰ পানী খাবলৈ গৈ ভীমৰ বাহিৰে দ্ৰৌপদী সহিতে আটাইকেইজন পাণ্ডৱৰ মৃত্যু হয় পুণ্ডৰীক নাগৰ দংশনত। তেওঁলোকক জীয়াই তুলিবলৈ ভীমে নাগলোকলৈ গৈ সঞ্জীৱনী মণি আনে। পক্ষীৰূপী বপু অগেশ্বৰীৰ পৰামৰ্শ মতে ভীমে নকুলৰূপী কৃষ্ণৰ পাৰিষদৰ সহায়ত মণি আনিবলৈ পাতাললৈ যায়। মণি আহৰণৰ কথাবস্তু সম্বলিত হোৱা বাবে বধকাব্যখনৰ নাম *মণিচন্দ্ৰ ঘোষ বনপৰ্ব* দিয়া বুলি অনুমান কৰিব পাৰি। কাব্যখন ১০৮৫ টা পদৰ সমষ্টি। *মণিচন্দ্ৰ ঘোষ বনপৰ্বৰ* মূল সম্পৰ্কে কবিয়ে উল্লেখ কৰিছে-

*হংসকাকী সংহিতা যামল মিশ্ৰ কৰি।*
*ৰচিবো পয়াৰ এক খানে মন কৰি।।*
*জানি বুধজন আত নিন্দা নুবুলিবা।*
*ব্যাসকৃত চাই পাচে আপুনি দেখিবা।।*

*মণিচন্দ্ৰঘোষ বনপৰ্ব*, পদ- ৪৫২৯

*ভগৱন্ত ব্যাসে তাক কহিছা পূৰ্ব্বত।*
*সাম্প্ৰতে আছয় আত শিৱৰহস্যত।।*

—*মণিচন্দ্ৰঘোষ বনপৰ্ব*, পদ- ৪৫২৯

*মণিচন্দ্ৰ ঘোষ বনপৰ্বত* তিনিটা বধ আখ্যান পোৱা যায়-

ক. নকুল বধ, খ. সমবাহু নাগ বধ আৰু গ. কালধুম্ৰ যক্ষ বধ।

**বিজয় পৰ্ব ঃ** *বিজয় পৰ্বত* দশধানী নগৰলৈ ভীমক যাবলৈ আদেশ কৰাৰ পিছত ধৃতৰাষ্ট্ৰৰ দিগ্বিজয়ৰ কথা আলোচিত হৈছে।

এই পৰ্বত পঞ্চপাণ্ডৱৰ পৰিবৰ্তে ধৃতৰাষ্ট্ৰ আৰু বিদুৰৰ কাৰ্যকলাপহে বেছিকৈ পোৱা যায়। সেই কাৰণে পৰা চালে বিজয় পৰ্বত পঞ্চপাণ্ডৱৰ মাহাত্ম্য কিম্বা বীৰত্ব প্ৰকাশ পোৱাতকৈ ধৃতৰাষ্ট্ৰ আৰু বিদুৰৰ কাৰ্যকলাপহে প্ৰকাশ পাইছে। ইয়াত পাণ্ডৱৰ বনবাসী জীৱনৰ কথা নাই। বিজয় পৰ্ব ২২২৩ টা পদৰ সমষ্টি। কবিয়ে বিজয় পৰ্বৰ আধাৰ গ্ৰন্থ সম্পৰ্কে আন গ্ৰন্থৰ কথা উল্লেখ কৰা নাই। উদাহৰণস্বৰূপে–

*শুনা সভাসদ পদ বিজয় পৰ্ব্বৰ।*
*ইহাৰ শ্ৰৱণে ভাল হোৱে নিৰন্তৰ।।*

*বিজয় পৰ্ব, পদ- ৬১১১*

*বিজয় পৰ্ব* অন্তৰ্গত ঘটনাংশ এনেধৰণৰ— সসৈন্যে নাগকন্যাক লৈ দণ্ডধানী নগৰলৈ যাবলৈ যুধিষ্ঠিৰৰ আদেশ, ভাৰত শ্ৰৱণৰ ফল কথন, বিদুৰৰ তপস্যা, ধৃতৰাষ্ট্ৰৰ চক্ষুপ্ৰাৰ্থনা, ধৃতৰাষ্ট্ৰৰ চক্ষুলাভ, ধৃতৰাষ্ট্ৰ আৰু দ্বৈপায়ন-সংবাদ, ধৃতৰাষ্ট্ৰৰ কথোপকথন, অনন্তপুৰীৰ বৰ্ণনা, ব্ৰহ্মা-শংকৰৰ বৰ্ণনা, ব্ৰহ্মা-মহেশ্বৰৰ অনন্তপুৰী প্ৰৱেশ, ধৃতৰাষ্ট্ৰৰ দিগ্বিজয় কথা, কণটি দেশ প্ৰৱেশ, ধৃতৰাষ্ট্ৰৰ কণটি ৰজাক সন্মান প্ৰদৰ্শন আৰু উপঢৌকন দান, দিগ্বিজয়ত ধৃতৰাষ্ট্ৰ ৰজাক শাল্ব আদি ৰজাসকলৰ সন্মান প্ৰদৰ্শন আৰু উপঢৌকন দান, দিগ্বিজয়ত গজকেতুৰ ৰাজ্যত প্ৰৱেশ, গজকেতু ৰজাৰ স্ত্ৰী-পুত্ৰ হত্যা কাহিনী, গান্ধাৰৰ সৈন্য আৰু গজকেতুৰ সৈন্যৰ ভিতৰত যুদ্ধ, গান্ধাৰ ৰজাৰ পৰাজয় আৰু বন্দিত্ব, তেওঁক উদ্ধাৰ কৰিবলৈ সুকৰ্ণ আদি ৰজাসকলৰ আলোচনা, মিত্ৰ ৰজাসকলৰ সৈতে ধৃতৰাষ্ট্ৰ নৃপতিৰ গজকেতুৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা, গজকেতুৰ পুত্ৰৰ লগত সুকৰ্ণ আদি ৰজাসকলৰ যুদ্ধ আৰু সৰ্বগজৰ হাতত গজকেতুৰ পুত্ৰৰ মৃত্যু, কপিসৈন্য লৈ কপিৰাজ সৰ্বগজৰ গজকেতুৰ ৰাজধানীত প্ৰৱেশ, পুত্ৰৰ মৃত্যুবাৰ্তা শুনি গজকেতুৰ শোক, গজকেতুৰ নগৰ বৰ্ণনা, গজকেতুৰ ৰাজসভাত সৰ্বগজক প্ৰশ্ন আৰু প্ৰত্যুত্তৰ দান, ধৃতৰাষ্ট্ৰৰ লগত মিত্ৰতা কৰিবলৈ গজকেতুৰ প্ৰতি হৰদত্তৰ উপদেশ আৰু হৰদত্তক বন্দী কৰিবলৈ আদেশ, গজকেতুৰ যুদ্ধৰ উদ্যোগ, ধৃতৰাষ্ট্ৰ ৰজাৰ যুদ্ধ উদ্যোগ, গজকেতু আৰু সৰ্বগজৰ যুদ্ধ, ৰাজকুমাৰৰ হাতত ইন্দ্ৰকেতু বধ, বিদুৰৰ যুদ্ধত যোগদান, পুত্ৰৰ মৃত্যুত গজকেতুৰ শোক, ধৃতৰাষ্ট্ৰ আৰু গজকেতুৰ যুদ্ধ, বিদুৰৰ হাতত গজকেতু বধ, গজকেতুৰ বধত দেৱতাসকলৰ আনন্দ আৰু ধৃতৰাষ্ট্ৰ বিদুৰৰ প্ৰশংসা, গজকেতুৰ শৱ সংস্কাৰ আৰু প্ৰেতকাৰ্য সম্পাদন, গজকেতুৰ মহিষীসকলৰ বিলাপ আৰু স্বামীৰ লগত সহগমন, গজকেতুৰ পূৰ্বজন্ম কথন, ত্ৰিশিৰা দানৱ বধৰ কাৰণে ধৃতৰাষ্ট্ৰ সভাত দেৱতাসকলৰ আগমন, কৰ্ণদপতিৰ জন্মকথা, ত্ৰিশিৰা দানৱক বধ কৰিবলৈ ইন্দ্ৰৰ উপদেশ আৰু আকাশবাণী শুনি ৰজাসকলৰ যুদ্ধ আয়োজন, ত্ৰিশিৰা বধৰ কাৰণে বিদুৰৰ ওচৰত ধৃতৰাষ্ট্ৰৰ আলোচনা আৰু বিদুৰৰ সমাধি ধাৰণ, বিদুৰৰ অনন্ত দৰ্শন লাভ আৰু অনন্তৰ ত্ৰিশিৰা দানৱ বধৰ উপায় কথন আৰু ৰজাসকলৰ বিদুৰৰ আদেশ মতে দানৱৰ লগত যুদ্ধ, দানৱসকলৰ লগত বিদুৰৰ যুদ্ধ, দানৱসকল পৰাজয় হৈ অঘ দানৱৰ আশ্ৰয় গ্ৰহণ আৰু বিদুৰৰ হাতত অঘ দানৱ বধ, ত্ৰিশিৰাৰ লগত ৰজাসকলৰ যুদ্ধ, বিদুৰৰ হাতত ত্ৰিশিৰা দানৱৰ পতন।

*বিজয় পৰ্বত* তিনিটা বধ আখ্যান সন্নিবিষ্ট হৈছে–

ক. ইন্দ্ৰকেতু বধ, খ. গজকেতু বধ, গ. ত্ৰিশিৰা দানৱ বধ

**কালকুঞ্জ শোষক বধ ঃ** *কালকুঞ্জ শোষক বধ* আখ্যানটো বনপৰ্বৰে উপপৰ্ব বুলি দেখুওৱা হৈছে। কাব্যখনৰ মূল সম্পৰ্কে কবিয়ে এনেদৰে উল্লেখ কৰিছে–

*শুনা সভাসদ বনপৰ্ব্ব কথা সাৰ।*
*ৰহস্যাৰো ৰহস্য নাহিকে জানা আৰ।।*
*শুচে মহাদুখ পাৱে পৰম মুকুতি।*
*সকলে শাস্ত্ৰৰ ইটো পৰম যুগুতি।।*

*—বনপৰ্ব, পদ- ৮৪২৮*

৭১৮ টা পদ সন্নিবিষ্ট এই বধকাব্যখনত প্ৰধানকৈ কালকুঞ্জ আৰু শোষক নামৰ দুই অসুৰক দ্ৰৌপদীয়ে বধ কৰা কাহিনী বৰ্ণনা কৰা হৈছে। এই দুই অসুৰক বধ কৰা আখ্যান বৰ্ণনা কৰা হোৱা হেতু বধকাব্যখনৰ নাম *কালকুঞ্জ শোষক বধ* কৰা বুলি অনুমান কৰিব পাৰি। অৱশ্যে ইয়াত মেধীক (কালকুঞ্জৰ পত্নী) বধ কৰাৰো কথা পোৱা যায়।

বনবাস কালত পঞ্চপাণ্ডৱে যুধিষ্ঠিৰৰ ইচ্ছা অনুসৰি ভৱাৰ্ণৱ বনত প্ৰৱেশ কৰে; য'ত মহামুনি আস্তিকে বাস কৰে। কিন্তু জনৰ মাজত আস্তিকৰ স্থান হোৱা হেতু তাত প্ৰৱেশ কৰা অসম্ভৱ বুলি তেওঁলোক চিন্তিত হয়। তেতিয়া ভীমে দুজন নাগ দূতক মাতি শীঘ্ৰে পুণ্ডৰীকক আনিবলৈ আদেশ দিয়ে। দুই দূতে পুণ্ডৰীকৰ ওচৰত ভীমৰ কথা কোৱাত শীঘ্ৰে পুণ্ডৰীক ভৱাৰ্ণৱ বনলৈ আহে। পুণ্ডৰীকক আস্তিক মুনিক দৰ্শন কৰাৰ ব্যৱস্থা কৰাবলৈ যুধিষ্ঠিৰে অনুৰোধ কৰে। বহুবেলা ধ্যানত মগ্ন আস্তিক মুনিৰ সমাধি ভাঙিলেহে ওচৰ চাপিব পৰা যায়। পঞ্চপাণ্ডৱৰ আশা পূৰণ কৰিবলৈ পুণ্ডৰীক আস্তিক মুনিৰ সমাধিলৈ যায় আৰু মুনিৰ ধ্যান শেষ হোৱাত যুধিষ্ঠিৰৰ ইচ্ছাৰ কথা সদৰি কৰে। সেই কথা শুনি মুনি শীঘ্ৰবেগে ভৱাৰ্ণৱ বনলৈ গমন কৰে। মুনিয়ে পাণ্ডৱক সদ উপদেশ প্ৰদান কৰি অসুৰ, দানৱ আদি বধ কৰিবলৈ অনুৰোধ কৰে। পঞ্চপাণ্ডৱে ঋষিক সেৱা কৰাত আটাইৰে দুখ-ক্লেশ নোহোৱা হয়। আস্তিক মুনিয়ে যুধিষ্ঠিৰক বৰ দিবলৈ আগ্ৰহ প্ৰকাশ কৰে। যুধিষ্ঠিৰে আটাইৰে মঙ্গল কামনা কৰি কৃষ্ণৰ প্ৰতি যাতে ভক্তি সদায় অটুট থাকে তাৰে বৰ বিচাৰে। মুনিয়ে বৰ দি অন্তৰ্দ্ধান হয়।

আস্তিক মুনিৰ আশ্ৰম ত্যাগ কৰি পঞ্চপাণ্ডৱ মৰু ঋষিৰ আশ্ৰমত উপস্থিত হয়। তাৰ পৰা কোন ঠাইলৈ যাব পাৰে মৰু ঋষিৰ পৰা জানিব বিচাৰে আৰু অগস্তি মুনিক সাক্ষাৎ কৰাৰ ইচ্ছা প্ৰকাশ কৰে। ঋষিয়ে ৰাক্ষস, অসুৰ আদি বিনাশ কৰি ব্ৰাহ্মণৰ দুখ খণ্ডন কৰাৰ উপদেশ দিয়ে। জামদগ্নি, পৰ্শুৰাম মাৰ্কেণ্ডয় অগস্তি, গালৱ আদিৰ আশ্ৰম পৰ্যবেক্ষণ কৰিবলৈ কয়। কিন্তু ভুলতো উত্তৰ দিশ এৰি পশ্চিমলৈ নাযাবলৈ কয়। পশ্চিম দিশত কালকুঞ্জ আৰু শোষক নামৰ ম্লেচ্ছ ভাতৃদ্বয়ৰ ৰাজ্য। দুই ভাতৃয়ে ত্ৰিভুৱনত যাতে দেৱ, দৈত্য, দানৱৰ হাতত মৃত্যু নহয় দেৱীৰ ওচৰত তাৰ বৰ বিচাৰে। দেৱীয়ে বৰ প্ৰদান কৰি লোকৰ অহিত চিন্তা কৰিলে তিৰী (মহিলা)ৰ হাতত মৰণ মিলিব বুলি ছিদ্ৰ ৰাখে। মহেশে তিনিকোটি ম্লেচ্ছ তেওঁলোকৰ সেৱকৰূপে প্ৰদান কৰে। আস্তিক মুনিৰ পৰা বিদায় লৈ সৌভৰি মুনি, বকবৰ থান আৰু বিশ্বাত্তৰ আদি মুনিৰ আশ্ৰম দৰ্শন কৰি শৈল্যবনত প্ৰৱেশ কৰে। তেতিয়াই তেওঁলোকে পথ হেৰুৱাই উত্তৰ দিশ এৰি পশ্চিম দিশলৈ যাবলৈ ধৰে আৰু বিপদ সমাগত হৈ পৰে। পথ ভুল কৰি ম্লেচ্ছৰাজ্যত উপস্থিত হৈ পত্ৰ-গৃহ সাজি তেওঁলোকে নিশা যাপনৰ দিহা কৰে। তাৰ ওচৰতে বৈ থকা ক্ষীৰ নদীত স্নান কৰিবলৈ যাওঁতে ম্লেচ্ছসকলে মানুহৰ ঘ্ৰাণ পাই কালকুঞ্জক সেই বতৰা দিয়ে। কালকুঞ্জই পুৰুষসকলক ভক্ষণ কৰি নাৰীগৰাকী ধৰি আনিবলৈ সৈন্যগণক আদেশ দিয়ে।

শোষকে পঞ্চপাণ্ডৱক শোষণ কৰি দ্ৰৌপদীক কালকুঞ্জৰ কাষলৈ লৈ যায়। কালকুঞ্জই দুই হাজাৰ নাৰীৰ মাজত দ্ৰৌপদীক মুখ্যস্থান দিব বিচাৰে। দ্ৰৌপদীয়ে তেওঁলোকক গালি-গালাজ কৰি স্বামীসকলৰ অনুগামী হ'ব বিচাৰে। দ্ৰৌপদীয়ে খৰবেগে তাৰপৰা গুচি যাব খোজোতে কালকুঞ্জই পিছ লয়। কিন্তু সেই সময়তে শোষকৰ পূৰ্বৰ অভিশাপ মনত পৰি পিছুৱাই যায়; জ্যেষ্ঠ ভাতৃ কালকুঞ্জকো শোষকে এই কথা সোঁৱৰাই দিয়ে। তেতিয়া দুয়ো ভাতৃয়ে উভতি নিজ নগৰত প্ৰৱেশ কৰে।

কালকুঞ্জই তেওঁৰ বীৰ সেনাসকলক আদৰেৰে মনুষ্য-নাৰীক ধৰি আনিবলৈ আদেশ দিয়ে। দ্ৰৌপদী পিছলৈ ঘূৰি চাই কালকুঞ্জ-শোষকক নেদেখি বৃক্ষৰ তলত জিৰণি লয় আৰু ৰামকৃষ্ণ নাম স্মৰণ কৰে। নাৰায়ণে হৃদিগত হৈ দ্ৰৌপদীৰ দুখ, ভয় বিনাশ কৰে; সেই সময়তে আকাশৰ পৰা দিব্য কৱচ, (মুকুত) কালটুপী আহি পৰে। দ্ৰৌপদীয়ে কৃষ্ণ নাম স্মৰণ কৰি কৱচ আৰু কালটুপি পিন্ধি (মহামায়াই শুম্ভ নিশুম্ভ বধ কৰাৰ দৰে) বহু ম্লেচ্ছ সেনা বধ কৰে। তেতিয়া শোষকে শূল ধৰি আক্ৰমণ কৰিবলৈ উদ্যত হয়। দ্ৰৌপদীয়ে শোষকৰ শূল বিনাশ কৰিবলৈ বাণ প্ৰহাৰ কৰে। সেই বাণে আকাশত শোষকৰ শূল বিনাশ কৰাৰ লগতে শোষকৰ শিৰো ছিঙি পেলায়। দ্ৰৌপদীৰ এনে কাৰ্য দেখি সেনাগণে তাৰ পৰা পলায়ন কৰি কালকুঞ্জক খবৰ দিয়ে।

কালকুঞ্জই সৈন্য লৈ পুনৰ ভাতৃবধৰ প্ৰতিকাৰ কৰিবলৈ আগবাঢ়ে। তৰু শাল, শূল, শেল আদি বিভিন্ন অস্ত্ৰ-শস্ত্ৰেৰে কালকুঞ্জই দ্ৰৌপদীক আক্ৰমণ কৰিবলৈ ধৰে। দ্ৰৌপদীয়ে শৰ হানি সেইবোৰ নাশ কৰে আৰু ধনু এৰি শিলাখণ্ড প্ৰক্ষেপ কৰে। কালকুঞ্জই শিলাবৃক্ষ বৰষিব ধৰে; দেৱতাবৃন্দই এই শিলাবৃক্ষই দ্ৰৌপদীক নাশ কৰিব বুলি আশংকা কৰে। কিন্তু দ্ৰৌপদীয়ে পুনৰ ধনু শৰ ধৰি কালকুঞ্জলৈ শৰ প্ৰহাৰ কৰে। সেই শৰে কালকুঞ্জৰ বাহুৰ মধ্যত আঘাত কৰাত নিজ গৃহত প্ৰৱেশ কৰে। স্বামীৰ অৱস্থা দেখি মেধী নামৰ ম্লেচ্ছপত্নীয়ে দ্ৰৌপদীক আক্ৰমণ কৰিবলৈ নাৰী সেনা লগত লৈ আগবাঢ়ে। কিন্তু কৃষ্ণ নাম স্মৰণ কৰি নাৰী সৈন্যক দ্ৰৌপদীয়ে ধ্বংস কৰে। কিন্তু মেধীয়ে মাখি হৈ দ্ৰৌপদীৰ নাকেৰে পেটত প্ৰৱেশ কৰি আক্ৰমণ কৰিব বিচাৰে। কিছুসময় মূৰ্ছা গৈ চেতনা লাভ কৰাত দ্ৰৌপদীয়ে কৃষ্ণৰ নাম স্মৰণ কৰে। চক্ৰ ধৰি শ্ৰীকৃষ্ণই ৰাক্ষসীক আক্ৰমণ কৰে। পৰাক্ৰমী চক্ৰ দেখি ৰাক্ষসী দ্ৰৌপদীৰ পেটৰ পৰা বাহিৰ হয়।

দ্ৰৌপদীয়ে পুনৰ শক্তি লাভ কৰি ধনু শৰ ধৰি কালমুখী শৰ প্ৰক্ষেপ কৰে। সেই শৰে ৰাক্ষসীক দুই খণ্ড কৰি বিনাশ কৰে। ভাৰ্যাৰ মৃত্যুৰ কথা জানি কালকুঞ্জই পুনৰ যুদ্ধ কৰিবলৈ আগবাঢ়ি আহে। দুয়োৰে মাজত পোনতে কথা কটাকটি হয় আৰু কালকুঞ্জই দ্ৰৌপদীক শেল হানি মাৰিব বিচাৰে। দ্ৰৌপদীয়ে নিখতিৰ শৰ প্ৰক্ষেপ কৰি কালকুঞ্জৰ শৰ তিনিখণ্ড কৰি কাটি পেলায়। অস্ত্ৰ-শস্ত্ৰ শেষ হোৱাত কালকুঞ্জে 'বলে ধৰি মাৰো' বুলি দ্ৰৌপদীক খেদি আহে। দ্ৰৌপদীয়ে ভয় খায় যদিও ধনু তুলি আক্ৰমণ কৰিবলৈ সাজু হৈ থাকে আৰু চেগ পোৱাৰ লগে লগে ধনুখনেৰে কোব সোধায়। পুনৰ মূৰত আঘাত কৰি কালকুঞ্জৰ মূৰো ভাঙি পেলায়। এনেদৰে কালকুঞ্জক বধ কৰি দ্ৰৌপদীয়ে যমপুৰলৈ পঠায়।

দ্ৰৌপদীৰ কাৰ্যত দেৱ-দেৱতাসকলে প্ৰশংসা কৰে। দেৱৰাজ ইন্দ্ৰই বৰ খুজিবলৈ দ্ৰৌপদীক আহ্বান জনায়। দ্ৰৌপদীয়ে পাঁচ পাণ্ডৱক জীয়াই তুলিবলৈ বৰ বিচাৰে। ইন্দ্ৰই বিশল্যকৰণী প্ৰদান কৰাৰ উপৰিও পঞ্চপাণ্ডৱৰ গাত অমৃত বৃষ্টি কৰি পুনৰ জীৱন প্ৰদান কৰে। *কালকুঞ্জ শোষকক বধ* কৰি কৰ্ণদত্ত আৰু গৌতম মুনিৰ আশ্ৰমলৈ তেওঁলোকে গমন কৰে।

**বধাসুৰ বধ ঃ** পঞ্চপাণ্ডৱে ভৱাৰ্ণৱ বন এৰি কিছুদিন আস্তিক মুনিৰ আশ্ৰমত সুখে-সন্তোষে থকাৰ পিছত ব্ৰহ্মাক্ষেত্ৰলৈ যোৱাৰ যো-জা কৰে। ব্ৰহ্মাক্ষেত্ৰত থকা বাউল, অগস্তি আদি ঋষিক দৰ্শন কৰাৰ আগ্ৰহ যুধিষ্ঠিৰে চাৰি ভাতৃক ব্যক্ত কৰে। সেই যাত্ৰাপথতে বধাসুৰ বধ সংঘটিত হৈছে। *বধাসুৰ বধ* ৪১২২ টা পদৰ সমষ্টি। এই কাব্যৰ মূল হংসকাকী, ভাগৱত, ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ বুলি কবিয়ে উল্লেখ কৰিছে–

*আন শাস্ত্ৰ সবেয়ো আৰু সম নয়।*
*সংহিতা যামল সবে পুৰাণ আশ্ৰয়।।*

*ভাগৱতমিশ্র ধৰ্ম্মোক্তৰ যত যত।*
*হংসকাকী আছে আনো ব্ৰহ্মবৈৱৰ্ত্ত।।*

বঘাসুৰ বধ, পদ-১২৬৫৩

বঘাসুৰ বধৰ ঘটনাংশ এনেধৰণৰ : পঞ্চপাণ্ডৱৰ ব্ৰহ্মক্ষেত্ৰ গমন, দ্ৰৌপদীক গৌৰীৰ বৰ দান, ছদ্মবেশে সূৰ্য্যৰ পাণ্ডৱক সহায়, পাণ্ডৱৰ তৰাগ বনত প্ৰৱেশ আৰু খণ্ডভগিৰিত দানবদ্বয় বধ, গন্ধৰ্ব্বগিৰিৰ নাতি আৰু বিদ্যাধৰ সেনাপতিৰ শ্ৰদ্ধা জ্ঞাপন আৰু নিজৰ পৰিচয় দান, ভীম-অৰ্জুন ঘূৰি নহা দেখি যুধিষ্ঠিৰ আদি ভ্ৰাতৃদ্বয়ৰ চিন্তা, গন্ধৰ্ব্বগিৰিৰ নাতিকুমাৰৰ অভিষেক, ভীম-অৰ্জুনৰ প্ৰত্যাৱৰ্ত্তন আৰু যুধিষ্ঠিৰৰ আগত সকলো বৃত্তান্ত নিবেদন, অগস্তি ঋষিৰ সমুদ্ৰ শোষণ বৃত্তান্ত কথন, পঞ্চপাণ্ডৱৰ অগস্তি মুনি দৰ্শন, অগস্তিৰ ওচৰত পঞ্চপাণ্ডৱৰ পৰিচয় দান, অগস্তিৰ ওচৰত পাণ্ডৱৰ ইতিহাস শ্ৰৱণ, বঘাসুৰৰ জন্ম বৃত্তান্ত, ভাৰ্য্যাৰ অনুৰোধত চুৰতান ৰজাৰ বালক মুক্তিদান আৰু বঘাসুৰৰ হাতত চুৰতানৰ মৃত্যু, অগস্তি মুনিৰ ওচৰত পাণ্ডৱৰ বিদায় প্ৰাৰ্থনা আৰু অগস্তিৰ দ্ৰৌপদীক কণ্ঠহাৰ প্ৰদান, বগাগিৰিত নকুল, সহদেৱ আৰু দ্ৰৌপদীক সিংহৰ আক্ৰমণ আৰু ভীমৰ সৈতে যুদ্ধ, ভ্ৰাতৃ-ভাৰ্য্যা অন্বেষণ কৰি অৰ্জুনৰ ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ, অৰ্জুনৰ সিংহ বধ, ভাৰ্য্যা আৰু ভ্ৰাতৃসকলক প্ৰাপ্তি আৰু সোমদত্ত উপেন্দ্ৰৰ মুক্তিলাভ, পাণ্ডৱসকলৰ ব্ৰহ্মক্ষেত্ৰ গমন, ঋষিসকলৰ ওচৰত আত্ম-পৰিচয় দান আৰু ঋষি পত্নীসকলৰ আগত দ্ৰৌপদীৰ কৃষ্ণলীলা বৰ্ণনা, বঘাসুৰ বধ কৰিবলৈ পাণ্ডৱসকলৰ প্ৰতি দেৱতা আৰু ঋষিসকলৰ অনুৰোধ, পাণ্ডৱসকলৰ সম্মতি দান, পাণ্ডৱসকলৰ ৰাক্ষসৰ সৈতে যুদ্ধ, সুবকেতু বধত বঘাসুৰৰ ক্ৰোধ আৰু ব্ৰহ্মজিত মন্ত্ৰীৰ সান্ত্বনা দান, দেৱতা-ঋষিসকলৰ মহাদেৱত শৰণ আৰু মহাদেৱৰ বঘাসুৰ বধৰ উপায় কথন, পাণ্ডৱৰ চাৰি ভ্ৰাতৃৰ যুদ্ধ আয়োজন, নন্দক বিজয় বধ, পাণ্ডৱৰ লগত চুৰতান ৰজাৰ পুত্ৰদ্বয়ৰ সাক্ষাৎ, অৰ্জুনৰ হাতত বঘাসুৰৰ পুত্ৰ আৰু ভ্ৰাতৃবধ, পুত্ৰ আৰু ভ্ৰাতৃৰ মৰণত বঘাসুৰৰ খেদ আৰু যুদ্ধ আয়োজন, বঘাসুৰৰ সসৈন্যে পাণ্ডৱক আক্ৰমণ, অৰ্জুনৰ ব্ৰহ্মশৰত বঘাসুৰৰ শিৰচ্ছেদ আৰু ছিন্নমুণ্ড পুনঃসংযোগ হৈ পাণ্ডৱৰ লগত ভীষণ যুদ্ধ, বঘাসুৰৰ হাতত ভীম আদি চাৰি ভ্ৰাতৃ নিহত, পাণ্ডৱসকলৰ মৃত্যুত ৰাক্ষসৰ হৰ্ষ, পাণ্ডৱসকলৰ মৃত্যুত ভীত হৈ দেৱতাসকলৰ ব্ৰহ্মাৰ ওচৰলৈ গমন আৰু ব্ৰহ্মাৰ আশ্বাস প্ৰদান, যুধিষ্ঠিৰৰ অমঙ্গল স্বপ্নদৰ্শন আৰু চুৰতানপুত্ৰদ্বয়ৰ চাৰি পাণ্ডৱৰ বাৰ্ত্তা কথন, গন্ধৰ্ব সাৰথিৰ যুধিষ্ঠিৰৰ আগত চাৰি ভ্ৰাতৃৰ মৃত্যু- বাৰ্ত্তা কথন, চাৰি ভ্ৰাতৃৰ মৃত্যু-বাৰ্ত্তা শুনি যুধিষ্ঠিৰৰ শোক, যুধিষ্ঠিৰ দ্ৰৌপদীৰ যুদ্ধক্ষেত্ৰলৈ গমন আৰু দ্ৰৌপদীৰ দ্বাৰা অগস্তি প্ৰদত্ত কণ্ঠহাৰৰ স্পৰ্শত চাৰি ভ্ৰাতৃৰ পুনৰ্জীৱন লাভ, ইন্দ্ৰৰ আদেশত ভীমৰ নাগৰথ আনয়ন, চুৰতান-পুত্ৰ জয়সিংহৰ ভীমৰ আগত বঘাসুৰৰ বিক্ৰম বৰ্ণনা, পাণ্ডৱসকলৰ কপাট ভাঙি গড়ৰ ভিতৰ প্ৰৱেশ আৰু চিত্ৰবলাহক দৈত্য বধ, চিত্ৰবলাহক দৈত্যৰ মৃত্যুত বঘাসুৰৰ খেদ আৰু মন্ত্ৰী বিদৰ্শনৰ প্ৰবোধ দান, বঘাসুৰৰ সৈন্যৰ লগত পাণ্ডৱৰ যুদ্ধ, বঘাসুৰৰ শত্ৰুৰ সুবজিতৰ লগত পাণ্ডৱৰ যুদ্ধ, পাণ্ডৱৰ চাৰি ভ্ৰাতৃৰ যুদ্ধ আলোচনা, বঘাসুৰৰ যুদ্ধলৈ সৈন্য প্ৰেৰণ, পাণ্ডৱৰ অলেখ ৰাক্ষস সৈন্য বধ, বঘাসুৰৰ যুদ্ধ যাত্ৰাৰ সময়ত অমঙ্গল দৰ্শন, পাণ্ডৱৰ সৈতে বঘাসুৰৰ যুদ্ধ, ভীম বঘাসুৰৰ যুদ্ধ আৰু বঘাসুৰ বধ, সুবজিত বধ, সুবজিতৰ পূৰ্বজন্ম বৃত্তান্ত, বঘাসুৰ বধ কৰি চাৰি পাণ্ডৱৰ প্ৰত্যাগমন আৰু যুধিষ্ঠিৰৰ আগত বঘাসুৰ বধ বৃত্তান্ত কথন, যুধিষ্ঠিৰৰ আদেশত মধুসিংহক বৈদুৰ্য্যগিৰিত ৰাজ্যাভিষেক, যজ্ঞবাৰ্ত্তা জমদবাহনৰ বৃত্তান্ত আৰু সহদেৱৰ হাতত জমদবাহনৰ পুত্ৰসকল নিহত, সহদেৱৰ সৈতে জমদবাহনৰ যুদ্ধ আৰু সহদেৱৰ পৰাভৱ, সহদেৱৰ বাৰ্ত্তা যুধিষ্ঠিৰৰ আগত দেৱদত্ত সাৰথিৰ দ্বাৰা নিবেদন, সহদেৱক উদ্ধাৰ কৰিবলৈ যুধিষ্ঠিৰৰ আদেশত ভীমৰ গমন, ভীম জমদবাহনৰ যুদ্ধ আৰু জমদবাহনক বধ কৰি সহদেৱক উদ্ধাৰ, চন্দ্ৰৰ আদেশত ভীমৰ দ্বাৰা জমদবাহনৰ কনিষ্ঠ পুত্ৰ সত্যসেনৰ ৰাজ্যাভিষেক, ভীম আৰু সহদেৱৰ ব্ৰহ্মক্ষেত্ৰলৈ প্ৰত্যাৱৰ্ত্তন আৰু যুধিষ্ঠিৰৰ আগত সহদেৱৰ সমস্ত বৃত্তান্ত কথন।

বঘাসুৰ বধ মূল আখ্যানটোৰ লগতে আন কেইবাটাও বধ আখ্যান ৰাম সৰস্বতীয়ে এই কাব্যত সংযোগ কৰিছে। বঘাসুৰ বধত সন্নিবিষ্ট আখ্যানকেইটা হ'ল-

ক. খণ্ডভগিৰিত দানবদ্বয় বধ, খ. সুবকেতু দানৱ বধ, গ. নন্দক বিজয় বধ, ঘ. বঘাসুৰ বধ আৰু ঙ. সুবজিত বধ

**যজ্ঞ পৰ্ব :** *যজ্ঞ পৰ্ব* নামৰ বিখন বধকাব্য অসমীয়া মহাভাৰতত সন্নিবিষ্ট হৈছে তাত ৭৮৭ টা পদ পোৱা যায়। পাণ্ডৱৰ বনবাস কালত শ্ৰীকৃষ্ণ এবাৰ পাণ্ডৱক দেখা-সাক্ষাৎ কৰিবলৈ আহে। শ্ৰীকৃষ্ণৰ পৰামৰ্শ মতে যুধিষ্ঠিৰে এটা ডাঙৰ যজ্ঞ পাতে। যজ্ঞৰ বিৱৰণ থকা এই হেতুকে সেই কাৰণে *যজ্ঞ পৰ্ব* নাম দিয়া হৈছে (শাস্ত্ৰী : ২০০২ : ৪২)। যজ্ঞ পৰ্ব্বৰ মূল *হংসকাকী* বুলি কবিয়ে জানিবলৈ দিছে। উদাহৰণস্বৰূপে—

*যামল ৰহস্যময়*
*হংসকাকী মনোময়*
*তাতে দিয়া আছে ঠাঁই ঠাঁই।*
*ধৰ্ম্মপক্ষীগণ আগে*
*মাৰ্কণ্ডেয়ো কহি আছে*
*তাত পৰে আন শ্ৰেষ্ঠ নাই।।*

—*যজ্ঞ পৰ্ব*, পদ- ১০৪৪৬

যজ্ঞ পৰ্বত সন্নিবিষ্ট ঘটনাংশ এনেধৰণৰ :

শ্ৰীকৃষ্ণৰ দূতৰ পঞ্চপাণ্ডৱৰ অন্বেষণ আৰু সাক্ষাৎ লাভ, শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা, শ্ৰীকৃষ্ণৰ ব্ৰহ্মক্ষেত্ৰলৈ গমন, শ্ৰীকৃষ্ণৰ পঞ্চপাণ্ডৱৰ লগত বাস, শ্ৰীকৃষ্ণৰ ঋষিসকলৰ সমাদৰ, শ্ৰীকৃষ্ণৰ পঞ্চপাণ্ডৱৰ আশাত আনন্দ, আৰু যুধিষ্ঠিৰ সংবাদ, যজ্ঞৰ উদ্যোগ, যদুৰজাৰ কৃষ্ণদৰ্শনৰ আশাত আনন্দ, ৰজাসকলৰ ব্ৰহ্মক্ষেত্ৰলৈ গমন, ৰজাৰ শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা আৰু প্ৰাৰ্থনা, ধৰ্ম্মচন্দ্ৰ যজ্ঞ আৰম্ভ, প্ৰজাপতিৰ স্তুতি, যজ্ঞশেষৰ পাছত শ্ৰীকৃষ্ণৰ বিদায়, পঞ্চপাণ্ডৱৰ আন বনলৈ যাবৰ আলোচনা, পঞ্চপাণ্ডৱৰ ব্ৰহ্মক্ষেত্ৰ ত্যাগ, মহিষ দানৱ বধ, মহিষ দানৱৰ লগত যুদ্ধ, মহিষ দানৱৰ ভীমক গ্ৰাস, অৰ্জুনৰ হাতত মহিষ দানৱৰ মৃত্যু, পঞ্চপাণ্ডৱৰ মিলন, যুধিষ্ঠিৰ-গান্ধৰ্ব সংবাদ, পাণ্ডৱৰ মেঘবি বনত বাস আৰু পৰশুৰামৰ চৰিত্ৰ কথন, ৰেণুকাদেৱীৰ চন্দ্ৰদত্তৰ ওপৰত অভিশাপ, পঞ্চপাণ্ডৱৰ গৌতম ঋষিৰ আশ্ৰমত বাস আৰু কালজংঘৰ লগত সাক্ষাৎ, গৌতম ঋষিৰ যজ্ঞ আৰম্ভ, কালজংঘ দৈত্যৰ যজ্ঞ আক্ৰমণ, পাণ্ডৱৰ লগত ৰণ আৰু দ্ৰৌপদীক আক্ৰমণ, দ্ৰৌপদীৰ বিলাপ আৰু কালজংঘৰ হাতত বন্দী, কালজংঘৰ লগত পঞ্চপাণ্ডৱৰ ৰণ, কালজংঘ বধ, আৰু দ্ৰৌপদী উদ্ধাৰ, পাণ্ডৱসকলৰ মন্দাৰ বন প্ৰৱেশ আৰু বিদ্যাধৰৰ শাপমুক্তি।

এই বধ কাব্যত মূলতঃ দুটা বধ আখ্যান সন্নিবিষ্ট হৈছে-

ক. মহিষ দানৱ বধ আৰু খ. কালজংঘ বধ

**কুলাচল বধ :** ৰাম সৰস্বতীৰ *কুলাচল বধ* কাব্যও তুলনামূলকভাৱে দীঘল কাব্য। ১৮৪৯ টা পদ বিস্তৃত কাব্যখনত অৱশ্যে পঞ্চপাণ্ডৱতকৈ শ্ৰীকৃষ্ণৰ মহিমাহে প্ৰকাশিত হোৱা দেখা যায়। পঞ্চপাণ্ডৱে বনবাস কালত গালৱ মুনিৰ আশ্ৰম এৰি আন বনলৈ যাবলৈ ঋষিৰ অনুমতি বিচৰাৰ পৰা ইয়াৰ কথাবস্তু আৰম্ভ হৈছে। *কুলাচল বধ* কাব্যৰ মূল *হংসককী* আৰু অন্যান্য যামল, সংহিতা বুলি কবিয়ে জানিবলৈ দিছে-

*যামল সংহিতা হংসকাকীয়ে সহিত।*
*থৈয়া আছে দ্বৈপায়নে কৰিয়া মিশ্ৰিত।।*
*মতি অনুসাৰে তাৰ ৰচিবো পয়াৰ।*
*শুনা একচিত্তে বৈকুণ্ঠত ইচ্ছা যাৰ।।*

—*কুলাচল বধ*, পদ-১৫৭৮৩

*কুলাচল বধৰ* মূল ঘটনাংশ এনে ধৰণৰ : পাণ্ডৱসকল অন্য বনলৈ যাবলৈ আলোচনা কৰি গালৱ মুনিৰ ওচৰত বিদায় গ্ৰহণ, গালৱ-পাণ্ডৱ সংবাদ, ধূম্ৰাক্ষ দানৱৰ বিৱৰণ, পিতৃবাক্য অৱজ্ঞা কৰি ধূম্ৰাক্ষৰ মৃগয়াৰ কাৰণে ক্ষীৰ বনলৈ গমন, ঋষিসকলৰ ওচৰলৈ অন্ন আনিবৰ কাৰণে ধূম্ৰাক্ষৰ পাত্ৰ প্ৰেৰণ, ধূম্ৰাক্ষৰ যজ্ঞস্থানলৈ গমন, অগস্তি মুনি আৰু ধূম্ৰাক্ষৰ ছদ্মবেশে যুদ্ধ, অগস্তি মুনিৰ শাপত ধূম্ৰাক্ষৰ স্বৰূপ পৰিৱৰ্তন হৈ কুলাচল নাম ধাৰণ আৰু ক্ষীৰ বনত ৰাজ্য স্থাপন, ধূম্ৰাক্ষৰ দুৰ্দশা শুনি পিতৃ কৰ্ণদত্তৰ শোক আৰু পুত্ৰক চাবলৈ সপৰিয়ালে ক্ষীৰ বনলৈ গমন, ঋষিসকলৰ প্ৰতি কৰ্ণদত্তৰ কটুবাক্য প্ৰয়োগ আৰু অগস্তিৰ অভিশাপ, পাণ্ডৱসকল ক্ষীৰ বনলৈ গৈ শ্বেতকেতুৰ আশ্ৰমত প্ৰৱেশ, পাণ্ডৱসকলৰ শ্বেতকেতু মুনিৰ লগত সাক্ষাৎ, পাণ্ডৱসকলৰ কুলাচল দানৱৰ সৈন্যসকলৰ লগত যুদ্ধ, পাণ্ডৱৰ কুঞ্জৰাটি সেনাপতি বধ, ধূম্ৰাক্ষ দানৱৰ কুলাচল নাম ধাৰণ, কুলাচলৰ লগত পাণ্ডৱৰ ৰণ, কুলাচল দানৱৰ ৰণযাত্ৰা, দানৱ সেনাৰ আক্ৰমণ, পাণ্ডৱক চন্দ্ৰৰ পায়স দান, কুলাচল-পাণ্ডৱৰ ৰণ আৰু পাণ্ডৱৰ জয়লাভ, কুলাচলৰ পাণ্ডৱসকলক প্ৰশ্ন, কুলাচলৰ হাতত চাৰি পাণ্ডৱৰ পতন, চাৰি পাণ্ডৱৰ পতন সংবাদত যুধিষ্ঠিৰ আৰু দ্ৰৌপদীৰ শোক, শ্ৰীকৃষ্ণৰ ওচৰত যুধিষ্ঠিৰৰ দুখ নিবেদন, যুধিষ্ঠিৰক শ্ৰীকৃষ্ণৰ আশ্বাস দান, শ্ৰীকৃষ্ণৰ যোগবেশ ধাৰণ, বিষ্ণুৰ দুই সিদ্ধৰ লগত কুলাচল সৈন্যৰ ৰণ, কুলাচলৰ সিদ্ধসকলক গৰিহণা আৰু যুদ্ধ, সিদ্ধসকলৰ হাতত পঙ্কাসুৰ সেনাপতিৰ পতন, ৰণভূমিত কুলাচলৰ শ্ৰীকৃষ্ণক প্ৰশ্ন, কুলাচলৰ লগত শ্ৰীকৃষ্ণৰ ৰণ, অগস্তি মুনিৰ আগমন, কুলাচলৰ ৰণলৈ পুনৰ আয়োজন, ৰণভূমিত কুলাচলৰ আনন্দ, শ্ৰীকৃষ্ণৰ হাতত কুলাচলৰ পতন, ব্ৰহ্মা-হৰৰ শ্ৰীকৃষ্ণ দৰ্শনৰ অৰ্থে মুনিসকলৰ আগমন, সিদ্ধ মুনিসকলৰ স্তুতি আৰু শ্ৰীকৃষ্ণৰ পদস্পৰ্শত কৰ্ণদত্ত ৰজা আদিৰ চেতনা লাভ, কৰ্ণদত্তৰ কৃষ্ণ-স্তুতি, শ্ৰীকৃষ্ণৰ আশ্বাস আৰু ইন্দ্ৰৰ হতুৱাই চাৰি পাণ্ডৱক যুধিষ্ঠিৰ সহিতে দ্ৰৌপদীৰ লগত মিলন, ইন্দ্ৰ আৰু দেৱতাসকলৰ প্ৰস্থান, কৰ্ণদত্ত-যুধিষ্ঠিৰ সংবাদ, কৰ্ণদত্ত ৰজাৰ আগত যুধিষ্ঠিৰৰ শ্ৰীকৃষ্ণলীলা কথন, কৰ্ণদত্তৰ নিজ ৰাজ্য গমন আৰু পাণ্ডৱসকলৰ বনান্তৰ যাত্ৰা।

কুলাচল বধত কেৱল কুলাচল বধ আখ্যানটোৱেই বিবৃত হৈছে। পাণ্ডৱসকলে গালৱ মুনিৰ ওচৰৰ পৰা আন বনলৈ যাবলৈ অনুমতি বিচাৰোতে মুনিয়ে উত্তৰ দিশলৈ যাবলৈ তেওঁলোকক বাধা দিয়ে। সেই দিশত ধূম্ৰাক্ষ অসুৰৰ ৰাজ্য। মুনিয়ে ধূম্ৰাক্ষৰ বিৱৰণো তেওঁলোকৰ আগত দাঙি ধৰে। চন্দ্ৰবংশীয় ৰজা কৰ্ণদত্তৰ হেজাৰ ৰাণী সত্বেও পুত্ৰহীন বাবে এদিন নাৰদৰ ওচৰত পুত্ৰলাভৰ উপায় বিচাৰে। নাৰদে শ্বেতমাধৱক পূজা কৰিলে পুত্ৰ লাভ কৰিব বুলি ৰজাক পৰামৰ্শ দিয়ে। সেইমৰ্মে ৰজাই শ্বেতমাধৱৰ মূৰ্ত্তি সাজি যজ্ঞ আয়োজন কৰে। সেই যজ্ঞৰ ধূম্ৰৰ পৰাই কৰ্ণদত্তই ধূম্ৰাক্ষক লাভ কৰে। যজ্ঞ ধূম্ৰৰ পৰা উৎপন্ন হোৱা হেতু পুত্ৰৰ নামো হয় ধূম্ৰাক্ষ। কিন্তু শ্বেতমাধৱৰ তমো গুণ হোৱা বাবে পুত্ৰও অসুৰ প্ৰকৃতিৰ হ'ব বুলি জ্যোতিষীসকলে ৰজাক জনায়। ন দহ বছৰ বয়সৰ পৰাই ধূম্ৰাক্ষই মঠ, মন্দিৰ ধ্বংস কৰাৰ উপৰিও মানুহকো অত্যাচাৰ কৰিবলৈ লয়।

এদিন পিতৃৰ অনুমতি অবিহনেই ধূম্ৰাক্ষ ক্ষীৰবনলৈ মৃগয়া কৰিবলৈ যায়। ক্ষীৰবনত ভোক-পিয়াহ নিবাৰণ কৰিবলৈ ঋষিৰ যজ্ঞৰ সম্ভাৰ বিচাৰি আনিবলৈ পাত্ৰসকলক আদেশ দিয়ে। পাত্ৰসকলে যজ্ঞস্থলীলৈ গৈ বিমুখ হোৱাত কুমাৰে নিজে গৈ ঋষিসকলৰ পৰা অন্ন বিচাৰে। ঋষি অগস্তিয়ে যজ্ঞ শেষ হোৱাত ঈশ্বৰৰ অৱশিষ্টখিনিহে মানুহে খাব পাৰে বুলি বুজনি দিয়াৰ চেষ্টা কৰে যদিও কুমাৰ সম্মত নহয়। মায়াবিদ্যাত পাকৈত ধূম্ৰাক্ষই তেতিয়া ছাগলী ৰূপ ধৰি সেই সম্ভাৰ খাবলৈ ধৰে। দুদিন ধৰি সেই বস্তুবোৰ খোৱাৰ পিছত অগস্তিয়ে মেকুৰী ৰূপ ধৰি ধূম্ৰাক্ষৰ লগত যুদ্ধ কৰে। ঋষি পৰাস্ত হৈ কুমাৰক বৰ দিব বিচাৰে। কুমাৰে স্বৰ্গ-মৰ্ত্য-পাতালত যাতে কোনেও তেওঁক মাৰিব নোৱাৰে সেই বৰ বিচাৰে। মুনিয়ে তিনি ভুৱনত অস্ত্ৰ-শস্ত্ৰেৰে তেওঁক মাৰিব নোৱাৰিব কিন্তু ধুপৰ কাঠিৰ দ্বাৰা মৃত্যু হ'ব বুলি ছিন্ন ৰাখে। ছাগলীৰ

তেশ ধৰি যজ্ঞৰ সম্ভাৰ খোৱা হেতু ধূম্ৰাক্ষৰ মূৰটো ছাগলী আৰু শৰীৰ মানুহৰ দৰে হ'ব বুলি ঋষিয়ে বিধান দিয়ে। আকৌ, ধূম্ৰাক্ষৰ নামো কুলাচল হ'ব বুলি ঋষিয়ে কয়।

একমাত্ৰ পুত্ৰৰ বিপত্তি জানিব পাৰি কৰ্ণদণ্ড ক্ষীৰবনত উপস্থিত হৈ অগস্তি সহিতে মুনিসকলক নানা কটুবাক্য শুনায়। পুত্ৰৰ প্ৰতিকাৰৰ কাৰণে দুষ্ট দ্বিজসকলক শাস্তি দিবলৈ ৰজাই সিদ্ধান্ত লয়। কৰ্ণদণ্ডৰ কথা শুনি অগস্তি ক্ৰোধান্বিত হৈ পৰে আৰু কমণ্ডলুৰ পানী চুই ৰজাৰ হয়, হস্তী, প্ৰজা সকলো পাথৰ হৈ থাকিব বুলি অভিশাপ দিয়ে। অভিশাপ লাভ কৰি কৰ্ণদণ্ডই ঋষিৰ ভৰত আঁঠু লয় যদিও ব্ৰহ্মশাপ খণ্ডন নাযায় বুলি কয় আৰু শাপ বিমোচনৰ উপায় দিয়ে। দ্বাপৰৰ শেষত যাদৱ বংশত হৰিৰ জন্ম হ'ব আৰু তেওঁলোকৰ পৰশত কৰ্ণদণ্ডই নিজ ৰূপ লাভ কৰিব বুলি বিধান দিয়ে।

পঞ্চপাণ্ডৱে ক্ষীৰবনত উপস্থিত হৈ শ্বেতকেতু ঋষিৰ আশ্ৰমত উপস্থিত হৈ তাত কিছুদিন থকাৰ পিছত অন্য তীৰ্থলৈ বুলি দুই প্ৰহৰৰ পথ অতিক্ৰম কৰোঁতেই কুলাচলৰ সৈন্যৰ মুখামুখি হয়। কোমল মনুষ্য দেখি কুলাচলৰ ভাল খাদ্য হ'ব বুলি দানৱ সেনাসকলে অট্টহাস্য কৰে যদিও ভীমে একেকোবে দহজনমান সেনা বধ কৰাত তেওঁলোক কুম্ভবাটি সেনাপতিৰ কাষলৈ গৈ সকলো কথা কয়। কুম্ভবাটি নিজে যুদ্ধ কৰিবলৈ আগবাঢ়ি আহে। ভীম আৰু অৰ্জুনে কুম্ভবাটিৰ লগত যুদ্ধ কৰি ভাগৰুৱা হোৱা নকুল সহদেৱে কুম্ভবাটিক আক্ৰমণ কৰে আৰু শেষত সহদেৱে ধনুৰে কৰালত কোবাই কুম্ভবাটিক বধ কৰে।

কুম্ভবাটিৰ মৃত্যুৰ খবৰ পাই কুলাচলে মনুষ্যসকলক বিচাৰি ধৰি আনিবলৈ আদেশ দিয়ে। আনহাতে পাণ্ডৱেও বিমঙ্গল দেখি শ্বেতকেতুৰ আশ্ৰম ত্যাগ কৰাৰ কথা চিন্তা কৰে। কিন্তু ভীমে কুলাচলৰ ভয়ত পলাই যাবলৈ অনিচ্ছুক হয় আৰু কুলাচলৰ লগত যুদ্ধ কৰিবলৈ প্ৰস্তুত হয়। পাণ্ডৱ আৰু কুলাচলৰ সন্মুখ সমৰত পোনতে পাণ্ডৱে বহু দানৱ সেনা বধ কৰে। কিন্তু ঋষিৰ বৰ থকা হেতু কুলাচলৰ মৃত্যু নহয়। বৰঞ্চ কুলাচলে ধনু শৰ হানি পোনতে অৰ্জুনক বধ কৰে; ভীমক শিলেৰে খুচি আৰু নকুল সহদেৱকো শৰেৰে প্ৰহাৰ কৰি বধ কৰে।

বনৰ হৰিণী এজনী আহি যুধিষ্ঠিৰক চাৰি ভাতৃৰ মৃত্যুৰ সংবাদ দিয়ে। যুধিষ্ঠিৰ-দ্ৰৌপদী শোকত বিহ্বল হৈ শ্ৰীকৃষ্ণক সেই কথা নিবেদন কৰে। শ্ৰীকৃষ্ণই কুলাচল বধ কৰি চাৰি ভাতৃক ৰক্ষা কৰিব বুলি যুধিষ্ঠিৰক আশ্বাস প্ৰদান কৰে। সেইমৰ্মে শ্ৰীকৃষ্ণ আৰু কুলাচলৰ সৈন্য পাৰিষদৰ প্ৰচণ্ড যুদ্ধ হয়। শ্ৰীকৃষ্ণৰ লগত কুলাচল আৰু সেনাসকলে পৰাক্ৰমেৰে যুদ্ধ কৰে। শ্ৰীকৃষ্ণই বধ অস্ত্ৰেৰে (ধূপ কাঠিৰে) কুলাচলক বধ কৰে। কুলাচলে মৃত্যুৰ পিছত দিব্যৰূপ ধাৰণ কৰি হাতত চাৰি অস্ত্ৰ ধৰি শ্ৰীকৃষ্ণক স্তুতি কৰে আৰু দিব্য বিমানত উঠি স্বৰ্গলৈ গতি কৰে।

আকৌ অগস্তিসহিতে আন ঋষিসকলে পূৰ্বৰ অভিশাপ বিমোচন কৰি কৰ্ণদণ্ড ৰজা আৰু তেওঁৰ ৰাজ্য (শিল হৈ থকা) জীৱন্ত কৰি তুলিবলৈ কৃষ্ণক কাকুতি কৰে। শ্ৰীকৃষ্ণই গড়ুৰৰ পৰা নামি শিলাখণ্ডত পদাৰ্পণ কৰাৰ লগে লগে কৰ্ণদণ্ডৰ পূৰ্বৰ ৰাজ্য জীৱন্ত হৈ পৰে।

শ্ৰীকৃষ্ণৰ পৰামৰ্শমতে ইন্দ্ৰই চাৰি পাণ্ডৱ আৰু দ্ৰৌপদী-যুধিষ্ঠিৰৰ মিলন সম্ভৱ কৰি তোলে। তাৰোপৰি ইন্দ্ৰই মহৌষধ অমৃত পান কৰোৱাই চাৰি পাণ্ডৱক জীয়াই তোলে। পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদী পুনৰ মিলিত হৈ কৰ্ণদণ্ডৰ লগত সাক্ষাৎ হয়। কৰ্ণদণ্ডই তেওঁৰ ৰাজ্যত পাণ্ডৱক কিছুদিন থাকিবলৈ দিয়ে যদিও যুধিষ্ঠিৰে অসন্মতি প্ৰদান কৰে।

**খটাসুৰ বধ ঃ** *খটাসুৰ বধ* ১৮২ টা পদ সমৃদ্ধ এখন সৰু কাব্য। ইয়াত মূলতঃ নৈমিষাৰণ্যত দ্ৰৌপদীৰ দ্বাৰা খটাসুৰ বধ আৰু ৰজা নহুষৰ অজগৰ প্ৰাপ্তিৰ বিৱৰণ পোৱা যায়। পঞ্চপাণ্ডৱে নৈমিষাৰণ্যত ঋষিৰ আশ্ৰমৰ কাষত পত্ৰগৃহ সাজি ন মাহ কাল আছিল। এদিন চাৰিভাতৃয়ে মৃগয়া কৰিবলৈ যোৱাত যুধিষ্ঠিৰেও ঋষি সকলৰ লগত বহি ধৰ্মকথা শুনি আছিল। পত্ৰগৃহত অকলে থকা দ্ৰৌপদীক খটাসুৰে দেখি কামজৰ্জৰ হৈ পৰে আৰু দ্ৰৌপদীৰ পৰিচয় লয়। খটাসুৰে নিজৰ পৰিচয় দি নিজৰ ঠাইলৈ দ্ৰৌপদীক লৈ যাব বিচাৰে। দ্ৰৌপদীয়ে নিজৰ পতিব্ৰতা নাৰী হিচাপে পাঁচোগৰাকী স্বামীৰ কথা উল্লেখ কৰে। কিন্তু তথাপিও খটাসুৰ পিছ হোহকি নহাত কৃষ্ণনাম স্মৰণ কৰি পঞ্চপতিয়ে খটাসুৰক বজ্ৰপাত কৰিব বুলি কয়। দ্ৰৌপদীৰ কথা শুনি অসুৰে পত্ৰগৃহ ভাঙি দ্ৰৌপদীক লৈ যাব বিচাৰে।

পঞ্চপতিক বশ কৰি দ্ৰৌপদীক জোৰ কৰি লৈ যাব বিচাৰোতে খটাসুৰক পোনতে লাথি, চৰ আদি দিয়ে। দ্ৰৌপদীৰ এনে আক্ৰমণত খটাসুৰে পূৰ্বৰ অভিশাপৰ কথা স্মৰণ কৰে—

*পুৰুষ যুদ্ধত হাৰ নহে কদাচন।।*
*নাৰীয়ে সহিতে যুদ্ধ মিলে যিবেলাত।*
*সেহিবেলা তোহোৰ হইবে বজ্ৰপাত।।*

তথাপি অসুৰে দ্ৰৌপদীক মাৰি পলাব বিচাৰে। দ্ৰৌপদীয়ে চন্দ্ৰ, সূৰ্যক আৰাধনা কৰি দক্ষিণ হাতৰ খাৰু খুলি অসুৰলৈ প্ৰক্ষেপ কৰে। সেই খাৰুৱে অসুৰৰ মূৰ চিঙি পেলায় আৰু খটাসুৰৰ মৃত্যু হয়। সেই সময়তে শংখ, চক্ৰ, গদা, পদ্ম ধৰি শ্ৰীকৃষ্ণ উপস্থিত হয় আৰু পঞ্চপাণ্ডৱক বন্দীত্বৰ পৰা মুক্ত কৰে।

পঞ্চপাণ্ডৱে নৈমিষাৰণ্য ত্যাগ কৰি কল্যাণ বনত উপস্থিত হয়। তাত উপস্থিত হৈ যুধিষ্ঠিৰে পানী বিচাৰি যাবলৈ ভীমক আদেশ দিয়ে। ভীমে অটব্য অৰণ্যৰ মাজৰ এডাল বৃক্ষত উঠি সৰোবৰৰ সন্ধান কৰে। তাৰ পৰা এটা সৰোবৰ দেখি ভীমে পানী আনিবলৈ আগবাঢ়ে। কিন্তু সৰোবৰত জীৱ-জন্তু নমাৰ চিনহে ভীমে দেখে; উঠি অহাৰ চিন নেদেখে। এনে বিস্ময়কৰ কথাত ভীমে চিঞৰ



কৰ্ষণ ▸ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ▸ ২০১৬-২০১৭ চন

মাৰি দিয়ে আৰু ভীমৰ চিঞৰ শুনি এডাল অজগৰ উঠি আহে। ভীমে ভয় নকৰি পানীত নামে। কিন্তু অজগৰে নেজেৰে ধৰি ভীমক পানীৰ মাজলৈ লৈ যায়। ভীম ঘূৰি নহাত অৰ্জুন আৰু আন দুই ভায়েকে সৰোবৰলৈ গৈ অজগৰৰ ওচৰত বন্দী হয়। শেষত যুধিষ্ঠিৰে গৈ তাত উপস্থিত হয় আৰু অজগৰৰ চাৰিটা প্ৰশ্নৰ উত্তৰ দি চাৰি পাণ্ডৱক উদ্ধাৰ কৰে।

আচলতে অজগৰ আছিল নহুষ ৰজাৰ শাপগ্ৰস্ত ৰূপ। দৈত্য-দানৱৰ পৰা অমৰাৱতীক ৰক্ষা কৰিবৰ বাবে দেৱতাসকলে নহুষক তাত ইন্দ্ৰৰূপত অধিষ্ঠিত কৰাব বিচাৰে। নহুষে সতী শচীয়ে যদি বৰণ কৰে তেতিয়া মান্তি হ'ব বুলি কয়। শচীয়ে অবাহনক বাহন কৰি তালৈ গ'লে তেওঁক বৰণ কৰাৰ কথা প্ৰকাশ কৰে। নহুষে ব্ৰাহ্মণৰ কান্ধেৰে দোলাত উঠি তালৈ যাবে খোজে। ব্ৰাহ্মণসকল অমান্তি হোৱাত মাৰি ধৰি তেওঁলোকক বাধ্য কৰায়। কিন্তু দোলা দাঙিব নোৱাৰি ব্ৰাহ্মণে ঠেকেচা মাৰি খয় আৰু নকৰিবলগীয়া কাম কৰোৱা হেতু অজগৰ হৈ থাকিবলৈ নহুষক অভিশাপ দিয়ে। সেই অভিশাপ বিমোচনৰ উপায় বিচৰাত সহস্ৰ বছৰৰ অন্তত কল্যাণ বনত পানী আনিবলৈ পাণ্ডৱ উপস্থিত হ'লে নহুষে মুক্তি লাভ কৰিব বুলি সমিধান দিয়ে।

মূল মহাভাৰতৰ বনপৰ্বতো অজগৰৰ এই আখ্যান পোৱা যায়। কিন্তু সেই আখ্যানত কল্যাণ বনৰ পৰিবৰ্তে দ্বৈত বনতহে এই ঘটনা সংঘটিত হৈছে। আকৌ, সৰোবৰৰ পৰিবৰ্তে অজগৰে শিল আৰু গছ-গছনি থকা এডোখৰ ঠাইতহে ভীমক মেৰিয়াই ৰাখিছে। ৰাম সৰস্বতীয়ে ভীমক অজগৰে সৰোবৰত লুকাই ৰখাৰ পিছত অৰ্জুন আৰু নকুল, সহদেৱকো বিচাৰি যোৱা দেখুৱাইছে। কিন্তু মূলত যুধিষ্ঠিৰেহে ভীমক বিচাৰি গৈছে। ইয়াৰ উপৰিও অজগৰে সোধা প্ৰশ্নবোৰৰ মূল আৰু ৰাম সৰস্বতীৰ মাজত মিল নাই। মূলত অজগৰে যুধিষ্ঠিৰক সোধা প্ৰশ্ন এনেধৰণৰ—"হে মহাৰাজ যুধিষ্ঠিৰ, ব্ৰাহ্মণ কোন? আৰু জগতত জ্ঞাতব্য বিষয় কি?" (নেওগ, ১৯৭৫ ঃ ৪৯৭)

মাথো নহুষে ব্ৰাহ্মণক দোলা দাঙিবলৈ দিয়া কথাৰ মিল দুয়ো আখ্যানত পোৱা যায়।

**অশ্বকৰ্ণ বধ ঃ** *অশ্বকৰ্ণ বধ* ৭১০ টা পদৰ সমষ্টি। এই কাব্য পাতালী খণ্ড বুলি কবিয়ে উল্লেখ কৰিছে। পঞ্চপাণ্ডৱে গোদাবৰী নদীৰ তীৰত অৱস্থান কৰা সময়ৰ কথা *অশ্বকৰ্ণ বধত* বিধৃত হৈছে।

**জংঘাসুৰ বধ ঃ** ৰাম সৰস্বতীয়ে বঘাসুৰ বধৰ পিছত পাণ্ডৱে কুসুম বনত সংঘটিত হোৱা ঘটনা এই কাব্যত বৰ্ণনা কৰিছে। এই কাব্যৰ মূল সম্পৰ্কে কবিয়ে স্পষ্টভাৱে একো কোৱা নাই। অৱশ্যে কবিয়ে এফাকি পদত মূল শাস্ত্ৰৰ ইংগিত দিয়া পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে—

*অপূৰ্ব্ব কথন আত দিয়া মন*
*মোক ক্ৰোধ নকৰিবা।*
*শাস্ত্ৰ সাৰ চাই যদি কথা নাই*
*তেৱেসে মোক নিন্দিবা।।*

—*জংঘাসুৰ বধ*, পদ- ১৫৭১০

**ভীম চৰিত ঃ** ৰাম সৰস্বতীৰ ভীম চৰিত ২১৪ টা পদ সম্বলিত এখন সৰু কাব্য। মূল মহাভাৰতৰ আদি পৰ্ব্বৰ আধাৰত কবিয়ে এই কাব্য ৰচনা কৰিছে। এই কাব্যত বকাসুৰ বধ আখ্যানেই মূল বধ আখ্যান। পাণ্ডৱে কৌৰৱৰ এশ পুত্ৰৰ সতে শিশুকালত খেলি ফুৰিছিল। মহাবলী ভীমে কৌৰৱৰ পুত্ৰসকলৰ ক্ষীৰ, লাডু কাঢ়ি খায়। সাত বা পাঁচটা জুৰি কেতিয়াবা হাল যোৱাদি খায়, কাৰোবাক ঢোপ খেলাদি দলিয়ায়। আকৌ, এদিন পকা জাম খাবলৈ ভীমক এৰি যোৱা বাবে ভীমে জাম গছ জোকাৰি কৌৰৱৰ পুত্ৰ সকলক গছৰ পৰা সৰুৱাই পেলায়। হাত ভৰি ভাঙি তেওঁলোকে ধৃতৰাষ্ট্ৰক সমস্ত কথা কোৱাত ধৃতৰাষ্ট্ৰই বিষ লাডু খুৱাই মাৰিব খোজে যদিও পিতৃ বায়ুৱে ভীমক ৰক্ষা কৰে। তেতিয়া ভীমক মুখ টিপি মাৰিব বিচাৰে যদিও বায়ুৱে লোহাৰ প্ৰতিমা সাজি ভীমক পুনৰ ৰক্ষা কৰে।

উপায়ন্তৰ নাপাই ধৃতৰাষ্ট্ৰই জতুগৃহ সাজি পাণ্ডৱক পুৰি মাৰিব বিচাৰে। জতুগৃহ সাজি তেওঁলোকক তাত থাকিবলৈ দিয়াত এগৰাকী চণ্ডালিনী পাঁচ পুত্ৰ সহিতে আহি আশ্ৰয় বিচাৰে। কুন্তীয়ে পুত্ৰসকলৰ মায়াত আশ্ৰয় প্ৰদান কৰে। নিশা দুপৰত ভীমে নিদ্ৰা নগৈ গদা ধৰি সাৰে থাকে। কৌৰৱে সেই সময়তে জতুগৃহত জুই দিয়ে যদিও চাৰি ভায়েক আৰু মাতৃ কুন্তীক একে হাতে ধৰি তাৰ পৰা পলায়ণ কৰে। চণ্ডালিনী আৰু পাঁচ পুত্ৰ জতুগৃহত অগ্নিদগ্ধ হয়।

পঞ্চপাণ্ডৱে পলাই গৈ বকাসুৰৰ নগৰত প্ৰৱেশ কৰে। এগৰাকী বৃদ্ধ ব্ৰাহ্মণে বাটত লগ পাই তেওঁলোকক ঘৰলৈ নি আশ্ৰয় দিয়ে। তাত তেওঁলোকে গৰু চাৰি, খৰি লুৰি ভাত মোকলায়। সেই দেশৰ ৰজা বকাসুৰে ঘৰৰ প্ৰতিঘৰৰ পৰা এজনকৈ মানুহ ভক্ষণ কৰে। ৰাজ্যৰ সকলো মানুহৰ পাল শেষ হোৱাত বৃদ্ধ ব্ৰাহ্মণৰ পাল পৰে আৰু দূতে আহি ব্ৰাহ্মণৰ পৰিয়ালৰ তিনিজনৰ এজনক বলী হিচাপে যাবলৈ আদেশ দিয়ে। ব্ৰাহ্মণ পৰিয়ালৰ তিনিওজনে কোন যাব কোন নাযাব ঠিৰাং কৰিব নোৱাৰি কন্দা-কটা কৰে। তেতিয়া ভীমে অসুৰক বধ কৰিব বুলি আশ্বাস দিয়ে। কুন্তীয়েও নিজপুত্ৰ এজন আগবঢ়াব বুলি ব্ৰাহ্মণক নিৰ্ভয় প্ৰদান কৰে। ব্ৰাহ্মণে বকাসুৰৰ বাবে খাদ্যসম্ভাৰ যোগাৰ কৰি ভীমকো শিকলি লগাই বান্ধি থয়। নিশা সকলো লোক ঘৰাঘৰি যোৱাৰ পিছত বকাসুৰ আহি তাৰ ভোজন কক্ষত উপস্থিত হয়। বকাসুৰ অহাৰ শব্দ শুনি ভীমে শিকলি ছিঙি বকাসুৰলৈ সজাই থোৱা ভাত, পিঠা, পৰমান্ন সকলো খাই শেষ কৰে। বলি হৈ বকাসুৰৰ অন্ন, ব্যঞ্জন খোৱা বাবে বকাসুৰে ভীমক আক্ৰমণ কৰে যদিও ভীমে কোনো প্ৰতিক্ৰিয়া নকৰে। ক্ৰোধেৰে বকাসুৰে ভীমক পুনৰ

আক্ৰমণ কৰাত ভীমে এহাতেৰে চৰিয়াই বকাসুৰৰ দহটা দাঁত ভাঙি পেলায় আৰু ডিঙি চেপি ধৰাৰ লগতে ওপৰলৈ তুলি দলিয়াই দিয়ে। ভীমৰ এই প্ৰচণ্ড আক্ৰমণত বকাসুৰৰ মৃত্যু হয়। বকাসুৰৰ মৃত্যুত ভায়েক জম্ভাসুৰে ভীমৰ লগত যুদ্ধ কৰে আৰু ভীমে জম্ভাসুৰকো সহজেই পৰাস্ত কৰে। ভীমে তেতিয়াৰ পৰাই ব্ৰাহ্মণক সেই ৰাজ্যৰ ৰজা পাতে।

ইয়াৰ পিছত কাম্য বনত উপস্থিত হৈ ভীমে সৰোবৰৰ পৰা ঘঁৰিয়ালৰূপী কুবেৰক উৎখাত কৰা, শিৱৰ গৰখীয়াৰূপে থাকি শিৱ-পাৰ্বতীক নন্তৰ নাগতি কৰা, কুবেৰৰ ওচৰলৈ ধন বিচাৰি যোৱা, কুবেৰে ভতুৱাক ধন দিবলৈ অস্বীকাৰ কৰাত কুবেৰক শিৱৰ ওচৰলৈ লৈ অহা ঘটনাৰ বিৱৰণ পোৱা যায়। বকাসুৰ বধৰ পিছৰ অংশ ৰাম সৰস্বতীৰ নিজস্ব উদ্ভাৱনা বুলি ক'ব পাৰি কিয়নো এনে কোনো কথাবস্তু মূল মহাভাৰতত পোৱা নাযায়। তদুপৰি মূলৰ মতে জতুগৃহৰ পৰা পলায়ন কৰি পাণ্ডৱে হিড়িম্ব বধ কৰাৰ পিছতে একচক্ৰ নগৰত উপস্থিত হয় আৰু তাত বকাসুৰক বধ কৰে। বকাসুৰক বধ কৰি ব্ৰাহ্মণৰ পুত্ৰক তাৰ নৃপতি হিচাপে অধিষ্ঠিত কৰে। কিন্তু ৰাম সৰস্বতীয়ে হিড়িম্ব বধ আখ্যান পৰিহাৰ কৰিছে আৰু ব্ৰাহ্মণৰ পুত্ৰৰ পৰিবৰ্তে ব্ৰাহ্মণকহে ৰজাৰূপে অধিষ্ঠিত কৰে। আকৌ, ৰাম সৰস্বতীয়ে একচক্ৰ নগৰ বুলিও কোনো নগৰৰ নাম উল্লেখ নকৰি বকাসুৰৰ নগৰ বুলিহে কাব্যত উল্লেখ কৰিছে। ইয়াৰ উপৰিও বকাসুৰলৈ যোগাৰ কৰা অন্ন-ব্যঞ্জনৰ বিৱৰণো ৰাম সৰস্বতীয়ে স্বকীয়ভাৱে উপস্থাপন কৰিছে।

**বিহঙ্গম মোক্ষ ঃ** বিহঙ্গম মোক্ষ কাব্য ৰাম সৰস্বতীৰ অন্যতম বধকাব্য। এই কাব্যত কেৱল এটা বধ আখ্যান বৰ্ণিত হৈছে। দেৱতাসকলৰ এটা সঙ্গীতানুষ্ঠানত এজন গন্ধৰ্বই অভদ্ৰ আচৰণ কৰা হেতু দেৱতাসৱে গন্ধৰ্বক এটা বৃহৎ পক্ষী হ'বলৈ অভিশাপ দিয়ে। গন্ধৰ্বই নিজৰ ভুল বুজিব পাৰি দেৱতাসকলৰ ওচৰত অভিশাপৰ মোচনৰ উপায় বিচাৰে। দেৱতাসকলে পঞ্চপাণ্ডৱে বনবাসৰ সময়ত তেওঁক লগ পাব আৰু তেতিয়া গন্ধৰ্বই অভিশপ্ত ৰূপৰ পৰা পৰিত্ৰাণ লাভ কৰিব বুলি অভিশাপ মোচনৰ উপায় প্ৰদান কৰে। অভিশপ্ত গন্ধৰ্বই পক্ষীৰূপে বনত ঘূৰি ফুৰিছিল। পঞ্চপাণ্ডৱ বনবাসত বনে বনে ঘূৰি ফুৰা সময়ত পক্ষীৰূপী গন্ধৰ্বই দ্ৰৌপদীক অকলশৰে পাই নিজৰ বৃহৎ পাখি দুখনৰ মাজত লুকুৱাই ৰাখে। অৰ্জুনে পক্ষীৰূপী গন্ধৰ্বৰ দ্বাৰা দ্ৰৌপদী অপহৃত হোৱাৰ কথা জানিব পাৰে। লগে লগে অৰ্জুনে সেই পক্ষী বধ কৰি দ্ৰৌপদীক উদ্ধাৰ কৰে। ফলত অভিশপ্ত গন্ধৰ্বই নিজ ৰূপ লাভ কৰিবলৈ সক্ষম হয়। বিহঙ্গৰূপী গন্ধৰ্বক মুক্তি প্ৰদান কৰা আখ্যান হোৱা বাবেই এই কাব্যখনক বিহঙ্গম মোক্ষ বুলি কবিয়ে নামকৰণ কৰা বুলি ভাবিব পাৰি।

**সিন্ধুযাত্ৰা ঃ** পঞ্চপাণ্ডৱে বনবাস কালত গন্ধৰ্ব বনত প্ৰৱেশ কৰি সিন্ধাংকু মুনিৰ আশ্ৰমত আশ্ৰয় লোৱাৰ সময়ত সংঘটিত ঘটনা এই বধকাব্যত আলোচিত হৈছে। কাব্যখনত ১১৪১ টা পদ সন্নিবিষ্ট হৈছে। কবিয়ে *সিন্ধুযাত্ৰা*ৰ আৰম্ভণিতে বনপৰ্ব আৰু হংসকাকীৰ কথা উল্লেখ কৰিছে। উদাহৰণস্বৰূপে—

*বিৰচিবো বনপৰ্ব্ব নামে কথা সাৰ।*
*সিন্ধু যাত্ৰা নামে অতি বিচিত্ৰ পয়াৰ।।*
*আবো উদ্যোগৰ কথা পৰম উত্তম।*
*হংসকাকী নামে আত কবি নিৰুপম।।*

—*সিন্ধুযাত্ৰা*, পদ- ১৭৬৩২

সিন্ধুযাত্ৰাত দুটা বধ আখ্যান পোৱা যায়—

ক. সিদ্ধুবিন্দ বধ,

খ. কালক্ৰতু বধ

ৰাম সৰস্বতীৰ বধকাব্যসমূহৰ কেইখনমানৰ মূল সম্পৰ্কে কিছু কথা পোৱা গৈছে যদিও বেছিভাগৰে মূল মহাভাৰতৰ লগত মিল বিচাৰি পোৱা নাযায়; আকৌ ৰাম সৰস্বতীয়ে যিবোৰ মূল গ্ৰন্থৰ কথা উল্লেখ কৰিছে সেইবোৰবো ভালেসংখ্যকে এতিয়া লুপ্তপ্ৰায়। কিন্তু *ৰামায়ণ, মহাভাৰত*আদিত ঋষিৰ ঔৰসত, ৰাক্ষসীৰ গৰ্ভত পুত্ৰ সন্তান জন্মৰ কাহিনী পোৱা যায়। ৰাম সৰস্বতীয়ে সেইবোৰকে সমল হিচাপে লৈ বধকাব্যসমূহৰ আখ্যানভাগক ৰূপ দিছিল বুলি ভাবিব পাৰি।


**প্ৰসঙ্গ আৰু গ্ৰন্থপঞ্জী ঃ**

১। কাকতি, বাণীকান্ত ঃ *পুৰণি অসমীয়া সাহিত্য* ; গুৱাহাটী, অসম প্ৰকাশন পৰিষদ, ২০০৭।

২। চলিহা, ভৱপ্ৰসাদ (সম্পা.) ঃ *ভীম-চৰিত্ৰ;* গুৱাহাটী, ছবিচি বুক ষ্টোৰ্চ, ১৯৭৪।

৩। দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পা) ঃ *অষ্টাদশ পৰ্ব অসমীয়া মহাভাৰত* (প্ৰথম খণ্ড); গুৱাহাটী, দত্তবৰুৱা পাবলিচিং কো. প্ৰা. লি : ২০১০।

৪। নেওগ, মহেশ্বৰ (সম্পা.) ঃ *মহাভাৰত বনপৰ্ব্ব*; গুৱাহাটী, গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, ১৯৭৫।

৫। নেওগ, মহেশ্বৰ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* ; গুৱাহাটী, চন্দ্ৰ প্ৰকাশ, ২০০০।

৬। শৰ্মা, নবীনচন্দ্ৰ ঃ *পুৰণি অসমীয়া সাহিত্যৰ সৌৰভ*; গুৱাহাটী, চন্দ্ৰ প্ৰকাশ, ১৯৯৬।


৭। শৰ্মা, সত্যেন্দ্ৰনাথ (ক) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী, সৌমাৰ প্ৰকাশ, ২০০৬।

৮। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া কাহিনী-কাব্যৰ প্ৰবাহ*; গুৱাহাটী, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, ২০০৮।

৯। শাস্ত্ৰী, বিশ্বনাৰায়ণ ঃ *ৰাম সৰস্বতী;* কলকাতা, সাহিত্য অকাডেমি, ২০০২।





# বাংলা নদীকেন্দ্ৰিক উপন্যাস

ড° শেৱালী ডেকা খনিকৰ

ভৌগোলিক কথা প্ৰাকৃতিকভাৱে বঙ্গদেশ এক বৃহৎ এলেকাৰ নাম হ'লেও ৰাজনৈতিকভাৱে এই দেশ দুভাগত বিভক্ত। পশ্চিমবঙ্গ আৰু পূৰ্ববঙ্গ। পশ্চিমবঙ্গ ভাৰতবৰ্ষৰ অন্তৰ্গত এক সংবিধান স্বীকৃত সুকীয়া ৰাজ্য। আনহাতে অতীতৰ পূৰ্ববঙ্গ দেশ বিভাজনৰ ফলত পূব পাকিস্তানৰূপে স্বীকৃত হয় আৰু পৰৱৰ্তী সময়ত আন্তৰ্জাতিক ক্ষেত্ৰত ই এক স্বাধীন ৰাষ্ট্ৰৰূপে পৰিগণিত হয়। এই আলোচনাত দুই বঙ্গৰ নদীকেন্দ্ৰিক উপন্যাসৰ কথা ক'বলৈ বিচৰা হৈছে।

অসমৰ দৰে বঙ্গভূমিও নদ-নদীৰে ভৰপূৰ। গঙ্গা পশ্চিমবঙ্গৰ ঘাই নদী আৰু সমুদ্ৰৰ মোহনালৈ গমন কৰা এই নদীয়ে বাংলাদেশত পদ্মা নাম লৈছে। ইয়াৰ উপৰি দুই ভূ-খণ্ডৰ বুকুৰে অসংখ্য সৰু বৰ নদী প্ৰবাহিত হৈ আছে। বঙ্গভূমিৰ বিশেষকৈ বাংলাদেশৰ প্ৰায়ভাগ মানুহৰেই নাৱেই হৈছে যাতায়তৰ একমাত্ৰ সম্বল। এই দেশৰ খেতিয়কে নাৱত উঠি পথাৰলৈ অহা-যোৱা কৰে; নাৱেৰেই শইচ কঢ়িয়ায়। খেতিৰ মাটি নোহোৱা এচামে পদ্মা প্ৰভৃতি নৈৰ বুকুত ওৰে ৰাতি মাছ ধৰি সেই মাছ বজাৰত বিক্ৰী কৰি পৰিয়াল পোহে। সহজ ভাষাত ক'বলৈ হ'লে, নদীয়ে এই লোকসকলৰ একমাত্ৰ জীৱন জীৱিকাৰ আশ্ৰয়স্থল। কোনো কোনো সময়ত আকৌ নৈৰ বাঢ়নী পানীয়ে গাঁও-ভূঁই নিঃশেষ কৰি নিয়ে; কোনো সময়ত আকৌ নদীৰ বুকুত চৰ পৰে আৰু ই নাৱৰীয়া তথা মাছমৰীয়া লোকসকলৰ জীৱন বিপৰ্যস্ত কৰি তোলে। মুঠতে বঙ্গভূমিৰ লোকসকলৰ সৈতে নদ-নদীৰ এক আত্মিক সম্পৰ্ক অতীজৰে পৰা গঢ়ি উঠিছে।

পূৰ্ব বাংলাৰ (বাংলাদেশ) সংস্কৃতিত পদ্মা আৰু পশ্চিম বাংলাৰ (পশ্চিমবঙ্গ) সংস্কৃতিত গঙ্গা নৈয়ে এক ভূমিকা পালন কৰি আহিছে। বঙ্গভূমিৰ জীৱন চৰ্যাত নদ-নদীৰ ব্যাপক প্ৰভাৱৰ ফলস্বৰূপে বাংলা লোক কবিতা, গীত-মাত, উপন্যাস আদি সকলোতে নদীৰ বিচিত্ৰ ৰূপ প্ৰতিফলিত হোৱা দেখা যায়। নৈপৰীয়া জীৱনক লৈ ৰচিত বাংলা উপন্যাসসমূহত বঙ্গভূমিৰ গ্ৰাম্যজীৱনৰ এক বাস্তৱ ছবি অতি স্পষ্টৰূপত পোৱা যায়। এনে উপন্যাসত নদীক কেন্দ্ৰ কৰি বা নদীকে জীৱিকাৰ উৎস হিচাপে লৈ জীৱন-যাপন কৰা সমাজৰ অধঃস্তৰৰ লোকসকলৰ দুখ-দুৰ্দশা, বিশ্বাস-সংস্কাৰ, আচাৰ-আচৰণ, শোষণ, লাঞ্চনাৰ নিৰ্মম অথচ করুণ ছবি প্ৰতিফলিত হৈছে।

বৈষ্ণৱ কবিতাসমূহতো যমুনা অথবা কালিন্দী নদীৰ

উল্লেখ আছে। পূৰ্ববঙ্গৰ গীতি কবিতা তথা লোককাহিনীসমূহতো নদীকেন্দ্ৰিক জীৱনৰ পৰিচয় পোৱা যায়। লোকসঙ্গীত বিশেষকৈ ভাটিয়ালী, সাৰি, মুৰ্শিদা আদি গীতসমূহ নদী প্ৰকৃতিৰ সৌন্দৰ্যৰে সমৃদ্ধ। আধুনিক কালৰ বাংলা সাহিত্য বৈশিষ্ট্যপূৰ্ণ। প্ৰাথমিক কালৰ সাহিত্যসমূহতো নদ-নদীৰ উল্লেখ পোৱা যায় যদিও, তাক বাহ্যিকভাৱেহে ব্যৱহাৰ কৰা হৈছিল। কিন্তু পৰৱৰ্তী কালত ইয়াৰ বিষয়বস্তুৰ ৰূপান্তৰ ঘটিল [সামন্ত (২) ২০০৪ : ১৬]।

বঙ্কিমচন্দ্ৰৰ ৰচনাই বাংলা উপন্যাস সাহিত্যজগতত নতুন দিগন্তৰ সূচনা কৰে। তেওঁৰ *দুৰ্গেশনন্দিনী* উপন্যাসৰ বাহিৰে আন উপন্যাসসমূহত প্ৰাসংগিকভাৱে নদ-নদীৰ উল্লেখ আছে। গঙ্গা নদীৰ বিশেষ প্ৰসংগই বঙ্কিমচন্দ্ৰৰ উপন্যাসক এক সুকীয়া মাত্ৰা প্ৰদান কৰে। *কৃষ্ণকান্তৰ উইল* উপন্যাসত চিত্ৰা, *দেৱী চৌধুৰাণী* উপন্যাসত তিস্তা, *সীতাৰাম* উপন্যাসত মধুমতী নদীৰ উল্লেখ পোৱা যায়। *আনন্দমঠ* অথবা *ৰাজসিংহ* উপন্যাসত নদীৰ বৰ্ণনা আছে যদিও সিবোৰত নদীৰ নামৰ উল্লেখ নাই।

নদীকেন্দ্ৰিক উপন্যাসৰ প্ৰধান উপজীব্য বিষয় হ'ল— নদীনিৰ্ভৰ জীৱন আৰু তাৰ আনুষঙ্গিক দিশসমূহ। কোনো উপন্যাসত নদীপ্ৰকৃতিৰ কল্পময় ৰোমাণ্টিক সৌন্দৰ্যৰ বৰ্ণনাই পাঠকক আকৰ্ষিত কৰে, আকৌ কোনো সময়ত নদীৰ সৰ্বনাশী ৰূপে পাঠকক মনোকষ্ট দিয়ে। কোনো সময়ত নদীৰ পটভূমি ৰচনা অথবা চৰিত্ৰৰ অভিব্যক্তি প্ৰকাশক হিচাপে নদীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। আকৌ সেই নৈয়ে মানৱী প্ৰিয়াৰ দৰে চৰিত্ৰৰ ৰূপত অৱতীৰ্ণ হৈছে। অকল সেয়ে নহয়, নদীক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে বিভিন্ন সংস্কাৰ-বিশ্বাস আৰু জনশ্ৰুতি। সময়ে সময়ে আকৌ লেখকৰ জীৱন-ভাবনা প্ৰকাশিত কৰি নদীৰ সৌন্দৰ্য বাঙ্ময় হৈ পৰিছে। মুঠৰ ওপৰত ক'ব পাৰি যে, এইশ্ৰেণীৰ উপন্যাসত নদীৰ ব্যৱহাৰ বহুমাত্ৰিক [সামন্ত (২) ২০১১ : ১০৫৭-১০৫৮]।

বাংলা সাহিত্যত মানিক বন্দ্যোপাধ্যায়ে পোন প্ৰথমবাৰৰ বাবে *পদ্মা নদীৰ মাঝি* (১৯৩৬) উপন্যাসৰ জৰিয়তে নদীকেন্দ্ৰিক উপন্যাসৰ বাট মুকলি কৰে। অৱশ্যে তাৰ আগতেও বাংলা উপন্যাস সাহিত্যত নদী প্ৰসংগৰ উল্লেখ পোৱা যায় যদিও তাক পৰ্যাপ্ত বুলি ক'ব নোৱাৰি। নদীকেন্দ্ৰিক উপন্যাসসমূহত নদ-নদীৰ ভিন্ন দিশ উন্মোচিত হৈছে। কিছুসংখ্যক উপন্যাসত আকৌ নদীনিৰ্ভৰ বৃত্তিধাৰী লোকসকলৰ জীৱনৰ কাহিনী ৰূপায়িত হৈছে। মানিক বন্দ্যোপাধ্যায়ৰ *পদ্মা নদীৰ মাঝি* আৰু *মাঝিৰ ছেলে* দুয়োখন উপন্যাসতে মাছমৰীয়া লোকসকলৰ জীৱন-যাত্ৰাৰ ছবি ঔপন্যাসিকে অতি দক্ষতাৰে অংকন কৰিছে। একেদৰে অমৰেন্দ্ৰ ঘোষৰ *চৰকাশেম* (১৯৪৯), মনোজ বসুৰ *জলজঙ্গল* (১৯৫১), সমৰেশ বসুৰ *গঙ্গা* (১৯৫৫), অদ্বৈত মল্লবৰ্মনৰ *তিতাস একটি নদীৰ নাম* (১৮৫৬), আব্দুল জব্বাৰৰ *ইলিশ মাৰিৰ চৰ* (১৯৬১), প্ৰবোধবন্ধু অধিকাৰীৰ *ধলেশ্বৰী* (১৯৬৬), সাধন চট্টোপাধ্যায়ৰ *গহীন গাং*, বলৰাম ৰায়ৰ *মৎস্যগন্ধা* (১৯৬৭), চিত্ত সিংহৰ *ঈশ্বৰ পাটনী* (১৯৬৬), প্ৰফুল্ল ৰায়ৰ *সমাগৰা* (১৮৮৯), সেলিনা হোসেনৰ *পোকা মাকড়েৰ ঘৰবসতি*, সাত্যকি হালদাৰৰ *ইছাই নদীৰ পালা* আদি উপন্যাসত মাছমৰীয়া জনজীৱনৰ ছবি প্ৰতিফলিত হৈছে।

নদীকেন্দ্ৰিক বিশেষ বৃত্তিধাৰী লোকসকল, বিশেষকৈ মাছমৰীয়াসকলক লৈ উপন্যাস ৰচনা ঔপন্যাসিকসকলৰ ভিতৰত মানিক বন্দ্যোপাধ্যায়, অদ্বৈত মল্লবৰ্মন, আৰু সমৰেশ বসুৰ নাম নিঃসন্দেহে উল্লেখযোগ্য। মানিক বন্দ্যোপাধ্যায়ৰ *পদ্মা নদীৰ মাঝি*, অদ্বৈত মল্লবৰ্মনৰ *তিতাস একটি নদীৰ নাম* আৰু সমৰেশ বসুৰ *গঙ্গা* এনে ধাৰাৰ তিনিখন লেখত ল'বলগীয়া উপন্যাস। এই উপন্যাস কেইখনৰ পটভূমি বিশ্লেষণ কৰিলে দেখা যায় যে, ইবোৰৰ মাজেৰে বাংলা সমাজৰ বিবৰ্তনৰ ইতিহাসৰ পৰ্বান্তৰৰ কিছু দিশ বিবৃত হৈছে। ঔপনিবেশিকসকলৰ কবলত পৰি লাহে লাহে তেতিয়া মানুহ স্বাৰ্থান্ধ হৈ পৰিছিল। প্ৰাচীন সামন্তবাদী সমাজ ব্যৱস্থাৰ বিপৰীতে ধনতান্ত্ৰিক সমাজ-ব্যৱস্থা গা কৰি উঠিছিল। এই ভাঙোনমুখী সমাজ ব্যৱস্থাই বাংলা মৎস্যজীৱী সমাজকো প্ৰভাৱিত কৰিছিল। ইয়াৰ ফলস্বৰূপে সামাজিক সাংস্কৃতিক দিশত পৰ্বান্তৰৰ সূচনা হৈছিল। উল্লিখিত তিনিওগৰাকী ঔপন্যাসিকে নিজ নিজ দৃষ্টিভংগীৰে এই পৰ্বান্তৰসমূহ চিহ্নিত কৰিছে [নন্দী (২) ২০১১ : ১৩]।

মানিক বন্দ্যোপাধ্যায়ৰ *পদ্মা নদীৰ মাঝি*-ক তেওঁৰ শ্ৰেষ্ঠ উপন্যাসৰ মৰ্যাদা দিব পাৰি। উপন্যাসখনত কুবেৰ চৰিত্ৰটোৰ জৰিয়তে পদ্মা নদীৰ নাৱৰীয়া তথা মাছমৰীয়াসকলৰ জীৱন সংগ্ৰামৰ এক বাস্তৱ ছবি অংকন কৰা হৈছে। কুবেৰৰ জীৱন জীৱিকাসূত্ৰে পদ্মাৰ সৈতে সম্পৰ্কিত। কুবেৰে পদ্মা নৈৰ বুকুত নাও বাই ওৰে ৰাতি মাছ ধৰে আৰু সেই মাছ দেৱীগঞ্জৰ হাটত বিক্ৰী কৰে। বৰ্ষাৰ বতৰত, অৰ্থাৎ ইলিশ মাছ উঠাৰ সময়ত কুবেৰৰ দৰে দাৰিদ্ৰ্যপীড়িত পৰিয়ালে কিছু সকাহ পায়। এই সময়ত আকৌ প্ৰলংকাৰী পদ্মাৰ ৰূপে সকলোকে ত্ৰাসিত কৰে। প্ৰচণ্ড বৰষুণ, ধাৰাসাৰ ধুমুহা আৰু বানপানীয়ে লোকসকলৰ ঘৰ-দুৱাৰ ভাঙি আশ্ৰয়হীন কৰি তোলে। গৃহহীন লোকসকলক আশ্ৰয় দি, অৰ্থৰ সহায় আগবঢ়োৱা হোসেন



কৰ্ষণ ▸ ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ▸ ২০১৬-২০১৭ চন

মিয়াই লাহে লাহে ময়নাদ্বীপৰ জনসংখ্যা বৃদ্ধি কৰে। নিয়তিৰ কৰাল গ্ৰাসত সমগ্ৰ কেতুপুৰবাসী হোসেন মিয়াৰ শৰণাপন্ন হ'বলগীয়া হয়। ইয়াৰ ফলস্বৰূপে ৰাসু, এনায়েত, কপিলা, কুবেৰ সকলোৱে হোসেনৰ চক্ৰান্তৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ অধিকাৰ হেৰুৱাই পেলায়।

অদ্বৈত মল্লবৰ্মনৰ *তিতাস একটি নদীৰ নাম* আন এক উল্লেখযোগ্য বাংলা নদীভিত্তিক উপন্যাস। এই উপন্যাসত তিতাস নদীৰ মাছমৰীয়াসকলৰ অভ্যন্তৰীণ শ্ৰেণীবিন্যাসৰ সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনাৰ লগতে নিম্নবৰ্গ দৰিদ্ৰ মাছমৰীয়াসকলক মহাজন আৰু বেপাৰীয়ে কৰা প্ৰবঞ্চনাৰ ছবি স্পষ্টকৈ প্ৰকাশিত হৈছে। উপন্যাসখনৰ কাহিনী বিশ্লেষণ কৰিলে দেখা যায় যে, ই ঘটনাপ্ৰধান নহৈ বৰ্ণনা প্ৰধানহে হৈছে। ঘটনাৰ বিৱৰণ দাঙি ধৰিবলৈ ঔপন্যাসিকে তিতাস নদীৰ পাৰৰ নাৱৰীয়া তথা কৃষক সমাজৰ জীৱন-যাত্ৰা, আশা-আকাংক্ষা, পূজা-পাৰ্বণ, আচাৰ-অনুষ্ঠানৰ সূক্ষ্ম বৰ্ণনা দাঙি ধৰিছে। *তিতাস একটি নদীৰ নাম* উপন্যাস সন্দৰ্ভত কল্পনা বৰ্দ্ধনে এনেদৰে মন্তব্য কৰিছে :

> The Malo's oral culture that thrives on a stable and secure subsistence environment perhaps impedes their adaptation in the face of drastic natural change, fishing communities that live along the changeable. Violet Meghna or Padma learn to survive under harsher conditions, but their life of constant stress and vigilance exacts a cultural price [1993 : 278].

উপন্যাসখনত চাৰিটা অধ্যায় আছে আৰু প্ৰতিটো অধ্যায়ৰে দুটাকৈ উপ অধ্যায় আছে। উপ অধ্যায়বোৰৰ ব্যঞ্জনাধৰ্মী নামকৰণ উপন্যাসখনৰ এক লক্ষণীয় বিষয়। তিতাসেই হ'ল এই লোকসকলৰ প্ৰাণশক্তিস্বৰূপ। এওঁলোকে তিতাসৰ বুকুত মাছ ধৰি সেই মাছ বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰে। তিতাসক কেন্দ্ৰ কৰিয়েই এইসকল লোকৰ জীৱনৰ চকৰি ঘূৰে। এওঁলোকৰ জীৱনৰ গতি তিতাস নদীৰ গতিৰ সৈতে সম্পৃক্ত। সেই বাবে নদীৰ বুকুত চৰ পৰাৰ লগে লগে এওঁলোকৰ জীৱন যাত্ৰাও স্থবিৰ হৈ পৰিছে।

অমৰেন্দ্ৰ ঘোষৰ *চৰকাশেম* উপন্যাসৰ নায়ক কাছেম, মেছো হাসেমৰ সন্তান। অকাল দুৰ্ভিক্ষৰ বাবে কাছেমক নিজৰ পিতৃয়ে ফুলমনৰ পিতৃ-মাতৃৰ ওচৰত আঢ়ৈ টকাৰ বিনিময়ত থ'বলগীয়া হৈছিল। কাছেম ডাঙৰ হৈ ফুলমনৰ ঘৰতে বিভিন্ন কাম-কাজ শিকে। কিন্তু মাছমৰীয়াৰ সন্তান হোৱা হেতুকে কাছেমৰ মনত নদীৰ বুকুত নাও বাই মাছ ধৰাৰ তীব্ৰ আকাংক্ষা জাগি উঠে। প্ৰথম অৱস্থাত পদ্মাৰ বুকুৰ সৰু সৰু ঘূলিত বৰশী বাই মাছ ধৰি পাছলৈ কাছেম এজন সুদক্ষ মাছমৰীয়াৰূপে পৰিগণিত হয়। পৰৱৰ্তী সময়ত এই মাছমৰীয়া সংগীসকলক লৈয়ে কাছেমে চৰকাশেমত এক জনবসতি গঢ়ি তোলে। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ কাছেম। ঔপন্যাসিকে কাছেমক কেন্দ্ৰ কৰিয়েই দৰিদ্ৰ মাছমৰীয়াসকলে ডাঙৰ ডাঙৰ নৌকা ভাড়ালৈ লৈ জাল কিনি যৌথ প্ৰচেষ্টাৰে মাছ ধৰি জীৱন নিৰ্বাহ কৰা এক কঠোৰ সংগ্ৰামৰ ছবি বলিষ্ঠভাৱে অংকন কৰিছে [সামন্ত (২) ২০০৪ : ৩৪]।

*পদ্মা নদীৰ মাঝি*, *তিতাস একটি নদীৰ নাম* আৰু *গঙ্গা* উপন্যাসৰ ৰচক তিনিগৰাকীয়ে বাংলা উপন্যাস সাহিত্যৰ ইতিহাসত এক পৰ্বান্তৰৰ সূচনা কৰে। মানিক বন্দ্যোপাধ্যায় আৰু অদ্বৈত মল্লবৰ্মনে তেওঁলোকৰ ৰচনাত মাছমৰীয়া সমাজৰ আৰ্থিক আৰু সাংস্কৃতিক ব্যৱস্থাপনাৰ যি সময়ৰ প্ৰতিচ্ছবি অংকন কৰিছে, সমৰেশ বসুৱে ঠিক তাৰ অব্যৱহিত পাছৰ সময়খিনিৰ কথা *গঙ্গা* উপন্যাসত বিশ্লেষণ কৰিছে [নন্দী (২) ২০১১ : ১৬]। উপন্যাসখনত মাছমৰীয়া জীৱনৰ কৰুণ অথচ মৰ্মস্পৰ্শী ছবি অতি সুন্দৰকৈ ৰূপায়িত হৈছে।

চৰিত্ৰ উপন্যাসৰ এক উল্লেখযোগ্য উপাদান। নদীকেন্দ্ৰিক উপন্যাসৰ ক্ষেত্ৰত মন কৰিলে দেখা যায় যে, কোনো কোনো উপন্যাসত চৰিত্ৰসমূহৰ উপস্থাপন আৰু পৰিণতিৰ দিশত নদীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰমথনাথ বিশীৰ *পদ্মা* (১৯৩৫) আৰু *কোপৱতী* (১৯৪১), সৰোজকুমাৰ ৰায়চৌধুৰীৰ *ময়ূৰাক্ষী* (১৯৩৮), সুবোধ বসুৰ *পদ্মা প্ৰমত্ত নদী* (১৯৩৯), নাৰায়ণ গঙ্গোপাধ্যায়ৰ *মহানন্দা* (১৯৫১), অৰুণ কুমাৰ চট্টোপাধ্যায়ৰ *ইছামতী গোসাই*, বিভাস ৰায়চৌধুৰীৰ *প্ৰিয় ইছামতী* আদি এনে ধৰণৰ উপন্যাস।

প্ৰমথনাথ বিশীৰ *পদ্মা* উপন্যাসত পদ্মা নৈয়ে ঘাই ভূমিকা পালন কৰিছে। বিনয় আৰু কংকন উপন্যাসখনৰ দুটা উল্লেখযোগ্য চৰিত্ৰ। তেওঁলোকৰ জীৱনত পদ্মাৰ অখণ্ড প্ৰভাৱ বিৰাজমান। পদ্মাৰ ভঙা গঢ়াৰ খেলত চৰছিলমাৰী নিশ্চিহ্ন হোৱাৰ উপক্ৰম হোৱাৰ সময়তে বিনয়ৰ জীৱনলৈ নানান ঘাত-প্ৰতিঘাত আহে। একেদৰে *কোপৱতী* উপন্যাসখনৰ বিমল আৰু ফুল্লৰা চৰিত্ৰ দুটা কোপৱতী নদীৰ দ্বাৰা প্ৰভাৱিত বুলি ক'ব পাৰি। ফুল্লৰা আৰু বিমলৰ মিলন ঘটাইছে কোপায়ে আৰু পাছলৈ কোপাই হৈ পৰিছে ফুল্লৰাৰ প্ৰতিদ্বন্দ্বী।

সুবোধ বসুৰ *পদ্মা প্ৰমত্ত নদী* উপন্যাসত আকৌ দুৰ্গাপ্ৰসন্নই পদ্মাৰ প্ৰকৃতিৰ বিপক্ষে যুঁজ দিবলৈ থিয় হৈছে। দুৰ্গাপ্ৰসন্নৰ ভাষাত :

সৰ্বনাশী পদ্মা, তুই ভাবিয়াছিলি সব ডুবাইয়া শেষ কৰিয়া দিবি, দুৰ্গাপ্ৰসন্ন সৰ্বস্ব হাৰাইয়া হেঁট মাথায় বশ্যতা স্বীকাৰ কৰিবে, —দেখিয়া তুই নিৰ্দয় আনন্দে অট্টহাসি কৰিয়া উঠিবি। চাহিয়া দেখ, —কী আমি কৰিতে পাৰি, কত শক্তি আমাৰ মন্তে কত মল আমাত বাহুতে, —আমাৰ গৃহ ভাঙ্গা যায় না [বসু ১৩৫২ (বাংলা) ঃ ৪১]

তাৰ পৰিবৰ্তে দুৰ্গাপ্ৰসন্নৰ পৰিবাৰ হেমাংগিনী পদ্মাৰ ভয়ত আতংকিতা। দুৰ্গাপ্ৰসন্ন আৰু পত্নী হেমাংগিনীৰ একমাত্ৰ পুত্ৰ ৰজতপ্ৰসন্নৰ জীৱনত কিন্তু পদ্মাৰ অখণ্ড প্ৰভাৱ বিৰাজমান। ৰজতৰ স্বভাৱ চৰিত্ৰ সকলোতে পদ্মাৰ উদ্দাম প্ৰকৃতি ধৰা পৰে।

কোনো কোনো উপন্যাসত আকৌ পটভূমি ৰচনাত নদীয়ে ব্যাপক ভূমিকা লৈছে। গঙ্গা উপন্যাসত বিলাস আৰু হিমিৰ প্ৰেমৰ পটভূমি ৰচনাত গঙ্গা নৈয়ে এক বিশেষ ভূমিকা লৈছে। গঙ্গা নদীৰ তীৰত হিমি আৰু বিলাসৰ সাক্ষাৎ হৈছে। একেদৰে চৰকাশেম উপন্যাসতো ফুলমনক কেন্দ্ৰ কৰি কাছেমে যি আশা মনত পুহি ৰাখিছে, পাছলৈ সেই আশা ফলৱতী হোৱাত পদ্মাই অৰিহণা যোগাইছে।

প্ৰফুল্ল ৰায়ৰ মাটি আৰ নেই উপন্যাসতো নিশি আৰু ওৰ্পীৰ প্ৰেম সমুদ্ৰ তথা নদীৰ তীৰত সাৰ্থক হৈছে। একেদৰে প্ৰবোধবন্ধু অধিকাৰীৰ ধলেশ্বৰী উপন্যাসতো শিৱচৰণ আৰু কুসুমৰ প্ৰেম উদ্দাম ধলেশ্বৰীৰ তৰঙ্গৰ দৰে দুৰন্ত হৈ পৰিছে।

তাৰাশংকৰৰ কালিন্দী উপন্যাসত কালিন্দী নদীৰ চৰৰ বৰ্ণনা মনোৰম ৰূপত ধৰা দিছে। কালিন্দী নদীৰ শাৰীৰিক পৰিবৰ্তনৰ লগে লগে চৰিত্ৰসমূহৰ জীৱন আৰু মনৰ জটিলতাৰ ছবি উদ্ভাসিত হৈ উঠিছে। মহানন্দা উপন্যাসতো নদীৰ বুকু শুকাই যোৱাৰ লগে লগে এক অপঘাতৰ ছায়া নামি আহিছে। তাৰাশংকৰৰ ৰচনাত পৰিস্ফুট হোৱা নদীৰ দেহগত পৰিবৰ্তনৰ লগতে জীৱন আৰু মনৰ জটিলতাৰ প্ৰসঙ্গ নাৰায়ণ গঙ্গোপাধ্যায়ৰ উপন্যাসতো স্পষ্ট হৈ উঠিছে।

প্ৰমথনাথ বিশীৰ পদ্মা উপন্যাসত বিনয় আৰু কংকনৰ প্ৰেমৰ পটভূমি ৰচনাত পদ্মাৰ খেয়ালী ৰূপে অৰিহণা যোগাইছে। তদ্ৰূপ সৰোজকুমাৰ ৰায়চৌধুৰীৰ ময়ুৰাক্ষী উপন্যাসৰ প্ৰধান চৰিত্ৰ বিনোদিনীৰ জীৱন-ইতিহাসৰ পটভূমি হিচাপে ময়ুৰাক্ষী নদী সৌন্দৰ্যমণ্ডিত হৈ পৰিছে।

অমিয়ভূষণ মজুমদাৰৰ গড়শ্ৰীখণ্ড উপন্যাসত পদ্মা এখন দলঙৰ দ্বাৰা বাধাপ্ৰাপ্ত হৈছে। ইয়াৰ লগে লগে সুবোতন আৰু সুমিতিৰ স্বকীয় স্বভাৱ আৰু সংস্কৃতিৰ ৰাতাৰাতি পৰিৱৰ্তিত হৈছে। শেহলৈ পদ্মাই ব্ৰীজৰ বান্ধোন উপেক্ষা কৰি সকলোকে প্লাবিত কৰে। অকল সেয়ে নহয়, পদ্মাই এনে বান্ধোন ছিন্ন কৰাৰ লগে লগে সুবোতন আৰু সুমিতিৰ পৰম্পৰাগত ধ্যান-ধাৰণাৰ ৰূপান্তৰ ঘটিছে। ঠিক তেনেদৰে দেবেশ ৰায়ৰ *তিস্তাপাৰের বৃত্তান্ত* উপন্যাসত নদীৰ প্ৰাকৃতিক বিপৰ্যয় অথবা নদী-উন্নয়ন নামত ৰাজনীতি, প্ৰশাসনৰ প্ৰতিক্ৰিয়া মিলি যি প্ৰেক্ষাপট উপস্থাপিত হৈছে, ই অকল তিস্তাপাৰৰে বৃত্তান্ত নহয়, এই উপন্যাসিকে তিস্তাৰ পটভূমিত বাংলা সমাজ-ইতিহাসৰ এক বাস্তৱ ছবি অংকন কৰিছে আৰু এই ক্ষেত্ৰত ঔপন্যাসিক গৰাকী সফল হৈছে বুলি ক'ব পাৰি।

বিভূতিভূষণ বন্দ্যোপাধ্যায়ৰ *ইছামতী* উপন্যাসৰ ইছামতী ব্যক্তি চৰিত্ৰ নহয়; বৰং এক নদীহে। সেয়ে হ'লেও ইয়াৰ মাজেৰে মানৱ জীৱন-প্ৰবাহৰ বাস্তৱ ৰূপ উদ্ভাসিত হৈ উঠিছে। ইছামতীৰ জলধাৰাৰ লগতে তাৰ তীৰৱৰ্তী জনগণৰ ধ্যান-ধাৰণা মিলিত হৈ মানৱ জীৱনৰ অনন্ত প্ৰবাহৰ এক শাশ্বত বাণী তুলি ধৰিছে ঃ

> কত যাওয়া আসাৰ অতীত ইতিহাস মাখানো ঐ সব নিৰ্জন ভিটেৰ ঢিপি -কত লুপ্ত হয়ে যাওয়া মায়েৰ হাসি ওতে অদৃশ্য ৰেখায় আঁকা।......... ওদেৰ সকলেৰ সামনে দিয়ে ইছামতীৰ জলধাৰা চঞ্চলবেগে বয়ে চলেছে বড় লোনা গাঙেৰ দিকে, সেখানে থেকে মোহানা পেৰিয়ে, ৰায়মঙ্গল পেৰিয়ে, গঙ্গাসাগৰ পেৰিয়ে, মহাসমুদ্ৰৰ দিকে [বন্দ্যোপাধ্যায় (১) ১৩৯৩ (বাংলা) ঃ ২২০]।

তেনেদৰে কমলকুমাৰ মজুমদাৰৰ *অন্তৰ্জলি যাত্ৰা*, দীপেন্দ্ৰনাথ বন্দ্যোপাধ্যায়ৰ *মাঝি*, সুধীৰঞ্জন গুহৰ *ময়না নদী*, শচীন দাসৰ *অন্ধ নদীৰ উপাখ্যান*, প্ৰফুল্ল ৰায়ৰ *কেয়াপাতাৰ নৌকো (১ম খণ্ড)*, সৈয়দ মুস্তাফা সিৰাজৰ *তৃণভূমি*, *গঙ্গা নদীয়ে পাৰ্থিৱ* মামাৰ *গঙ্গা প্ৰবাহিণী* ইত্যাদি উপন্যাসতো নদীয়ে কাহিনী ৰচনাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়।

বাংলাদেশৰ ঔপন্যাসিকসকলৰ হাততো তালেসংখ্যক নদীকেন্দ্ৰিক উপন্যাস ৰচিত হৈছে। কাজী আব্দুল ওদুদৰ *নদীবক্ষে*, আফসাৰউদ্দিন আহমদৰ *চৰভাঙা চৰ*, হুমায়ুন কবীৰৰ *নদী ও নাৰী*, শামসুদ্দীন আবুল কালামৰ *কাশবনের কন্যা*, আল্লাউদ্দিন আল আজাদৰ *কৰ্ণফুলী*, শহীদুল্লা কায়সাৰৰ *সাৰেং বৌ*, শামসুল হকৰ *নদীৰ নাম তিস্তা*, সেয়দ ওয়ালিউল্লাহৰ *কাঁদো নদী কাঁদো*, শওকত ওসমানৰ *জননী*, আবুজাফৰ শামসুদ্দীনৰ *পদ্মা মেঘনা যমুনা* ইত্যাদি উপন্যাসে ইয়াৰ সাক্ষ্য বহন কৰে।





প্ৰসংগক্ৰমে উল্লেখ কৰা প্ৰয়োজন যে, প্ৰফুল্ল ৰায়ৰ *সসাগৰা*, বোধিসত্ত্ব মৈত্ৰেয়ৰ *ঝিনুকৰ পেটে মুক্তো*, অনিল ঘড়াইৰ *নুনবাড়ি*, সেলিনা হোসেনৰ *পোকামাকড়েৰ ঘৰবসতি*, *বুড়ো জেলেৰ ঘৰে ফেৰা* ইত্যাদি উপন্যাসত মাছমৰীয়া জীৱন বৰ্ণিত হ'লেও এইবোৰ সমুদ্ৰ নিৰ্ভৰ উপন্যাসহে। প্ৰফুল্ল ৰায়ৰ *মাটি আৰ নেই* আৰু বোধিসত্ত্ব মৈত্ৰেয়ৰ *ঝিনুকেৰ পেটে মুক্তো* উপন্যাসত ধূৰ্ত, নিষ্ঠুৰ মহলদাৰ আৰু মহাজনৰ অত্যাচাৰত জৰ্জৰিত মাছমৰীয়াৰ জীৱনৰ কৰুণ কাহিনী বৰ্ণিত হৈছে। প্ৰফুল্ল ৰায়ৰ আন এখন উপন্যাস *সসাগৰা*-ৰ নায়ক ডানিয়েল আৰু নায়িকা সুভদ্ৰাৰ নেতৃত্বত মাছমৰীয়াসকলে প্ৰতিবাদ জনায় যদিও মহাজনৰ শক্তিৰ ওচৰত হাৰ মানিবলৈ বাধ্য হয়।

সেলিনা হোসেনৰ *পোকামাকড়েৰ ঘৰবসতি* উপন্যাসত মাছমৰীয়াসকলে শুকটি (শুকান মাছ) ৰ বাবে মাছ আৰু হাঙৰ ধৰে। তদুপৰি তেওঁলোকে নিমখো উৎপাদন কৰে। মহাজন মহাপ্ৰতাপী তোৰাব আলিয়ে দুখীয়া মাছমৰীয়াসকলক হাৰাশাস্তি কৰে। মাজে মাজে চুৰি ডকাইতিৰ মিছা অভিযোগতো তেওঁলোকক অভিযুক্ত কৰে। অৱশেষ উপন্যাসখনৰ শেষলৈ তোৰাব আলিৰ পতন ঘটা দেখা যায়। মাছমৰীয়াসকলৰ সংঘবদ্ধ প্ৰচেষ্টাৰ জৰিয়তে এয়া সম্ভৱ হৈ উঠে।

চিত্ত সিংহৰ *ঈশ্বৰ পাটনী* উপন্যাসতো মালিক, যাত্ৰী আৰু মহাজনৰ শোষণ বঞ্চনাৰ বিৰুদ্ধে বিদ্ৰোহৰ প্ৰতিচ্ছবি অংকিত হৈছে।

নদীকেন্দ্ৰিক উপন্যাসসমূহত নদী-নিৰ্ভৰ বিশেষ বৃত্তিজীৱী লোকসকলৰ জীৱন-জীৱিকা, সংস্কাৰ-বিশ্বাস, পৰম্পৰা আৰু ধ্যান-ধাৰণাৰ প্ৰতিফলন ঘটে। নদী নিৰ্ভৰ বিশেষ বৃত্তিধাৰী লোকসকল খাইকৈ হৈছে মাছমৰীয়া, মাঝি আৰু ঘাটোৱাল। ইয়াৰ বাহিৰে সমুদ্ৰৰ পৰা শংখ অথবা মুকুতা তুলি অনা জীৱিকাধাৰী লোকসকলো আছে [নন্দী (২) ২০১১ ঃ ১৪]।

আব্দুল জব্বাৰৰ *ইলিশ মাৰিৰ চৰ* উপন্যাসত প্ৰকৃতিৰ খেয়ালি স্বভাৱ আৰু মহাজনৰ অত্যাচাৰৰ কাৰণে অনাহাৰে দিন কটাবলগীয়া হোৱা মাছমৰীয়াসকলৰ জীৱন চিত্ৰিত হৈছে। মাছ কমকৈ পালেও এই লোকসকলৰ দুবেলা খাবলৈ নোজোৰে আৰু বেছিকৈ পালেও এওঁলোক মহাজনৰ শোষণৰ বলি হ'বলগীয়া হয়। কাৰণ মহাজনসকলে নামমাত্ৰ দাম দি মাছবোৰ কিনি লয়। মাছৰ ব্যৱসায়ৰ বাবে ব্যৱহৃত প্ৰায়বোৰ সামগ্ৰীৰ স্বত্ব মালিকৰ হাততে থাকে।



মনোজ বসুৰ *জলজঙ্গল* উপন্যাস সুন্দৰবন অঞ্চলৰ পুবনৰ, নীলকমল, কাচিপাতা, কদমতলি ইত্যাদি সৰু সৰু নদী আৰু দুৰ্গম জঙ্গলৰ পটভূমিত ৰচিত। এই অঞ্চলৰ লোকসকলে মাঝিগিৰি কৰাৰ উপৰি জঙ্গলৰ পৰা কাঠ আৰু মৌ সংগ্ৰহ কৰে। মাছমৰীয়া আৰু মাঝিসকল মহাজনৰ বলি হোৱাৰ উপৰি পুলিচৰ অত্যাচাৰৰো বলি হয়। একেদৰে সাধন চট্টোপাধ্যায়ৰ *গহীন গাং* উপন্যাসতো সুন্দৰবন অঞ্চলৰ মাছমৰীয়াসকলৰ জীৱনৰ ছবি ৰূপায়িত হৈছে। প্ৰশাসক, ধৰ্মপ্ৰচাৰক, সকলোৱে নানান ধৰণে সুযোগ লোৱাৰ বিভিন্ন ঘটনা উপন্যাসিকে বলিষ্ঠ ভাষাৰে উপন্যাসখনত তুলি ধৰিছে। মহাজনৰ চক্ৰান্তৰ বলি হৈয়ে এই লোকসকলে চুৰি চাতুৰি, বেশ্যাবৃত্তি আদিৰ দৰে অনৈতিক কাৰ্যত লিপ্ত হ'বলগীয়াত পৰে। উপন্যাসখনৰ শেষত মাছমৰীয়াসকলৰ প্ৰতিবাদী কণ্ঠ সৰব হৈ উঠিছে।

বলৰাম ৰায়ৰ *মৎস্যগন্ধা* উপন্যাসত বনৰীয়া গাহৰি, বিষধৰ সাপ, ভয়ানক হাঙৰ আদিৰ পৰা হ'ব পৰা বিপদকো আওকাণ কৰি জম্বুদ্বীপত বসবাস কৰা মাছমৰীয়াসকলৰ কাহিনী বৰ্ণিত হৈছে। মহাজনসকলে সুযোগ বুজি অস্থায়ী ঘৰ নিৰ্মাণৰ

বাবে দুখীয়া মাছমৰীয়াসকলক টিপচহীৰ বিনিময়ত আৰ্থিক সাহায্য ঋণ হিচাপে প্ৰদান কৰে। তেওঁলোকে কিন্তু এই ঋণ জীৱনকাত পৰিশোধ কৰিব নোৱাৰে। ধাৰ ধাৰ হৈয়ে থাকে।

নদীৰ খেয়ালি প্ৰকৃতিৰ বৰ্ণনাৰ লগতে নদীৰ ৰোমাণ্টিক সৌন্দৰ্যৰ বৰ্ণনাই নদীকেন্দ্ৰিক উপন্যাসক মাধুৰ্য প্ৰদান কৰিছে। পদ্মা নদীৰ মাঝি, গঙ্গা, ধলেশ্বৰী, চককাশেম, ইলিশমাৰিৰ চৰ ইত্যাদি উপন্যাসত নদীয়ে কোনো সময়ত মানৱ জীৱনৰ সহায়ক ৰূপত ধৰা দিছে, আকৌ কোনো সময়ত প্ৰতিদ্বন্দ্বী ৰূপত থিয় দিছে।

অন্যান্য উপন্যাসৰ দৰে নদীকেন্দ্ৰিক উপন্যাসতো লেখৰ



জীৱনবোধ প্ৰতিফলিত হয়। নদীৰ পাৰ্শ্বৱৰ্তী এলেকাৰ জগতখনে এনে উপন্যাসত বিশেষ ভূমিকা গ্ৰহণ কৰে। গঙ্গা উপন্যাসৰ আৰম্ভণিতে বিভিন্ন ঠাইৰ পৰা মাছমৰীয়াসকল আহি লগ হোৱাৰ বৰ্ণনা পোৱা যায়। তেঁতুলিয়া, সাৰাপুল, ফকিৰকাটি, বাঁৰপুৰ, ফতুল্লাপুৰ আদি ঠাইৰ পৰা মাছমৰীয়া আৰু নাৱৰীয়াসকল আহি গঙ্গাৰ বুকুত ভিৰ কৰিছেহি। এই ক্ষেত্ৰত গঙ্গা এক নদীয়ে নহয়, ই এক উৎপাদন কেন্দ্ৰলৈ পৰ্যবসিত হৈছে। কাৰখানাত যিদৰে বিভিন্ন ঠাইৰ শ্ৰমিক আহি সমবেত হয়, তদ্ৰূপ গঙ্গাৰ বুকুতো বিভিন্ন ঠাইৰ লোকৰ সমাবেশ ঘটিছে [সামন্ত (২) ২০১১ঃ ১০৬১]।

নদী প্ৰকৃতিৰ সৌন্দৰ্য, খেয়ালি প্ৰবৃত্তি, লোক জীৱনৰ ওপৰত নদীৰ বিশেষ প্ৰভাৱ ইত্যাদি দিশবোৰ লৈয়ে নদীকেন্দ্ৰিক উপন্যাস ৰচিত। নদী কেৱল কল্পনা অথবা বিলাসৰ সামগ্ৰী নহয়, ই এচাম লোকৰ জীৱন জীৱিকাৰ প্ৰধান আহিলা। তদুপৰি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিৰ লগে লগে নদীৰ জলধাৰাৰ নিয়ন্ত্ৰণ, নদীত বান্ধ নিৰ্মাণ কৰি বিদ্যুৎ উৎপাদন ইত্যাদি ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে বিভিন্ন নদীৰ স্বাভাৱিক কাৰণ অথবা প্ৰাকৃতিক কাৰণত অপমৃত্যু ঘটা দেখা গৈছে। সি যি নহওক বাস্তৱ ক্ষেত্ৰত নদ-নদীৰ সৈতে মানুহৰ যি আবেগিক সম্পৰ্ক তাৰ ভেটিতে নদীকেন্দ্ৰিক উপন্যাসসমূহৰ সৃষ্টি সম্ভৱ হৈছে বুলি বিনা দ্বিধাই পতিয়ন যাব পাৰি।


গ্ৰন্থপঞ্জী ঃ

বাংলা ঃ

গুপ্ত, অনীতা, ২০০৮ ঃ পদ্মা - তিতাস - গঙ্গা ঃ তিননদী তিন কাহিনী। *মানিক বন্দোপাধ্যায় বিদ্ৰোহী প্ৰমেথিউস*। সম্পা. তরুণ মুখোপাধ্যায়। তুলসী প্ৰকাশনী। কলকাতা। ২২৯-২৪১। মুদ্রিত।
নন্দী (১), অশোক, ২০০৩ (২০০৫) ঃ *পদ্মা নদীৰ মাঝি*। সাহিত্য সঙ্গী। কলকাতা। মুদ্রিত।
নন্দী (২), কান্তাৰভূষণ, ২০১১ ঃ "বাংলা নদীকেন্দ্ৰিক উপন্যাস ঃ এক সংক্ষিপ্ত ৰূপৰেখা"। *অসম কলেজ শিক্ষক সংস্থা আলোচনী*। সম্পা. হেমন্ত কুমাৰ বৰুৱা, দুলাল চন্দ্ৰ মহন্ত। মুদ্রিত।
বসু, সুবোধ, ১৩৫২ (বাংলা) ঃ *পদ্মা প্ৰমত্তা নদী*। গ্ৰন্থাগাৰ। কলকাতা। মুদ্রিত।
বন্দোপাধ্যায় (১), বিভূতিভূষণ, ১৩৯৩ (বাংলা) ঃ *ইছামতী*। মিত্ৰ ও ঘোষ। কলকাতা। মুদ্রিত।
বন্দোপাধ্যায় (২), মানিক, ১৯৩৬ (২০০৮) ঃ *পদ্মা নদীৰ মাঝি*। বেঙ্গল পাবলিশাৰ্স প্ৰাইভেট লিমিটেড। কলকাতা। মুদ্রিত।
বন্দোপাধ্যায় (৩), শ্ৰীকুমাৰ, ১৯৪৮ ঃ *বঙ্গ সাহিত্যে উপন্যাসের ধাৰা*। মডাৰ্ণ বুক এজেন্সী। কলকাতা। মুদ্রিত।
বন্দোপাধ্যায় (৪), সৰোজ, ১৯৬১ ঃ *বাংলা উপন্যাসে কালান্তৰ*। দেজ পাবলিছিং। কলকাতা। মুদ্রিত।
—১৪০৭ (১৪১৫) বাংলা ঃ "বাংলা উপন্যাস ঃ নদীৰ কূলে কূলে"। *তিতাস একটি নদীৰ নাম ঃ উপন্যাসবেত্তা*। সম্পা. হীৰেণ চট্টোপাধ্যায়। বঙ্গীয় সাহিত্য সংসদ। কলকাতা। ১৬-২২। মুদ্রিত।
বিশ্বাস, মহীতোষ, ১৯৮৪ ঃ *বাংলা উপন্যাস ঃ প্ৰসংগ আঞ্চলিকতা*। প্ৰিণ্টিং পাবলিসিটি। কলকাতা মুদ্রিত।
ৰায়, বিনয়ভূষণ ২০০৩ ঃ *লৌকিক জলযান বিশেষ সংখ্যা, লোক সংস্কৃতি গবেষণা*। লোক সংস্কৃতি গবেষণা পৰিষদ। কলকাতা। মুদ্রিত।
সামন্ত (১), অৰবিন্দ, ২০০৩ ঃ *প্ৰাকৃতিক বিপৰ্যয় ও মানুষ*। দেজ পাবলিছিং। কলকাতা। মুদ্রিত।
সামন্ত (২), প্ৰভাস চন্দ্ৰ, ২০০৪ ঃ *বাংলা নদীকেন্দ্ৰিক উপন্যাস*। প্ৰভা প্ৰকাশনী। কলকাতা। মুদ্রিত।
—২০১১ ঃ "নদীকেন্দ্ৰিক বাংলা উপন্যাস"। *প্ৰবন্ধ সঞ্চয়ন*। সম্পা. সত্যৱতী গিৰি আৰু সমৰেশ মজুমদাৰ। ৰত্নাবলী। কলকাতা। ১০৫৬-১০৬২। মুদ্রিত।

ইংৰাজী ঃ

Bardhan, Kalpana, 1993 : *Advaita Mallabarman, A River called Titas, Translated with an introduction, An afterword and Notes*. University of California Press. Berkley. Web.
Biswas, Sravani, 2011 : "Nature and Humans in the imagination of Bengali Intellectuals of 1930s-1950s". Studies on Asia. Series iv. Vol. 1, No.2. Web.








# বৈতৰণীৰ সিপাৰে

**খিজুমণি শইকীয়া**
অধ্যাপিকা, ভূগোল বিজ্ঞান বিভাগ

ঃ অম্লান, ঐ অম্লান, কিমাননো আৰু পঢ়ি থাক! মোক জখলাটো ধৰি দেগৈ ব'লচোন।— পবীৰ চিঞৰত কিবা এটা পঢ়ি থকা অম্লানে খঙেৰেই ক'লে—

ঃ ৰাস্তাৰে ঘূৰি যাগৈ যা, মই নোৱাৰোঁ।

ঃব'লনা মোৰ প্ৰিয় বন্ধু, Please– পবীৰ আব্দাৰ।

ঃ তয়ে ক'চোন, বালখনৰ সিপাৰে আমাৰ ঘৰ, বালখনৰ এইপাৰে তহঁতৰ ঘৰ। অহা-যোৱা কৰিবলৈ ৰাস্তায়েদি ইমানদুৰ কিয় ঘূৰিব লাগে? ব'লনা জখলাটো ধৰি দেগৈ।

ঃ অহা বাটেৰে যাগৈ ঘূৰি, মই নোৱাৰোঁ— অম্লানৰ খঙভৰা উত্তৰ।

ঃ নাযাবনো কিয়? তাইক জখলাটো ধৰি সিপাৰ কৰি দেগৈ, মই ভাতত লাগি আছোঁ বাবেহে, নহ'লে ময়ে গ'লোহেঁতেন— পাকঘৰৰপৰা অম্লানক উদ্দেশ্য কৰি মাকে ক'লে।

ঃ যাব যদি নোৱাৰয়ে, আহে কিয় হা? মই তোৰ চাকৰ নেকি? স্কুল যাওঁতে দলং পাৰ কৰা, ঘৰত বাল পাৰ কৰা আদিবোৰ কৰি থাকিবলৈ।

ঃ নহয় অ', লওৱা নহয়। তই মোক নেপেলোৱাকৈ পাৰ কৰিব পাৰ বুলি মোৰ এশ শতাংশই বিশ্বাস আছে বাবেহে কওঁ।— পবীৰ গহীন উত্তৰ

ঃ ব'ল, সদায় কিন্তু মই তোক ইপাৰ-সিপাৰ কৰি থাকিব নোৱাৰো। আজি বাৰু পাৰ কৰাই দিম।— অম্লানে পবী ক জখলাটো ধৰি সিপাৰ কৰি দিবলৈ গৈ মুখেৰে ভোৰ্ভোৰাই থাকিল।

ঃ ধন্যবাদ মোৰ প্ৰিয় বন্ধু।— পবীয়ে বালখন পাৰ হৈ সিপাৰৰপৰা হাঁহি হাঁহি চিঞৰি ক'লে।

০০০

ঃ অম্লান, ঐ অম্লান, নাযাব নেকি আজি? উঠ আকৌ। দেৰিয়েই হৈছে, আঠ বাজি গ'ল। তই জানই দেখোন ন বজাৰ Physics ৰ ক্লাছটোত দেৰি হ'লে ছাৰে সোমাব নিদিয়ে।

পৰীৰ মাতত ধপ্‌ জপকৈ উঠা অম্লানে ঘড়ীটোলৈ চালে, আঠ বাজি পোন্ধৰ মিনিট। একেজাপে উঠি টাৱেলখন লৈ সি গা ধোৱা ঘৰলৈ দৌৰ দিলে।

পৰীয়ে অম্লানৰ শোৱা বিছনা, পঢ়া টেবুল কিতাপৰ বেগ আদি চিজিল কৰি পাকঘৰত কাম কৰি থকা বৰমাকৰ ওচৰলৈ গৈ মাত দিলে,—

ঃ বৰমা, আমাৰ মিনিষ্টাৰৰ ভাতকেইটা বাঢ়ি দিয়ক। মই পানী এগিলাচ যোগাৰ কৰি দিওঁ।

ঃ শুনিলে দিব তোক!— বৰমাকে তাইক হাঁহি হাঁহি ক'লে।

মাকে বাঢ়ি দিয়া ভাতকেইটা অম্লানে নাকে-কাণে গুঁজি কিতাপৰ বেগটো লৈ ওলাই গ'ল।

ঃ ঐ, ঐ, লাহে লাহে যাচোন।— অম্লানৰ পিছে পিছে প্ৰায় দৌৰি যোৱাৰ দৰে গৈ থকা পৰীৰ কথালৈ অম্লানে কাণসাৰেই নিদিলে। কিন্তু দলঙখনৰ ওচৰ পাই এবাৰ উভতি চাই ক'লে—

ঃ ঐ পাগলী, পাৰ কৰি দিব লাগে যদি সোনকালে আহ। নহ'লে মই এৰি থৈ গুচি যাম।

ঃ এৰা পালোঁহি— বুলি কোৱা পৰিয়ে অম্লানৰ বাঁওহাতখনত ভালকৈ ধৰি বাঁহৰ দলঙখনত ভৰি থ'লে। তাইৰ বিশ্বাস আছে, অম্লানে তাইক পাৰ কৰি দিব নেপেলোৱাকৈ।

দিন বাগৰিল...। অম্লান, অম্লান, পৰীৰ গগনফলা চিঞৰত অম্লান আৰু মাক বাহিৰলৈ ওলাই আহিল।

ঃ কিয় চিঞৰিছ এনেকৈ?— অম্লানে সুধিলে।

ঐ পক, তই আমাৰ H.S.ৰ Science Stream ৰ ৰিজাল্টত টেঁও কৰিছ বুলি কৈ পৰীয়ে আহি তাৰ গাল দুখন চেপি দিলেহি জোৰকৈ। তাইৰ স্ফূৰ্তিবোৰৰ বাহ্যিক প্ৰকাশ সুন্দৰকৈ প্ৰতিফলিত হ'ল।

হঠাৎ অম্লানে ভয়ে ভয়ে সুধিলে— 'তই বাৰু ফেইল কৰিলি নেকি?'

দস্তুৰমত ফাৰ্ষ্ট ডিভিজন পাই Botany ত লেটাৰ মাৰ্ক পাই পাছ কৰিছোঁ—পৰীয়ে সগৰ্বে ক'লে।

ইতিমধ্যে পৰীৰ মাক-দেউতাকক আদি কৰি ওচৰ-চুবুৰীয়া মানুহ আহি পিতৃহীন অম্লানৰ ঘৰৰ চোতালত ভিৰ কৰিলেহি। সন্ধিয়া পৰত অম্লানৰ মাকে পৰীৰ মাক-দেউতাকক ৰাতিৰ ভাতসাঁজ তেওঁৰ ঘৰতে খোৱাৰ নিমন্ত্ৰণ দিলে। কথামতেই কাম। ৰাতি ভাত-পানী খাই উঠি অম্লানৰ মাকে অম্লান আৰু পৰী দুয়োকে তেওঁৰ কাষলৈ মাতি নি বহিবলৈ দিলে। হাতত সৰু টেমা এটা লৈ দুয়োৰে মাজত বহি তেওঁ নিজৰ এটা সোণৰ আঙুঠি পৰীৰ হাতত দি আনটো সোণৰ আঙুঠি অম্লানক দি ক'লে—

তহঁত ওচৰ-চুবুৰীয়া হৈ দুয়োটা ডাঙৰ হৈছে যদিও দুয়োটা সমানেই মোৰ কলিজাটোৰ আপোন। দুয়োৰে হাতত মোৰ মৰমৰ চিন এটা আজিৰ এই সুন্দৰ দিনটোত তহঁতক উপহাৰ দিলোঁ। চম্ভালি ৰাখিবি

ইতিমধ্যে মাকে দিয়া আঙুঠিটো অম্লানে নিজৰ আঙুলিত পিন্ধিবলৈ চাই জোখ নিমিলা হোৱাত পৰীৰটো থাপ মাৰি নি দি নি নিজৰ আঙুলিত পিন্ধি চোৱাত খাপে খাপে খোৱা পালে। পৰীয়ে আস্ফালন কৰি উঠিল—

ঃ তই মোৰ আঙুঠিটো কিয় ল'লি?

অম্লানে নিজৰ আঙুঠিটো তাইক দি ক'লে—

ঃ চাচোন তোলৈ হয়নে জোখত।

ঃ অম্লানৰপৰা হাত পাতি লোৱা আঙুঠিটো নিজৰ আঙুলিত পিন্ধি চাই ক'লে—অলপ ঢিলা হয়, হ'ব দে। তই মোৰটোকে ল বাৰু। চাবিচোন মোৰ আঙুঠিটোৱে তোৰ সৌৰৱাই থাকিব পঢ়িবলৈ, আৰু এদিন তোৰ আঙুলিত সৰ্বদাই আকৌ মোৰ হাতলৈ ঘূৰি আহিব।

ঃ হ'ব দে, অম্লানে সাধাৰণভাৱেই ক'লে।

ঃ হ'ব দে বুলি ক'লেই নহয়, ডাক্তৰ হৈ মোক এইটো ঘূৰাই দিয়াৰ লগতে আৰু এটা নতুনকৈ বনাই দিবি। এটা কথা আজিয়েই কৈ থওঁ, তোৰ প্ৰথম ৰোগী মই হ'ম। কিনা পৰীক্ষা চাই দিবি।

ঃ তোৰ বিয়াত দিম দে আঙুঠিটো— অম্লানে হাঁহি ক'লে।

ঃ হয়নে? হ'ব দে এনেও মোৰ বিয়াত সকলোবোৰ তয়েই দিব লাগিব। মই কি এনেই তোক আলপৈচান ধৰি থাকোঁ নেকি?

ঃ শুনিলা মা, এই বেপাৰীজনীৰ কথা।— অম্লানে মাকক ক'লে।

ঃ মোৰ চকুৰ আগত দুয়োটা সদায় এনেকৈয়ে থাকিবি। ইয়াতেই মোৰ শান্তি—মাকে প্ৰত্যুত্তৰত ক'লে।

ঃ মইতো এনেও তোমাৰ লগতে থাকিম এনেকৈয়ে সদায়— কৈয়ে পৰীয়ে বৰমাকক সাবটি ধৰিলে।

ঃ থাকিবি, তই বাৰু সদায় মোৰ বুকুতে সোমাই থাকিবি।— অম্লানৰ মাকে পৰীৰ মূৰত মৰমেৰে হাত বুলাই ক'লে।

০০০

সময়ৰ কৰণিত দিনবোৰে বছৰ চুইছে। অম্লান চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হৈ থকাৰ মাজতে মাকৰ কিডনী ট্ৰান্সপ্লাণ্ট কৰিবলগা হ'ল। পৰীয়ে বৰমাকক নিজৰ এটা কিড্‌নী দিলে। বৰমাকৰ বাবে তাই আন কাকো এইখিনি কৰিবলৈ সুযোগেই নিদিলে। তায়েই যেন বৰমাকৰ একমাত্ৰ অভিভাৱক অনুপস্থিতিত। আনকি অম্লানৰ পঢ়া ক্ষতি হয় বুলিয়েই বৰমাকক নাৰ্চিংহোমৰ পৰা অনাৰ দুদিনমান পিছতেই তাক সোনকালে ঘূৰাই পঠালে গুৱাহাটীলৈ।

ফাইনেল পৰীক্ষা দিয়েই মাকৰ কাষলৈ ঢাপলি মেলা অম্লানে পৰীৰ খবৰ ল'বলৈ তাইৰ ওচৰলৈ গৈ স্তম্ভিত হ'ল। পৰীৰ ইমান শাৰীৰিক পৰিবৰ্তন! খীণাই দুৰ্বল হৈ পৰা ছোৱালীজনী জ্বৰত বিছনাত পৰি আছিল।

ঃ ঐ, তই এনেকৈ শুই আছ যে, চাওঁ জ্বৰ বেছি নেকি? অম্লানে তাইৰ কপালত হাতখন দি চাই আচৰিত হৈ গ'ল। ইমান বেছি জ্বৰ। —লগে লগে অম্লান নিজৰ ঘৰলৈ গ'ল। চিৰিঞ্জ এটা আনি পৰীৰ তেজৰ নমুনা লৈ পৰীক্ষা কৰিবলৈ দিবলৈ যাব ওলাই ক'লে,

ঃ মই বাৰু তেজৰ নমুনাটো পৰীক্ষা কৰিবলৈ দি আহোঁ। কিন্তু কাইলৈ ৰাতিপুৱাই মই যাবগৈ লাগিব। খুৰা ক'ত আছে? মই খুড়াক ৰিপৰ্টটো আনিবলৈ কৈ যাওঁ।

ঃ দেউতা ওলাই গৈছে। মই কৈ দিম যা। তই এনেয়ে চিন্তা কৰিছ।— পৰীয়ে ক'লে যদিও পিছমুহূৰ্ততে সুধিলে— অম্লান, তোৰ ৰিজাল্ট কেতিয়া দিব?

ঃ এই দুই-এমাহতে দিব।

ঃ কিয় সুধিলি?

ঃ এনেয়ে সুধিলোঁ— পৰীয়ে লাহেকৈ ক'লে।

ঃ ভাল হ'ব দে, জ্বৰহে, চিন্তা নকৰিবি।— অম্লানে ক'লে।

ঃ এহ্ মইতো তই ডাক্তৰ হৈ নহালৈকে এনেও নমৰো দে।— পৰীয়ে যেন বৰ কষ্টৰে হাঁহিবলৈ চাইছে। অম্লানে এবাৰ তাইৰ ফালে চাই মুখেৰে একো নকৈ লাহেকৈ ওলাই গ'ল।

০০০

অম্লানৰ ৰিজাল্ট ওলোৱা তিনিমাহ হ'ল। ডাক্তৰ হৈ ঘূৰি আহিল অম্লান। কিন্তু সি আচৰিত হ'ল, এই তিনিমাহতে যেন সকলো সলনি হৈছে। মাকৰ মুখত বয়সৰ চাপ সুস্পষ্ট, চুলিত কপালী অভিজ্ঞতাবোৰ যেন হঠাৎ বাঢ়ি গ'ল। মাকৰ লগত সম্মুখৰ কমতে বহি থকা পৰীৰ মাক-দেউতাকৰ স্বাস্থ্য ভাগি চকু কোটৰত সোমালগৈ। অম্লানে ভাবি নাপালে, কেনেকৈ আৰু কিয় হ'ল এই পৰিবৰ্তন? অম্লান আৰু বেছি আচৰিত হ'ল সেতিয়া পৰীক ক'তো নেদেখিলে। এদিন তাই কৈছিল—'চাবি দেই, এদিন মোৰ খবৰ তই আন মানুহক সুধিব লাগিব। এনেকৈ ওচৰে ওচৰে লাগি থাকি আলপৈচান ধৰি থকা বাবে তোৰ ফুটনি বাঢ়িছে।' পৰীৰ মাক-দেউতাকক মাত দি অম্লান ভিতৰলৈ গ'ল। নাই পৰী ক'তো নাই। অৱশেষত অম্লানে মাকক সুধিলে—

ঃ অ' মা, আমাৰ গাধীজনী দেখা নাই যে, গাঁও ফুৰিবলৈ গ'ল নিশ্চয়!

অম্লানৰ কথাত মাক ৰ'ব নোৱাৰিলে, হুকহুকাই কান্দি পেলালে।

ঃ কি হ'ল? কিয় কান্দিছা? তাই ক'লৈ গ'ল?— অম্লান বিবুধিত পৰিল মাকৰ ব্যৱহাৰত।

ঃ হ'ব সোণ, তই আগতে গা ধুই আহছোন, মই ভাত বাঢ়োগৈ। মাকে যেন কথাটো সলাবলৈহে চালে।

ঃ খাম বাৰু, কিন্তু তুমি কিয় কান্দিছা? তাই ক'ত আছে?— অম্লানৰ একো কথাৰে উত্তৰ নিদি মাক পাকঘৰলৈ গুচি গ'ল। উপায়ন্তৰ অম্লান গাধোৱা ঘৰত সোমাল।

ভাতপানী খাই অম্লানে টি.ভি.টো অন কৰি চাবলৈ বহিল। লগে লগে মাকো আহি তাৰ কাষতে ব'লহি।

ঃ মা বহা, এতিয়া কোৱাচোন, কিয় কান্দিছিলা তুমি।— অম্লানে তাৰ কাষতে মাকক বহিবলৈ ঠাই এৰি দিলে।

ঃ এৰা কৈছোঁ ৰ। পৰীৰ বাবেহে মোৰ মন বেয়া। ডাক্তৰে কৈছে তাই হেনো আৰু এসপ্তাহমানহে আলহী।— মাকে আৰু কথা ক'ব নোৱাৰি হুকহুকাই কান্দি দিলে।

ক্ষন্তেকৰ বাবে স্তব্ধ হৈ গ'ল অম্লান। মাকৰ আৰু ওচৰ চাপি সুধিলে—'কি হৈছে তাইৰ? মোক কোৱা নাই কিয়? যোৱাবাৰ মই আহোতে যে ব্লাড দিছিলোঁগৈ, ৰিপৰ্ট কি পালে?'

ঃ তাই তোক জনাই কষ্ট দিবলৈ আমাক বাৰম্বাৰ মানা কৰিছিল। এতিয়া আৰু তোক চিঞৰি চিঞৰি আমনি কৰিবলৈ তাই আহিব নোৱাৰে। সৰুতে পূৰ্ণিমাৰ জোনটো দেখিলেই তোক দেখুৱাই সেৱা কৰিবলৈ ক'বলৈ দৌৰি অহাৰ দৰে এতিয়া আৰু দৌৰি আহিব নোৱাৰে অ'।

ঃ তাইৰ হৈছে কি? ভালকৈ নোকোৱা কিয়?— অম্লানে নিজেই গম নোপোৱাকৈয়ে অধৈৰ্য হৈ মাকক প্ৰায় চিঞৰিয়েই সুধিলে।

ঃ কৈছোঁ ৰ, তই পঢ়িবলৈ যোৱা পহিলা অৱস্থাতে মোৰ কিড্‌নী সলাবলগীয়া হোৱাত পৰীয়ে যে তাইৰ এটা কিড্‌নী মোক দিছিল, তাৰ পাছতে তাইক তেজ দিয়া হৈছিল। ডাক্তৰে দেখোন তেজৰ নমুনা পৰীক্ষা কৰিয়েই তাইক দিছিল, কিন্তু এতিয়া...। মাকে কান্দি কান্দিয়েই আকৌ ক'ব ধৰিলে, তাইৰ আজি বহু দিনৰপৰা জ্বৰ হৈয়ে থাকে। তই সিদিনা পৰীক্ষা কৰিবলৈ দিয়া তেজৰ নমুনাত তাইৰ দেহত HIV ৰ প্ৰমাণ পোৱা গ'ল। ইয়াৰোপৰি তাইৰ কিড্‌নীটো ইনফেক্‌চন হৈছে।

ডাক্তৰেই হাত দাঙিছে, তথাপি ঔষধ দিছে যদাতে ৰাখি থুৱাই থাকিবলৈ। তাই মোক কি কৈছে জান, তাই মৰি গ'লেও হেনো মোৰ দেহৰ ভিতৰতে এটা জিলুনীৰ ৰূপত সোমাই থাকিব। মই তাইক সযতনে ৰাখিমনে সুধিছে মোক। ভগৱানে কি বিচাৰ কৰিলে অ' এয়া?

অম্লান মূক হৈ গ'ল। কি শুনিছে সি এয়া? লাহে লাহে সি ধৰৰপৰা ওলাই পৰীহঁতৰ ঘৰ পালেগৈ। লাহেকৈ পৰীৰ কমৰ দুৱাৰমুখৰপৰা মাত দিলে—

: পৰী, অ' পৰী...।

: অম্লান, আহ আকৌ।— পৰীয়ে তাক শুই থকাৰ পৰাই মাত দিলে। নিজৰ কাষতে তাক বহিবলৈ হাতেৰে দেখুৱাই দিলে।

অম্লানে তাইক সঁহাৰি দি তাইৰ কাষতে বহিল। তাৰ যেন ভাষাবোৰ হেৰাই গ'ল। কি সুধিব তাইক?

পৰীয়ে তাৰ সোঁহাতখনৰ আঙুলিটো দেখুৱাই ক'লে—

: অম্লান চা, তোৰ আঙুলিত মোৰ আঙুঠিৰ সাঁচ। তাই যেন অলপ হাঁহিবলৈ চেষ্টা কৰিলে, বৰ কষ্টত।

: পৰী, তোক মই আটাইতকৈ ভাল হস্পিতাল আৰু ভাল ডাক্তৰৰ ওচৰলৈ লৈ যাম। তোৰ একো নহয়। মোৰ ওপৰত তোৰ বিশ্বাস আছেতো। ময়ো ডাক্তৰ হিচাপে তোক বহুতখিনি চিকিৎসা কৰিব পাৰিম। তই চিন্তা নকৰিবি।

: নালাগে অ' অম্লান। আজি আকৌ কওঁ, তোক মই নিজতকৈ বেছি বিশ্বাস কৰিলোঁ। মই মৰিলে তোৰ কান্ধত উঠিয়েই যাম, বৈতৰণীৰ সিপাৰে। থৈ আহিবিনে মোক সিপাৰে?

: চুপ কথা নক'বি, ব'ল উঠ আমাৰ ঘৰলৈ যাওঁ। মই জগনাটো ধৰি দিম।— নিজক লুকুৱাই কথাখিনি ক'বলৈ চেষ্টা কৰিলে যদিও অম্লানৰ চকুপানী বৈ আহিছিল। ইতিমধ্যে অপলকভাৱে অম্লানৰ মুখলৈ চাই থকা পৰীৰ দুচকুৰে বৈ যোৱা চকুপানীবোৰ গালত টোপাটোপে পৰিছিল। অম্লানে ঘৰমেৰে তাইৰ মূৰটো নিজৰ কোচলৈ আনি তাইৰ চকুপানীবোৰ মচি দি বৈ গ'ল, পৰীৰ গাৰুৰ কাষত এটা সময়ত তাইৰ নতুন কাঠপেঞ্চিল আৰু ৰবৰ ডাপৰ লগত সি দলাই লোৱা তাৰেই আধা লিখা চুটি কাঠপেঞ্চিল ডাল আৰু ৰবৰডাল। কি দেখিছে সি এয়া? অৰ্থাৎ...? বাকৰুদ্ধ অম্লান। কিয় বুজি নাপালে সি? লাহেকৈ ৰবৰডালৰ সৈতে কাঠপেঞ্চিলডাল অম্লানে হাতত তুলি লৈ কিবা ক'ব খোজোতেই পৰীয়ে কৈ গ'ল—

: দেৰি হৈ গ'ল অ'। মোৰ যাবৰে হ'ল এতিয়া। সন্ধ্যা তৰাটো হৈ মই তোক চাই থাকিম আকাশৰপৰা, তই তালৈ থাকিবি সদায়। পূৰ্ণিমাৰ জোনটো সেৱা কৰিবি, নাপাহৰিবি কিন্তু।

অম্লানে পৰীক কোচৰপৰা বুকুৰ মাজলৈ সুমুৱাই লৈ হুকহুকাই কান্দি পেলালে।

: মোক এবাৰো কিয় ন'ক'লি পৰী, কিয় ন'ক'লি? নিৰুত্তৰ পৰীক বুকুত লৈ অম্লানে কিমান সময় কান্দিলে গম নাপায় যদিও হঠাৎ পৰীৰ মাকৰ চিঞৰত অম্লানে সচেতন হৈ পৰীৰ দেহৰ



অনুভৱ কৰিলে পৰীৰ দেহৰ শিথিলতা। ইতিমধ্যে অম্লানৰ মাক উধাতু খাই আহি বিবৰ্ণ মুখেৰে পৰী পৰী বুলি চিঞৰি কান্দিবলৈ ধৰিলে। পৰীৰ দেউতাক, ওচৰ-চুবুৰীয়া আহি পৰীহঁতৰ ঘৰ ভৰি পৰিলহি।

অম্লানে পৰীক গাৰুটোত লাহেকৈ শুৱাই দিলে, তাৰ কাঠপেঞ্চিল ডাল আৰু ৰবৰ ডালৰ কাষতে। সকলোৱে কান্দিছে...।

অম্লানৰ মাকে পৰীৰ মূৰত হাত ফুৰাই কান্দি কান্দিয়েই ক'লে— তই মোৰ দেহৰ ভিতৰত আহ, মই জীয়াই থকালৈকে সযতনে ৰাখিম তোক, মোৰ মৰমত, নিজৰ তলপেটত হাতখনেৰে ধৰি হুকহুকাই কান্দি উঠিল তেওঁ। অম্লানৰ ফালে চাই আকৌ ক'লে—

: যা সোণ, তাইক বৈতৰণীৰ সিপাৰে থৈ আহগৈ, যা...

শেষবাৰৰ বাবে কান্ধত পৰীৰ শবদেহ লৈ দলংখন পাৰ হওঁতে অম্লানৰ কলিজাটোৱে হাহাকাৰ কৰি উঠিল। এবাৰ তাইক যে সি শেষবাৰৰ বাবে পাৰ কৰাই দিছে!

পৰীৰ চিতাৰ কাষত আঁঠুত মুখ গুঁজি কন্দা অম্লানে হাহাকাৰবোৰৰ ভাগ-বতৰা কৰিবলৈ আজি কাষত পৰী নাই। নিসংগতাৰ দোলনাত অম্লানে যেন বলিয়াৰ দৰে পৰীক কাষত খেপিয়াবলৈ ধৰিলে। হঠাৎ পৰীৰ কথামতে সি আকাশলৈ চালে, ভৰুণ জোনটোৰ কাষত এটা তৰা তিৰ্‌বিৰকৈ জিলিকি আছে। অম্লানৰ চকুপানীৰ টোপালবোৰো যেন তৰাটোৰ লগত মিলি জিলিকি উঠিল। নিজৰ অলক্ষিতেই অম্লানে হাতযোৰ কৰি ভৰুণ জোনটোক সেৱা কৰিলে, যেন নতুন এজনী বৈতৰণীৰ এইপাৰৰ পৰা।







# বনফুল

**শৰ্মিষ্ঠা দেৱী**
সহকাৰী অধ্যাপিকা, বাণিজ্য বিভাগ

: বনফুল, অ' বনফুল

: ...

: বনফুল, ইমান পৰে তোৰ উঠিবৰে হোৱা নাইনে? কামলৈ নাযাৱ নেকি?

: ...

: শুই থাক তই, মই যাওঁ।

চকু নেমেলাকৈয়ে বুজি পাইছিল বনফুলে সেয়া ৰতনৰ ঘৈণীয়েক শেৱালিৰ মাত। সদায় লগ হবাৰ দৰে আজিও আহিছে তাইৰ লগত একেলগে কামলৈ ওলাই যাবলৈ। দুয়োজনীৰে কাম কৰা মানুহকেইঘৰ একেটা চুবুৰিৰে। সেয়ে পুৱা শেৱালিৰ লগতে ওলাই যায় বনফুল। যাওঁতেই দুয়োজনীয়ে পৰস্পৰৰ মনৰ কথাবোৰ ভাগ-বতোৰাৰা কৰে। ৰতনহঁতৰ পৰিয়ালত মানুহ বুলিবলৈ সিহঁত দুটাই।

দেওবৰীয়া হাটত পাচলি বিক্ৰী কৰিছিল ৰতনে। উভতি অহা বাটত প্ৰায়ে লগ কৰিছিল শেৱালিক। তায়ো এক নিৰ্দিষ্ট সময়ত আলিমূৰত বৈ থাকে তাৰ সৈতে মনৰ কথা পাতিবলৈ। সেই শেৱালিকে একেবাৰে নিজৰ কৰি লৈ অনা আঠ বছৰ হ'ল। কিন্তু বেচেৰী শেৱালিৰ এটাই দুখ কোলাত এতিয়ালৈকে ল'ৰ পৰা নাই নিজৰ বুলিবলৈ বংশমানি এটা। সেয়েহে ৰতনৰ পাচলিৰ বেপাৰেৰে চলি যায় যদিও তাই ব্যস্ত থাকিবলৈকে, ক'বলৈ গ'লে দুখৰ কথাটো পাহৰি থাকিবলৈকে ওলাই আহে মানুহৰ ঘৰত কাম কৰিবলৈ।

ইফালে বনফুলে দুখৰ মানুহৰ বাচন ধুই, ঘৰ মচি, কাপোৰ ধুই পোৱা টকাৰ অতিৰিক্ত কেইটা সাঁচি ৰাখে। সাঁচতীয়া পইচাকেইটাৰে তাই এইবাৰ টিনপাত অলপ কিনিব বুলি ভাবি থৈছে। সিহঁতৰ দুকোঠলীয়া খেৰৰ ঘৰটোত বৰষুণ দিলে পানী পৰে। অসুখীয়া মাকজনীৰ সৈতে তাইৰ বৰ জুলুম হয় তেতিয়া। এনেই ঠাই কম। তাতে আকৌ বৰষুণ পৰি একেবাৰে অৱস্থা নোহোৱা হয়। হওঁতে তাইৰ সৰু ব্যৱসায় এটাও নথকা নহয়। তিনিআলিৰ মূৰত থকা গেলামালৰ দোকানখনৰ কাষতে তাই সন্ধ্যাপৰত পকৰি বনাই বেচে— দহটাত পাঁচ টকাকৈ। মগুদাইল আৰু পিঁয়াজ সৰহকৈ দি বনোৱা তাইৰ মচমচীয়া পকৰিকেইটাৰ নাম আছে সেই এলেকাত। গতিকে বিক্ৰী ভাল তাইৰ। এইবাৰ পূজাৰ পিছতেই ঘৰটো ঠিক কৰিব লাগিব। তাইৰ সাঁচতীয়া পইচা ৰখা সেউজীয়া, অলপ মামৰে ধৰা টিনৰ বাকচটোত এক বাণ্ডিল টিনপাত কিনিব পৰাকৈ পইচা গোট খাইছেই। মোটামুটি কামটো হৈ যাব লাগে।

কথাটো ভাবিয়েই তাই বিছনাৰপৰা উঠিল আৰু পুৰণা ট্ৰাংকটোৰপৰা উলিয়াই আনিলে সেউজীয়া

টিনৰ বাকচটো। দ্বিতীয় নে তৃতীয় শ্ৰেণীত থাকোঁতে দেউতাকে তাইক উপহাৰ দিয়া বাকচটো তাইৰ খুব প্ৰিয়। বাকচটো চুলেই তাই মৃত দেউতাকৰ পৰশ পোৱা যেন পায়। তাই হাইস্কুলত থাকোঁতেই মাছুৰে দেউতাকৰ লগতে মৰমৰ ককায়েকটোকো বৰলুইতে নিজৰ বুকুত সুমুৱাই লৈছিল চিৰদিনৰ বাবে। তেতিয়াৰপৰা মাক আৰু তাই দুয়ো পৰস্পৰৰ সাৰথি। অসুখীয়া যদিও মাকজনীয়েই তাইৰ সাহস। নহ'লে মানুহৰ লোলুপ দৃষ্টিবোৰৰপৰা তাই কোনো মতেহে বাচি আছে ইমানদিনে। ধুনীয়া নহ'লেও শৰীৰিক কষ্ট কৰি আছে কাৰণেই হয়তো আটিল শৰীৰটোত মানুহৰ চকু নপৰা নহয়। খুব ভয় হয় তাইৰ মাজে মাজে। সক সক মানুহবোৰ কথাই নাই, ডাঙৰ মানে তথাকথিত ভদ্ৰ সমাজৰ পৰাও বৰ সাৱধানে থাকিব লাগে তাই।

কথাবোৰ গুণা-গঁথা কৰি থাকোঁতেই বহুত পলম হৈ গ'ল ইতিমধ্যে। তাই আৰু কামলৈ যাবলৈ মন নকৰিলে। ঘৰৰ লেখুৱাই আহিব আজিয়েই। দুদিনমানৰপৰা মাকৰ কাঁহটো বেছি হৈছে। কালি ৰাতিও এজনীও গুৰুপৰা নাই ভালকৈ। গতিকে সকলো ভাবি-চিন্তি তাই নোযোৱাটোকে ঠিক কৰিলে। মাষ্টৰৰ ঘৰত তাইক একো নকয়, কিন্তু সেই ঘোচখোৰ কেৰাণীৰ ঘৈণীয়েকজনীয়ে মুখচোকা। বস্তু এটাৰ অলপ ইফাল-সিফাল হ'লেই সি কেইটাহে গালি পাৰিব, অসম পুলিচৰ কুচ-কাৱাজৰ ট্ৰেইনিং দিয়া পুলিচেও লাজ পাই যাব। তথাপি তাই নাযায় আজি। লাগিলে গালিকেইটাকে শুনিব। মাকক তাই চিভিললৈ নিবই। মনতে সিদ্ধান্ত কৰিব লগা কামখিনিৰ কথা ভাবি হাতত বাল্টি দুটা লৈ ভাবিলে— মাকৰ কামকেইটা কৰি আজৰি হৈ লোৱাই ভাল।

মাকক গা-পা ধুৱাই তাই কিবা এটা খুৱাই ল'লে আৰু ওলাই আহিল ঘাটলৈ বুলি। আগেয়েতে দুৱাৰখন বাহিৰৰপৰা মাৰি থৈ আহিল। দুইহাতে দুটা বাল্টি লৈ তাই ওচৰৰ ঘাটটোলৈ খোজ পোনালে। মাকক তেনেকৈ এৰি আহিবলৈ তাই অলপো ভাল নাপায়। কিন্তু উপায় নাই। তাইৰ বাহিৰে বাকী কামবোৰনো কোনে কৰিব? বেয়া লাগে তাইৰ মাকজনীলৈ। দেউতাক আৰু ককায়েক ঢুকোৱাৰ বেথা বুকুত লৈ অকলেই ডাঙৰ কৰিলে তাইক অ'ত-ত'ত কাম কৰি। সেয়েহে হয়তো স্বাস্থ্য ভাঙি গ'ল আৰু বেমাৰেও লগ লেখা হ'ল। এতিয়া সম্পূৰ্ণ বিছনাতে মানুহজনী।

ঃ উস্

নিজৰ মুখৰপৰাই শব্দটো ওলাই অহাৰ লগে লগে তাইৰ ভাবনাত যতি পৰিল। তললৈ খুব কৰি দেখিলে— শিলগুটিত উজুটি খাই তাইৰ ভৰিৰ বুঢ়া আঙুলিৰপৰা তেজ ওলাই আহিছে। দুই হাতৰ বাল্টি দুটা বাস্তাৰ কাষতে থৈ তাই কি কৰিব ভাবি ডিঙিৰ দুপাট্টাখনৰে চুক এটা ফালি আঙুলিটো বান্ধি পেলালে। মনটো বেয়া লাগিল অলপ বনফুলৰ। কিবা এটা যেন হ'ব আজি। উজুটি খাই তেজ ওলালে হেনো কিবা নহ'বলগীয়া ঘটনা ঘটে। তথাপিও গ'ল তাই কাপোৰ ধোৱা ঘাটলৈ। ঘাট পাই এটা বাল্টিত চাৰ্ফ অলপ সৰহকৈ দি তাই প্ৰথমে তিয়াই ল'লে কাপোৰকেইটা। কাপোৰকেইটা তিতে মানে তাই আঙুলিটোৰ কিবা ব্যৱস্থা কৰিব পাৰি নেকি চালে। ঘাটটোৰ অলপ আঁতৰত দেখিলে বিশল্যকৰণীৰ জোপোহা এটা। তাৰে পাতকেইটামান ছিঙি তাই মোহাৰি ল'লে আৰু কাপোৰখনেৰে ভালকৈ বান্ধি দিলে।

কাপোৰকেইটা ধুবলৈ আকৌ ঘাটলৈ বুলি আহোঁতেই তাইক কোনোবাই চিএঁৰি মতা শুনিলে। ভালকৈ কাণ উনাওঁতে বুজি পালে— সেয়া শেৱালিৰ মাত। মাতটো অহাৰ পিনে তাই উভতি চালে। দেখিলে— শেৱালি উধাতু খাই লৰি আহিছে। মুখমণ্ডলত আতঙ্কৰ চিন। নিশ্চিত বিপদৰ উমান পালে বনফুলে। তায়ো দৌৰি আগবাঢ়ি গ'ল শেৱালি অহাৰ পিনে। ওচৰ পাওঁতে শেৱালিয়ে ফোপাই-জোপাই মাথোঁ ক'লে— 'ঘৰলৈ ব'ল, ঘৰলৈ ব'ল বনফুল। মই কামৰপৰা ঘৰলৈ বুলি আহি থাকোঁতে দেখিছোঁ— চৰকাৰী মাটিত বেদখল কৰা বুলি তহঁতৰ ঘৰটো উচ্ছেদ কৰিবলৈ পুলিচৰ গাড়ী আহিছে। তই ব'ল এতিয়াই।' কথাখিনি শুনি তৰা-নৰা ছিঙি বনফুল মাথোঁ দৌৰিছে ঘৰ অভিমুখে।

ঘৰৰ ওচৰ পাই মানুহবোৰৰ মুখৰপৰা উফৰি অহা শব্দবোৰৰপৰা তাই বুজিছিল যে সিহঁতৰ মাটিখিনি হেনো চৰকাৰী। কিন্তু তাইৰ জন্মৰো বহু বছৰৰ আগতে গঢ় লোৱা সিহঁতৰ ঘৰৰ ভেটিটো যে সিহঁতৰ নামজাৰী কৰা নহয়, তাই ভুলতো ভাবিব নোৱাৰে। ঘৰৰ চোতাল পাই বনফুল পাগলৰ দৰে হ'ল। তাইৰ মৰমৰ মাকক যে পুলিচকেইটাই চোতালৰ চোতালত পেলাই থৈছে। কেনেকৈ সহ্য কৰে তাই? দৌৰি গৈ তাই মাকক সাৱটি ধৰিলেগৈ। তাইৰ পিঠিত পৰিল পুলিচৰ লাঠিৰ দুকোবমান। দুজন পুলিচে তাইৰ দুবাহুৰপৰা মাকৰ আঁতৰাই লৈ গ'ল। উপায় নাপায় তাই এজনৰ ভৰিত সাৱটি ধৰিলে আৰু কাকুতি-মিনতি কৰিবলৈ ধৰিলে। কিন্তু একেবাৰেই টলাব নোৱাৰিলে পুলিচকেইজনক। তেওঁলোকৰ খাকী ইউনিফৰ্মবোৰৰ দৰেই চাপে ডাঠ অন্তৰখনো। তেজ বৈ যোৱা আঙুলিটোৰে চুঁচৰি চুঁচৰি গৈয়ো যেতিয়া তাই পুলিচজনৰ ভৰিটো এৰি নিদিলে, তেওঁ গুৰিয়াই দিলে তাইক। তৎ-তৎ খাই তাই পৰিলগৈ সিহঁতৰ ঘৰৰ দুৱাৰদলিত। যথেষ্ট দুখ পোৱা সত্বেও উঠিবলৈ চেষ্টা কৰি দেখিলে— সিহঁতৰ ট্ৰাঙ্কটো এজন পুলিচে টানি উলিয়াই বগৰাই দিছে আৰু তাৰপৰা উফৰি পৰিছে টিনপাত কিনিবলৈ গোটাই থোৱা তাইৰ ইমানদিনৰ কষ্ট আৰু তাইৰ দেউতাকৰ পৰশ লাগি থকা মৰমৰ সেউজীয়া টিনৰ বাকচটো।








# সুৰা সমাধি

গীতিকা শইকীয়া
স্নাতক ১ম ষাণ্মাসিক

**বীৰেন্দ্ৰ** কুমাৰ বৰুৱা আছিল এজন শিক্ষিত যুৱক। তেওঁৰ ঘৰ তেজপুৰত। তেওঁ তেজপুৰতে স্থায়ীভাৱে বাস কৰে। বীৰেন্দ্ৰ কুমাৰ বৰুৱাৰ গৃহস্থীত বৰ্তমান মানুহ চাৰিজন। তেওঁৰ পিতৃ, মাতৃ, একমাত্ৰ ভনীয়েক আৰু তেওঁ। তেওঁৰ পিতৃও আছিল এজন বৰ সহজ-সৰল ব্যক্তি। আনহাতে বীৰেন্দ্ৰ কুমাৰ বৰুৱা সৰুকালত বহুত সহজ-সৰল আৰু নম্ৰ আছিল। তেওঁৰ ব্যৱহাৰ ভাল হোৱাৰ কাৰণে সকলোৱে তেওঁক বৰ ভাল পায়। বীৰেন্দ্ৰ কুমাৰ বৰুৱাই তেজপুৰৰ এখন হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষা সাং কৰি গুৱাহাটীৰ কটন কলেজৰপৰা সুখ্যাতিৰে বি. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। বি.এ. পাছ কৰাৰ পিছতেই তেওঁ এখন চৰকাৰী হাইস্কুলত শিক্ষকতা কৰিবলৈ লয়। বীৰেন্দ্ৰ কুমাৰ বৰুৱা সহজ-সৰল ব্যক্তি হোৱাৰ বাবেই তেওঁক সকলো মানুহেই বৰ ভাল পায় আৰু সকলো মানুহেই তেওঁক সন্মান কৰে। বৰুৱাই চাকৰি পোৱাৰ কিছু বছৰৰ পাছত তেওঁ লখিমপুৰৰপৰা এজনী শিক্ষিত যুৱতীক বিয়া কৰায় আৰু তেওঁ দুটি সন্তানৰ বাপেকী হয়। তেওঁ প্ৰথম অৱস্থাত একো নিচা জাতীয় দ্ৰব্য সেৱন কৰা নাছিল। এদিন তেওঁৰ বন্ধু এজনে মদ খাই আছিল আৰু তেওঁ সেই সময়ত বন্ধুজনৰ নিচেই কাষতে বৈ আছিল। বন্ধুজনে তেওঁৰ মুখৰ আগলৈ মদ এগিলাচ আগবঢ়াই দি তেওঁক সেৱন কৰিবলৈ ক'লে। বন্ধুজনে তেওঁক বহুত জোৰ কৰিলে সেই মদ সেৱন কৰিবৰ বাবে আৰু তেওঁক খাবৰ বাবে বাধ্য কৰালে। পিছদিনাখনো তেওঁ মদ সেৱন কৰিলে। এনেদৰেই তেওঁৰ মদ খোৱাটো অভ্যাসত পৰিণত হ'ল আৰু মদৰ প্ৰতি তেওঁ আকৰ্ষিত হৈ পৰিল অৰ্থাৎ তেওঁ মদ এৰিব নোৱৰা হৈ পৰিল। আন এদিনাখন তেওঁ মদৰ দৰেই চিগাৰেট সেৱন কৰিবলৈ ল'লে। তেওঁ এদিন-দুদিন কৰি খাওঁতে খাওঁতে তেওঁৰ সদায় খাবৰ মন গ'ল আৰু সেই দ্ৰব্য সেৱন কৰাটো তেওঁৰ অভ্যাসত পৰিণত হ'ল। তেওঁ সেই নিচাযুক্ত দ্ৰব্যৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হ'ল। যেনেদৰে চুম্বক এডোখৰে কিম্বা এটা বস্তু নিজৰ ফালে আকৰ্ষণ কৰি লয়।

আনহাতে, যিদিনাখনৰ পৰাই তেওঁ মাদক দ্ৰব্য সেৱন



কৰিবলৈ ল'লে আৰু সেইদিনাৰপৰাই তেওঁলোকৰ সংসাৰত জুই লাগিল। তেওঁ সেই দ্ৰব্য সেৱন কৰি আহি তেওঁৰ পত্নীৰ ওপৰত অত্যাচাৰ চলাবলৈ লয়। তেওঁৰ নিজৰ সন্তানৰ প্ৰতিও দয়া-মৰম নাইকিয়া হৈ পৰিল। তেওঁৰ ঘৰখনত শান্তি বুলিবলৈ নাইকিয়া হ'ল, কেৱল অশান্তিহে। তেওঁ মদৰ ভাটিৰপৰা সদায় ৰাতি দেৰিকৈ আহি ঘৰ সোমায়। এদিন তেওঁ দেৰিকৈ অহা কাৰণে পত্নীয়ে গালি পাৰিলে আৰু ঘৰ সোমাবলৈ দৰ্জা খুলি দিবলৈ মান্তি নহ'ল। কিন্তু তেওঁ দৰ্জা খুলি নিদিয়াৰ বাবেই দৰ্জা গুৰিয়াই ভাঙি পেলায় আৰু ভিতৰলৈ সোমায়। তেওঁ পত্নীৰ ওপৰত শাৰীৰিক অত্যাচাৰ চলাবলৈ লয়। তেওঁৰ পত্নীয়ে বিয়া হৈ অহা দিন ধৰি এদিনো শান্তি নাপালে, তেওঁ সদায় চকুলো টুকি থাকিবলগীয়া হয়। বীৰেন্দ্ৰ কুমাৰ বৰুৱাৰ পত্নীৰ লগতে সন্তানেও অত্যাচাৰ সহ্য কৰিব লগা হৈছে আৰু দেউতাকে সদায় মদ খাই আহি কাজিয়া কৰি থকাৰ ফলত ল'ৰা-ছোৱালীৰ পঢ়াৰ ক্ষতি হয় আৰু তেওঁলোকে কোনোদিনেই সুস্থ মনেৰে পঢ়িব নোৱাৰে। বীৰেন্দ্ৰ কুমাৰ বৰুৱাৰ সন্তানে তেওঁৰ দোষতেই স্কুল এৰিব লগীয়া হ'ল। তেওঁলোকে স্কুল এৰাৰ একমাত্ৰ কাৰণ হ'ল নিজৰ দেউতাক। তেওঁলোকৰ পঢ়া-শুনাৰ বাবে ঘৰখনত যি পৰিবেশ লাগে সেই পৰিবেশ আজি তেওঁলোকৰ ঘৰত নাই। তেওঁ লাহে লাহে স্কুললৈও যাবলৈ বাদ দিলে। বীৰেন্দ্ৰ কুমাৰ বৰুৱাই সেইখন স্কুলৰপৰা অৱসৰ লোৱাৰ পাছত যিমান টকা তেওঁ পাইছিল, সেই সকলোবোৰ টকা মাদক দ্ৰব্য সেৱন কৰিয়েই আদায় কৰি পেলায়। তেওঁৰ ঘৰত এটকাও নিদিয়ে ফলত তেওঁৰ পত্নী, সন্তানে খোৱা-বোৱাত বহুত কষ্ট পালে। তেওঁলোকে কেতিয়াবা লঘোণে থাকিব লগাত পৰিছিল।

বীৰেন্দ্ৰ কুমাৰ বৰুৱাৰ হাতত যেতিয়াই মাদক দ্ৰব্য সেৱন কৰিবলৈ এটকাও নাইকিয়া হৈ পৰে, তেতিয়া তেওঁ পাগল মানুহৰ দৰে হৈ পৰে। যেতিয়াই তেওঁৰ হাতত ধনৰ অভাৱ হয় তেতিয়াই তেওঁ পত্নীৰ গহনা বিক্ৰী কৰিবলৈ লয়। বীৰেন্দ্ৰ কুমাৰ বৰুৱাই এপদ-দুপদকৈ বিক্ৰী কৰোঁতে কৰোঁতে তেওঁ পত্নীৰ গহনা বিক্ৰী কৰি সকলোবোৰ আদায় কৰে। আৰু তেওঁৰ পত্নীয়ে গহনা বেচাৰ কথা গম পাই বীৰেন্দ্ৰ কুমাৰ বৰুৱাক গালি পাৰিলে আৰু সেই গালিয়েই গৈ পাছত কাজিয়াৰ সৃষ্টি হয় আৰু তাৰ ফলত ঘৰৰ কিছুমান বয়-বস্তুৰ ক্ষতি হয় অৰ্থাৎ বীৰেন্দ্ৰ কুমাৰ বৰুৱাই খঙতে ভাঙি-ছিঙি পেলায়। সেইদিনৰপৰা তেওঁলোকৰ ঘৰত আৰু আগতকৈ বেছিহে অশান্তিৰ সৃষ্টি হ'ল। তেওঁ পত্নীৰ গহনা বিক্ৰী কৰি পোৱা টকাৰে কিছুদিন চলে, আৰু সেই টকা আদায় হোৱাৰ পাছত ঘৰৰ বাচন-বৰ্তন আদি বিক্ৰী কৰিবলৈ লয়। এনেদৰেই তেওঁ দিনে দিনে ঘৰৰ সকলো সম্পত্তি বিক্ৰী কৰি পেলায়। তেওঁৰ সম্পত্তি বুলিবলৈ একো নাইকিয়া হৈ পৰে। বীৰেন্দ্ৰ কুমাৰ বৰুৱা টকাৰ অভাৱত মাদক দ্ৰব্য সেৱন কৰিব নোৱৰা হ'ল আৰু তেওঁ শাৰীৰিকভাৱে ৰোগগ্ৰস্ত হৈ পৰিল। ৰোগগ্ৰস্ত বীৰেন্দ্ৰ কুমাৰ বৰুৱাৰ চিকিৎসা কৰিবৰ বাবে তেওঁৰ হাতত এটকাও নাইকিয়া হৈ পৰে। তেওঁৰ পত্নীয়ে কিবা এপদ গহনা বিক্ৰী কৰি চিকিৎসা কৰিব বাবেও তেওঁ একো নথ'লে, সকলোবোৰ বেচি সাং কৰিলে। বীৰেন্দ্ৰ কুমাৰ বৰুৱাই সকলো টকা, পইচা, পত্নীৰ গহনা, বাচন-বৰ্তন, সকলোবোৰ ঘৰৰ বস্তু ধপাত, চিগাৰেট, মদ খাওঁতেই শেষ হৈ গৈছিল। ফলত তেওঁৰ চিকিৎসা কৰিব নোৱাৰিলে। বীৰেন্দ্ৰ কুমাৰ বৰুৱাৰ সু-চিকিৎসা নহ'বাৰ বাবে তেওঁ সম্পূৰ্ণৰূপে এজন অসুস্থ ব্যক্তিলৈ পৰিণত হ'ল। তেওঁৰ শৰীৰৰ ভিতৰত বহুতো ৰোগে বাহ ল'লে। যেনে— হৃদৰোগ, কেন্সাৰ আদি নানা ধৰণৰ ৰোগে তেওঁৰ শৰীৰ এফালৰপৰা খুলি খুলি খাই গ'ল। বীৰেন্দ্ৰ কুমাৰ বৰুৱাক প্ৰথম অৱস্থাত সকলো মানুহেই ভাল পাইছিল আৰু তেওঁৰ কিবা অসুবিধা হ'লে সকলোৱে তেওঁক সহায় কৰিবলৈ আগবাঢ়ি গৈছিল। কিন্তু যেতিয়াই তেওঁ মাদক দ্ৰব্য সেৱন কৰিবলৈ ল'লে, সকলোৱে তেওঁক হীন চকুৰে চাবলৈ ল'লে। এতিয়া তেওঁক সহায় কৰোঁতা কোনো নাই। বীৰেন্দ্ৰ কুমাৰ বৰুৱা শাৰীৰিকভাৱে অসুস্থ হোৱাৰ মূল কাৰণেই হ'ল মাদকদ্ৰব্য সেৱন কৰা। তেওঁ নিজৰ দোষতেই আনেক ৰোগ তেওঁ নিজেই চপাই ল'লে। যাৰ ফলত তেওঁ এজন অসুস্থ ব্যক্তি হৈ পৰিল। এনেদৰেই বীৰেন্দ্ৰ কুমাৰ বৰুৱাৰ এদিন সুৰা সমাপ্তি সম্পন্ন হ'ল।







# বেদনা

**নাজিৰা আহমেদ**
স্নাতক ১ম যাণ্মাসিক

এখন চহৰত এটা সৰু পৰিয়ালে বাস কৰিছিল। তেওঁলোকৰ পৰিয়ালটোত আছিল পিতৃ-মাতৃ আৰু একমাত্ৰ সন্তান নিবিড় চৌধুৰী। নিবিড়ৰ মাক-দেউতাক দুয়োজন চৰকাৰী চাকৰিয়াল আছিল। তেওঁলোকৰ একমাত্ৰ সন্তান নিবিড়ো পঢ়া-শুনাত বহুত আগ্ৰহী আছিল। সি এইবাৰ নৱম শ্ৰেণীত। নিবিড়ে ভালকৈয়ে পঢ়া-শুনা কৰিছে যদিও দেউতাকে তাক অতি বেছি ভালকৈ পঢ়িবলৈ ক'লে। অলপ দিনৰ পাছতে সি নৱম শ্ৰেণীৰপৰা দশম শ্ৰেণলৈ উত্তীৰ্ণ হ'ব লাগিব। ৪-৫ মাহৰ পিছত নিবিড় এইবাৰ দশম শ্ৰেণীত। দশম শ্ৰেণীৰ ছাত্ৰ হিচাপে কিমানখিনি পঢ়া-শুনা কৰা ভাল সি নিজেইতো জানেই। মাক-দেউতাকেও তাক অত্যাধিক শিক্ষা আহৰণ কৰিবলৈ ক'লে।

দেউতাকে তাৰ লগত প্ৰতিটো সময়তে পঢ়াৰ বিষয়ৰ কথাকে আলোচনা কৰে। দেউতাকে নিবিড়ক বন্ধুৰ ঘৰলৈ অলপ ওলাই যোৱা, খেলা-ধূলা কৰা আদি সকলো কৰ্মৰপৰা বিৰত হৈ পঢ়া-শুনাত ব্যস্ত থাকিবলৈ ক'লে। ছাত্ৰ-ছাত্ৰীক যে পঢ়া-শুনাৰ লগতে খেলা-ধূলাৰ অত্যাধিক প্ৰয়োজন সেই কথা দেউতাকে পাহৰি পেলাইছে। কাৰণ মাক-দেউতাক দুয়ো নিবিড়ৰ মেট্ৰিকৰ ফলাফল উচ্চ পৰ্যায়ত থকাটো বিচাৰিছে। যদি তেওঁলোকে ভবা মতে ৰিজাল্ট নহয় অফিচৰ মানুহৰ আগত পুত্ৰৰ পৰিচয় কিদৰে দিব। তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ আগত কেনেকৈ মুখ দেখুৱাব।

মাক-দেউতাক দুয়ো নিবিড়ক খোৱা-শোৱা আদি সময়ত প্ৰায়ে পঢ়াৰ কথা, ৰিজাল্টৰ কথা কয়। মাথোঁ ৰিজাল্ট তেওঁলোকে যিদৰে ভাবিছে তেনেদৰে হ'ব লাগে। নিবিড়েও মাক-দেউতাকৰ কথা মতে বাহিৰা কামত ব্যস্ত নহৈ পৰীক্ষাৰ বাবে নিজকে ভালদৰেই প্ৰস্তুত কৰিছে।

মাক-দেউতাক দুয়োয়ে তাৰ পঢ়া-শুনাবোৰ কিদৰে চলিছে, সি কিমান মনোযোগ দিছে সেইবোৰ চাবলৈতো তেওঁলোকৰ কিঞ্চিৎ সময় নাই। তেওঁলোকৰ ৰিজাল্টৰ ওপৰতহে অত্যাধিক গুৰুত্ব। মাজে-সময়ে দেউতাকে নিবিড়ক কিছুমান ভয়ৰ সংকেত দি থাকে। যদি তুমি আমি ভবামতে ৰিজাল্ট নকৰা তেন্তে তোমাৰ যে মা-দেউতা আছে সেই কথা তুমি পাহৰি পেলাবা আৰু কেতিয়াও ঘৰলৈ উভতি নাহিবা। নিবিড়ৰ যিমান পৰীক্ষাৰ কাষ চাপিছে সিমান ৰিজাল্টৰ ভয়েও তাক বেছিকৈ আমনি কৰিছে।

সি যেন এৰ চিন্তাত পৰিছে আৰু সি কি কৰিব ভাবি নোপোৱা হৈছে। সি এনেদৰেই ভবা-গুণাৰ মাজেৰেই পৰীক্ষা দিলে। নিবিড়ৰ এতিয়া আৰু ৰিজাল্টৰ ভয়ত টোপনি নধৰা হৈছে। কেনেবাকৈ যদি তাৰ ৰিজাল্ট মাক-দেউতাকে ভবামতে নহয়, সি ভাবি-গুণি কি কৰিব তাৰ কোনো উপায় নোহোৱা হ'ল। সি এদিন বন্ধুৰ ঘৰলৈ বুলি ওলাই গ'ল। আৰু এক ভয়ঙ্কৰ পথ বিচাৰি লৈ এক মালবাহী ট্ৰাকৰ আগত আত্মহত্যা কৰিলে। ইফালে আকৌ মাক-দেউতাক ঘৰত চিন্তিত হ'ল নিবিড় আবেলিতে ওলাই গৈ গধূলি ৭ বাজিবৰ হ'ল উভতি অহা নাই। নিবিড়ৰ বন্ধু-বান্ধৱক খবৰ কৰাত তেওঁলোকে অহা নাই বুলি ক'লে। তেওঁলোকৰ কথা-বতৰা চলি থাকোঁতেই ওচৰৰ মানুহ এজনে নিউজত দেখা পাই ক'লেহি নিবিড়ৰ এক্সিডেণ্ট হৈছে। সি আৰু এই পৃথিৱীত নাই। তেতিয়াহে মাক-দেউতাকে অনুভৱ কৰিব পাৰিলে তাৰ মনত বেছিকৈ আঘাত দিয়াত সি আত্মহত্যাৰ পথ বাচি ল'লে। কিছুদিনৰ পিছত মেট্ৰিকৰ ফলাফল ঘোষণা হ'ল— নিবিড়ে স্থান দখল কৰিছে। তেতিয়া মাক-দেউতাকে কৰা ভুলৰ কাৰণে পস্তাব লগীয়া হ'ল। ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত মাক-দেউতাকৰ কৰণীয় বহুতেই থাকে। নিজৰ ল'ৰা-ছোৱালীক সুখ্যাতিৰে শিক্ষা অৰ্জন কৰিবলৈ দিব লাগে সঁচা, অতি বেছিকৈ দায়িত্ব পালন কৰিবলৈ গৈ ল'ৰা-ছোৱালীক আঘাত দিয়াটো তেওঁলোকৰ কৰ্তব্য নহয়। নিবিড়ৰ ক্ষেত্ৰত মাক-দেউতাকে কৰা ভুলৰ বাবে সি সুখ কি অনুভৱ কৰিবলৈ নেপালে। তাৰ জীৱনটো বেদনাৰ মাজেৰেই পাৰ হৈ গ'ল।

# ভাৰতীৰ জীৱন কাহিনী


বৰ্ণালী দাস ৰাভা
স্নাতক ১ম ষাণ্মাসিক



এসময়ত এখন সৰু গাঁৱত ভাৰতীয়ে জন্মগ্ৰহণ কৰিছিল। তাইৰ তিনিজন সৰু ভায়েক আৰু এজনী ভনীয়েক আছিল। আৰু মাক-দেউতাকৰ সৈতে সাতজনীয়া এটা পৰিয়াল। তাই বৰ দুখীয়া ঘৰৰ ছোৱালী আছিল। যেনে-তেনে টানি-টুনি দুবেলা দুমুঠি খাবলৈ পাইছিল। দেউতাক এজন মদাহী আছিল। কেৱল মদ খাই খাই ঘূৰি ফুৰিছিল। আৰু ঘৰত কাজিয়া কৰিছিল। ভাৰতীয়ে বহুত কষ্ট কৰি পঢ়িছিল। ঘৰৰ চিন্তাও বহুত কৰিছিল। কেতিয়াবা দুপৰীয়া তাই ভাত নাখাই ভায়েকহঁতে খাব বুলি থৈ দিছিল। বেলেগ ল'ৰা-ছোৱালীয়ে নতুন নতুন কাপোৰ পিন্ধি টিউচন কৰিবলৈ যায়। আৰু ভাৰতীয়ে নিজানত বহি চায়। ভাৰতীয়ে এটা ফ্ৰক যেতিয়ালৈকে একেবাৰে ফাটি ছিৰাছিল নহয় তেতিয়ালৈ চিলাই চাকা কৰি নতুন বুলি পিন্ধে। কিন্তু তাই হতাশ নহয়। বহুত দুখ বেদনা বুকুত বান্ধি জীৱনত আগবাঢ়ি গৈছে। তাইৰ ভায়েকে সপ্তম শ্ৰেণীত থাকোঁতেই মোমায়েকৰ ঘৰত থাকি গুৱাহাটীত এবছৰ কাম কৰি পইচা আনি ঘৰখন পোহপাল দিছে। ঘৰত আকৌ সৰু-সুৰা তামোল-পাণৰ দোকান এখন দিছে। স্কুললৈয়ো যায় লগতে দোকানো চলায়। ভাৰতীয়ে ভায়েকক সহায় কৰি দিয়ে দোকানত । তাই অষ্টম শ্ৰেণীত থাকোঁতে দেউতাকে মদ খাই আহি ঘৰটো জ্বলাই দিলে। ৰাতি ১১ বাজিছে। সকলো টোপনিত লালকাল, ভাৰতীয়ে কেনেকৈ যে গম পালে। ইমান গৰম গৰম লাগিছে। তাই সাৰ পাই গ'ল আৰু দেখিলে গোটেই জুই। ওচৰ-চুবুৰীয়াক চিঞৰ-বাখৰ কৰি দিয়াত সকলোৱে আহি পানী ঢালি দিয়াত বাচিল। ভাৰতীয়ে অগ্নিৰ মাজত সোমাই যাব খুজিছিল মাকহঁতক বচাবলৈ। কিন্তু মানুহে ধৰি ৰাখিলে। অৱশেষত সকলো বাচিল। এতিয়া ৰাতিপুৱা তাইৰ পৰীক্ষা, টোপনি ক্ষতি। ভাত পানী খাবলৈ পোৱা নাই। সকলো পুৰি শেষ। কি কৰিব এতিয়া তাই। তথাপিও হাৰ নামানি স্কুললৈ গ'লাল। মাকে বাধা দিছে— আই ঐ যাব নালাগে। কি লিখিবি। ভাৰতীয়ে মাকক সাৱটি কান্দি কৈছে— পৰীক্ষা ভাল হ'ব মা তুমি চিন্তা নকৰিবা। ভোকৰ পেটে পৰীক্ষা দি আহিল। বুকু বিষাদেৰে ভৰা। চকু জলজলীয়া হ'লেও তাই সাহস গোটালে। ফলাফল দিলে যে তাই ১ম হৈ পাছ কৰিছে। মনত বহুত স্ফূৰ্তি: সেই বিষাদেৰে ভৰা হিয়াখন ক্ষন্তেকৰ বাবে ভাল লাগি গ'ল। আৰু এনেকৈয়ে দিনবোৰ এটা এটাকৈ পাৰ হৈ গ'ল। এইবাৰ তাই দশম শ্ৰেণী পালেগৈ। মেট্ৰিক পৰীক্ষা দিয়াৰ আগত ফৰ্ম ফিলআপ কৰিব লাগে। তেতিয়া ১১ শ টকাৰ প্ৰয়োজন। কি কৰিব! মাক আৰু তাই লোকৰ ঘৰত কাম কৰি পইচা আনি পৰীক্ষা দিছে। ৫৭% পালে। তাই বৰ আশা কৰিছিল ভৱামতে নাপালে। মনত বহুত দুখ পালে। ভায়েকে দোকানৰ পইচাৰে আৰু মাকে লোকৰ ঘৰত কাম কৰি আৰু ভাৰতীয়ে সৰু-সৰু ল'ৰা-ছোৱালী টিউচন কৰি কলেজ পঢ়িলে। তেনেকৈ হায়াৰ চেকেণ্ডাৰী পাছ কৰিলে। ভগৱানৰ কৃপাত প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। অসমীয়া বিষয়ত লেটাৰ আৰু দুটাত ৭ নম্বৰকৈ কমিলে। ৬৮.৬% পাই মহাবিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল। তথাপিও তাই দেউতাকক বহুত ভাল পায়। তাই য'তেই যায় দেউতাকক সেৱা কৰি যায়। তাইৰ মাক-দেউতাকৰ প্ৰতি বহুত ভালপোৱা। আৰু ভায়েকৰ প্ৰতি চিৰকৃতজ্ঞ। মাকে অষ্টম শ্ৰেণীত থাকোঁতেই তাইক বিয়া দিব খুজিছিল। তাই হাতে-ভৰিয়ে ধৰি কান্দি কৈছে— মই তোমাৰ লগত হাজিৰা কৰিবলৈ যাম। মোক পঢ়িবলৈ দিয়া মা। কাৰণ তাইৰ একমাত্ৰ লক্ষ্য আছিল এগৰাকী সু-শিক্ষয়িত্ৰী হোৱা। নিজেই পঢ়ি-শুনি বেলেগ ল'ৰা-ছোৱালীক শিকাই-বুজাই ভাল মানুহ কৰাৰ। শিক্ষয়িত্ৰী হ'বলৈ তাইৰ বহুত আশা সেইকাৰণে ইমান বাধাৰ মাজতো পঢ়াটো নেৰিলে। সময় পালে তাই গল্প, কবিতা, প্ৰবন্ধ লিখি বহুত ভাল পায়। যেতিয়া তাই স্কুল যায় তাইক প্ৰথম অৱস্থাত কোনেও নামাতে। তোৰ বাপেৰে মদাহী আমাৰ লগ নহ'বি। তেতিয়া তাইৰ কিমান দুখ লাগে। যেতিয়া তাই পঢ়িব খোজে। তেতিয়াই দেউতাকে মদ খাই আহি দা লৈ খেদি যায়। পথাৰৰ মাঁহনিৰ মাজত নহ'লে বাঁহৰ তলত কিতাপ পঢ়ে। তাই মাকক কেতিয়াও পাহৰিব নোৱাৰে। মাকে বহুত বাধাৰ মাজৰপৰা তাইক বচাইছে। আজি-কালি সমাজত যিহে দুৰ্গতি হৈছে মানুহে মানুহক চিনি নোপোৱা হৈছে, এইবোৰ দেখি তাই বহুত দুখ কৰে। তাই অকলে কিনো কৰিব। এইবোৰ লিখিয়ে মনৰ দুখ কমায়। তাই ৰাতিপুৱা উঠি ঘৰৰ কাম কৰি সাতটাৰ পৰা সৰু ল'ৰা-ছোৱালীক টিউচন কৰে। গা-পা ধুই, ভাত-পানী খাবলৈও কেতিয়াবা সময় নাপায় তেনেকৈ মহাবিদ্যালয়লৈ যায়। আকৌ আহি টিউচন কৰে।



ভোক-পিয়াহ সকলো পাহৰি যায়। তেনেকৈ বহুত কষ্ট কৰি পঢ়িছিল এবাৰ তাই হাইস্কুলত থাকোঁতে এটা গল্প লিখিছিল। গুৱাহাটীৰপৰা মানুহ আহিছিল প্ৰতিযোগিতা পাতিছিল। তাত তাই প্ৰথম পুৰস্কাৰ পাইছিল। সকলোৱে তবধ মানিছিল। ইমান দুখীয়া ঘৰৰ ছোৱালী। বাপেক মদাহী তথাপিও সকলোতে আগ্ৰহ। তাই গানো গায় ভাল পাই আৰু লিখেও। সেই বাল্যকালৰপৰাই বহুত কথা বুজি পাইছিল। ডাঙৰে নিশিকালেও নিজে অনুভৱ কৰিব পাৰিছিল। এদিন ভাৰতীহঁতৰ ৰাস্তাত এজনী পাগলীয়ে ভাত খাবলৈ নাপাই শিলগুটিকে মুখত ভৰাই চিঞৰি আছিল। তাই ভাত খাই স্কুল যাব খোজোতে দেখিলে আৰু তাইৰ ভাতখিনিকে দি দিলে পাগলীজনীক। মাকে গালি দিছে— 'এতিয়া কি খাবি তই?' তাই পানীকে চাবি গিলাচমান খাই গ'ল। এনেদৰে ভাষাৰে বুজাব নোৱাৰি তাইৰ জীৱনৰ কথা। এতিয়াও তাই দুখ নুগুচিল। এই গল্পৰ দ্বাৰা গল্প পঢ়ি ভালপোৱাসকলক জনাওঁ যে জীৱনত কেতিয়াও হাৰ নামানিবা, যুঁজ কৰি গৈ থাকা। কেতিয়াও হতাশ নহ'বা। দুখ বুলি হাত সাৱটি বহি নাথাকিবা যিমান বাধা নাহক নিজ কৰ্মৰপৰা বিচলিত নহ'বা। তুমি নিজেই জানি আনকো জনাবা। ভাৰতীৰ দৰে আৰু বহুত ল'ৰা-ছোৱালী আছে। তেওঁলোকো জাগি উঠক আৰু নিজ কৰ্মত আগবাঢ়ক। মাক-দেউতাকক কেতিয়াও পাহৰি যাব নালাগে। যিমানেই বেয়া হওক তেওঁলোক আমাৰ বাবে ভগৱান। আৰু বেলেগ ভগৱান নাই আমাৰ। ভাৰতী আজি এগৰাকী কাৰোবাৰ পত্নী, গৃহিণী। সপোন পূৰা হ'বনে নাই তাৰে আশা লৈ আজিও নিজ কৰ্মৰপৰা বিচলিত হোৱা নাই। এয়াই আছিল ভাৰতীৰ জীৱন কাহিনী।



# মৰীচিকা

চিৰঞ্জীত মেধি
স্নাতক ৩য় ষাণ্মাসিক

তোৰ পাগলামি আৰু নচলিব। এইবাৰ আমি প্ৰায় ঠিক কৰি পেলাইছোঁ। আমাৰ সকলোৰে পছন্দ হৈছে যেতিয়া তোৰো নিশ্চয় হ'ব।

Whatsappত অহা Messageটো কেইবাবাৰো পঢ়িলোঁ কিন্তু ফটোখন Download কৰা নাই। কিয়নো ঘৰৰ পৰা পঠিওৱা ছোৱালীৰ ফটোবোৰে ইতিমধ্যে Folder ভৰ্তি হৈ গৈছে। পঢ়াৰ লগে লগে চকুত ভাহি উঠিল ভণ্টিৰ মুখখন। তেনেতে পিছফালৰ পৰা হাতৰ পৰশ পাই ঘূৰি চাই দেখোঁ চিণ্টু বৈ আছে। কলেজত প্ৰথম নামভৰ্তি কৰাৰ কেইদিনমানৰ পাছতে তাৰ লগত চিনাকি হৈছিলোঁ। তাৰ পিছৰে পৰা আমি ভাল বন্ধু হৈ পৰিছিলো আৰু সেই বন্ধুত্ব আজিও আছে।

ঃ ভণ্টিয়ে মিছা কোৱা নাই। কিমান আৰু বৈ থাকিবি?

ঃ কিমান দিন পাৰোঁ।

ঃ আকৌ সেই একে কথা। কলেজত পঢ়ি থকাৰপৰা একেটা কথাকে কৈ আছ তই।

ইতিমধ্যে সি ভণ্টিৰ Message টো পঢ়ি পেলাইছিল। মই তাৰ ওচৰৰ পৰা উঠি গৈ খিৰিকীৰ কাষত বহিলোঁ। খিৰিকীৰ সিপাৰে দেখিলোঁ ব্যস্ত চহৰৰ ব্যস্ত ৰাজপথ। সেই ৰাজপথেদি কোনোবা কলেজৰ ইউনিফৰ্মত দুজনী ছোৱালী খোজকাঢ়ি গৈ আছে। তাৰে এজনী ক্ষীণ দীঘল চুলিৰে চচ্‌মা পৰিহিত। চচ্‌মা পিন্ধা ছোৱালী দেখিলেই মোৰ অতীতলৈ মনত পৰি যায়। আকৌ উভতি গ'লোঁ কলেজৰ সেই দিনবোৰলৈ। চকুত ভাহি উঠিল এযোৰ ডাঙৰ চকু। সেই চকুৰ গৰাকীৰ নাম দিছিলোঁ মৰীচিকা। নগাঁও কলেজৰ সন্মুখত এদিন লগ পাইছিলো। প্ৰথম চিনাকিতে তাইৰ চকুযুৰিৰ প্ৰেমত পৰিছিলোঁ। মাত্ৰ ২ মিনিটমান তাই মোৰ লগত কথা পাতিছিল যদিও সেই ২ মিনিট মোৰ বাবে [illegible] আছিল। ঘৰত আহিয়েই তাইৰ নাম Facebookত Search কৰিছিলোঁ আৰু পঠাই দিছিলো Friend request। Accept কৰিছিল প্ৰায় দুদিনমান পাছত। লগে লগে Message দিবলৈ কিবা সংকোচ লাগিছিল যদিও মই 'Hi' বুলি এটা Message দিলোঁ। Reply আহিল। লাহে লাহে কথা পাতিব ধৰিলোঁ। whatsapp number ল'লোঁ।





Facebookৰ পৰা whatsapp numberলৈ মোৰ প্ৰেম আগবাঢ়ি গ'ল। কিন্তু তাইক মোৰ মনৰ কথা ক'ব নোৱাৰিলোঁ। সদায় Message দি কথা পাতোঁ। কিন্তু মনৰ কথাবোৰ ক'ব নোৱাৰোঁ। এই কথাটো লৈ মই লগৰীয়াবোৰৰ পৰা গালি, ঠাট্টা প্ৰায় শুনিছিলোঁ। এইদৰেই কলেজ শেষ হ'ল। সকলো বিভিন্ন ঠাইত নিজৰ কামত গুচি গ'ল। কিন্তু মৰীচিকা সদায় মোৰ মনৰ মাজতে থাকি গ'ল। আজিও মাজে মাজে ভাবোঁ কিয় ক'ব নোৱাৰিলোঁ মোৰ মনৰ কথাবোৰ। মনৰ কথাবোৰ ক'লে কিজানি আমাৰ বন্ধুত্বই লগৰবোৰৰ মোৰ ওপৰত থং।

ঃ ঐ ফোনটো কিচিভ নকৰ কিয়?

ঃ হা

ঃ সেইটো অথনিৰেপৰা বাজি আছে।

চিণ্টুৰ চিঞৰত বাস্তৱলৈ ঘূৰি আহিলোঁ।

ঃ হেল্ল'

ঃ কি হ'ল ইমান পৰে ক'ত আছিলি?

ঃ নাই কাম এটা...

ঃ বাদ দে সেইবোৰ, সোনকালে বিজাল্টটো ক

ঃ অ' মানে কথাটো

ঃ তাৰমানে তই ফটো চোৱাই নাই, কি মানুহ হা, ইমান সময় হ'ল

ঃ মই পিছত ফোন কৰি আছোঁ।

ভণ্টিৰ গালি শুনাৰ মন নাই কাৰণে ফোনটো কাটি থ'লোঁ। ভাবিলো ফটোখন চাওঁ নেকি। কিন্তু পিছ মুহূৰ্তত ভাবিলো এহ নাচাও থাক।

ঃ ঐ ফটোখন চা আৰু কিবা এটা কৈ দে।

চিণ্টুৰ হেঁচাত ফটোখন ক্লিক কৰিলোঁ। লাহে লাহে Loading হৈ আছে। কিন্তু এয়া কি? ম'বাইলৰ স্ক্ৰীণত ভাহি উঠিছে এখন চিনাকি মুখ। মোৰ মুখৰ পৰা মাত নোলোৱা হৈ গ'ল। সেই দীঘল চুলিৰে এযোৰ চচ্‌মাৰ সৈতে চিনাকি মুখখন দেখি। চিণ্টুও অবাক হৈ পৰিল। দুয়োৰে সন্মুখত জিলিকি থ'ল এখন ফটো, মৰীচিকাৰ ফটো। লগে লগে মই ভণ্টিলৈ ফোন লগালোঁ।

ঘৰত সকলোৰে মনত আনন্দ। শেষত মোৰ ছোৱালী পছন্দ হ'ল। আজি তাইক লগ কৰিবলৈ যোৱাৰ কথা, ৰাতিপুৱাৰে পৰা মনত এক ভয়ে আৱৰি আছে। তাইক লগ কৰি কি ক'ম, কি সুধিম আদি বিভিন্ন প্ৰশ্নই হেঁচা মাৰি ধৰিছে। ভণ্টিয়ে মোক পিন্ধা চাৰ্টৰ পৰা পাৰফিউমলৈকে বাছি দিছে। তাইক দিবলৈ ভাল উপহাৰ এটিও ভণ্টিয়েই চাই দিলে। আবেলি নিৰ্দিষ্ট সময়ত ওলাই গৈ মাৰাৰ পাৰ্ক পালোঁ। ভিতৰলৈ গৈ এমূৰৰ পৰা সিমূৰলৈ চকু ফুৰালো। হঠাৎ এযোৰ চচ্‌মাৰ ওপৰত মোৰ চকু নিবদ্ধ হ'ল। সেই একে চকু একে হাঁহি। ওচৰলৈ গৈ লাহেকৈ মাত দিলো 'Hi' উত্তৰত সৰুকৈ তায়ো 'Hi' ক'লে তাইক উপহাৰটো দি কাষতে বহিলোঁ। বহু সময় আমি নিবৰ হৈয়ে বহি থাকিলোঁ। প্ৰথমে তাৰে [illegible] সন্মুখেৰে এপাক হ'লেও যোৱাৰ কথা। শেষত ক'লোঁ আগতে যে সুধিছিলা মোক কোন মৰীচিকা বুলি, সেই মৰীচিকা আন কোনো নহয় তুমিয়েই সেই মৰীচিকা। কথাখিনি কৈ তাইলৈ চাই দেখিলোঁ তাইৰ চকুত চকুপানী। তাই কান্দিবলৈ ধৰিলে। মই কি হ'ল একো গমকে নাপালো। তাই কান্দি কান্দি ক'লে, 'মই কলেজৰ দিনতে গম পাইছিলো তুমি যে মোক ভাল পোৱা কিন্তু তুমি মোক নিজে একো নক'লা। তোমাৰ



Messageলৈ মই সদায় অপেক্ষা কৰিছিলোঁ। তোমাৰ মুখৰ পৰা প্ৰ'প্ৰজেলটো শুনিম বুলি বহু আশাৰে বৈ আছিলোঁ। কিন্তু তুমি বাহিৰলৈ গুচি গ'লা আৰু মোৰ এটা খবৰো নল'লা। মই এতিয়া তোমাৰ নিচিনাকৈ আন কাৰোবাৰ অপেক্ষাত আছোঁ। Please মোক পাহৰি যোৱা।'

মোৰ আৰু উত্তৰ দিবলৈ কোনো কথাই মনলৈ নাহিল। নিজকে গালি দিব মন গ'ল। চেহ তেতিয়াই মই মনৰ কথা কৈ দিয়া হ'লে আজি মোৰ এই অৱস্থা নহয়। তাই মোক মাত এষাৰ লগাই ঘৰলৈ যাবলৈ ওলাল। তাইক বিদায় দি মই বেঞ্চখনত বহি পৰিলোঁ আৰু ভাবিলোঁ যিদৰে মৰুভূমিৰ মৰীচিকা আঁতৰৰ পৰা চকুত তিৰ্‌বিৰাই উঠে কিন্তু ওচৰলৈ গ'লেই নাইকিয়া হয় তেনেদৰে মোৰ জীৱনতো হ'ল, মোৰ মৰীচিকাক মোৰ কাষতে পায়ো যেন নোপোৱা হ'লোঁ। তাই মানে মোৰ জীৱনত সঁচাকৈয়ে মৰীচিকা আছিল।

এৰা মৰীচিকা....

# মোৰ প্ৰেম এক আলেখ্য

শৰৎ শৰ্মা
স্নাতক ৫ম ষাণ্মাসিক



[illegible]

মই ক'বলৈ ওলাইছোঁ মোৰ প্ৰেমৰ কথা। সৰুতেই প্ৰেমত পৰিছিলোঁ— মাতৃৰ প্ৰেমত। লাহে লাহে দেউতাই আনি দিয়া পুতলাবোৰৰ প্ৰেমত। এদিন ক'ব নোৱৰাকৈয়ে প্ৰেমত পৰিছিলোঁ দেউতাৰ চাইকেলখনৰ। ওলাই গৈছিলোঁ টেলি টেলি কাষৰ স্কুলৰ ফিল্ডখনলৈ। হঠাৎ সেই স্কুলখনৰ প্ৰেমত পৰি দেউতাক জনাইছিলোঁ। বৰ মন গৈছে তাৰ ভিতৰখনত সোমাই চাবলৈ। এদিন গৈছিলোঁ। তাৰ পাছতেই আৰম্ভ হৈছিল প্ৰেমৰ অন্য এক যাত্ৰা। সেই চকডাল দি শিলিখাটো লোৱা। ঘৰত আহি চকডাল হেৰাল বুলি কোৱা। সেয়াও চাগৈ প্ৰেমৰ আন এক ৰূপ। সেয়া আছিল প্ৰাথমিক বিদ্যালয়ৰ কথা। চাইকেলৰ হাফপেডেল মাৰি গৈছিলোঁ হাইস্কুললৈ। চুটি-চাপৰ অৱসমানি হোৱাৰ বাবে ওপৰ শ্ৰেণীৰ বাইতে খেলাত বহুবাৰ মৰম কৰিছিল। এদিন মেট্ৰিক পাছ কৰিলোঁ, হয়তো জেকেণ্ডৰী পাছ কৰিলোঁ।

নতুন প্ৰেমৰ সপোন দুচকুত। নতুন আশা জীৱনৰ, জীৱনৰ আচল মধুবোৰ মৌচাকখন আগত বুলি, আনৰ সাগৰখন আগত বুলি ভবা নাছিলোঁ। সেইদিনা নতুন নিজা চাইকেলখন লৈ উপস্থিত হৈছিলোঁ পূৰৱিওদাম অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানখনৰ পদূলিত। ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ পদূলিত থিয় হৈ ভয়ত কঁপি উঠিছিলোঁ। নাজানো কিয় ভয় লাগিছিল। লাহে লাহে সোমাই গৈছিলোঁ ভিতৰখোৱালৈ। সেই যে সোমাই আহিছিলোঁ তেতিয়াই বান্ধ খাই পৰিছিলোঁ এডাল নেদেখা সূতাৰে। প্ৰেমত পৰিছিলোঁ লাহে লাহে। চাইকেল ষ্টেণ্ডৰ কাগজ ফুলজোপাৰ পৰা শিক্ষাগুৰু ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহলৈকে। প্ৰতিটো বস্তুৰ,

[illegible] সৈতে বৰ আত্মীয়তা গঢ় লৈছিল। বকুল বেৰৈজুপি, শিলিখাজোপা, ফুলনি বাগিচাখনি, চেগুন গছবোৰজুপিও যেনে বৰ আপোন হৈ পৰিছিল। তাৰ মাজতেই বুজিছিলোঁ প্ৰেমৰ সংজ্ঞা।

পৰিছিলোঁ তেওঁৰ প্ৰেমত। ক্লাছৰ মাজে মাজে তেওঁৰ সৈতে কথা পতা, আছিল কঠিন। কিন্তু হঠাৎ এদিন আমাৰ বিচ্ছেদ ঘটিল। ভাগি পৰিছিলোঁ বৰ বেয়াকৈ। কিন্তু তেতিয়াই বুজাই দিছিল বন্ধুত্বৰেই আছিল প্ৰেম। লাহে লাহে কেণ্টিনখন আপোন হৈ পৰিছিল জমি উঠিছিল আমাৰ আড্ডা। হাঁহিবলৈ শিকালে নতুনকৈ। আড্ডাত আছিল সিদ্ধাৰ্থ, অনুপ, ৰাজু, অম্লান, স্বৰ্ণা, উদাংশ্ৰী, প্ৰতিভা আৰু অম্লান দ্বীপ পাগল, কাজল প্ৰেমিক— সি সঁচাকৈয়ে পাগল।

আহ যে, সঁচাই বৰ উপভোগ্য দিন এইবোৰ। কিন্তু আৰু কিমান দিন, যাবৰে হ'বচোন এই মন্দিৰ এৰি। ভাবিলেই বুকুৰ একোণত বিষ এটাই খুন্দা মাৰি ধৰে। সেঁ সিদিনা আহিছিলোঁ প্ৰথম। মহাবিদ্যালয় সপ্তাহৰ বেলীত, নবাগত আদৰণি সভাত, সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভণিৰ শোভাযাত্ৰাত, মাঙলিক যুব মহোৎসৱ ইত্যাদিতো ভাগ লৈছিলোঁহে। কিন্তু আৰু কেইটিমান মাহৰ পিছতে... নাই নোৱাৰি ভাবিব বিদায় বেলাৰ দৃশ্য নোৱাৰি কল্পনা কৰিব। কেনেকৈ কম 'ঐ লগ পালে মাতিবি দেই', 'খেল কৰিবি কিন্তু।'

নাই নোৱাৰি ভাবিব। সঁচাকৈয়ে নোৱাৰি এৰিব ছাৰ— বাইদেউৰ মৰম, বন্ধুহঁতৰ আন্তৰিকতা, ইত্যাদি ইত্যাদি।

কৃতজ্ঞ হৈ ৰম এই মহাবিদ্যালয়ৰ ওচৰত, সঁচা বন্ধুবৰ্গই যোৱা এই লক্ষ্যবোৰ নোৱাৰিম পাহৰিব। সঁচি থ'ম বুকুৰ মাজত। কাৰণ সঁচা প্ৰেম জানো পাহৰিব পাৰি।





# পৰিকল্পিত প্ৰতিশ্ৰুতি

ৰবিতা বৰা
স্নাতক ৩য় ষাণ্মাসিক



মগজুত আঘাত পাইছোঁ মই বাৰুকৈয়ে। মগজুৰ লগতে দেহতো অনুভৱ হৈছে মোৰ প্ৰচণ্ড বিষৰ যন্ত্ৰণা। উফ্... কিহে বা পাইছিল মোক এই ৰাতিখন টলৌ-টলৌকৈ ঘূৰি ফুৰিবলৈ। তাকো এই ৰক্তপিপাসু সুৰাত মাতাল হৈ। এৰিবলৈ চেষ্টা কৰিও ক্ৰমাৎ যেন আকৃষ্টহে হৈ পৰিছোঁ এইসোপাৰ লগত। মোক উচটনি দিয়া বন্ধুবোৰৰ কবলত পৰি এৰিব খোজা এইসোপাৰ লগত নিবিচৰাকৈয়ে হৈ পৰোঁ ঘনিষ্ঠ। সিহঁতৰ মতে মদ, চিগাৰেট, দামী বাইক হ'ল আধুনিকৰ সংজ্ঞা। সেইবাবেই.... সেইবাবেই মোৰ আবেলিবোৰ পাৰ হয় ধোঁৱাৰে আৰু নিজেই মদৰ ৰাগীত মাতাল হৈ আইৰ দুচকুত তুলি দিওঁ চকুপানী। ছিঃ ধিক্ মোৰ জীৱন। এনাই চলিম আজিৰ পৰা এনে সংগ। বন্ধুৱে জীৱন দিয়ে। অপপথলৈ আগবঢ়াই নিয়াজন বন্ধু নহয়। সেইবোৰ শত্ৰুতকৈও অধম। নাই। আজিৰ পৰা ভাল হ'ম। জীৱনটো নতুনকৈ আৰম্ভ কৰিম আৰু আইৰ দুচকুত আঁকি দিম বাস্তৱৰ মিঠা সপোন। মই ভাল হ'ম। ভাল হ'ম আই। প্ৰতিশ্ৰুতি দিলোঁ, নিজেই নিজকে।

অদূৰত এক চিনাকি কান্দোন। মা... মাৰ কান্দোন এইয়া। কিয়?? কিয় কান্দিছে মায়ে! মই ভাল হ'ম মা... তুমি নাকান্দিবা.... মায়ে শুনা নাই মোৰ চিঞৰ... নোৱাৰোঁ সহ্য কৰিব মই মাৰ ক্ৰন্দন। ভিৰ ফালি সোমাই আহিলোঁ মই মাৰ কান্দোনৰ উৎস বিচাৰি... আচৰিত পথৰ মাজতে ঢাকি থোৱা মৃতদেহ এটা কিনাৰত বহি মায়ে গগনচুম্বী চিঞৰি কান্দিছে। দেউতা.... দেউতাৰ কিবা হোৱা নাইতো! বুকুখন কঁপি উঠিল মোৰ। 'দেউতা.... ক'তা.... দেউতাচোন একেই। সেই মৃতদেহটোৰ কিনাৰত বহি মৌন হৈ আছে। কোনেও মোৰ উপস্থিতিত কোনো গুৰুত্ব প্ৰকাশ কৰা নাই। হতবাক মই। কি হৈছে ধৰিব পৰা নাই মই। তাৰ মানে কালি ৰাতিৰ এক্সিডেণ্টত মোৰ... মই...!!!

**উপসংহাৰ :** এটাৰ পিছত এটা মৃত্যুকাণ্ড সংঘটিত হৈয়ে আছে। খণ্ডেকীয়া সকলো দুখ, বিষাদ। এচামে ৰাস্তাৰ দাঁতিত ধোঁৱা উৰুৱাই নিজৰ হৃদয়খনেই ক'লা কৰি পেলাইছে। মৰাজন মৰিছে। কিন্তু জীয়াই জীয়াই সেই মৃত্যুৰ যন্ত্ৰণা লভিছে মৃতকৰৰ পৰিয়ালে। পিতৃ-মাতৃয়ে। তথাপিও এচামৰ গধূলিবোৰ ধোঁৱাৰে পাৰ হয়। হয়তো সিহঁতে পঢ়া নাই পেকেটৰ পিছফালৰ সতৰ্কবাণী, 'চিগাৰেটৰ পৰা কেন্সাৰ হয়।' (মৃত্যুও হয়। মৃত্যু এক সত্য। মৃত্যুৰ বাগীলৈ ঠেলি দিয়া এইবোৰ এক চিৰন্তন সত্য।)

# মন্দিৰৰ পণ্ডিত

মহমুদা বেগম
স্নাতক ২য় ষাণ্মাসিক

এটা সদৃশ্য মন্দিৰৰ কাৰণে এজন ভাল পণ্ডিতৰ আৱশ্যক আছিল। ৰজাঘৰৰ পৰা প্ৰধান পণ্ডিতজনকহে তেওঁৰ মন্দিৰৰ বাবে এজন সুযোগ্য পণ্ডিত বিচাৰি দিয়াৰ দায়িত্ব দিছে। বহু দূৰ-দূৰণিলৈকে ৰজাৰ মতে এই আদেশ প্ৰচাৰিত কৰি দিয়া হৈছে, যাতে অধিকতকৈ অধিক লোকে এই পৰীক্ষাত ভাগ ল'ব পাৰে। সকলোবোৰ লোককে মন্দিৰত সঠিক সময়তে পাবলৈ আদেশ দি দিয়া হৈছে। প্ৰধান পণ্ডিতজনে মন্দিৰ লৈ গৈ পাওঁতে দেখে যে পণ্ডিত হ'বলৈ অহা পৰীক্ষাৰ্থীৰে মন্দিৰৰ চোতালত এখন মেলাৰ নিচিনাই হৈ গ'ল। সকলোতকৈ সকলো যেন বিদ্বান। সময়ত প্ৰধান পণ্ডিতজনে আসন গ্ৰহণ কৰিলে আৰু সভাখন আৰম্ভ কৰিবলৈ ধৰিলে। এনেকুৱাতে তেওঁ দেখে যে এজন আকৰ্ষণীয় ব্যক্তি— যাৰ কাপোৰ পিন্ধাৰ ধৰণ বৰ অসাধাৰণ আছিল, এনেতে তেওঁ মন্দিৰৰ চোতালত উপস্থিত হ'ল। তেওঁৰ কাপোৰ ক'ৰবাত ক'ৰবাত ফটা আৰু ক'ৰবাত অলপ অলপ বোকা লাগি আছিল। ব্যক্তিজনে মন্দিৰৰ ভিতৰলৈ আহি বহিলে অলপ সংকোচ কৰি আছিল। সেই সভাখনত উপস্থিত থকা ব্যক্তিসকলৰ মুখত যে এটা অজ্ঞাত হাঁহি বিৰিঙি উঠিছিল, তেওঁলোকৰ মনত চাগে সেই সময়ত এইটো ভাব হৈছিল 'চাওক বাহিৰ কেনেধৰণৰ মানুহে এই ডাঙৰ মন্দিৰটোৰ পণ্ডিত হোৱাৰ সপোন দেখে।' প্ৰধান পণ্ডিতজনে সেই ব্যক্তিজনক আগবাঢ়ি আহিবলৈ ইংগিত দিলে আৰু তেওঁ আগবাঢ়ি অহাত তেওঁক সুধিলে— 'আপুনি অহাত ইমান দেৰি হ'ল যে, আৰু আপোনাৰ কাপোৰ এয়া কেনেকৈ ফাটিলে?' ব্যক্তিজনে বিনম্ৰভাৱে উত্তৰ দিলে— 'ক্ষমা কৰিব মহাশয়, মই ঘৰৰ পৰা সময়তে ওলাইছিলোঁ, কিন্তু ইয়াৰ পৰা অকণমান দূৰত দেখো এজনী গৰ্ভৱতী গাই বোকাৰ মাজত সোমাই আছে আৰু তাই ওলাব পৰা নাই। সেই সময়ত মই পাহৰিয়েই গৈছিলোঁ মই যে মন্দিৰলৈহে আহিব লাগে আৰু বহেকে বৈ মই গাইজনীক বোকাৰ পৰা উলিয়াবলৈ চেষ্টা কৰিলোঁ।

যেতিয়া গাইজনী বোকাৰ মাজৰ পৰা ওলাই গ'ল তেতিয়াহে মোৰ মনত পৰিছে মই যে মন্দিৰলৈ আহিব লাগে কিন্তু সেইও হৈছিল আৰু মোৰ কাপোৰো বোকাৰে লুতুৰি-পুতুৰি হৈ গৈছিল। ক'ৰবাত ক'ৰবাত ফাটি গৈছে। প্ৰথমে ভাবিছিলোঁ ঘৰলৈ ঘূৰি যাওঁ বুলি, পিছত ভাবিলোঁ ইমান দূৰ আহিলোঁ ভগৱানৰ দৰ্শন কৰিয়েই যাওঁ। এনেকুৱা অৱস্থাৰ অহাৰ কাৰণে আপোনালোক সকলোৰে পৰা আৰু এবাৰ ক্ষমা খুজিছোঁ।' প্ৰধান পণ্ডিতজনে ক'লে— 'নাই এনেকুৱা একো কথা নাই। আপুনি যে ভগৱানৰ দৰ্শনৰ কাৰণে আহিল এইটোৱে বৰ ভাল কথা। এতিয়া আপুনি এটা কথা কওকচোন, আপুনি ভগৱানক ভোগ দিব জানেনে?'

সেই ব্যক্তিজনে উত্তৰ দিলে— 'হয় মহাশয় ভোগ সন্মুখত ৰাখি ঘণ্টি বজাই পৰ্দাখন পেলাই দিব লাগে, এয়াতো মই জানো?'

'আৰু মন্ত্ৰ?'— প্ৰধান পণ্ডিতৰ দ্বিতীয়বাৰৰ প্ৰশ্ন আছিল।


'মহাশয় মইতো নাজানো সেই সময়ত যে মন্ত্ৰ পঢ়িব লাগে।'

তাত থকা মানুহবোৰৰ মুখৰ অজ্ঞাত হাঁহিবোৰ মুখত উঠিছিল যে কেনেকুৱা ধৰণৰ মানুহ ভগৱানৰ ওচৰলৈ আহে? এই মূৰ্খটোৱে সেইটোও নাজানে যে 'ভগৱানক ভোগ দিয়াৰ সময়ত মন্ত্ৰ পঢ়িব লাগে, আৰু আহিছে পণ্ডিত হ'বলৈ' প্ৰধান পণ্ডিতজনে উত্তৰ দিলে—একো কথা নাই আছিল মন্ত্ৰ কথা আপুনি এই মন্দিৰটোৰ পণ্ডিত হ'ল আৰু থাকিল মন্ত্ৰবোৰৰ সেয়া মই আপোনাক শিকাই দিম। তাত থকা অন্য মানুহবোৰ হৈচৈ খং উঠিছিল। এয়াতো তেওঁলোকক অপমান কৰা হৈছে তেওঁলোকেতো প্ৰধান পণ্ডিতজনকো ভালে-বেয়াই ক'বলৈ ধৰিলে। প্ৰধান পণ্ডিতজনে তেওঁলোকক শান্ত হ'বলৈ ক'লে আৰু তেওঁ ক'বলৈ ধৰিলে, 'ভগৱানে মোক সপোনত দিছে আৰু কৈছে এই মন্দিৰটোৰ পণ্ডিতৰ বাবে কোনোবা এজন মানুহক দিবা।'

সেইখিনিতেই কাহিনীটো সমাপ্ত হৈ গ'ল। কিন্তু মই আজিও ভাবোঁ— আজিৰ দিনটোত কি সেই কাহিনীটো পুনৰাবৃত্তিৰ সময় হৈ আহিছে নেকি? আজিৰ দিনতো গাই (দেশ) জনী বোকাতে (ভ্ৰষ্টাচাৰ) সোমাই আছে, যেতিয়া পণ্ডিত (প্ৰতিনিধি) বিচৰাৰ সময় হৈ আহিছে প্ৰধান পণ্ডিত (জনসাধাৰণ) জনে ভাবি আছে কি মন্ত্ৰ জ্ঞান প্ৰকাৰ (অভিজ্ঞতা)ৰ দৰকাৰ নে তেওঁলোকৰ নিয়ত (অভিজ্ঞতা)ৰ দৰকাৰ।



কৰ্ষণ ▸ ড' বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় আলোচনী ▸ ২০১৬-২০১৭ চন



# আত্মঘাতী

চাজিনা ইয়াচমিন
স্নাতক ১ম ষাণ্মাসিক

জীৱনত প্ৰথমবাৰলৈ দামী গাড়ীত উঠিছে সি। আনন্দমিশ্ৰিত বেদনা এটা অনুভৱ কৰিলে সি। বাৰ মাহত ছমাহেই আধাপেটীয়াকৈ খোৱা এই হবি আজি দহলাখটকীয়া মাকতি গাড়ীত উঠিছে। কেনে নিদাৰুণ ভাগ্য তাৰ। মৃত্যুৰ আগমুহূৰ্তত দামী মাৰুতিত যাত্ৰা।

তাৰো কম মৰসাহ নে?

নিমাইপুৰ বস্তিত ভঙা জুপুৰিটোত ঘৈণীয়েক কমলা, দুবছৰীয়া পুতেক সৰুকণ আৰু বুঢ়ী মাকজনীৰ কাৰ অৱসাত এৰি মৃত্যুৰ দিশলৈ দৌৰি গৈ আছে? কিন্তু কি কৰিব সি? তাৰ যে একো উপায় নাই। সিটো বাধ্য। ঋণী তিলক বাবুৰ ওচৰত। অন্যথা সি জানো বুঢ়ী মাকজনীক কেন্সাৰৰপৰা বচাব পাৰিলেহেঁতেন? পাৰিলেহেঁতেননে বাপেকে তাৰ পিঠিত দি যোৱা ঋণৰ বোজাটো সৰুকণৰ মূৰৰপৰা আঁতৰাবলৈ? বান্ধনিহৰৰ যৌৱাৰে মলিয়ন, ফাট-কাপোৰৰ জ্বালাত কেতিয়াও হাঁহি নোপোৱা কমলাৰ মুখত হাঁহি ফুটাব পাৰিলেহেঁতেন

জানো? নোৱাৰিলেহেঁতেন। কেতিয়াও নোৱাৰিলেহেঁতেন। কাৰণ বহুত আছে। বানে নিয়া খেতিৰ ভাতেৰে দুমাহ চলিবলৈয়ে টান, বাকী দহ মাহ কি খায়? চুক্তি মতে ধান দিব নোৱাৰিলে ভাগৰ আধি মাটিকণো হেৰায়। তাৰ পিছত আকৌ বণ্য গৰু ঘুৰাদি হাতে-ভৰিয়ে ধৰি আকৌ আধি মাটি বিচৰা, কপালৰ ঘাম মাটিত পেলায় ছাল পোৱা ব'দত খেতি কৰা আৰু তাৰ পিছত আকৌ বান। পুনৰ একেবোৰেই ঘটনা। নিত্য-নৈমিত্তিক চিৰ অভ্যস্ত নিমাইপুৰীয়া জীৱন।

হবিহঁতৰ ভোক বহুত প্ৰকাৰৰ। কেৱল ভাতৰ ভোকেই নহয়, আনৰ মাতৰ ভোকেও সিহঁতক খায়, আটাইতকৈ বেছি আশাৰ ভোকে মাৰে। আচৰিত এই ভোক!

আজি সি সকলোৰে পৰা বিদায় ল'ব। পেটৰ ভোকৰপৰা, মনৰ ভোকৰপৰা, ৰমলাৰ মৰমৰপৰা, মাকৰ আঁচলৰপৰা, নিমাইপুৰ বস্তিৰ পৰা, এই সংসাৰৰপৰা বিশেষকৈ তিলক বাবুৰ ঋণৰ পৰা। অনিচ্ছাসত্বেও সি বাধ্য। প্ৰতিশ্ৰুতিৰ কাৰাগাৰত বন্দী। তিলক বাবুৰ লগত প্ৰতিশ্ৰুতি, চিৰ দেশদ্ৰোহী তিলকৰ লগত প্ৰতিশ্ৰুতি যাৰ দামী গাড়ীত বহি সি আজি ভাবৰ লগত লুকা-ভাকু খেলিছে। সেই তিলক বাবুৱেই আজি তাৰ লগত গাড়ীত প্ৰসন্নভাৱে বহি আছে।

প্ৰায় এবছৰৰ আগৰ কথা। যেতিয়া মাকক কেম্পাৰে ধৰিছিল সি তেতিয়া এই তিলকৰ পৰাই বিনা চুক্তিতে টকা ৫০ হাজাৰ নিছিল। মাকক চহৰলৈ নি ভাল কৰাৰ পিছত কেইটামান টকা থাকি গৈছিল। সেইবাৰ খেতি কৰিব পৰা নগ'ল। যোৱা-মেলা কৰোঁতেই বাহি টকাৰ আধা গ'ল। বাকীকেইটাৰে সি বাপেকে মহাজনৰ ওচৰত লগাই থৈ যোৱা কণখিনি গুজিলে, পুতেক সৰুকণলৈ বুলিয়েই বন্ধকত থোৱা মাটিটুকুৰা মোকলাই পেলালে। তেতিয়া তিলকেও টকাৰ কোনো খা-খবৰ লোৱা নাছিল। যোৱা দুমাহমানৰ আগত সি তিলকৰ ঘৰলৈ গৈছিল কিবা কাম কৰিব লাগে নেকি সুধিবলৈ। তিলকে কিন্তু কিবা কাম ওলালেই মাতিম বুলি তাক পঠিয়াই দিলে। সুখৰ সংসাৰখন চলি আছিল যেনে-তেনে।

যোৱা সোমবাৰেহে তিলক বাবুৰ কুচকু পৰিল তাৰ ওপৰত। তাৰ বাবে কাম ওলাল। তিলকক টকা ঘুৰাই নালাগে। ধনী মানুহ টকাৰ দৰকাৰ নাই। কাম কৰি দিব লাগে। সিওনো ক'ৰপৰা দিয়ে? শৰীৰৰপৰা শেষবিন্দু তেজ বেচিলেও সিমান টকা নোলাব। গতিকে সিয়ো কামকে কৰিব, আপদীয়া হ'লেও। সেইদিনাই তিলকে কাম বুজাই দিলে। শনিবাৰে মানে আজি দশমীৰ দিনা ওচৰৰে চহৰৰ বৰ পূজাথলীত এটা বোমা বিস্ফোৰণ কৰাৰ লাগে। সকলো সামান্য সময়তে নিমাত হৈ যাব।

আজি সকলো সামগ্ৰী তিলকে তাক দি বুজাই-বঢ়াই দিলে। সি আজি কি কৰিব সকলো জানে। এই কামৰ সম্পূ... পৰিণতি সি জানে। বুকুখনহে টিপিং-টিপিং কৰি আছে... আজি সি কেৱল পূজাথলীলৈ গৈ তিলকে দিয়া বোমাটো... বঙা বুটামটো টিপি দিলেই সি তিলকৰ পৰা মুক্ত। তিলকে... কিমান সুন্দৰভাৱে টকাৰ প্ৰতিদান বিচাৰিছে। কিন্তু সি জানো... এয়া কৰিব পাৰিব?

সি জানো দহজনী মাতৃৰ মুখৰ হুৰাও-ৰাও কান্দোন... শুনিব পাৰিব? দহজনী পত্নীৰ সেন্দুৰ মচিব? দহটা সন্তান... পিতৃহীন বা মাতৃহীন কৰিব পাৰিবনে? নোৱাৰে। ক'ত্তা... দেখোন আজি সৰুকণক ঘুৰি আহি গাঁৱৰ পূজাভাগলৈ... বুলি ক'ব নোৱাৰিলে, বাবে বাবে সুধি থকা ৰমলাক সি ক'... যায় সঁচাকে ক'ব নোৱাৰিলে। ইমান কম সাহ থকা মানুহ... বাৰু কেনেকৈ শ শ মানুহৰ মৰা শ হিচাপ কৰিব? ... মানুহৰ গৰিহণা খাব? নোৱাৰে।

কিন্তু সি সাহ বান্ধিব লাগিব। সিটো বাধ্য, নিৰুপায়... বাধ্যতাৰ শিকলি ছিঙিব নোৱাৰে, কিন্তু সেই শিকলিত ... খাই বাধ্য হ'বও নোৱাৰে। উসঃ কি কৰ্তব্য তাৰ এতিয়া... 

বাক্যসতুল্য তিলকৰ আজ্ঞাবাহী হৈ সি এনে মহাপাপ... কৰিবনে? নৰহত্যা মহাপাপ। তিলকতো মানুহ নহয়। মানুহ... শৰীৰটোহে আছে, অন্যটো একো নাই...

সি আৰু একো চিন্তা নকৰে। মৃত্যুৰ শান্তিৰে চকু... জোৰেৰে মুদি দিলে সি। অনুভৱ কৰিলে দহৰ বাবে ... কৰা অমৃতময় মৃত্যুক।

মুহূৰ্ততে এটা বিকট, ভয়ঙ্কৰ, লোমহৰ্ষক শব্দই গোটেই... পৃথিৱী কঁপাই গ'ল।... শব্দটো নিমাইপুৰৰপৰা অহা নাই। আৰু... শব্দটো চহৰৰ বৰ পূজাথলীৰ পৰাও অহা নাই... নিমাইপুৰৰ গাতে লাগি থকা খৰিকাবাৰী নামৰ অঞ্চল... ওচৰৰপৰা।

পিছদিনাখনৰ বাতৰি কাকতৰ তৃতীয় পৃষ্ঠাত এটা ... ওলাইছে—

নিমাইপুৰ সংবাদ, নিজাবাতৰি দিওঁতা ঃ খৰিকাবাৰী... অৰণ্যৰ মাজেৰে যোৱা ৰাস্তাটোত এজন আত্মঘাতী... বোমাৰুৱে নিজকে বিস্ফোৰিত কৰাত দুজন লোকৰ ঘটনাস্থলী... মৃত্যু হয় আৰু এখন মাৰুতি গাড়ী সম্পূৰ্ণকৈ ক্ষতিগ্ৰস্ত... হয়। প্ৰাপ্ত তথ্য মতে এখন দামী মাৰুতি গাড়ীৰ ভিতৰত... বোমাৰুজনে নিজকে বিস্ফোৰিত কৰে আৰু তাৰ লগতে... গাড়ীত বহি থকা গাড়ীৰ মালিক আৰু ড্ৰাইভাৰ নিহত... এনেদৰেই সন্ত্ৰাস বিয়পাই আছে এচাম দেশদ্ৰোহীয়ে।







সাধুকথা

# পদুমকলি

পপী গায়ন
স্নাতক ৩য় ষাণ্মাসিক

এখন গাঁৱত পদুমকলি নামৰ এজনী ছোৱালী আৰু তাইৰ মাকে বাস কৰিছিল। সিহঁতে বাস কৰা গাঁওখনৰ সিটোপাৰে এজন ল'ৰাই বাস কৰিছিল। পদুমকলি আছিল কাম-কাজত পকৈত ছোৱালী। এদিন তাই কাপোৰ ধুই থাকোঁতে ল'ৰাজনে দেখা পালে। ল'ৰাজনৰ তাইৰ প্ৰতি প্ৰেম উপজিল। ল'ৰাজনে ছোৱালীজনীৰ মাকক গৈ বিয়াৰ প্ৰস্তাব আগবঢ়ালে। তেতিয়া মাকে ক'লে ঠিকেই ছোৱালী ডাঙৰ হৈ আহিলে বিয়াতো দিবই লাগিব। মই তোমাক মোৰ ছোৱালীক তোমালৈ বিয়া দিম কিন্তু এটা চৰ্তত। তেতিয়া ল'ৰাজনে ক'লে কওকচোন সেই চৰ্তটোনো কি? তেতিয়া মাকে ক'লে তুমি মোৰ ছোৱালীৰ নামটো কি ক'ব লাগিব আৰু যদি তুমি তাইৰ নামটো ক'ব পাৰা তেন্তে তাই তোমাৰ। ল'ৰাজনে বীণা, চম্পা, চামেলী, মধুবালা আদি বহুতো নাম ক'লে কিন্তু এটাও শুদ্ধ নহ'ল। ল'ৰাজন দুখমনেৰে ঘৰলৈ উভতি আহিল। সি পদুমকলিৰ নামটো জানিবৰ বাবে অত্যন্ত চেষ্টা কৰিছিল কিন্তু সি পৰা নাছিল। এদিনাখন সি আহি থাকোতে এটা কুকুৰক লগ পালে আৰু কুকুৰটোক ক'লে যে হে বন্ধু তোমাক যি লাগে মই তাকেই দিম কিন্তু তুমি মোক সৌ মানুহঘৰত থকা ছোৱালীজনীৰ নামটো জানি ক'ব লাগিব। কুকুৰটোৱে ঠিকেই আছে বুলি কৈ গুচি গ'ল আৰু সি পদুমকলিহঁতৰ ঘৰৰ পিৰালিত জোপা লৈ শুই আছে পদুমকলিৰ নামটো জানিবৰ বাবে। আৰু ঠিক সেইসময়তে মাকে পদুমকলিক চিঞৰি কৈছে যে অ'ই পদুমকলি বাচনখিনি ধুইছোন। তেতিয়া কুকুৰটোৱে

জোৱালীজনীৰ নামটো পদুমকলি বুলি জানি ল'ৰাজনক ক'বলৈ গুচি আহিল। সি নামটো নাপাহৰিবৰ কাৰণে মুখতে মাতি আহিল পদুমকলি-পদুমকলি। সি আহি থাকোতে তাৰ সন্মুখত মস্ত আপেল এটা সৰি পৰিল আৰু তাৰ ইমান ভাগৰ লাগিছিল যে সি আপেলটো নোখোৱাকৈ থাকিব নোৱাৰিলে। সি আপেলটো খাই ল'ৰাজনৰ ওচৰ পালেগৈ। ল'ৰাজনে কুকুৰটোক দেখি সুধিলে বন্ধু তুমি জোৱালীজনীৰ নামটো জানিলানে? তেতিয়া কুকুৰটোৱে ক'লে হয় বন্ধু জোৱালীজনীৰ নামটো আপেলকলি। তেতিয়া ল'ৰাজনে মাকক গৈ ক'লে আপেলকলি। মাকে ক'লে ওহো নহয়। ল'ৰাজন আকৌ গুচি আহিল। এইবাৰ জনীৰ নামটো কি জানি আহিব পাৰিবানে মই তোমাক যি লাগে তাকেই দিম। এইবুলি কোৱাত শিয়ালটো মানুহঘৰৰ বেৰৰ কাষত লুকাই আছে। তেনেতে মাকে পদুমকলিক চিঞৰি কৈছে যে অ'ই পদুমকলি কাপোৰবোৰ মোকলাই দেচোন। পদুমকলি বুলি কোৱাত শিয়ালটোৱে শুনি গ'ল আৰু সি ল'ৰাজনক ক'বলৈ আহি থাকোতে দেখা পালে যে এটা ডাঙৰ পুখুৰীত অসংখ্য শ'ল মাছে লিৰ্‌লিৰাই আছে। আৰু সি তাকে চাই চাই আনন্দমনেৰে উপভোগ কৰিবলৈ ধৰিলে। শিয়ালটো আহি পোৱাত ল'ৰাটোৱে সুধিলে তুমি তাইৰ নামটো জানিলানে? শিয়ালটোৱে ক'লে তাইৰ নাম শ'লকলি। ল'ৰাটোৱে আগৰ দৰেই মাকক গৈ ক'লে শ'লকলি। মাকে ক'লে ওহো নহয়। ল'ৰাজন আকৌ দুখমনেৰে ঘৰলৈ গুচি আহিল এইবাৰ আহি থাকোতে বাটত এটা কাউৰীক লগ পালে। ল'ৰাজন দুখত আহি থকা দেখি কাউৰীটোৱে সুধিলে হেৰা তোমাৰ কি হৈছেনো তুমি মোক ক'ব পাৰিবানে? মই তোমাক সহায় কৰিম। এইবুলি ল'ৰাজনে কাউৰীৰ আগত সকলো কথা বিৱৰি ক'লে। কাউৰীয়ে পদুমকলিহঁতৰ ঘৰৰ গছৰ ডাল এটাতে বহি আছে নামটো জানিবৰ কাৰণে। সেইসময়তে মাকে পদুমকলিক চিঞৰি মাতিছে অ'ই পদুমকলি খানখিনি লৰাই দেখিছেন। এইবুলি পদুমকলি বুলি মতাত নামটো শুনি সি ল'ৰাজনক গৈ ক'লেগৈ পদুমকলি। ল'ৰাজনে মাকক আহি কোৱাত মাকে



কথা দিয়া মতে পদুমকলিক ল'ৰাজনলৈ বিয়া দিলে। বিয়া

কিছুমাহৰ পিছত ল'ৰাজনে পদুমকলিক কৈছে যে ম

এসপ্তাহমানৰ কাৰণে ফুৰিবলৈ যাম তুমি ভালকৈ থাকিব

আৰু সৌ কোঠালিটোৰ দৰ্জাখন কেতিয়াও নুখুলিব

কোঠালিটোৰ দৰ্জাখন নুখুলিবৰ কাৰণে বাৰে বাৰে

সি গুচি গ'ল। পদুমকলিয়ে ভাবিলে

কোঠালিটোত কি এনে বস্তু আছে যাৰ বা

দৰ্জাখন খুলিবলৈ মানা কৰিছে। এইবু

পদুমকলিয়ে তাতনো কি বস্তু আছে

কৈ দৰ্জাখন খুলিলত পদুমকলিয়ে

নোৱৰা অৱস্থা। তাই

কম্পিত হৈ কান্দিবল

ধৰিলে আৰু তাতে

মাকৰ এখী চাদৰখন

পালে। মাকৰ এখী চাদৰ

হাতত লৈ তাই কান্দিব

ধৰিলে। সেই সময়তে

চাদৰখনৰপৰা এটা মাত আহি

আই পদুমকলি তই ইম

পৰা এতিয়াই পলাই যা

মানুহ নহয় সি এটা বাঘ

তই মোৰ এখী চাদৰ

গাতে লৈ খোঁৱাত উঠি

ক'ৰবালৈ গুচি যা। চাদৰখন গাত ল'লে তোক কোনে

দেখা নাপাই। এইবুলি পদুমকলি সেই ঠাই এৰি আন

পালেগৈ আৰু তাইৰ ইমান ভাগৰ লাগিছিল যে তাই

বিলত পানী খাবলৈ আহিল। তাই এখী চাদৰখন থৈ

খাবলৈ অহাত বাঘসটোৱে তাইক দেখা পালে। বাঘ

পদুমকলিৰ ওচৰলৈ আহি থকাত খোঁৱাটোৱে চিঞৰি

ধৰিলে। খোঁৱাটোৱে চিঞৰা দেখি পদুমকলিয়ে ঘূৰি চাই

বাঘসটোক। পদুমকলিয়ে ততাতৈয়াকৈ তাৰ পৰা পলাই

ঘৰ পালেগৈ। তাই সেই ঘৰটোত মস্ত গাঁত খান্দি বিছনা

পাৰি থৈ দিছে। আৰু বাঘসটো তাইক বিচাৰি সেই

পালেগৈ। আৰু ঘৰটোলৈ সোমাই গ'ল। পদুমকলি

বাঘসটোক বিছনাখনত বহিবলৈ দিয়াত বিছনাখন গাঁত

সোমাই গ'ল আৰু তৎক্ষণাত গাঁতটো পুতি পেলা

সেইদিনাৰ পৰা পদুমকলি সুখে-শান্তিৰে থাকিব পৰা হ'ল





## যন্ত্ৰণা

**শৰ্মিষ্ঠা দেৱী**
সহকাৰী অধ্যাপিকা

খিলিৰ মাতত
গভীৰ হোৱা ৰাতিটোৱে
এন্ধাৰৰ আঙুলিত ধৰি
খোজ থৈছিল— এই ধৰাত।
তাৰ ক্ষিপ্ৰ দুহাতেৰে
মেৰিয়াই ধৰিছিল
যন্ত্ৰণাত দগ্ধ
এটি শৰীৰক।
মাজনিশা অদূৰত শুনা
বে'লৰ উকিটোৱে
তেওঁক লৈ গৈছিল
অন্য এখন দেশলৈ,
য'ত স্থবিৰ হয়
জীৱন চলোৱা যন্ত্ৰটো।
আকৌ এবাৰ উকিয়াইছিল
ৰে'লখনে।
লাহে লাহে
ওচৰ চাপি অহা
উকিটোৱে যেন
গিলি পেলাব তেওঁক।
এনে লাগে যেন
তেওঁৰ বুকুতে চলিছে
নিশাৰ ৰে'লখন।
তেওঁৰ বুকুলৈকে
উজাই অহা দুখটোৰেও
হেৰুৱাই পেলায়
পাৰ ভাঙি ওলাই অহাৰ বাট।
দুখবোৰো কেতিয়াবা
শিল হৈ যায় নেকি?
হয়তো যায়,
কিয়নো দুটি বসন্তৰ আগতে
সেইখন ৰে'লৰ উকিয়েই
যে মহতিয়াই নিছিল
গগণফলা চিঞৰটিক,
তেওঁৰ বুকুৰ এফাল
তেওঁৰেই পোনাটিক।





## স্মৃতিত শৰৎ

**অম্লানদীপ শইকীয়া**
স্নাতক ৫ম ষাণ্মাসিক

(১)
সৰা শেৱালিৰ সুবাসত
মোৰ আইলৈ মনত পৰে
শেৱালি ফুলাৰ
দিনত আইক হেৰুৱাইছিলোঁ।
নিয়ৰৰ দলিচাত
পিতাই ওই থকা মনত পৰে
নিয়ৰ আৰু শেৱালি ফুলাৰ দিনত
আই-পিতায়ে মোক ঠগিলে
(২)
শৰৎ যেতিয়া আহে
স্মৃতিত মোৰ বন্য ল'ৰালি
শেৱালি ফুলৰ মালা গাঁথা, ঢোলাত
ধুলি লৈ ওঁকৰা দেমালি
আৰু কত যে কি।
যৌৱনৰ কুঁহিটো বসন্ত
কি আনিলে শৰতে
শৰৎ আহে আৰু যায়
কি নি যায়... কি লৈ যায়
নাজানো।
শৰতে মাথোঁ নিৰৱে কৈ যায়
জোনাকী পৰুৱাৰ দৰে
মোৰ প্ৰেম কাহিনী।
*(পূব মাণ্ডলিক যুৱ মহোৎসৱত তৃতীয় স্থান প্ৰাপ্ত)*

## শান্তিৰ পৃথিৱীখন

**সুৰজ নায়ক**
স্নাতক ৬ষ্ঠ ষাণ্মাসিক

বিস্ময়ৰ এক সুবাস তুমি
লৈ যোৱা যাযাবৰী
সৌ চুম্বকপ্ৰিয় নীলিমাৰ
সপোন মৰ্মাহত জীৱন।
তুমি লৈ যোৱা
সৌ শত ধাৰাৰ পাৰত
পাগলি অহা তীক্ষ্ণ শ্ৰমৰ
বোজা, সি লয় পাৰ্বত
তুমি শ্ৰেষ্ঠ হোৱা।



## আৰ্তনাদ

**চিত্ৰৰঞ্জন শৰ্মা**
স্নাতক ৫ম ষাণ্মাসিক

নতুনক আলিঙ্গন কৰি থাকোঁতে বেৰৰ জনতাৰ
দেখিলাহেঁতেন এটা শিশুৰ আনন্দ...
তাক যে হত্যা কৰিছা
বৈ আহিছে এসুঁতি গৰম ৰঙা তেজ
কি ভয়াবহ আছিল সেই দৃশ্য
যি কেৱল চিঞৰিছে কেৱল চিঞৰিছে
আৰ্তনাদ কৰি
বিং বিঙাই কৈছে— মুখেৰে
মোক জীয়াই থাকিবলৈ দিয়া
তোমালোক দুৱোৰে মৰমৰ মাজত
কিন্তু তাক নিজ হাতেৰে
হত্যা কৰিলা বৰ্বৰভাৱে।
আহ কি ভয়াবহ আছিল সেই দৃশ্য।

## অসুখ

**শৰৎ শৰ্মা**
স্নাতক ৫ম ষাণ্মাসিক

তোমাৰ কথাবোৰ আজিকালি
কাতিৰ ঢোকা বাঁহজাকৰ দৰে হৈছে।
একেবাৰে সেই-পুৰি নিয়ে।
এবাৰ আগেৰ কুঁৱলীজাক
হৈয়ো চেবাচোন।
শীতল, শুভ্ৰ।
ক'ত গ'ল তোমাৰ আগৰ সেই
বসন্তৰ কুলি যেন মাততি
মিঠা, কোমল, সুৰদি।
কুঁহিপাতে সেউজীয়া কৰিবলে
লঠঙা হৈ পৰা
মোৰ মনৰ বটজোপা
জহি-খহি গৈছে মোৰ হৃদয়খন
অসুখে আৱৰিছে।
জোকাৰিছে যন্ত্ৰণাই।

## আলিংগন

**বিন্তি বৰা**
স্নাতক ৫ম ষাণ্মাসিক

সভ্যতাৰ নৃশংস হাতেৰে হত্যা কৰিলা
মোৰ মৰম আৰু বিশ্বাস
এতিয়া দিবলৈ আৰু মোৰ একোৱেই নাই
ফুলৰ সুবাস আৰু তোমাৰ কৃত্ৰিম মৰমে
মাতাল নকৰে।
চাৰিওফালে অন্ধকাৰ মোৰ আকাশ
তথাপিও নজ্বলে মোৰ আকাশত
মই মাথোঁ জীয়াই আছোঁ।
এটা যন্ত্ৰৰ দৰে।
... কৰি থাকোঁতে




## ভাবনা

**নাচৰিন চুলতানা**
স্নাতক ২য় ষাণ্মাসিক

মই ভাবিছিলোঁ
তুমি আহিবা বুলি
আৰু ভাবিছিলোঁ
প্ৰকাশ কৰিবা,
মোৰ আগত
তোমাৰ মনত থৈ দিয়া
কথাবোৰ,
আকাশীলতাৰ দৰে,
মোক মেৰিয়াই ধৰি
আঁকি দিবা অন্তৰত মোৰ
সেউজী নিচান।
আৰু...
কিন্তু কথাবোৰ ভাবোতেই
সময় পাৰ হ'ব
যেন লাগিছে।
কিন্তু সেই দিনটি
আহিব কেতিয়া ?
তথাপিও,
মনত সেই আশাকেই
পুহি লৈ আছোঁ।
সঁচাকৈয়ে,
সেই দিনটি
আহিব কেতিয়া ?





## সংগ্ৰামৰ বাবে জীয়াই থাকা

**(চাহ বাগিচাৰ পৰিশ্ৰমী শ্ৰমিক আৰু শোষিত জনতাৰ নামত উৎসৰ্গিত)**

**নাৰায়ণ চাউ**
স্নাতক ৫ম ষাণ্মাসিক

তোমালোকৰ হাত-ভৰিবোৰ শিকলিৰে বন্ধা
মগজুবোৰ অৱৰুদ্ধ অজ্ঞানতাৰ প্ৰাচীৰেৰে
সহনশীল হৃদয়েৰে বাক্‌ৰুদ্ধ মানুহ তোমালোক
তোমালোকৰ বহুতেই নাজানা যে
তোমালোকে খাবলৈ নাপালেও
তোমালোকৰ বহুতে এচাম মানুহে
অভিজাত বস্ত্ৰ-অলংকাৰ পিন্ধিছে,
সিহঁতৰ বৰ বৰ অট্টালিকাবোৰ
তোমালোকেই যে সাজি দিছা
সেয়াওতো তোমালোকে নাজানা,
তোমালোকক একোৱেই নজনা কৰি ৰাখিবলৈ
অজ্ঞানতাৰ অভেদ্য চক্ৰবেহ সিহঁতে যে ৰচিছে
তাকোতো তোমালোকে নাজানা
তোমালোকে কিন্তু ভালদৰে জানা
যে হাড়ভঙা পৰিশ্ৰমেৰে
কপালৰ ঘাম মাটিত পেলাই
মোকলাব লাগে দুবেলাৰ দুমুঠি ভাত,
নিজে জীয়াই থাকি, আনকো জীয়াবলৈ দিব লাগে।
শোষকৰ কেঁকোৰা চেপাত
জীৱনৰ প্ৰতি টোপাল তেজ দান দি আহিছা।
জীয়াই থাকিবলৈ মাথোঁ জীয়াই থাকিবলৈ
যুঁজিছা
যদিহে মুক্তি বিচাৰিছা
চক্ৰবেহ ভাঙিব খুজিছা
তেনেহ'লে যুঁজ দিবলৈ জীয়াই থাকা
সংগ্ৰামৰ বাবে তোমালোক জীয়াই থাকা।

## কেতেকী

**শিখামণি হাজৰিকা**
স্নাতক ৫ম ষাণ্মাসিক

জোনাক গলা দুভাগ ৰাতি
শেতেলিত সাৰ পাওঁ কেতেকীৰ কিনকিত
মনত পৰে অতীতৰ মৰমলে
কিমান আবেগ সনা সেই মৰম
আজি আৰু নাই...
শেষ হৈ গ'ল কালৰ বুকুত
আছে মাথোঁ কৃত্ৰিমতা সনা এটি
মিঠা মাত।
শেতেলিত মূৰ থৈ দুচকু
ভৰি আছে মোৰ...
সাৰ পাওঁ কেতেকীৰ মাতত।



## মৰম

**দীক্ষা শৰ্মা**
স্নাতক ৫ম ষাণ্মাসিক

পথ এৰি পথচাৰী হৈ
শিৰৰ সেন্দুৰ কৰিলা অপবিত্ৰ।
তোমাৰ অভিনয়ত আজি মোৰ
বক্ত প্ৰবাহিত নলীবোৰো
স্তব্ধ হৈ গৈছে।
তোমাৰ তুলিৰে ভাঁজত আঁকিছিলোঁ
মোৰ ৰঙীণ সপোন
শেষ হৈ গ'ল কালৰ বুকুত
এতিয়া মই...
তোমাৰ অভিনয়ৰ নাৱত
অভিনয়ৰ তুলিকাত
ৰাতি পুৱাইছোঁ তৰাৰ দেশত।



## ধ্বংসবাণী

**চাজিনা ইয়াচমিন**
স্নাতক ১ম ষাণ্মাসিক

মই ধ্বংস
ধৰি ৰাখিবা মোক?
নোৱাৰিবা।
কিয় জানানে?
তুমি যে নিৰুপায়।
মোহৰ শিকলিৰে তোমাক কঢ়াকৈ বান্ধি থৈছোঁ।
নতুনত্বৰ প্ৰলেপেৰে তোমাক ঢাকি থৈছোঁ।
তোমাৰ অন্তৰত স্বাৰ্থৰ গজাল পোতা আছে।
বিশ্বাস নহয়?
চোৱা এবাৰ নিজক।
ইস! চালেঁ তোমাৰ সময় ক'ত?
এশ বিপুত লিপ্ত তুমি
পাৰিবা জানো?
শিকলি ছিঙিব?
গজাল তুলিব
তেজাল সূৰ্যলৈ চায়
বন্দনা কৰিব?
মই ধ্বংস





## দুৰ্লভ ঠাই

**ৰুলাৰা বেগম**
স্নাতক ১ম ষাণ্মাসিক

ক'ত আছে এনে ঠাই
য'ত হিংসা আৰু ঘৃণা নাই।
ক'ত আছে এনে ঠাই
য'ত দুখৰ সাগৰ নাই।
ক'ত আছে এনে ঠাই
য'ত ভাল পোৱা আৰু প্ৰেম নাই
ক'ত আছে এনে ঠাই
য'ত মানুহে দুখৰ কথা বুজি পায়,
ক'ত আছে এনে ঠাই
য'ত শত্ৰু শব্দটো নাই
ক'ত আছে এনে ঠাই
য'ত ভিক্ষাৰী মানুহ নাই।
ক'ত আছে এনে ঠাই
য'ত ভালপোৱা মানুহ নাই
ক'ত আছে এনে ঠাই
য'ত প্ৰেমিক নামৰ বিশ্বাসঘাতক নাই





## সভ্যতাৰ পোহৰ

**সুৰজ নায়ক**
স্নাতক ৫ম ষাণ্মাসিক

আজি ইতিহাসৰ পাতে পাতে
বৈ যোৱা কিছু 'প্ৰতিমূৰ্তি'
সিয়ে সলনি কৰিছে
মানুহৰ মন আৰু প্ৰগতিৰ
দিশবোৰ।

সেই 'প্ৰতিমূৰ্তি' আজি
তীক্ষ্ণ স্মৃতি স্বৰূপ,
যাৰ কোনো সীমা নাই
যাৰ কোনো গৰিমা নাই।

এক নৱৰূপ পোৱা
এক নৱযুগ হোৱা
'সুস্বাদু' হোৱাৰ আগত যি ছবি
ই বৈ যোৱা,
নতুন পৃথিৱীৰ তল।
কওঁ সেই ৰূপৰ কথা
কওঁ সেই প্ৰতিমূৰ্তিৰ কথা
বিলাতৰ শ্বেক্সপীয়েৰ, হিটলাৰ, মুচোলিনী...।
দেশ দেশান্তৰৰ ৰবীন্দ্ৰ, গান্ধী...।

আজি ইতিহাসৰ পাতে পাতে
তীক্ষ্ণ স্মৃতি সেই প্ৰতিমূৰ্তিৰ
দেখুৱাই গ'ল নতুন দিগন্তৰ
নতুন পোহৰ
আৰু এক নতুন চানেকি
সভ্যতাৰ পোহৰ।

## সময়ে হেতালি খেলিছে

**মুনমী বৰা**
স্নাতক ২য় ষাণ্মাসিক

কিনকিনিয়া বৰষুণৰ টোপালবোৰ
আজি স্তব্ধ হৈ পৰিছে
কোমল চেঁচা বতাহজাকে
আজি নিজৰ শিহৰণ হেৰুৱাই থমকি ৰৈছে
পোহৰৰ ৰাঠ ৰেখাডাল
আজি অস্পষ্ট
সময়ে আকৌ আজি
জীৱনত হেতালি খেলিছে
সপোনৰ মায়াজাল গাঁথি
দুচকুৰ পতা আজি ভাগৰি পৰিছে
চকুলো চকুতে শুকাই
মধুৰ হাঁহিয়ে মুখা পিন্ধিছে।
ভাগৰুৱা জীৱনক পুনৰ উৎসাহ দিওঁ
আগুৱাই যাবলৈ
তাক প্ৰেৰণা দিওঁ
জীৱনক কওঁ—
'নদীৰ সোঁত সমান নহয়
সময়ত ঢৌ ওফন্দি উঠে
সময় নিৰৱ হৈ ৰয়
কিন্তু সি নিজৰ দিশত অটল
ভাঙি যোৱা সপোনৰ সঁজা
আকৌ আশাৰে সাজি
জীৱন ভিতৰত তোক
সযতনে ৰাখিছোঁ।



## অনুৰোধ

**ভাস্কৰজ্যোতি ভূঞা**
স্নাতক ২য় ষাণ্মাসিক

তুমি মোক পাৰিবানে
ক্ষমা কৰিব
অজানিতে দিছিলোঁ মই
হিয়া উজাৰি
বুকুৰ মৰম
কিন্তু নোৱাৰিলোঁ মই
তোমাক এবাৰো বুজিব।
নোৱাৰিলোঁ মই
প্ৰকৃত পুৰুষ হিচাপে সমাজত
মোৰ পৰিচয় দিব
ভুল মোৰেই আছিল
জীৱনবাটত হেৰুৱালোঁ তোমাক।
কিন্তু নাজানো
এই অতীতবোৰক পাহৰিম কেনেকৈ।

## এজাক বৰষুণৰ অপেক্ষাত

**পৰী বৰা**
স্নাতক ১ম ষাণ্মাসিক

আকাশখন ক'লা মেঘেৰে
চাৰিও দিশে আৱৰি ধৰিছে
লাহে লাহে বতাহ মাৰিব ধৰিছে।
বতাহত গোটেই গছৰ পাতবোৰ
লৰচৰ কৰিছে
চৰাইজাকে গুৱলা গীত গায়
বাহলৈ উৰিছে।
মুহূৰ্ততে এজাক নিৰ্মল বৰষুণ
আহ, কি যে মজা লাগিছে।
ধুৱাই নিলে ধৰাক অজান প্ৰান্তলৈ।
নিকা কৰিলে ধৰা কিন্তু
মানুহৰ মাজত থকা আবৰ্জনা
কোনজাক বৰষুণে
ধুৱাব পাৰিব?
তেনে এজাক বৰষুণৰ বাবে
মই আজিও অপেক্ষাত আছোঁ।







## দুচকুৰ বন্যা

**নাচিবা খাতুন**
স্নাতক ১ম ষাণ্মাসিক

যোৱা ৰাতি তোমাৰ কথা ভাবোঁতে
মোৰ দুচকুৰে বৈ আহিছিল তপত বন্যা
হৃদয়ত সৃষ্টি হৈছিল এক অচিন যন্ত্ৰণা।
মায়া সনা তোমাৰ দুচকু,
মৌসনা ওঁঠৰ হাঁহি
কেনেকৈনো পাহৰো?
তোমাৰ সৈতে পাৰ কৰা সেই মধুৰ সময়বোৰ
হয়তো আৰু কোনো কালে উভতি নাহে।
তুমি মোক পাহৰি গ'লা
মই নাই পৰা
ইয়াতেই পাৰ্থক্য
আৰু হয়তো নোৱাৰিম?
তুমি মোক ত্যাগ কৰিছা যদিও
কিন্তু মই নোৱাৰিম
তোমাৰ প্ৰতি মোৰ ভালপোৱা
জীৱন্ত হৈ ৰ'ব চিৰদিন।



## জোনাক নিশা


**ৰিয়া পাল**
একাদশ শ্ৰেণী

লক্ষ লক্ষ তৰাৰে ভৰা
জোনাক নিশাৰ আকাশ,
পদুলিমুখৰ শেৱালিজোপাৰ
কি যে সুবাস।
আইতাৰ মুখৰ ৰসাল সাধু
শুনিবলৈ মন যায়,
কবিতা লিখোঁ জোনাক নিশাৰ
আকাশখনলৈ চায়।
জোনাক নিশা ভাগৰি পৰোঁ
গণি গণি তৰাৰ মেলা,
চোতালত বহি আইতাই কয়
কিমান যে ৰসাল কথা।
জোনাকী পৰুৱাৰ চাকিৰ পোহৰত
উজলে আমাৰ গাঁও
জোনাক নিশাৰ সপোনত মই
জোনৰ দেশলৈ যাওঁ।

## নীৰৱ নিশা

**ৰাফিনা বেগম**
স্নাতক ৩য় ষাণ্মাসিক

চকুলো টুকিছোঁ এই নীৰৱ নিশাত
হিয়া উজাৰি চিঞৰিছে মোৰ হৃদয়ে,
হতাশাই মোক আৱৰি ধৰি
জীৱন বাটত আগুৱাবলৈ বাধা দিছে,
কৰুণ হৃদয়ে উজাগৰে থাকি
নীৰৱ নিশাত উশাহ সলাইছোঁ।
মনৰ বালি ঘৰ ভাঙি পৰিল
সপোনো হেৰাই গ'ল।
চিনাকি মানুহ অচিনাকি হ'ল
অচিনাকি মানুহো চিনাকি হৈ ৰ'ল
তথাপিও আপোনতাত পালোঁ নিশা কেৱল
নীৰৱ নিশা!



## বিদ্যামন্দিৰ

**ভাৰতী নায়ক**
প্ৰাক্তন ছাত্ৰী

তোমাৰ পৰশতে ন-ন ৰূপ ধৰি
শত-শত পুষ্পকলি,
পুষ্পকাননত কত আকাংক্ষালৈ
স্বপ্ন ৰচিছে নয়ন মেলি।
নৱজীৱনৰ মেলি পাতনি
জ্বলাই এগছি জ্ঞানৰ বন্তি,
তোমাৰ সুবাসে সুগন্ধি বিলাই
পূৰ্ণপ্ৰাপ্তি আদা সোণালী জয়ন্তী।
কত যে স্বপ্ন কত আশাৰে
আগমন তোমাৰ ছাঁয়াতে,
স্বপ্নত নুফুলা কলিটিয়ে যেন
ফুলি উঠে এই কুসুমমালাতে।
অন্ধকাৰ দিশে উটি যোৱা
শতজীৱনে অৰ্জিলে গতি,
তোমাৰ নিৰপেক্ষ শিক্ষাদানে
বৰ্জিলে ভৱিষ্যতৰ ৰথী-মহাৰথী।
এইদৰে সমাজতে আনি শান্তিৰ জোৱাৰ
ৰচিলা কত ন-ন পৰিবৰ্তন,
পৰাধীনতাৰ ভেদ প্ৰহৰী
অন্ধবিশ্বাসৰ শিপা ঝলাই
মুক্তি প্ৰভাতেৰে
নতুন দিনৰ স্বপ্ন দুচকুত লৈ
ৰচিলা এক চিৰপূজ্য দৰ্শন।
কিদৰে পূজিম কিহেৰে কৰোঁ ধন্যবাদ
জয়তো হে ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়,
সহস্ৰ নমন শিক্ষাগুৰুসকল...
মহা মহা আদৰ্শৰে
জ্ঞানজ্যোতিৰ আভাৰে,
চিৰ কিৰ্ণীয়া
মেহাৰ্দ্ৰ শিক্ষাৰ্থীৰ
বিদ্যাৰ আলয়।



## শব্দ-নিশব্দৰ দোমোজাত...

**ৰবিতা বৰা**
স্নাতক ৩য় ষাণ্মাসিক

দুচকুত সপোন আছিল।
মৌন আছিল দুই ওঁঠ।
আবেগ আছিল।
প্ৰকাশ কৰিব পৰাকৈ ফুটি
উঠা নাছিল শব্দ...।
বোবা হৃদয় অন্ধ দুনয়ন
আৰু চকুলো চৰম প্ৰাপ্তি,
কোঙা হৈ পৰে হৃদয়...
মৰীচিকা খেদি খেদি।
শব্দৰ পিছত শব্দ দৌৰে,
কবিতাবোৰ ফুলি উঠে,
নিঃশব্দে শব্দবোৰ চকুলো হৈ সৰে।
শব্দ-নিঃশব্দতাৰ দোমোজাত
দিনৰ পিছত দিন বাগৰে...।



## এজাক জোনাক নিশা


**ভাবতী নাথ**
স্নাতক ৩য় ষাণ্মাসিক

মনত আছেনে তোমাৰ?
যিদিনা তুমি মোক প্ৰতাৰিত কৰি
দূৰ-দূৰণিলৈ গুচি গৈছিলা
সেইদিনা মোৰ হৃদয় উকা হৈ পৰিছিল।
এজাক জিল্‌মিল্ জোনাকী নিশাই
মোৰ হৃদয়ৰ বিষণ্ণ দিনটোৰ
নিঃসঙ্গতাক ক্ষন্তেকৰ কাৰণে
আঁতৰাই নিলগে ৰাখিছিল।
আজি বহুদিন হ'ল
সেইজাক জোনাকৰ আগমনত
মোৰ শুষ্ক মন আৰু মৰু-প্ৰান্তত
এটি নতুন জীৱনৰ পাতনি মেলে।
হেঁপাহেৰে বৈ আছোঁ মই
সেইজাক জোনাক নিশা লৈ।
কিজানি বা আকৌ দেখা পাওঁ
মোৰ হৃদয়ৰ বিষণ্ণতাবোৰ
আঁতৰ কৰাই পঠাবলৈ।





## অসম



**ৰাধা খাকলাৰী**
স্নাতক ৩য় ষাণ্মাসিক

আছিল এখনি সাতভনীৰ
বৰ অসম
হৈ গ'ল ছিৰাছিৰ
ভাগি গ'ল টুকাফাৰ
বৰ অসমখন।
এতিয়া লাগে
সকলোকে ভূমিভাগ
নাই আৰু এতিয়া
চুকাফাৰ সেই বৰ অসম
কৰিছে সকলোৱে হুলস্থূল
সকলো ফালৰে পৰা
বিচাৰিছে সকলোৱে
মাটিৰ ভাগ
নাই আৰু আজি অসমৰ
সেই বীৰ লাচিত
যিয়ে দিছিল দেশৰ কাৰণে
নিজৰ প্ৰাণ আহুতি।
নাই আজি সেই
সাতভনীৰ দেশ
কোনেনো কৰিলে
সকলো শেষ।
আহা সকলোৱে কৰো দেশৰ কাম
তেতিয়াহে ৰ'ব
অসমৰ মান।



## মা

**দিব্যজ্যোতি মুৰা**
স্নাতক ২য় ষাণ্মাসিক

মা অ' মোৰ মা
তুমি মোৰ মৰমৰ মা
তুমি মোৰ জীৱনৰ লগৰী,
সুখ-দুখত তুমি মোৰ লগত থাকিলে
যাওঁ মই সকলো দুখ-যন্ত্ৰণা পাহৰি।
মা, ভাল পাওঁ তোমাক
তুমি মোৰ প্ৰেৰণা
মোৰ সকলো কথাৰ সংগী তুমি।
তুমি মমতাময়ী কৰুণা সাগৰ,
মা, তোমাৰ মুখৰ হাঁহিয়ে
কৰে মোক আপোন পাহৰা।
মা, তুমি মোৰ চকুত সদায় জিলিকি থাকিবা।

## আশা

**মাহমুদা বেগম**
স্নাতক ২য় ষাণ্মাসিক

জীৱন মোৰ জীৱন নহয়
ঈশ্বৰে দিয়া এটি বৰদান
আশা মোৰ আশা নহয়
অন্ত নপৰা এটি
সুৰহীন গান
প্ৰতিটো পদতে এটি নতুন গানৰ সৃষ্টি
প্ৰতিটো মুহূৰ্ততে এটি নতুন আশাৰ কামনা
আশা হৈছে আমাৰ জীয়াই থকাৰ কাৰণ
আশাক লৈ আমি সকলো জীৱিত
সংসাৰৰ মায়া-মোহ এটি অৱদান
আশাপূৰ্ণ এই জীৱনটোত
মাথোঁ মোৰ জীয়াই থকাৰ কামনা
আশা ভৰা মই
আশাহীন জীৱনৰ
মোৰ এটি অন্ত নপৰা গান।

## বিচ্ছেদ

**ৰীমা বাৰিক**
স্নাতক ৪ৰ্থ ষাণ্মাসিক

বহুদিন তোমাক লগ পোৱা নাই
কেতিয়া লগ পাম পুনৰবাৰ
তাৰো কোনো নিশ্চয়তা নাই
বৰ আকস্মিকভাৱে ঘটি গ'ল
তোমাৰ সৈতে মোৰ বিচ্ছেদ।
কোনো সুযোগ নাপালোঁ
তোমাক নিজাকৈ বিদায় দিবলৈ
তোমালৈ লিখা কবিতাটো
আধালিখা হৈ থাকোঁতেই
তুমি আনৰ মৰম বিচাৰিলা
পাহৰিলা অতীতৰ স্মৃতিবোৰ
মনত পৰেনে বান্ধ তোমাৰ
মই দিয়া জেতুকাৰ দুহাতত বোল
হাতত পিন্ধোৱা গামখাৰুযোৰ
তুমি নুবুজিলা মই যে তোমাক
কিমান ভাল পাওঁ
জন্ম জন্মান্তৰ মই তোমাৰ
চিতত মূৰ হৈ শুম
চিৰদিনলৈ।






## কবিতা

**অনন্ত কায়স্থ**
স্নাতক ১ম ষাণ্মাসিক

(১)
যেতিয়া উশাহ
চুটি হৈ পৰে
মোৰ নাওখনৰ
তেতিয়াই বাঢ়ি আহে ধুমুহা,
জঁপিয়াই উঠে
জীৱন নদীৰ ঢৌবোৰ।
(২)
তুমি কবিতা কবিতা লগা আকাশ
চোৱাৰ হেঁপাহ বুকুত বান্ধি
ফুলে ফুলে উৰি ফুৰা
এটি চৰাই
আৰু মই
মই এজোপা ফুল নুফুলা গছ।





# নগাঁৱৰ বিশেষ কথা

১। জনশ্ৰুতি মতে, আহোম ৰাজত্বৰ কালছোৱাত এই ঠাইবে গাঁওসমূহ নকৈ প্ৰতিষ্ঠা হোৱাৰ কাৰণে ঠাইখনে 'নগাঁও' নাম পালে বুলি জনা যায়। প্ৰশ্ন হ'ল, কোনজনা আহোম স্বৰ্গদেউৰ ৰাজত্বকালত বৰ্তমানৰ নগাঁও জিলাৰ গাঁওসমূহ নতুনকৈ পতা হৈছিল?

উত্তৰ : স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনত।

২। ১৬৮০ খ্ৰীষ্টাব্দত এইগৰাকী নগাঁওবাসী আৰু দুগৰাকী সহযোগীৰ সহায়ত অত্যাচাৰী লাচুকসোলা বৰফুকনক হত্যা কৰিছিল। যাৰ ফলত অসম বুৰঞ্জীত এক নতুন অধ্যায়ৰ সূচনা হৈছিল বুলি আমি ক'ব পাৰোঁ। এইগৰাকী পৰম সাহসী নগাঁওৰ নামত নগাঁও চহৰৰ প্ৰায় কাষতে থকা এখন গাঁৱৰ নামকৰণ কৰাও হৈছিল। গাঁওখনৰ নাম কি আৰু লোকজনৰ নাম কি?

উত্তৰ : গাঁওখনৰ নাম ভোটাই গাঁও আৰু লোকজনৰ নাম হ'ল ভোটাই ডেকা।


৩। নগাঁৱৰ এগৰাকী বৰেণ্য অসমীয়া সাহিত্যিক। 'ন-আইতা' নামেৰে পৰিচিত এইগৰাকী সাহিত্যিকে ১৯৯০ চনত অসম সাহিত্য সভাৰ সভাপতিৰ আসন শুৱনি কৰিছিল। এই ব্যক্তিগৰাকী কোন?

উত্তৰ : এই ব্যক্তিগৰাকী হ'ল নৱকান্ত বৰুৱা।

৪। প্ৰাক-শংকৰী যুগতেই নগাঁৱৰে এগৰাকী মহান কবিয়ে মহাকাব্য ৰামায়ণক অসমীয়া ভাষালৈ অনুবাদ কৰি ভাৰতৰ বাবে গৌৰৱ কঢ়িয়াই আনিছিল। বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধমৰ্মে তেখেতে এই মহান কামটো কৰিছিল বুলি ইতিহাসে কয়। কোন বাৰু এইজন মহান কবি?

উত্তৰ : মাধৱ কন্দলী।

৫। নগাঁও মিছন স্কুলত শিক্ষকতা কৰা নগাঁৱৰ সন্তান আত্মাৰাম শৰ্মাই বাইবেলখন অসমীয়ালৈ অনুবাদ কৰি নাম দিছিল 'ধৰ্মপুস্তক' সেইকালৰ পৰা ই হৈছে অসমীয়ালৈ অনূদিত প্ৰথমখন গ্ৰন্থ। এই গ্ৰন্থখনৰ আন এটা বিশেষত্বও আছে, কি বাৰু এই বিশেষত্ব?



উত্তৰ : প্ৰথমখন অসমীয়া ছপা গ্ৰন্থ।

৬। নগাঁৱৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ অন্যতম প্ৰাণকেন্দ্ৰ হৈছে 'কলিয়াবৰ'। এই কলিয়াবৰৰে সোণাৰি গাঁৱৰ গোপিনীসকলে পৰম্পৰাগতভাৱে মাথোঁ বিহুৰ মেজি জ্বলোৱাৰ দিনা পৰিৱেশন কৰে এক লোকনৃত্য। কেৱল মহিলাসকলে পৰিৱেশন কৰা এই লোকনৃত্যৰ নাম কি?

উত্তৰ : ক'লা বুঢ়ীৰ নাচ।

সংগ্ৰহ : সুস্মিতা দাস
স্নাতক ৩য় বাষ্মাসিক

# জানানে?

- তাজমহলৰ মুখ্য স্থাপত্যবিদ গৰাকী কোন?
  ⇒ ওস্তাদ ঈশা।
- ইংৰাজীত সৰ্বাধিক ব্যৱহৃত আখৰটো কি?
  ⇒ E
- কোন জন্তুৱে চকু আৰু নাকেৰে নিশ্বাস এৰে?
  ⇒ হৰিণ।
- কোনবিধ প্ৰাণীয়ে মুখেৰে পানী নাখায়?
  ⇒ ভেকুলী।
- কোনগৰাকী বিজ্ঞানীয়ে দুবাৰকৈ নোবেল পুৰস্কাৰ লাভ কৰে?
  ⇒ মেডাম মেৰী কুৰী।
- ভাৰতৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যৰ বঁটা কি?
  ⇒ জ্ঞানপীঠ বঁটা।
- আকাশৰ সৰ্বোচ্চ স্থানত থকা মেঘৰ নাম কি?
  ⇒ আলোক মেঘ।
- কেনেখন সাগৰত জল পৰিবহণ ব্যৱস্থা নাই?
  ⇒ চাৰগোচ্চা।
- সৰ্বাধিক ভাষালৈ অনুবাদ হোৱা গ্ৰন্থখন কি?
  ⇒ বাইবেল।
- ছেক্সপীয়েৰৰ ছদ্মনাম কি?
  ⇒ বাৰ্ড অৱ এভন।
- পদাৰ্থ বিজ্ঞানত নোবেল পুৰস্কাৰ লাভ কৰা ভাৰতীয় বিজ্ঞানী গৰাকী কোন?
  ⇒ ড° চন্দ্ৰশেখৰ ভেংকট ৰমণ।
- পিৰামিডৰ চহৰ বুলি কাক কোৱা হয়?
  ⇒ কাইৰ'।
- আকাশগংগাৰ মহাসপ্তখন কি?
  ⇒ নিউয়ৰ্ক।
- চিৰ বসন্তৰ দেশ কোনখন?
  ⇒ ইকুৱাডৰৰ।
- ভূ-স্বৰ্গ বুলি কোন ঠাইক কোৱা হয়?
  ⇒ কাশ্মীৰক।

সংগ্ৰহ : পাপৰী হাজৰিকা
স্নাতক ১ম বাষ্মাসিক

# প্ৰাণী বিচিত্ৰা

- সাপে তাৰ জিভাখনৰ সহায়েৰে গোন্ধ পায়।
- সকলো চৰাইৰ ভিতৰত শগুণেই সৰ্বাধিক ৩০,০০০ ফুট উচ্চতালৈ উৰিব পাৰে।
- মেৰু প্ৰদেশৰ চৰাই পেংগুইনে থিয় হৈ থাকিয়েই কণী পাৰিব পাৰে।
- সাপ আৰু মাছে কেতিয়াও চকু জপাব নোৱাৰে।
- হায়েনাই হ'ল একমাত্ৰ জন্তু, যি মানুহৰ নিচিনাকৈ হাঁহিব পাৰে।
- নীলা তিমিৰ ওজন সৰ্বাধিক ৩০০ টনলৈকে হয়। এই ওজন ২৪ টা হাতী, ৯২ টা ঘোঁৰা, ১৫০ টা ষাঁড় আৰু ৪৫০টা সিংহৰ সমান।
- মেকুৰীয়ে তাৰ মোচকেইডালৰ সহায়ত বাস্তা চিনি পায়।

সংগ্ৰহ ঃ জয়শ্ৰী শইকীয়া
স্নাতক ৫ম ষাণ্মাসিক

# আচৰিত হ'লেও সঁচা-১

- মানুহৰ বাহিৰে আন কোনো প্ৰাণীয়েই চিং হৈ শুব নোৱাৰে।
- জীয়াই থাকিবলৈ গড় হিচাপে এজন প্ৰাপ্তবয়স্ক মানুহক দিনে প্ৰায় ১৪ কিলোগ্ৰাম বায়ু, ১.৫ কিলোগ্ৰাম আহাৰ আৰু ২.২৫ লিটাৰ পানী লাগে। এজন মানুহে আহাৰ নোখোৱাকৈ ৫ সপ্তাহ আৰু পানী নোখোৱাকৈ ৫ দিন জীয়াই থাকিব পাৰে কিন্তু বায়ু অবিহনে মানুহ ৫ মিনিটমানহে বাচি থাকিব পাৰে।
- পৃথিৱীৰ আটাইতকৈ সৰু চৰাইবিধৰ নাম হামিং বাৰ্ড। কিউবাত পোৱা এই চৰাইবিধ দীঘলে ঠোঁটৰ পৰা নেজলৈকে ৫ ছেন্টিমিটাৰমানহে হ'ব। ৭৫ টামান এনে চৰাই একেলগে ওজন কৰিলেহে ১০০ গ্ৰামমান হয়। এইবিধ চৰায়ে পিছফালেও উৰিব পাৰে। তদুপৰি হামিং বাৰ্ডে সকলো চৰাইৰ ভিতৰত আটাইতকৈ ঘনাই পাখি মাৰে, প্ৰতি ছেকেণ্ডত প্ৰায় ৯০ বাৰ।
- এটা মৌ মাখিয়ে আধা কিলোগ্ৰাম মৌ বস গোটাবলৈ প্ৰায় দুই নিযুত পাহ ফুলৰ পৰা মৌ আনিব লাগে। একোটা কৰ্মী মৌ-মাখিয়ে তাৰ জীৱন কালত মৌ সংগ্ৰহ কৰিবৰ কাৰণেই তিনিলাখ মাইলমান ভ্ৰমণ কৰিব লগা হয়।

সংগ্ৰহ ঃ জয়শ্ৰী শইকীয়া, স্নাতক ৫ম ষাণ্মাসিক

# আচৰিত কিন্তু সঁচা-২

- দেখাত একে যেন লাগিলেও এটা জেব্ৰা আন এটা জেব্ৰাৰ লগত একে নহয়। ইহঁতৰ শৰীৰত থকা মনোমোহা দীঘল আঁক-বাকবোৰৰ পৰা জেব্ৰাৰ পাৰ্থক্য উলিয়াব পাৰি।
- পাৰ চৰাইৰ বাহিৰে আন কোনো চৰায়েই ঠোঁটটো পানীত ডুবাই পানী খাই থাকিব নোৱাৰে। চৰায়ে সাধাৰণতে ঠোঁটৰ ভিতৰত পানী লৈ পিছত মুখখন ওপৰলৈ কৰিহে পানীখিনি গিলি খায়। কিন্তু পাৰ হ'ল ইয়াৰ ব্যতিক্ৰম। ইহঁতে ঠোঁটটো পানীত ডুবাই থৈয়ে পানী খাই থাকিব পাৰে।
- জিৰাফৰ মূৰত শিং থকা বুলি সাধাৰণতে কোৱা হয় যদিও সেই দুটা আচলতে নোমেৰে ঢকা কোমল অংশহে।
- জাপানৰ পাৰ কুপাই নামৰ মাছবিধ ইমানেই বিষাক্ত যে জাপানত মানুহে আত্মহত্যা কৰিবলৈহে ইয়াক খায়।
- মাখিৰ ঠেং প্ৰায় এক মিলিমিটাৰ দীঘল। এই ঠেংৰে মাখিয়ে ২০ ছেন্টিমিটাৰ ওখলৈ আৰু ৩২ ছেন্টিমিটাৰ দূৰলৈ জঁাপ মাৰিব পাৰে। মানুহৰ এই ক্ষমতা থকা হ'লে ... থকাহেঁতেন ১৩৭ মিটাৰ ওখ আৰু ২১২ মিটাৰ দীঘল জঁাপ মাৰিব পাৰিলেহেঁতেন।
- শুনিলে আচৰিত যেন লাগিলেও এই কথা সঁচা যে বৰফৰ পৰিবেষ্টিত অঞ্চলত বসবাস কৰা এস্কিমোসকলেও ৰেফ্ৰিজাৰেটৰ ব্যৱহাৰ কৰে। খোৱা বস্তু যাতে কোনো প্ৰকাৰে বৰফ হৈ নাযায়, তাৰ বাবে ফ্ৰিজৰ সহায়ত ... ঠিক কৰি ৰাখিবলৈকে আধুনিক এস্কিমোসকলৰ মাজত ফ্ৰিজৰ ব্যৱহাৰ বঢ়ল।
- এটা মৌ মাখিয়ে আধা কিলোগ্ৰাম মৌ-ৰস গোটাবলৈ প্ৰায় দুই নিযুত পাহ ফুলৰ পৰা মৌ আনিব লাগে। একোটা কৰ্মী মৌ মাখিয়ে তাৰ জীৱনকালত মৌ সংগ্ৰহ কৰিবৰ কাৰণেই তিনিলাখ মাইলমান ভ্ৰমণ কৰিব লগা হয়।
- মানুহৰ মগজুটো ইমান জটিল যে পৃথিৱীৰ সকলো ... পাতি একেলগে লগ লগাই থ'লেও সিমান জটিল নহ'ব।

সংগ্ৰহ ঃ ডলী ডেকা, স্নাতক ৫ম ষাণ্মাসিক





# নীতি বচন

- আজিৰ কামৰ ওপৰত নিৰ্ভৰ কৰে আমাৰ আহিবলগীয়া দিনবোৰ।
- সঠিক চিন্তাই সাফল্যৰ মূল।
- আটাইতকৈ ভাল কাম— দুখিতজনৰ দুখৰ বোজা লাঘৱ কৰা, ভোকাতুৰজনক অন্ন দান কৰা।
- পৃথিৱীৰ আটাইতকৈ বেয়া কাম হ'ল আনৰ সুনাম নষ্ট কৰা।
- আনে আপোনাৰ প্ৰতি যেনে ব্যৱহাৰ কৰিলে আপোনাৰ ভাল লাগে, তেনে ব্যৱহাৰেই আপুনি আনৰ সৈতে কৰিব।

সংগ্ৰহ ঃ মিতালী বসুমতাৰী
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

# আনন্দময়ী জীৱনৰ কিছু মূল্যৱান বাণী

১. ডান্তেই কৈছিল— 'ভাবি চাওক, আজিৰ দিনটো আৰু জীৱনত কেতিয়াও উভতি নাহে।' সঁচাকৈয়ে জীৱন অতি দ্ৰুত গতিৰে আগুৱাই গৈছে। সেই বাবে আজিটোৱেই আমাৰ অমূল্য সম্পত্তি। এয়াই আমাৰ একমাত্ৰ নিশ্চিত সম্পদ।

২. অধ্যাপক উইলিয়াম জেমচেও কৈ গৈছে— 'যিটো ঘটি গৈছে তাক মানি লোৱা, কাৰণ যিটো ঘটি গৈছে তাক মানি ল'লেহে দুৰ্ভাগ্যক অতিক্ৰম কৰিব পাৰিবা।

৩. উইলিয়াম এছলাৰ মতে— 'কাইলৈ চিন্তা ত্যাগ কৰিব লাগে কাৰণ অহা কালিটোৱে তাৰ নিজৰ দায়িত্ব নিজে ল'ব।'

'বুদ্ধিমান মানুহৰ বাবে প্ৰতিটো দিনেই একোটি নতুন জীৱন।'

My very educated mother just served us nice pudding– এই বিশেষ ইংৰাজী বাক্যটোৱে আমাক এটা বিশেষ শ্ৰেণীৰ নাম মনত ৰখাত সহায় কৰে। সেইটো হ'ল— সৌৰজগতৰ ৯ টা গ্ৰহৰ নাম। বুধ (Mercury), শুক্ৰ (Venus), পৃথিৱী (Earth), মঙল (Mars), বৃহস্পতি (Jupiter), শনি (Saturn) ইউৰেনাছ (Urenus) নেপচুন (Neptune) আৰু প্লুটো (Pluto)।

সংগ্ৰহ ঃ শামিমা বেগম, স্নাতক ৫ম ষাণ্মাসিক

# নীতি জ্ঞান

- এগৰাকী মহৎ আৰু সত্যবাদী মানুহে নেমুৰ ৰস চেপি উলিওৱা কাৰ্য আৰু কোটিটকীয়া প্ৰকল্পৰ কাৰ্য একে আত্মত্যাগ আৰু একগ্ৰতাৰে সমাধা কৰাৰ চেষ্টা কৰে।
- ইমান দিনে আপুনি যিবোৰ কাম কৰি আহিছে সেই একেবোৰ কামকে কৰি থাকিলে তাৰপৰা আপুনি সেই একেখিনি ফলকে লাভ কৰিব— তাতকৈ অধিক একোকে নাপায়।
- আপুনি ধনী বুলি চিনাকি দিব লগা হ'লে জানিব লাগিব আপুনি মুঠেও ধনী মনুহ নহয়।
- জীৱনত নিজে জয়ী হোৱাতকৈ আনক জয়ী হোৱাত সহায় কৰাটো বেছি মহত্ত্বপূৰ্ণ।
- আটাইতকৈ বেয়া কাম হ'ল আনৰ সুনাম নষ্ট কৰা।

সংগ্ৰহ ঃ জোন বৰদলৈ
স্নাতক ২য় ষাণ্মাসিক

# নীতি জ্ঞান

- আনলৈ আঙুলিওৱাৰ আগতে চাব লাগে যে তিনিটা আঙুলি নিজৰ ফালে থাকে।
- এটা আনন্দমুখৰ মগজু, এটা কৰ্মদক্ষ হাত আৰু এখন বন্ধ মুখে জীৱনত ভাবিব নোৱৰা ধৰণৰ চমৎকাৰ দেখুৱাব পাৰে।
- আপুনি যদি মানুহৰ মন জয় কৰিব বিচাৰে তেনেহ'লে আনৰ কথা মনোযোগ দি শুনাৰ অভ্যাস গঢ়ি তোলক।
- অভদ্ৰ মানুহ ইমান হতভাগ্য যে আন এজন অভদ্ৰ মানুহেও তেওঁৰ নিন্দা কৰে।
- কোনো পাৰ্থিৱ সা-সম্পত্তি নিজৰ বুলি দাবী নকৰিবা। সকলোবোৰ ঈশ্বৰৰ, তুমি যি সম্পত্তি নিজৰ বুলি গ্ৰহণ কৰিছা সেয়া খন্তেকৰ বাবেহে ঈশ্বৰে তোমাক দিছে।

সংগ্ৰহ ঃ দিব্যজোতি মুৰা
স্নাতক ১ম ষাণ্মাসিক





# হামিংবাৰ্ড

**নীহাৰিকা কেওঁট**
স্নাতক ৩য় ষাণ্মাসিক



বিশ্বৰ আটাইতকৈ সৰু চৰাইবিধ হ'ল হামিংবাৰ্ড। নানা জাতিৰ হামিংবাৰ্ডৰ ভিতৰত আটাইতকৈ সৰুবিধ হ'ল বি হামিংবাৰ্ড। চৰাইৰ ভিতৰত আটাইতকৈ ডাঙৰ হ'ল উটপক্ষী। এজনী বি হামিংবাৰ্ড হ'ল উট পক্ষীৰ চকুৰ মণিটোৰ সমান। বি হামিংবাৰ্ড দীঘল হয় মাত্ৰ ৫.৭ চেণ্টিমিটাৰ আৰু ইয়াৰ ওজন মাত্ৰ ১.৬ গ্ৰাম। ইয়াৰ এটা আচৰিত শক্তি আছে। সেইটো হ'ল যিকোনো হামিংবাৰ্ডে অতি খৰকৈ ডেউকা সঞ্চালন কৰা ক্ষমতা আছে। এক ছেকেণ্ডত গড়ে ৩০ বাৰ। বি হামিং বাৰ্ডৰ এই ক্ষমতা আৰু বেছি। সিহঁতে প্ৰতি ছেকেণ্ডত ৮০ বাৰ পৰ্যন্ত ডেউকা সঞ্চালন কৰিব পাৰে। ইয়াৰ ফলত বি হামিংবাৰ্ড... ডেউকা একেবাৰে দেখা নাযায়। চাই থাকিলে চকুত প... একেবাৰে সৰু বস্তুৰ বিন্দু এটা। বি হামিংবাৰ্ড গোটেই দি... উৰিয়েই থাকে। ফলত প্ৰচুৰ কেলৰিৰ প্ৰয়োজন হয়। ... হামিংবাৰ্ডৰ বাবে এদিনত যিমান কেলৰি লাগে সেয়া এ... বয়স্ক মানুহৰ প্ৰয়োজনীয় কেলৰিৰ প্ৰায় ৪০ গুণ। কেৱ... চৰাইৰ ভিতৰতে নহয়, বিশ্বৰ উষ্ণ বক্তৰ এনে আৰু কো... প্ৰাণী নাই, দেহ অনুপাতে যাৰ এই বিপুল পৰিমাণৰ কেল... প্ৰয়োজন হয়।

# সাঁথৰ

- তিনিচুকীয়া মাজত থাল, বঁকালত ধৰি মাৰিবলৈ ভাল, চুৰ চুৰ কৈ নিয়ে টানি, পোকৰেদি বয় পানী, সোমাইছেনে নাই চাই জুমি জুমি।
  ⇒ জাকৈ।
- এটোপা পানীত কালীটো চৰে, পানীটোপা শুকালে কালীটো মৰে।
  ⇒ চাকি-বন্তি।
- জন্মতে কেঁকেৰা, বুঢ়া হ'লে হয় পোন, সেই বস্তু নাখাই থাকে কোন?
  ⇒ ঢেঁকীয়া।
- লটিস-পটিস দুভাল খাৰি, তাৰ ওপৰত ডিজেল গাড়ী, তাৰ ওপৰত আছে কাঁহৰ লোটা, তাৰ ওপৰত আছে মেৰৰ শোটা।
  ⇒ মানুহ।
- তুমি ক'লৈ যোৱা, মোকো মাৰি যোৱা।
  ⇒ দুৱাৰ।

সংগ্ৰহ : **ডলী ডেকা**
স্নাতক ৫ম ষাণ্মাসিক





# ঝুমুৰ

চাহ জনজাতিসকলৰ নৃত্যবিশেষ। ভাদ মাহৰ ... একাদশী তিথিত উদ্‌যাপিত চাহ জনজাতিসকলৰ কৰম পূ... অংগৰূপে ঝুমুৰ নৃত্য পৰিৱেশন কৰা হয়। মূলতঃ স্ত্ৰী... হ'লেও পুৰুষেও ঝুমুৰ নৃত্যত অংশগ্ৰহণ কৰে। এই নৃ... নাচনীসকলে একেলগে হাতত ধৰাধৰি কৰি এটা দীঘ... শাৰীৰ সৃষ্টি কৰে। সাধাৰণতে ডেকা-গাভৰুৱে অংশ ... ঝুমুৰ নৃত্যত ডেকাই ঢোল, মাদল, তাল, বাঁহী আদি ... বজায় আৰু ঝুমুৰ গীত গায়। ডেকাৰ এটি গীত শেষ ... লগে লগে নাচনীয়ে গীতৰ শেষৰ দুফাকি পুনৰাবৃত্তি ... নাচিবলৈ লয়। কৰম পূজাৰ দিনা সন্ধিয়াৰে পৰা ঝুমুৰ ... আৰম্ভ হয় আৰু বিভিন্ন সুৰ, তাল, লয়ৰে ওৰে নিশা ... থাকে। বিজনাচৰ দৰে ঝুমুৰ নৃত্যটো আনন্দৰে নচা ... হয়।

প্ৰিয়ংকা বাখলা, স্নাতক ৫ম ষাণ্মাসিক







# Philosophy and Methodology in Geography

**Akashee Bhuyan**
H.O.D.,
Department of Geography

"Geography has traditionally spawned a wide spectrum of interests-partly because we have one foot in physical Science and the other in social science."

C.E. Browning

The word 'GEOGRAPHY' is derived from two Greek words geo and graphos. Geo means earth; graphos means description of the earth's surface. So in order to have a definite subject matter to be studied in Geography, it is defined as "a study of the earth's surface in its areal differentiation as the home of men", the field of drawing inferences from earth, Social Science and Geometrical Science. Here in between the transition zone of earth and science and social science lies human ecology which shows the relationships between man and his environments, while economic geography is entirely the product of economic activities of any society. Similarly, Cartography is dependent upon geometrical science and Physical Geography on earth science.

In any discipline, Philosophies are essential because they create a set of subjectivity, impose constraints within which the individual does research. Closely associated philosophy is methodology. A methodology is the logical aim of explanation, ensuing that our arguments are rigorous, that our inferences are reasonable, that our methods are scientific. Thus the methodology is concerned with the logical nature of an explanation, and the philosopher is concerned with thinking of beliefs with respects to Geography. The outcome of Philosophy and Methodology is a theory of paradigm. In the contemporary period, Geographers are busy in the formulation of theories and paradigm with scientific and humanistic approaches.

**POSITIVISM:** Positivism is called empiricism. The positivism is a philosophy which is anti-idealism. The followers of positivism believe that along

the side of natural science, there should also be a Science of social relationship (Sociology) which is to be developed on the same behaviour in terms of analogies drawn from the natural science.

**DETERMINISTIC AND PROBABILITIC EXPLANATION:** The philosophy of geography on the relationship between man and environment has come a long way from the classical to the recent period. Throughout the 19th century two competing concepts and views of environment, determinism and possibilism tried to explain means role in the changing face of the earth. Both the concepts have departed man from the physical systems. To a determinist, nature is supreme, while to a possibilist, man is the main force in the man- environment interaction system.


With changing philosophy and methodology in geography, now a days, to study and research in geography mainly three approaches are important. Spatial approach for the recognition of spatial pattern, regularity the traditional geographers made generalization and as a result of which there developed the idea of environmental determinism and it leads to the emergence of three key ideas - spatial pattern, regularity process analysis and prediction.

Ecological approach and Ecosystem concept which interrelates human and environmental variables and interprete their links. The contribution of this approach in modern work in human geography comes through ecosystem concept which is an attempt to interprete and integrate a unified view of man and environment in a mixed system.

Regional approaches are the result of the combination of spatial and ecological analysis. The central working problem is to identify regional unit appropriate to the spatial analysis of the cultural landscape. It is considered as the core of geography.

After A.D.1800, geography became a subject with context methodology. The book thus set people rethinking, questioning, building theory and the origin of species brought geography and history together. It was also felt that environment should be properly assessed to know about an area.

In the last 25years great changes and virtual academic explosion of geographical knowledge have taken place at the activities and themes of geography of this century. Firstly, great specialization tend to know more and more about less and less. Secondly, the inter-disciplinary approaches of study have increased. It is generally felt that view wise and period wise there is no-uniformity in the discipline of geography. The changing methodology and techniques have altered the study of regional, human and physical geography. It developed in all the fields. So, the recent geography develops more rapidly in comparison to early time.









# The formation of the Himalayas

**Debita Kemprai**
Asst. Professor,
Department of Geography

'All the Gods, all the heavens, all the hell, are within you' – Joseph Campbell.

True. The Great Himalayas stand intact to protect and provide us, India and Indians from the outer woril. It is facing the cold winds from China, barring them from entering India and affecting us. Also, it is providing the life saving perennial rivers (e.g. Indus, Brahmaputra), which meets our fresh water needs throughout the year. It has the treasure of Biodiversity (one of the major biodiversity hotspot of the world). It demarcates the route of the Monsoon winds which is the lifeline for our farmers (Indian farmers depends on monsoons for irrigation). We are proud for having the highest mountain peak (mt. Everest) in the world. These mountains are also very sacred for Hinduism (Vaisnodevi Temple) and Buddhism. These are some few but very important roles played by the Great Himalayas to nourish our country.

But have we ever thought how these Himalayas were formed? Let us try to understand it...

The Himalayas extend from Pakistan to China to Nepal and to Tibet approximately 2400 km length. It acts as the natural boundary between India and these four countries.

It is said that around 200 million years ago, the earth was called Pangea-a single landmass. That means all the present seven continents were joined together forming one single landmass. This Pangea broke up and drifted apart from one another due to conventional current (convection currents are generated in the earth's inner mantle. As hot gas and liquid is produced, it moves upward, displacing the cooler and denser gas and liquid. As this convec-

tion process happens, those circulations push the continental plates, slowly drifting apart from each other). The northern part of Pangea was called Angara land and the southern part Gondwana land. The southern part i.e. Gondwana land was further broken down and split into several parts or plates.

One part of this Gondwana land, the Indo-Australian plate started drifting in the north direction. Another part from Angara land, the Eurasian plate which was much larger than the Indo-Australian plate was placed there in the north. Between these two plates there was a geosynclines name Tethys sea. As a result of this drifting, Indo-Australian plate collided with the Eurasian plate in the north. Due to this collision, the sedimentary deposits which were accumulated in the Tethys sea were folded and raised to form the Great Himalayas. Therefore, the northern boundary of the Indian sub-continent is demarcated by the chain of the Great Himalayas. The great Himalayas are folded mountains.

The Himalayas and the northern plains are the most recent landforms. From the viewpoint of Geology, Himalayan Mountains form an unstable zone. The plates under the surface of the earth are still moving and drifting and pushing into each other. Therefore, the Himalayas are rising by an average of 2cm each year. Because of this plate Movement areas in and around the Himalayas experience frequent earthquakes. E.G., The recent Gorkha earthquake or the April, 2015 Nepal Earthquake with a magnitude of 7.8 Mw killed 9000 people and injured nearly 22,000 people.

It is worth mentioning here that Eastern mountains (Purvanchal mountains) is also a sub-mountain range of the great Himalayan Mountain chain and that's why it falls under seismic zone 5 with the highest risk of earthquake of intensity MSK (medvedev sponheuer karnik scale) IX or greater. We are against the construction of major dams in North East India, as the mountain soil of these region are formed of sedimentary rocks which is not that strong enough to hold large amount of water in reservoir for generating hydroelectricity.

The formation of the Himalayas thus took million of years. And the process of formation is still on. Whenever we experience trigger or earthquake in our region we now know that the Indian plate is colliding with the Eurasian plate raising the Himalayas a few centimeters higher.








# Economic Development Global Warming and Climate Change

**Ajay Kumar Subba**
B.A.5th Sem. Department of Economics



**Global Warming and Climate Change**

Global warming refers to a show but steady rise in the average temperature of earth's surface, lower atmosphere and seas and oceans, that has been observed since the mid 20th century and is expected to continue. The increase in earth's surface and atmospheric temperature affects environment and caused climatic changes. Global warming can have many different causes, but it is mostly associated with the release of excessive amounts of green house gases in the atmosphere.

Global warming is directly attribute able to the mindless pursuit of industrial and economic development by the contemporary advanced countries as well as the reckless pace of development efforts through which the developing countries are seeking to catch up witch the developed nations. The huge efforts to achieve rapid economic growth involve colossal consumption of energy in the industrial and other economic sectors, which in turn results in massive release of toxins, gases and pollutants that heat up the atmosphere, pollute the environment and in course of time, may render this earth uninhabitable. Thus global warming can be seen of a direct sense quince of development policies and fregrances that have not only ignored environmental issues but also lost sight of the interest of the future generations due to their entire focus on achieving higher income and better standard of living only for the present generations.

**Changing Role of Green House Gases (GHG)**

Green house gases include such gases ad carbon dioxide (CO2), (CH4), water vapour, etc. These gases act as a green house around the earth. These gases allow the heat from the sun to enter the earths atmosphere, but do not allow it to escape back into space. Thus, the more the green house gases are there, the larger is the amount of heat trapped inside the earths atmosphere.

The green house gases thus keep our planet's surface warm, habitable and full of human, animal, vegetation and marine life. In the absence of such naturally occurring green house gases, no heat

would have been trapped in atmosphere and the would have been extremely cold and lifeless.



But on the other, the naturally occurring green house gasses in their naturally occurring amounts are good for the earth and life, these gases give rise to problems when people through their activities, start contributing to generate those gases. With build-up of excessive amount of green house gases, the earth's atmosphere warms-up to unnaturally higher temperature. This leads to melting of glaciers, increase in sea levels, warming of oceans, increased and untimely rainfall, damage to marine life etc.

Over the last three decades of the 20th century, rapid increase of industrialization and economic development, large scale burning of fossil fuels (petroleum products) for meeting growing energy requirements rapid population growth and growing income and consumption levels have been the main contributors to increased emissions of green house gases. In the decades to come those missions at their current rate are likely to indunce changes in climate systems larger than those observed in the 20th century.

**Impact of Climate change**

Global climate change, due to rising levels of Green House Gases on GHGS and depletion of Ozone layer in the atmosphere, is one of the most serious environmental concerns of our time. The intergovernmental panel on climatic change (IPCC). Established in 1988 by the World Meteorological Organisation an the United Nation Environment Programme, have worked extensively on evaluating past trends and the future prospects of climate change. The Fourth Assessment Report (AR4) of the IPCC was released in November 2007.

The Fourth Assesount Report (AR4) of the IPCC present a very serious picture. According to it, in addition to global climate change and Ozone layer depletion, the earth has been facing certain other serious issues. These are as high lighted below :

**Change in the water cycle :** The water cycle is totally dependent on the temperature level. Increasing global temperature and resultant faster rectreat of most glaciers are expected to affect the snow fed perennial water regimes. Accordingly, the vegetation status of catchmouts, magnitude and frequency of floods, precipitation, run-off and ground water recharge may all be affected. These changes, as per same experts, may substantially affect hydropower generation and may also have its impact on water availability for irrigation.

**Rise in Sea Levels :** Through the 20th century, the average mate of global sea level rise has been 1.7+0.5mm/ year. The araximum rise since 1992 has been observed in the western pacific and the Eastern Indian Ocean. The trend could result in less of land due to intrusion, erosion, floods and salt-water intrusion, adverse affecting coastal agriculture, human settlement and health.

**Changes in profile of species and forest** Changing environmental and bird species and ... profile and composition of forests are also likely to change. The degree to which forests and ocean will continue to be net sinks for carbon is uncertain. In arid or semi amid areas, productivity is expected to decrease. Treends of drying up of wetlands ... deguadation of eco system will be more serious.

**Change in productivity and crop output** Estimated crop yield responses to climate change very widely, depending upon crop type, cultivation practices and soil properties and direct effect carbon dioxide ($CO_2$) on plants. Even though increased $CO_2$ concentration can stimulate growth and yield, this benefit may not always overcome the adverse effects of excessive heat drought. The assessment Report of IPCC projects a decline in global rice production by 3.8% by end of the 21st century.

**Spread of Diseases and Epidemics** Changes in the severity and frequency of extreme heat and cold and of floods and droughts, combined with local air pollution and acro allergens ... result in changes in infectious disease occurrence in local food production and also cause ... nutrition, leading to impaired child development. There will also be adverse health consequences ... population displacement and economic disruption. In course in floods and droughts is associated ... increased risk of drowning, diarrhoea ... respiratory discuses and hunger and malnutrition ...





# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই যিসকল ব্যক্তিৰ মহান ত্যাগ আৰু শ্ৰমৰ ফলত নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলত ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল তেখেতসকলক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে শতকোটি প্ৰণাম জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকললৈ আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ।

এই প্ৰতিবেদনৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ সেইসকল ছাত্ৰ-ছাত্ৰীক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যিসকলে মোক ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি পদৰ বাবে যোগ্য বুলি ভাবি নিৰ্বাচন কৰিলে আৰু তেওঁলোকক সেৱা কৰাৰ সুযোগ দিলে। নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলৰ মাজভাগতে অৱস্থিত ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়খনেই পুৰণিগুদামৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। এই উচ্চ শিক্ষা অনুষ্ঠানৰ ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি হ'বলৈ পোৱাৰ বাবে মই নিজকে সৌভাগ্যবান বুলি অনুভৱ কৰিছোঁ। আৰু লগতে মোৰ বাবে পৰম গৌৰৱৰ বিষয় যে যোৱা ৩১-৭-১৭ তাৰিখে ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ে ৫০ বছৰ সম্পূৰ্ণ কৰিলে। এই সোণালী জয়ন্তী বৰ্ষৰ পবিত্ৰক্ষণত আমি মহাবিদ্যালয়খন সকলো ক্ষেত্ৰতে আগবঢ়াই নিবলৈ দায়বদ্ধ।

মই দায়িত্বভাৰ লোৱাৰ পিছৰেপৰা ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ সমাধান কৰাৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয়ত শিক্ষাৰ অনুকূল বাতাবৰণ সৃষ্টি কৰালৈকে ছাত্ৰ-একতা সভাৰ সকলো সদস্য-সদস্যা একলগ হৈ একাগ্ৰতাৰে চেষ্টা কৰিছিলোঁ।

মোৰ কাৰ্যকালত বিভাগীয় তত্বাৱধায়কসকলৰ লগতে যিসকল লোকে মোক কাৰ্যভাৰ চলোৱাত সহায় কৰিলে তেওঁলোকক মই ধন্যবাদ জনাইছোঁ। আমাৰ কাৰ্যকালত সপ্তাহ সমাৰোহ, নৱাগত আদৰণি সভাৰ লগতে সোণালী জয়ন্তী বৰ্ষৰ উপলক্ষে বিভিন্ন অনুষ্ঠান উদ্‌যাপন কৰা হৈছিল। সেইসমূহ ক্ৰমে— বিভিন্ন বিষয়ৰ ওপৰত আলোচনাচক্ৰ, জনপ্ৰিয় বক্তৃতা, চিত্ৰাংকন প্ৰতিযোগিতা আদিকে মুখ্য কৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। সেই লগতে সোণালী জয়ন্তী সামৰণি অনুষ্ঠান উপলক্ষে তিনিদিনীয়াকৈ বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। সেই অনুষ্ঠানসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু পুৰণিগুদামবাসী ৰাইজে যথেষ্ট সহায়-সহযোগিতা আগবঢ়াইছিল। তেওঁলোক সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ কাৰ্যকালত অজ্ঞাতে হোৱা ভুল-ত্ৰুটিৰ বাবে শিক্ষাগুৰুসকল, কাৰ্যালয়ৰ কৰ্মীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলোঁ। শেষত ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিৰ কামনা কৰিলোঁ। জয়তু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

পিংকুমণি বৰা

২০১৬-১৭ বৰ্ষ

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

২০১৬-১৭ বৰ্ষ

### সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠালগ্নৰেপৰা বিগত ৫০ বছৰে মহাবিদ্যালয়ৰ উত্তৰণত অৱদান আগবঢ়োৱা সমূহ ব্যক্তিকে শ্ৰদ্ধা নিবেদিছোঁ। লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, সমূহ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জ্ঞাপন কৰিছোঁ।

২০১৬ চনৰ ৭ নৱেম্বৰত শপত গ্ৰহণৰ পিছত ছাত্ৰ একতা সভাৰ সতীৰ্থসকলৰ হাতত হাত ধৰি আগবাঢ়িলোঁ মহাবিদ্যালয়ৰ সকলোৰে সমস্যাবোৰ আঁতৰাবৰ বাবে আৰু প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলক এখন মঞ্চ দিবৰ বাবে।

২০১৭ চনৰ জানুৱাৰী মাহত নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি মহাবিদ্যালয়ত দুখন চ'ছাইটি গঠন কৰা হয়—

১) মহাবিদ্যালয় গ্ৰীণ পুলিচ

২) মহাবিদ্যালয় ডিজিটেল আৰ্মি

গ্ৰীণ পুলিচৰ কাৰ্যসূচীৰ ভিতৰত মহাবিদ্যালয় চৌহদত গণতন্ত্ৰ দিৱস, সৰস্বতী পূজা, স্বাধীনতা দিৱস, সোণালী জয়ন্তী সমাৰোহৰ লগতে সঙ্গতি ৰাখি স্বচ্ছতা কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ডিজিটেল আৰ্মিৰ দ্বাৰা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত ডিজিটেল লেনদেন ইত্যাদি বিষয়ত সজাগতা প্ৰচাৰ কৰা হৈছে।

প্ৰতি বছৰৰ দৰেই মহাবিদ্যালয়ত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা, সপ্তাহ সমাৰোহ, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি, নবাগত আদৰণি সভা সকলোবোৰ অনুষ্ঠান সুচাৰুৰূপে আয়োজন কৰা হ'ল। সপ্তাহ সমাৰোহত কেতবোৰ নতুন প্ৰতিযোগিতা সন্নিবিষ্ট কৰা হ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ আৰু যোগাত্মক সঁহাৰিয়ে আমাৰ চেষ্টাক কৃতাৰ্থ কৰিলে।

সোণালী জয়ন্তী বৰ্ষ হিচাপে মহাবিদ্যালয়ত ৩১/০৭/২০১৬ ৰপৰা ২৭/১০/২০১৭ লৈকে বৰ্ষজোৰা কাৰ্যসূচী উদযাপন কৰা হ'ল। এইবছৰ ২৭ ফেব্ৰুৱাৰীৰপৰা ১ মাৰ্চলৈকে তিনিদিনীয়া কাৰ্যসূচীৰে 'প্ৰকল্প নিৰ্মাণ'ৰ এখনি কৰ্মশালা অনুষ্ঠিত কৰা হয় য'ত, প্ৰায় ১০০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। লগতে অৰ্থনীতি বিষয়ক এখনি জনপ্ৰিয় বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয় ১৫ মাৰ্চ, ২০১৭ তাৰিখে, য'ত অংশগ্ৰহণ কৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেম হেষ্টন ষ্টেট বিশ্ববিদ্যালয়ৰ অধ্যাপক হিৰণ্য কুমাৰ নাথে।

২০১৭ বৰ্ষত চামগুৰি, কলিয়াবৰ অঞ্চলত বানে বিধ্বংসী ৰূপ ধাৰণ কৰি বিস্তৰ ক্ষতিসাধন কৰে।





মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ কৰ্পাছ ফাণ্ড আৰু ছাত্ৰ-ছাত্ৰীসকলৰপৰা সংগ্ৰহ কৰা ধনৰাশিৰ দ্বাৰা দুৰ্গতসকলক সাহায্য প্ৰদান কৰা হয়।

বিশ্বনাথ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূব মাণ্ডলিক যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰা দলটিয়ে সামগ্ৰিকভাৱে সুন্দৰ প্ৰদৰ্শন কৰে। দৰং মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ এটা দলে অংশগ্ৰহণ কৰে।

২৫,২৬,২৭ অক্টোবৰত তিনিদিনীয়াকৈ সোণালী জয়ন্তী সমাৰোহ উদ্‌যাপন কৰা হয়। প্ৰথম দিনা সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভ হোৱা কাৰ্যসূচীৰ পৰৱৰ্তী সময়ত গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী মুকলি কৰা হয়। প্ৰথম নিশাৰ সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। দ্বিতীয় দিনা জনপ্ৰিয় বক্তৃতা প্ৰদান কৰে বিশিষ্ট সাংবাদিক অজিত কুমাৰ ভূঞাই। এই অনুষ্ঠানত তিনিখনকৈ গ্ৰন্থ উন্মোচন কৰা হয় লগতে এই বছৰৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় বঁটা প্ৰদান কৰা হয় লোক-সংস্কৃতিৰ গৱেষক মুৰুলীধৰ দাসক। দ্বিতীয় দিনাৰ সাংস্কৃতিক অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। তৃতীয় দিনাৰ কাৰ্যসূচী বনানিকৰণেৰে আৰম্ভ হোৱাৰ পিছত মুকলি সভাত অংশগ্ৰহণ কৰে অসম চৰকাৰৰ জলসম্পদ, বিজ্ঞান-প্ৰযুক্তিবিদ্যা বিভাগৰ মন্ত্ৰী মাননীয় কেশৱ মহন্ত ডাঙৰীয়া, নগাঁও জিলাৰ আৰক্ষী অধীক্ষক শ্ৰীযুত দেবৰাজ উপাধ্যায় ডাঙৰীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য ডাঙৰীয়া আৰু উপ-সভাপতি মণি মাধৱ মহন্ত ডাঙৰীয়াই। নিশা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে লোকনাথ গোস্বামীদেৱে আৰু সঙ্গীত পৰিবেশন কৰে আমন্ত্ৰিত অতিথি শিল্পী জুবলী বৰুৱাই।

একবিংশ শতিকাৰ তৃতীয় দশকত খোজ দিবৰ সময় সমাগত। তথ্য-প্ৰযুক্তিৰ উন্নীতকৰণে ছাত্ৰ সমাজক সহায় কৰিবৰ বাবে যথেষ্ট অনুকূল পৰিবেশ সৃষ্টি কৰিছে যদিও আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সাৱধানতা অৱলম্বন কৰি জ্ঞান চৰ্চাৰ দিশত খোজ দিয়াৰ আৱশ্যকতা আছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চা বৃদ্ধি কৰা, গণতান্ত্ৰিক চেতনা জাগ্ৰত কৰি সৎ নাগৰিক হোৱাৰ ক্ষেত্ৰত উৎসাহ জগাই মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ উন্নীতকৰণ কৰাত মন-মগজু-শৰীৰেৰে যিমানখিনি পাৰি কৰিলোঁ। ১৫ নৱেম্বৰ তাৰিখে সাধাৰণ সম্পাদকৰ আসনৰ প্ৰতি সেৱা জনাই নতুন ছাত্ৰ একতা সভাক দায়িত্ব অৰ্পণ কৰিলোঁ।

কাৰ্যকালত সৰ্বাঙ্গপ্ৰকাৰে সহযোগিতা আগবঢ়োৱা সন্মানীয় অধ্যক্ষ ড° ভূপেন শইকীয়াদেৱৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ড° কমল শইকীয়া ছাৰ, ড° গায়ত্ৰী গোপ বাইদেউ, ড° যতীন শৰ্মা ছাৰ, ড° অবিনাশ ভৰালী ছাৰ, শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ বৰুৱা ছাৰ, শ্ৰীযুত বিপুল চক্ৰৱৰ্তী ছাৰ, ড° নকুল শৰ্মা ছাৰ, শ্ৰীযুত সোমনাথ বৰা ছাৰ, শ্ৰীযুত বিশাল শইকীয়া ছাৰ, শ্ৰীমতী আকাশী ভূঞা বাইদেউ, শ্ৰীমতী সীমা শোভিতা দাস বাইদেউ, ৰৌশন জাহান আহমেদ বাইদেউ, শ্ৰীযুতা অঞ্জনা গোস্বামী বাইদেউ, ড° পুণ্যলতা গোহাঁই বাইদেউক। মোৰ কাৰ্যকালত সহায়ৰ হাত আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ সমূহ সহকৰ্মীৰ লগতে মোৰ বন্ধুবৰ্গ আকবৰ খান, নয়নজ্যোতি গায়ন, চিত্ৰৰঞ্জন শৰ্মা, অংকুমণি বৰঠাকুৰ, অনুপ গায়ন, সঙ্গীতা বৰা, চিৰঞ্জিত মেধি, উদাংশ্ৰী ভাগৱতী, বৰ্ণা কলিতা, শিখামণি হাজৰিকাকো ধন্যবাদ জনাইছোঁ।

কাৰ্যকালত হোৱা যিকোনো ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

জয়তু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

জয় আই অসম

সিদ্ধাৰ্থ শঙ্কৰ দাস

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

২০১৬-১৭ বৰ্ষ

### সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় স্থাপন হোৱাত অৰিহণা যোগোৱা ব্যক্তিসকলক আৰু শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। সোণালী জয়ন্তী বৰ্ষ গৰকা এইখন মহাবিদ্যালয়ত পঢ়িবলৈ পাই আৰু বিশেষকৈ ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য হৈ অনুষ্ঠানভাগ আয়োজনত নিজকে জড়িত কৰিবলৈ পাই মই নিজকে সৌভাগ্যবান অনুভৱ কৰিছোঁ।

মই ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ দায়িত্ব গ্ৰহণ কৰোঁ। আৰু মহাবিদ্যালয়ত বিভিন্ন অনুষ্ঠানৰ আয়োজনত নিজক জড়িত কৰি অনুষ্ঠানসমূহ সাফল্যমণ্ডিত কৰাত চেষ্টা কৰিছিলোঁ। মহাবিদ্যালয়খনে যাতে অন্যান্য মহাবিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পাৰে তাৰ বাবে বিভিন্ন প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ অংশ গ্ৰহণ নিশ্চিত কৰিছিলোঁ। বিশেষকৈ তৰ্ক প্ৰতিযোগিতাত গুৱাহাটী কৰ্মাচ কলেজ, কলিয়াবৰ মহাবিদ্যালয়, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, সোণাপুৰ মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, পুব মাণ্ডলিক যুৱ মহোৎসৱ, বিশ্বনাথ মহাবিদ্যালয় ইত্যাদি। মই ব্যক্তিগতভাৱে অনুভৱ কৰিছোঁ যে আমাৰ মহাবিদ্যালয়ত বিভিন্ন প্ৰতিযোগিতাৰ চৰ্চা বা আন্তঃগাঁথনিৰ অভাৱ, পুঁজিৰ অভাৱ, ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি অহাত কুণ্ঠাবোধ ইত্যাদি সমস্যা আছে। এই সমস্যাসমূহ সমাধান কৰাত যদি ছাত্ৰ একতা সভা, অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, ছাত্ৰ-ছাত্ৰীসকল একগোট হৈ আগবঢ়াই নিয়ে তেন্তে নিশ্চিতভাৱে আমাৰ মহাবিদ্যালয়খন আগুৱাই আকাশ চুব।

চৰকাৰৰ ফালৰ পৰা আমাৰ মহাবিদ্যালয়খনক যথেষ্ট সুবিধা প্ৰদান কৰে বুলি মই অনুভৱ কৰোঁ। কাৰণ অসম বিধান সভাৰ ২০১৭ বৰ্ষৰ বাজেট অধিবেশন চাবলৈ নগাঁও জিলাৰ ভিতৰত নগাঁও মহাবিদ্যালয় আৰু আমাৰ মহাবিদ্যালয়খনে সুযোগ পাইছিল আৰু মই ইয়াৰ অংশীদাৰ হ'বলৈ পাই গৌৰৱ অনুভৱ কৰোঁ।

আমাৰ মহাবিদ্যালয়ত প্ৰতিভাৰ অভাৱ নাই। মাথোঁ আমি ইয়াক সঠিক পথত আগুৱাই নিলে নিশ্চিতভাৱে আমি অন্যান্য মহাবিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পাৰিম। ছাত্ৰ একতা সভাৰ সদস্য হৈ আমাৰ মহাবিদ্যালয়ত ২০১৬-১৭ বৰ্ষত যিমানখিনি পাৰোঁ চেষ্টা কৰিছিলোঁ। কিন্তু ছাত্ৰ সমাজক আগুৱাই নিয়াত আমি কিছু ক্ষেত্ৰত বিফল হৈছোঁ। কিছুমান অনুষ্ঠান আয়োজনত বাধা আহি পৰে।

গতিকে মই আশা কৰোঁ আমাৰ পিছৰ ছাত্ৰ একতা সভাই এই সমস্যাসমূহ নিৰসন কৰি মহাবিদ্যালয়খন আগুৱাই নিয়াত আৰু ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত গুৰুত্ব দিব।

সদৌ শেষত যদি মোৰ কাৰ্যকালত কিবা ভুল-ত্ৰুটি হৈছে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

জয়তু বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়। জয় আই অসম।

পৱন গগৈ





# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

২০১৬-১৭ বৰ্ষ

### ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

মই মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেই মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ যাৰ যোগাত্মক চিন্তা, ত্যাগ, কষ্ট আৰু মানৰ সম্পদ গঢ়াৰ দুৰ্বাৰ হেঁপাহৰ ফলত ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় আজিৰ অৱস্থাত উপনীত হৈছে।

মোৰ কাৰ্যকালত শোণিতপুৰ জিলাৰ অন্তৰ্গত দৰং মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ তৰফৰ পৰা ১০ জনীয়া দল এটি লৈ অংশ গ্ৰহণ কৰিছিলোঁ। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° ভূপেন শইকীয়া ছাৰ আৰু অসমীয়া বিভাগৰ শ্ৰীযুত শান্তনু বৰদলৈ ছাৰ আৰু ভূগোল বিভাগৰ শ্ৰীযুতা দেবিতা কেম্প্ৰাই বাইদেউৰ সহায়-সহযোগিতাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। যদিও আমাৰ কোনো ধৰণৰ অনুশীলন নাছিল তথাপি আমি বেডমিণ্টনৰ চেমি ফাইনেল পৰ্যন্ত উন্নীত হৈছিলোঁ। পৰৱৰ্তী সময়ত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ বিভিন্ন কাম-কাজত নিজকে নিয়োজিত কৰিছিলোঁ।

শেষত ক'বলগীয়া এয়াই যে মহাবিদ্যালয়ৰ অগ্ৰগতিৰ কাৰণে যথেষ্ট বৌদ্ধিক আৰু সামগ্ৰিক প্ৰচেষ্টাৰ প্ৰয়োজনীয়তা আছে।

আশা কৰোঁ পৰৱৰ্তী ছাত্ৰ-ছাত্ৰী তথা বিষয়ববীয়াসকলে এই গুৰুত্ব উপলব্ধি কৰি মহাবিদ্যালয়খনক উন্নতিৰ দিশে আগুৱাই লৈ যাব।

অজানজ্যোতি বৰা

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### সহকাৰী ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠালগ্নৰে পৰা বিগত ৫০ বছৰে মহাবিদ্যালয়ৰ উত্তৰণত অৱদান আগবঢ়োৱা সমূহ ব্যক্তিকে শ্ৰদ্ধা নিবেদিছোঁ। লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, সমূহ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৪৬বছৰীয়া সময়ছোৱাত ক্ৰীড়া বিভাগৰ প্ৰথমগৰাকী ছাত্ৰী সম্পাদিকা হিচাপে মোৰ প্ৰথম দায়িত্ব আছিল মহাবিদ্যালয়ৰ ছাত্ৰীসকলক খেলিবৰ বাবে উৎসাহিত কৰাৰ লগতে যিকোনো ধৰণৰ বন্ধনৰ পৰা তেওঁলোক আঁতৰাই ৰখা। ২০১৭ বৰ্ষৰ আৰম্ভণিতে অনুষ্ঠিত হোৱা সপ্তাহ সমাৰোহত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে ভালদৰে অংশ গ্ৰহণ কৰিব পৰাকৈ কাৰ্যসূচী প্ৰস্তুত কৰাত গুৰুত্ব আৰোপ কৰিছিলোঁ। মোৰ চেষ্টাৰ প্ৰতি ছাত্ৰীসকলৰ সঁহাৰি দেখি মই কাম কৰাৰ ক্ষেত্ৰত অধিক উৎসাহিত হৈছিলোঁ।

২০১৭ চনৰ মাৰ্চ মাহত দৰং মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয়ত বেডমিন্টন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ লগতে কেইগৰাকীমান ছাত্ৰীয়েও এই প্ৰতিযোগিতাৰপৰা যথেষ্ট অভিজ্ঞতা লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহত ছাত্ৰৰ অংশগ্ৰহণৰ তুলনাত ছাত্ৰী অংশগ্ৰহণৰ নিৰ্ধাৰিত সংখ্যা যথেষ্ট কম আছিল। 'ছোৱালীবোৰে খেলিব নোৱাৰে' এনে ধৰণৰ চিন্তাধাৰাই তেনেধৰণৰ বৈষম্যমূলক নীতি-নিয়মৰ প্ৰধান কাৰণ। পি.ভি.সিন্ধু আৰু স্বাল ওটাই জগত জিনাৰ সময়ত নাৰী সমাজৰ প্ৰতি এনে বৈষম্য আচৰণ কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। নতুন প্ৰজন্মৰ ছাত্ৰীসকলে ক্ৰীড়াৰ লগতে অন্য সামাজিক ক্ষেত্ৰত আগবাঢ়ি আহি এনে বৈষম্যমূলক মানসিকতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ আৱশ্যকতা আছে।

প্ৰতিবেদনৰ শেষত কৃতজ্ঞতা জনাব বিচাৰিছোঁ ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়িকা দেৱিতা কেম্প্ৰাই বাইদেউ আৰু শান্তনু বৰদলৈ ছাৰক। লগতে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সিদ্ধাৰ্থ শংকৰ দাস, ক্ৰীড়া সম্পাদক অম্লানজ্যোতি বৰা, ৰাজুমণি বৰা আৰু মোৰ বাইদেউ শিল্পী ভৌমিক আৰু নিকিতা নাগক মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জনাইছোঁ। মোৰ মা-দেউতাই এই সময়ছোৱাত মোক সাহস আৰু প্ৰেৰণা দিয়াৰ লগতে ব্যস্ত কাৰ্যসূচীবোৰৰ সময়ছোৱাত মোক যথেষ্ট সহায় কৰিলে। তেওঁলোকৰ মৰমৰ ওচৰত মই চিৰঋণী।

শেষত মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতিৰ কামনা কৰি প্ৰতিবেদন ইমানতে সামৰিলোঁ।

জয়তু ড° বি.কে.বি. মহাবিদ্যালয়

জয় আই অসম

২০১৬-১৭ বৰ্ষ

নিকিতা দাস





# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

মই ৰাজুমণি বৰাই প্ৰতিবেদনৰ আৰম্ভণিৰ আগশাৰীত ক'ব বিচাৰিছোঁ যে মহাবিদ্যালয় স্থাপনৰ পৰা বৰ্তমান সময়লৈকে মহাবিদ্যালয়খন উন্নতিৰ সপক্ষে ত্যাগ আৰু শ্ৰমদান দিয়া মহান ব্যক্তিসকলক মোৰ কালৰপৰা শ্ৰদ্ধা নিবেদিলোঁ। সেই মহান ব্যক্তিসকলৰ শ্ৰম আৰু ত্যাগৰ ফলত ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়খনি আজি আহি ৫০ টি বছৰ অতিক্ৰম কৰি আজি গৌৰৱ মুহূৰ্তৰ সাক্ষী হ'বলৈ সক্ষম হৈছে।

২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য হ'বলৈ পাই গৌৰৱবোধ কৰিছোঁ। ছাত্ৰ একতা সভাৰ 'সাংস্কৃতিক সম্পাদক' পদটিৰ বাবে মোক যোগ্য বুলি ভাবি জয়যুক্ত কৰা মোৰ সকলো বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টিৰ ওচৰত মই চিৰ কৃতজ্ঞ।

কাৰ্যকালৰ আৰম্ভণিতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজাৰ আয়োজনত ছাত্ৰ একতা সভাৰ সদস্যসকলৰ লগতে মোৰ প্ৰায়খিনি বন্ধুৱেই মোক সহায়ৰ হাত আগবঢ়োৱাৰ লগতে উৎসাহ যোগাইছিল। তাৰ ঠিক পিছতেই মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ আৰম্ভ হৈছিল। সপ্তাহ সমাৰোহত নতুনকৈ কিছু সংখ্যক কাৰ্যসূচী অন্তৰ্ভুক্ত কৰিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন শইকীয়া ছাৰক অনুৰোধ জনালোঁ। অধ্যক্ষ মহোদয়ে আমাৰ লগত একমত প্ৰকাশ কৰে। ফলত নতুনকৈ কাৰ্যসূচীত অন্তৰ্ভুক্ত হ'ল নাটক, বৰগীত, লোকগীত আৰু পৰম্পৰাগত সাজ-পাৰৰ প্ৰতিযোগিতা। এই কাৰ্যসূচীসমূহ সুচাৰুৰূপে চলাই নিয়াত ছাত্ৰ একতা সভাৰ সদস্যসকলৰ লগতে মোৰ বন্ধু অংকুৰ, চিত্ৰ, অনুপ, চিৰঞ্জিত এই কেইজনে মোক যথেষ্ট সহায় কৰিছিল। এই সুযোগতে মই তেওঁলোককলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে পূব মাণ্ডলিক যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি স্বৰচিত কবিতা আৰু বৰগীতত ক্ৰমান্বয়ে তৃতীয়, দ্বিতীয় স্থান লাভ কৰে।

কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষলৈকে সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক আকাশী ভূঞা বাইদেউ, সহঃ তত্ত্বাৱধায়ক মৌচন জাহান আহমেদ বাইদেউ আৰু সীমা শোভিতা দাস বাইদেউৰ লগতে মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে সকলো সময়তে মোৰ কাৰ্যকালত হোৱা ভুল-শুদ্ধবোৰ আঙুলিয়াই দি মোক আগবাঢ়ি যোৱাত যথেষ্ট সহায় কৰে। মোৰ কাৰ্যকালৰ অৱস্থাত অজানিতে হোৱা ভুলবোৰৰ বাবে মই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক ক্ষমা ভিক্ষা মাগিলোঁ।

সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানত সাংস্কৃতিক সম্পাদক হৈ মই মোৰ সেৱা আগবঢ়াবলৈ পায় গৌৰৱ অনুভৱ কৰোঁ আৰু এই দিনকেইটাত ছাত্ৰ একতা সভাৰ লগতে সমূহ স্বেচ্ছাসেৱীয়ে নিয়াৰিকৈ চলাই নিয়াত সহায় কৰা বাবে তেওঁলোককলৈ পুনৰবাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ৰাজুমণি বৰা

২০১৬-১৭ বৰ্ষ

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### সহকাৰী সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত সেই মহান ব্যক্তিসকলক প্ৰণাম জনাইছোঁ, যিসকল ব্যক্তিৰ কঠোৰ শ্ৰম আৰু ত্যাগেৰে গঢ় লৈ উঠিছে ঐতিহ্যমণ্ডিত ড° বিৰিঞ্চি কুমাৰ মহাবিদ্যালয়খন। লগতে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ, উপাধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সমূহ শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

সংস্কৃতি হৈছে মানৱ সমাজৰ আত্মাস্বৰূপ। সংস্কৃতি ধৰি ৰখাটো মানৱ সমাজৰ কৰ্তব্য। যিহেতু সংস্কৃতি অবিহনে এটা জাতি শক্তিহীন।

২০১৬-১৭ বৰ্ষৰ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাংস্কৃতিক সম্পাদকৰ পদৰ বাবে মোক যোগ্য বুলি বিবেচনা কৰি উক্ত পদত মহাবিদ্যালয়খনৰ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে মই সকলোৰে প্ৰতি অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়খন পুৰণিগুদাম অঞ্চলৰ ভিতৰত ডাঙৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান। এই মহাবিদ্যালয়ৰ অতীত বুৰঞ্জী মৰ্যাদাপূৰ্ণ আৰু চিৰ নমস্য। যোৱা ২০১৬ বৰ্ষত পঞ্চাশ বছৰত ভৰি দিয়া এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ পবিত্ৰ সোণালী জয়ন্তী বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ পাই মই আজি নিজে গৌৰববোধ কৰিছোঁ। মোৰ কাৰ্যকালত বিভাগীয় তত্বাৱধায়কসকলৰ লগতে মোৰ সতীৰ্থ বন্ধু-বান্ধৱীসকলৰ আন্তৰিক সহযোগিতাৰ বাবেই মোৰ দায়িত্বখিনি সুকলমে পালন কৰিবলৈ প্ৰেৰণা পাইছিলোঁ। মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ লগত সঙ্গতি ৰাখি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন কৰ্মসূচীত অংশ গ্ৰহণ কৰি মোৰ বহুত ভাল লাগিছিল। সততা আৰু নিষ্ঠাৰে নিজৰ দায়িত্বখিনি পালন কৰিবলৈ মোৰ মনৰ উৎসাহ আছিল।

প্ৰতিবেদনৰ শেষত সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ আন্তৰিক অভিনন্দন জনালোঁ। লগতে মোৰ পিছৰ বৰ্ষত গঠন হ'বলগীয়া ছাত্ৰ একতা সভাৰ সদস্যসকলে নিষ্ঠা আৰু সততাৰে কৰ্ম কৰি মহাবিদ্যালয়খন আৰু অধিক উন্নতৰ দিশলৈ আগুৱাই নিব পাৰিব বুলি আশা কৰোঁ। মোৰ কাৰ্যকালত হোৱা সকলো জ্ঞাত-অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰি, শিক্ষাগুৰুৰ আশীৰ্বাদ বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু বিৰিঞ্চি কুমাৰ মহাবিদ্যালয়। জয়তু ছাত্ৰ একতা সভা।

ইকৰামুল হুছেইন

২০১৬-১৭ বৰ্ষ





পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



ছাত্ৰ একতা সভা

### সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন

'তোমাৰ সময় সৎ কৰ্মত লগোৱা, কিয়নো কাল এবাৰ গ'লে আৰু উভতি নাহে।'

— আনন্দৰাম ঢেকিয়াল ফুকন

মানৱী জীৱনত সৎকৰ্ম কৰাৰ প্ৰথম সুযোগ আহে ছাত্ৰ জীৱনত। শিক্ষাগ্ৰহণৰ লগতে ছাত্ৰ জীৱনত আন বহুতো কৰিবলগীয়া থাকে। গতিকে এই সোণালী সময়ছোৱা আমি অবাবত খৰচ নকৰি কিছু সামাজিক, সাংস্কৃতিক ইত্যাদি কৰ্মত প্ৰয়োগ কৰিলে আমাৰেই বহুতো উপকাৰ হয়।

প্ৰত্যেক শিক্ষানুষ্ঠান মন্দিৰ স্বৰূপ। এই মন্দিৰৰ লগতে সমাজৰো বন্তিৰ শিখাৰ পৰাই পোহৰ হয় জগতখন। এনে মন্দিৰত সেৱা কৰিবলৈ পোৱাটো সৌভাগ্য।

যিদিনা প্ৰথম এই মহাবিদ্যালয়লৈ আহিছিলোঁ তেতিয়াৰ পৰাই মহাবিদ্যালয়খনৰ প্ৰতি এক মোহ উপজিছিল। এই মন্দিৰত শিক্ষাগ্ৰহণ কৰিবলৈ পাই মই ভাগ্য বুলিয়েই ভাবিছিলোঁ। লাহে লাহে মহাবিদ্যালয়ৰ কিবা কাম কৰাৰ মনোভাব জন্ম লৈছিল আৰু ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদক ৰূপে কিছু কাম কৰাৰ কথা ভাবিলোঁ। মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকল, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু বাকী সহকৰ্মীসকলৰ সহযোগত সমাজ সেৱাৰ ক্ষেত্ৰত কেইবাটাও কাম কৰাৰ সুযোগ পাওঁ। পোন প্ৰথমে মহাবিদ্যালয়ৰ স্বচ্ছতাৰ বাবে বিগত বৰ্ষটিত কেইবাটাও চাফাই অভিযান চলোৱা হয়। এই ক্ষেত্ৰত আমাক যথেষ্ট সহায়ৰ হাত আগবঢ়োৱা শ্ৰদ্ধাৰ যতীন শৰ্মা ছাৰ আৰু অবিনাশ ভৰালী ছাৰলৈ এই হেঁপতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এইখিনিতেই উল্লেখ্য যে শ্ৰদ্ধাৰ ছাৰ দুগৰাজীৰ তত্বাৱধানত মহাবিদ্যালয়ত 'গ্ৰীণ পুলিচ' গোট এটি জন্ম হয় আৰু 'গ্ৰীণ পুলিচ'ৰ উদ্যোগতো মহাবিদ্যালয়ত চাফাই অভিযান চলোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্বচ্ছতাৰ সজাগতা সৃষ্টি কৰিবলৈ মা সৰস্বতী পূজাৰ দিনা 'নিকা কৰো শিক্ষা মন্দিৰ' নামৰ এখনি বটব নাট ছাত্ৰ একতা সভাৰ তৰফৰ পৰা মহাবিদ্যালয়ৰ প্ৰাংগণত প্ৰদৰ্শন কৰা হয়।

আমাৰ সৌভাগ্য যে গত বৰ্ষটিতে মহাবিদ্যালয়ৰ নাৰী কোষৰ তৰফৰ পৰা আয়োজন কৰা চাপানলাৰ বৰচুংখাৰত স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু স্বাস্থ্য সজাগতা সভাত অংশগ্ৰহণ কৰাৰ সুবিধা পাইছিলোঁ।

এই বছৰৰ বাৰিষাত কলিয়াবৰৰ হাতীমুৰা বান্ধ ছিঙি সৃষ্টি হোৱা বান বিধ্বস্ত সেই অঞ্চলৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য লোকসকলক সকাহ দিয়াৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ NSS গোট, শ্ৰদ্ধাৰ

২০১৬-১৭ বৰ্ষ

শিক্ষাগুৰুসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত এটি বান সাহায্যৰো ব্যৱস্থা কৰা হয় আৰু কেইবাটাও আশ্ৰয় শিবিৰত সাহায্য প্ৰদান কৰা হয়।

এই সমূহ কাৰ্যত শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যি সহায়-সহযোগিতা আগবঢ়ালে, তাৰ বাবে তেখেতসকললৈ জনালোঁ শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

নিজকে পৰম সৌভাগ্যবান বুলি ভাব হৈছিল যে ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষত সেৱা আগবঢ়াবলৈ পাইছোঁ। সোণালী জয়ন্তী বৰ্ষত বিভিন্ন অনুষ্ঠানৰ লগতে সোণালী জয়ন্তী সমাৰোহত সেৱা আগবঢ়াবলৈ পোৱাটো সঁচাকৈয়ে ভাগ্যৰ কথা।

হয়তো যেনেদৰে দায়িত্ব পালন কৰিব লাগিছিল তেনেদৰে নোৱাৰিছিলোঁ। বিগত সময়ছোৱাত বিভিন্ন কাৰ্যত, বিভিন্ন ক্ষেত্ৰত জ্ঞাতে-অজ্ঞাতে অনেক ভুল-ভ্ৰান্তি হৈ ৰ'ল। সেই বাবে সকলোৰে ওচৰত আমি ক্ষমা প্ৰাৰ্থী।

শেষত আমাৰ মহাবিদ্যালয়খন সুন্দৰ হওক। শিক্ষাজগতৰ উজ্জ্বল নক্ষত্ৰ হৈ ৰওক। মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি হওক।

জয়তু ড° বি. কু. ব. মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

**শৰৎ শৰ্মা**





# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

২০১৬-১৭ বৰ্ষ

## ছাত্ৰী জিৰণি কোঠা
## সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাকমুহূৰ্ততেই যিসকল ব্যক্তিৰ মহান ত্যাগৰ ফলত ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল, তেখেতসকলক মই শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান জ্ঞাপন কৰিলোঁ। প্ৰতিবেদনৰ জৰিয়তে মই সেইসকল ছাত্ৰ-ছাত্ৰীক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, যিসকলে মোক এই পদটিৰ বাবে যোগ্য বুলি নিৰ্বাচিত কৰিলে।

ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ দৰে এক ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ সদস্যা হ'বলৈ পাই মই নিজকে সৌভাগ্যবান বুলি ভাবোঁ। কিয়নো বিগত বছৰটোতেই মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ অনুষ্ঠান অনুষ্ঠিত হয়। সেয়ে এই বছৰটো মোৰ জীৱনৰ এটা সন্মানীয়, অনুভূতিশীল আৰু গৌৰৱময় বছৰ হৈ ৰ'ব। মহাবিদ্যালয়ৰ বাবে হৃদয়ত কাম কৰাৰ বহু আশা থকা সত্ত্বেও তাক বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলোঁ। বহু কামৰ আৰম্ভণিয়েই নহ'ল আৰু বহু কাম আধৰুৱা হৈয়েই ৰ'ল। কিয়নো এখন উচ্চমানৰ শিক্ষানুষ্ঠানৰ অসংখ্য ছাত্ৰ-ছাত্ৰীৰ সমস্যাসমূহ এটা বছৰতেই সমাধান কৰাটো সম্ভৱ নহয়। তথাপি যিমান পাৰি নিজৰ বিভাগীয় কাম যেনে— জিৰণি কোঠাৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ছাত্ৰীসকলৰ অভাৱ-অভিযোগসমূহ পূৰণ কৰাত গুৰুত্ব দিছিলোঁ। সেয়ে সমাধান কৰিব নোৱাৰা বিষয়সমূহৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ আৰু ভৱিষ্যতে এই সমস্যাৰ সমাধান হ'ব বুলি আশা ৰাখিছোঁ। এইখিনিতে মোৰ কাৰ্যকালত উৎসাহ আৰু সু দিহা-পৰামৰ্শ দিয়া বিভাগীয় তত্বাৱধায়িকা মল্লিকা বৰা বাইদেউ আৰু অনুকম্পা বৰা বাইদেউক শ্ৰদ্ধাৰে সেৱা নিবেদিছোঁ। লগতে ছাত্ৰ-একতা সভাৰ সমূহ সহকৰ্মীক।

শেষত ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ নাম যশস্যা সু-নামেৰে উপচি পৰক তাৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু ড° বি. কু. ব. মহাবিদ্যালয়

**শিখামণি বৰা**

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### 'ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ড' বিবিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ মহান ব্যক্তিসকলক সুঁৱৰিছোঁ, যিসকল ব্যক্তিৰ অশেষ শ্ৰম আৰু ত্যাগৰ ফলত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হ'ল। লগতে অধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০১৬-১৭ বৰ্ষৰ ড' বিবিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈছোঁ। মই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, যিসকলে মোক এই পদটিৰ বাবে যোগ্য বুলি নিৰ্বাচন কৰিলে।

মই নিজে গৌৰৱ অনুভৱ কৰিছোঁ কিয়নো মহাবিদ্যালয়খনে সোণালী জয়ন্তী বৰ্ষ গৰকিছে। তদুপৰি মই সোণালী জয়ন্তীৰ এজন অংশীদাৰ হ'বলৈ পাই বহু সুখী অনুভৱ কৰিছোঁ।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত ছাত্ৰ জিৰণি কোঠাটোত আকৰ্ষণীয় জিলিকা কৰি ৰখাৰ চেষ্টা কৰিছিলোঁ। ছাত্ৰ জিৰণি কোঠাত ছাত্ৰসকলে বহিবলৈ কিছু অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। গতিকে ছাত্ৰসকলৰ এনেধৰণৰ অসুবিধাবোৰ আঁতৰাই ৰাখিবৰ বাবে মই ডেস্ক-বেঞ্চৰ ব্যৱস্থা কৰি দিছিলোঁ। তদুপৰি জিৰণি কোঠাৰ প্ৰৱেশদ্বাৰত থকা এটা বেচিনৰ ওপৰত পানীৰ কোনো ব্যৱস্থা নাছিল। গতিকে পানীৰ ব্যৱস্থা কৰিলোঁ আৰু জিৰণি কোঠাটো পাৰ্যমানে চাফ-চিকুণ কৰি ৰখাৰ চেষ্টা কৰিছিলোঁ। লগতে মোৰ পৰৱৰ্তী সম্পাদকসকলৰ নিকট বিনম্ৰ অনুৰোধ যে তেওঁলোকে যাতে জিৰণি কোঠাটো চাফ-চিকুণ কৰি ৰাখে আৰু জিৰণি কোঠাৰ যিকোনো সমস্যা সমাধান কৰাৰ চেষ্টা কৰে।

শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত হোৱা দোষ-ত্ৰুটিৰ ক্ষমা-মাৰ্জনা বিচাৰি ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ড' বিবিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

সূৰজ নায়ক

২০১৬-১৭ বৰ্ষ





# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### তৰ্ক সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰ বাবে অশেষ ত্যাগ কৰা সমূহ ব্যক্তিলৈ মই আন্তৰিক শ্ৰদ্ধা জনালোঁ, লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দ সকলোলৈকে মোৰ শ্ৰদ্ধা আৰু প্ৰণাম আগবঢ়ালোঁ। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ হিয়াভৰা ওলগ জনালোঁ।

ড° বিবিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হ'বলৈ পাই নিজকে ভাগ্যৱান বুলি ভাবিছোঁ। এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হৈ মহাবিদ্যালয়ৰ তথা ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ বাবে প্ৰচেষ্টা আগবঢ়োৱাটো মোৰ এক সপোন আছিল। এই সপোন পূৰণ হৈছিল যিদিনা মোক 'তৰ্ক বিভাগ'ৰ সম্পাদিকা পদটিৰ বাবে যোগ্য বুলি ভাবি মনোনীত কৰিছিল। মই এই কাৰ্যভাৰ গ্ৰহণ কৰা পাছ[illegible]ৰ তত্বাৱধায়িকা শ্ৰীযুতা অঞ্জনা গোস্বামী বাইদেউৰ লগতে ছাত্ৰ একতা সভাৰ সদস্যসকলে যথেষ্ট সহায় আৰু উৎসাহ-উদ্দীপনা যোগাইছিল। মই তেওঁলোকৰ সহায়ত ২০১৬-১৭ বৰ্ষৰ কাৰ্যভাৰ সুকলমে শেষ কৰিলোঁ। তথাপিও মোৰ সাধ্যানুসাৰে কিমান কৃতকাৰ্য হ'ব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য। ২০১৭ বৰ্ষৰ আৰম্ভণিতে সপ্তাহ সমাৰোহ আৰম্ভ হৈছিল। সপ্তাহ সমাৰোহত মোৰ বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহ আছিল তৰ্ক, কুইজ, বক্তৃতা, ৰচনা, আকস্মিক বক্তৃতা। এই প্ৰতিযোগিতাসমূহ সুকলমে চলাই নিয়াৰ ক্ষেত্ৰত মোৰ তত্বাৱধায়িকা অঞ্জনা গোস্বামী বাইদেউৰ লগতে ছাত্ৰ একতা সভাৰ প্ৰাক্তনি সদস্যই যথেষ্ট সহায়ৰ হাত আগবঢ়াইছিল। বিগত বৰ্ষৰ তুলনাত মই ২০১৬-১৭ বৰ্ষত তৰ্ক প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতা পাতিবলৈ সক্ষম হৈছিলোঁ। আমাৰ মহাবিদ্যালয়খনিক প্ৰগতিৰ পথত আগুৱাই নিয়াৰ বাবে বিভিন্ন প্ৰতিযোগিতাৰ কাৰ্যসূচী তৰ্ক বিভাগে পাতিব পাৰে। ২০১৬-১৭ বৰ্ষত মই ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সিদ্ধাৰ্থ শঙ্কৰ দাসৰ সহায়ত ড° ভূপেন হাজৰিকাৰ জন্মতিথিত 'ড' ভূপেন হাজৰিকাৰ গীতত মানৱতাবোধ' বিষয়ক এখনি ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ লগতে বিবিঞ্চি কুমাৰ বৰুৱাৰ জন্মদিনত 'ড' বিবিঞ্চি কুমাৰ বৰুৱাৰ লিখনিত অসমীয়া সমাজ জীৱনৰ প্ৰতিচ্ছবি' বিষয়ক এখন ৰচনা প্ৰতিযোগিতা পতা হৈছিল। ২০১৬-১৭ বৰ্ষৰপৰা মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতাৰ বিজয়ীসকলক প্ৰয়াত ৰাধিকা মোহন গোস্বামী দেৱৰ সোঁৱৰণী বঁটা প্ৰদান কৰা পৰম্পৰা আৰম্ভ কৰা হৈছে। বঁটাটি অঞ্জনা গোস্বামী বাইদেৱে তেওঁৰ প্ৰয়াত শহুৰদেউতাকৰ স্মৃতিত প্ৰদান কৰিছে।

২০১৬-১৭ সোণালী জয়ন্তী বৰ্ষত অন্তৰ্ভুক্ত থাকি ছাত্ৰ একতা সভাৰ তৰ্ক সম্পাদিকা হিচাপে সোণালী জয়ন্তী বৰ্ষ উপলক্ষে অনুষ্ঠিত কৰা বিভিন্ন কাৰ্যসূচীত সক্ৰিয়ভাৱে জড়িত হ'বলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ। সোণালী জয়ন্তী বৰ্ষ আৰু মোৰ কাৰ্যকালৰ ২০১৬-১৭ এই সম্পূৰ্ণ বৰ্ষটোত প্ৰাপ্ত বহু নতুন নতুন অভিজ্ঞতাৰ লগতে কিছু সোণালী স্মৃতি মোৰ জীৱনত চিৰদিন সজীৱ হৈ ৰ'ব।

সদৌ শেষত মই এই মহাবিদ্যালয়খনি প্ৰগতিৰ দিশত আগুৱাই নিয়াৰ উদ্দেশ্য আগত ৰাখি মোৰ অনুজসকলে তৰ্ক বিভাগটো আৰু মহাবিদ্যালয়খনিৰ উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰে যেন তাৰে কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

বিষ্টি বৰা

২০১৬-১৭ বৰ্ষ

# পুৰণিগুদাম ড° বি. কে. বি. মহাবিদ্যালয়



## ছাত্ৰ একতা সভা

### ব্যায়ামাগাৰ সম্পাদকৰ প্ৰতিবেদন

ড° বি.কে. বি. কলেজ বুলি ক'লেই মনলৈ আহে সেইজন ব্যক্তিৰ কথা, যাৰ কথা লিখনিৰে শেষ কৰিব নোৱাৰি। মই ক'ব বিচাৰিছোঁ ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ কথা। তেওঁ আছিল এই পুৰণিগুদাম অঞ্চলৰ এজন বিশিষ্ট ব্যক্তি আৰু লগতে সাহিত্যিক।

এই কলেজখনৰ কথা কৈ অন্ত কৰিব নোৱাৰি। কলেজৰ ছাৰ-বাইদেউহঁতৰ লগত থাকি যেন নিজকে পাহৰি যোৱা যায়। বিশেষকৈ যতীন ছাৰ, গায়ত্ৰী বাইদেউ, কমল ছাৰ তেওঁলোকে মোক যেন কোনোদিনে বেলেগৰ পুত্ৰ হিচাপে চোৱা নাছিল। যি কথা মনত পৰিলে আজিও মোৰ চকুলো বাগৰি পৰে।

এই কলেজখন সঁচাই এক যাদুকৰী। ইয়াৰ ছাত্ৰ-ছাত্ৰীসকল সহজ-সৰল আৰু নম্ৰ।

সাৰী শেষত এই মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে কওঁ যে— 'মহাবিদ্যালয়খন উন্নতিৰ শিখৰলৈ নিয়াত কেৱল ছাত্ৰ একতা সভাৰ দায়িত্বয়ে নহয়, প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে দায়িত্ব আৰু অবিহণা আছে। গতিকে সকলোৰে একতাৰ বান্ধোনেৰে আৰু নিয়ম-শৃংখলাৰ মাজেৰে মহাবিদ্যালয়খনলৈ সুনাম আৰু গৌৰৱ কঢ়িয়াই আনি উন্নতিৰ পথলৈ আগুৱাই নিব পাৰিব বুলি আশা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

জয়তু ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

উৎপল বৰা

২০১৬-১৭ বৰ্ষ





# মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

### প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ ফলাফল

আমি আটাইকেইখন প্ৰচাৰ পত্ৰ প্ৰত্যক্ষ কৰি অতি আনন্দ লাভ কৰিছোঁ। প্ৰতিখন প্ৰাচীৰ পত্ৰিকা সুন্দৰকৈ পৰিৱেশন কৰি প্ৰয়োজনীয় তথ্যপাতিৰে ছাত্ৰ-ছাত্ৰীৰ কামত অহাকৈ যুগুতোৱা হৈছে। এই তথ্যসমূহে ছাত্ৰ-ছাত্ৰীৰ বাহিৰৰ মানুহকো আকৰ্ষণ কৰিব আৰু বহু তথ্যৰ সন্ধান দিব। তলত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰিলোঁ।

১ম অসমীয়া বিভাগ (আমাৰ গাঁও)
২য় ক) ইতিহাস বিভাগ
খ) ইংৰাজী বিভাগ (Voice of the Margin)
৩য় শিক্ষা বিভাগ (শিক্ষা বিভাগ)
৪ৰ্থ অৰ্থনীতি বিভাগ
৫ম সমাজতত্ত্ব বিভাগ
৩য় (খ) মনোবিজ্ঞান বিভাগ
৪ৰ্থ (খ) ভূগোল বিভাগ
৫ম (খ) সত্ৰীয়া নৃত্য

### সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফল

**বৰগীত**
১ম শ্ৰুতিমালা বৈৰাগী
২য় ৰুমী বৈৰাগী
৩য় চিন্ময়ী বৰা

**লোকগীত**
১ম কাব্যজোতি বৰা
২য় শ্ৰুতিমালা বৈৰাগী
৩য় চিন্ময়ী বৰা

**জ্যোতি সঙ্গীত**
১ম শ্ৰুতিমালা বৈৰাগী
২য় দেৱযানী ৰাভা
৩য় অনুপম শইকীয়া

**বিষ্ণু ৰাভা সঙ্গীত**
১ম শ্ৰুতিমালা বৈৰাগী
২য় অম্লানজ্যোতি শইকীয়া
৩য় পূৰ্বাথী কাকতী

**ভূপেন্দ্ৰ সঙ্গীত**
১ম অম্লানজ্যোতি শইকীয়া
২য় শ্ৰুতিমালা বৈৰাগী
৩য় ৰীমা বৰ্ত্তিক

প্ৰথম শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী ঃ শ্ৰুতিমালা বৈৰাগী

### সপ্তাহ সমাৰোহ

**কুইজ**
লিজামণি বৰা
মমতা বেগম
নয়জ্যোতি গায়ন
পৱন গগৈ

**তৰ্ক**
অজয় চুতীয়া
নয়নজ্যোতি গায়ন, জয়ন্ত ডেকা
লিজামণি বৰা, পৱন গগৈ

**বক্তৃতা**
লিজামণি বৰা
প্ৰভাত মুৰ্মু
ছামিমা বেগম

**আকস্মিক বক্তৃতা**
প্ৰভাত মুৰ্মু
লিজামণি বৰা,
চিন্তামণি শইকীয়া
পৱন গগৈ

**ৰচনা**
ছামিমা বেগম
ৰীমা বৰা
মালবিকা খাকলাৰী

**ফটোগ্ৰাফী**
ইকবামুল হুছেইন

শৰৎ শৰ্মা
চিন্তমণি শইকীয়া
চিৰঞ্জিত মেধি

কইনা

হামিমা বেগম
নীলাক্ষি ভট্টাচাৰ্য
নিকিতা দাস

দৰা

চিৰঞ্জিৎ মেধি
ইকৰামুল হুছেইন
অনুপম শইকীয়া

পৰম্পৰাগত সাজ-পাৰ

বন্তি খাকলাৰী
নিকিতা নাগ
স্মৃতি বৰা
উজ্জ্বল কে. চামো

লোকনৃত্য

প্ৰাপ্তিলিকা কলিতা
ৰাধা খাকলাৰী

পলি শইকীয়া

আধুনিক নৃত্য

পলি শইকীয়া
প্ৰাপ্তিলিকা কলিতা
নিজৰা বসুমতাৰী
পূজা বৰা

একাংকিকা নাট

শ্ৰেষ্ঠ দল— বতাহ যেনি বলে
শ্ৰেষ্ঠ অভিনেতা— অম্লানদ্বীপ শইকীয়া
শ্ৰেষ্ঠ সহ-অভিনেতা— শৰৎ শৰ্মা
শ্ৰেষ্ঠ সহ-অভিনেত্ৰী— হামিমা বেগম
পৰিচালক— অম্লানদ্বীপ শইকীয়া

মেহেন্দি প্ৰতিযোগিতা


বিন্তী বৰা,
প্ৰস্তুতি শইকীয়া

ৰঙ্গোলী প্ৰতিযোগিতা

নিকিতা দাস,
পূজা শৰ্মা,
পপী গায়ন



## মহাবিদ্যালয়ৰ অধ্যক্ষ




ড° ভূপেন শইকীয়া

## 'কৰ্ষণ'ৰ সম্পাদনা সমিতি



ড° ভূপেন শইকীয়া
সভাপতি



সোমনাথ বৰা
তত্ত্বাৱধায়ক



ড° পুণ্য লতা গোহাঁই
তত্ত্বাৱধায়ক



দীক্ষা শৰ্মা
সম্পাদিকা



সিদ্ধাৰ্থ শঙ্কৰ দাস
সদস্য



বিন্তি বৰা
সদস্যা

## মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ




বাওঁফালৰপৰা (বহি) ঃ শ্ৰীশান্তনু বৰদলৈ, ড° গায়ত্ৰী গোপ, ড° নকুল চন্দ্ৰ শৰ্মা, ড° ভূপেন শইকীয়া (অধ্যক্ষ), মঃ আব্দুল হাছেম (উপাধ্যক্ষ), ড° কমল চন্দ্ৰ শইকীয়া, শ্ৰীবিপুল চক্ৰবৰ্তী, ড° যতীন শৰ্মা।

বাওঁফালৰপৰা (থিয় হৈ) ক্ৰমে ঃ ড° আজ্জাদুজ জামান, শ্ৰীবিশাল শইকীয়া, শ্ৰীযুত ঘনশ্যাম টাইড, মঃ লতিফুৰ ৰহমান (ব্যায়াম প্ৰশিক্ষক), ড° অবিনাশ ভৰালী, শ্ৰীবিনোদ ভূঞা (সত্ৰীয়া নৃত্যৰ বাদ্য প্ৰশিক্ষক), শ্ৰীআৰুণী ভূঞা, শ্ৰীবিজুমণি শইকীয়া, শ্ৰীজুলি ঠাকুৰীয়া (গ্ৰন্থাগাৰিকা), ড° পুণ্য লতা গোহাঁই, শ্ৰীৰেণিমা কেম্প্ৰাই, শ্ৰীনীমা শোভিতা দাস, শ্ৰীঅলকা ৰয়, শ্ৰীঅনুৰূপা বৰা, শ্ৰীমনস্বিতা ভূঞা, শ্ৰীলালফিঙমৱী চেচান।

## মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



বহি, ড° ভূপেন শইকীয়া (অধ্যক্ষ)

**বাওঁফালৰপৰা (থিয় হৈ) ক্ৰমে ঃ** শ্ৰীভদ্ৰেশ্বৰ বৰা (চতুৰ্থ বৰ্গ কৰ্মচাৰী), শ্ৰীপূৰ্ণানন্দ বৈৰাগী (পুথিভঁৰালৰ বাহক), শ্ৰীমতী মেঘালী গায়ন (কাৰ্যালয় সহায়িকা), মোঃ আনোৱাৰ হুছেইন (চতুৰ্থ বৰ্গ কৰ্মচাৰী), শ্ৰীমতী জিতুমণি বৈৰাগী (পুথিভঁৰালৰ বাহিক), শ্ৰীমতী মীনা বৈৰাগী (কাৰ্যালয় সহায়িকা), মঃ তফিকুল আলি (ভূগোল বিভাগৰ বাহক), শ্ৰীমতী মঞ্জু কটকী (পুথিভঁৰালৰ সহায়িকা), মোঃ কুতুবুদ্দিন আহমদ হাজৰিকা (মুখ্য সহায়ক, কাৰ্যালয়)। শ্ৰীকেশৱ বৰা (কাৰ্যালয় সহায়ক)

**অনুপস্থিত ঃ** শ্ৰীপল্লৱ প্ৰতীম শইকীয়া (হিচাপ ৰক্ষক),



## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**বাওঁফালৰপৰা (বহি) ক্ৰমে ঃ** অম্লানজ্যোতি বৰা (ক্ৰীড়া সম্পাদক), পৱন গগৈ (সহঃ সাধাৰণ সম্পাদক), সিদ্ধাৰ্থ শংকৰ দাস (সাধাৰণ সম্পাদক), পিঙ্কুমণি বৰা (সভাপতি), বাপুমণি বৰা (সাংস্কৃতিক সম্পাদক)

**বাওঁফালৰপৰা (থিয় হৈ) ক্ৰমে ঃ** দীক্ষা শৰ্মা (আলোচনী সম্পাদিকা), শিখামণি বৰা (ছাত্ৰী জিৰণি কোঠা সম্পাদিকা), ইক্ৰামুল হুছেইন (সহঃ সাংস্কৃতিক সম্পাদক), সুৰজ নায়ক (ছাত্ৰ জিৰণি কোঠা সম্পাদক), উৎপল বৰা (ব্যায়ামাগাৰ সম্পাদক), শৰৎ শৰ্মা (সমাজসেৱা সম্পাদক), নিকিতা দাস (সহঃ ক্ৰীড়া সম্পাদিকা), বিপ্তি বৰা (তৰ্ক বিভাগৰ সম্পাদিকা)



বিশ্ব পৰিবেশ দিৱসত গছপুলি ৰোপণ
তাৰিখ ৫ জুন, ২০১৭



মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰপৰা বান সাহায্য সংগ্ৰহ



মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত
চামগুৰি আৰু কলিয়াবৰৰ অঞ্চলত বান সাহায্য প্ৰদানৰ মুহূৰ্তত




নৱাগত আদৰণী সভাৰ এটি দৃশ্য, ৩০ আগষ্ট, ২০১৭




মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাৰ
সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশনৰ মুহূৰ্তত এগৰাকী ছাত্ৰী



গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্ব-মাণ্ডলিক যুৱ মহোৎসৱত
বিশ্বনাথ মহাবিদ্যালয়ত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপিকাসকল

# সোণালী জয়ন্তীৰ আলোকচিত্ৰ



মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ মূল তোৰণ



সোণালী জয়ন্তী সমাৰোহৰ পতাকা উত্তোলনৰ মুহূৰ্ত
তাৰিখ ২৫ অক্টোবৰ, ২০১৭



সোণালী জয়ন্তীৰ পতাকা উত্তোলনৰ পাছত ভাষণ দিছে
উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত হিতেশ্বৰ লস্কৰে



শ্বহীদ আৰু স্মৃতি তৰ্পণ কৰিছে
শ্ৰীযুত শৰৎ চন্দ্ৰ খাউণ্ডে



প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ প্ৰচেষ্টাত
স্থাপিত বিৰিঞ্চিকুমাৰ বৰুৱাৰ পূৰ্ণাৱয়ৱ মূৰ্তি উন্মোচন কৰিছে
শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ বৰুৱাই



ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ প্ৰতিমূৰ্তি উন্মোচনৰ এটি মুহূৰ্ত
তাৰিখ ২৫ অক্টোবৰ, ২০১৭



সোণালী জয়ন্তীৰ সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰিছে
নগাঁও জিলাৰ আৰক্ষী অধীক্ষক শ্ৰীযুত দেৱৰাজ উপাধ্যায়ে




সোণালী জয়ন্তীৰ সাংস্কৃতিক শোভাযাত্ৰাৰ এটি দৃশ্য



সোণালী জয়ন্তী সমাৰোহৰ সাংস্কৃতিক শোভাযাত্ৰাত
অবিনশ্বৰ গোষ্ঠীৰ দ্বাৰা প্ৰদৰ্শিত এটি দৃশ্য



সোণালী জয়ন্তী উপলক্ষে অনুষ্ঠিত গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ
উন্মোচন কৰিছে শ্ৰীযুত উপেন্দ্ৰ বৰকটকীদেৱে



সোণালী জয়ন্তী সমাৰোহত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনীৰ
প্ৰাচীৰ পত্ৰিকা 'কণ্ঠস্বৰ' উন্মোচন কৰিছে শ্ৰীযুত উপেন্দ্ৰ বৰকটকীদেৱে



সোণালী জয়ন্তী উপলক্ষে আয়োজিত
অন্তৰঙ্গ আলাপ অনুষ্ঠানৰ এটি মুহূৰ্ত



সোণালী জয়ন্তীৰ আৱন্তণিৰ সন্ধিয়া বন্তি প্ৰজ্বলনৰ এটি দৃশ্য




২৫-১০-২০১৮ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ
উদ্যোগত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিছে
শ্ৰীযুত গুণ মহন্তই



সোণালী জয়ন্তীৰ ২৫-১০-২০১৮ তাৰিখে অনুষ্ঠিত
সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰীসকলৰ দ্বাৰা প্ৰদৰ্শিত নৃত্যৰ এটি দৃশ্য




২৫-১০-২০১৮ তাৰিখৰ সাংস্কৃতিক অনুষ্ঠানৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে প্ৰকাশিত
গ্ৰন্থ উন্মোচন কৰিছে প্ৰণৱ স্বৰূপ নেওগ, বৈজয়ন্ত বৰুৱা,
অজিত কুমাৰ ভুঞা, মুৰুলীধৰ দাস, গায়ত্ৰী ভট্টাচাৰ্য আদিয়ে




ড° বিৰিঞ্চিকুমাৰ বৰুৱা মহাবিদ্যালয়ৰ বটা
মুৰুলীধৰ দাসদেৱক সোণালী জয়ন্তী অনুষ্ঠানত প্ৰদান কৰা হয়



সোণালী জয়ন্তী সমাৰোহত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক
সম্বৰ্ধনা জনোৱা এটি মুহূৰ্ত



প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সম্মিলনীয়ে আয়োজন কৰা
সাংস্কৃতিক অনুষ্ঠানৰ বন্তি প্ৰজ্বলক শ্ৰীযুত মহৎ চন্দ্ৰ বৰাক
সম্বৰ্ধনা জনাইছে জয়ন্ত বৰঠাকুৰে



সোণালী জয়ন্তীৰ সাংস্কৃতিক অনুষ্ঠানত
প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমবেত সংগীত পৰিবেশন



২৬-১০-২০১৭ তাৰিখৰ সাংস্কৃতিক অনুষ্ঠানত বিহু নৃত্য প্ৰদৰ্শন কৰিছে
মহাবিদ্যালয়ৰ অধ্যাপিকা আৰু মহিলা কৰ্মচাৰীসকলে



সোণালী জয়ন্তী সমাৰোহৰ বৃক্ষৰোপন কাৰ্যসূচীত
বৃক্ষৰোপন কৰিছে নগাঁও সংমণ্ডলৰ বন বিষয়া দিপ্সী বৰাই



সোণালী জয়ন্তী সমাৰোহত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সম্মিলনীৰ দ্বাৰা
আয়োজিত গুৰু সম্বৰ্ধনা অনুষ্ঠানৰ এটি দৃশ্য



সোণালী জয়ন্তী সমাৰোহৰ মুকলি সভাত মহাবিদ্যালয়ৰ
সংগীত পৰিৱেশন কৰিছে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপিকাসকলে



মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ
স্মৃতিগ্ৰন্থ 'সোণালী সঁফুৰা' উন্মোচন কৰা মুহূৰ্তত ড° ভূপেন শইকীয়া,
শ্ৰীযুত পুলিন হাজৰিকা, শ্ৰীযুত সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য,
শ্ৰীযুত কেশৱ মহন্ত আৰু শ্ৰীযুত হিতেশ্বৰ লস্কৰদেৱ



সোণালী জয়ন্তী সমাৰোহৰ মুকলি সভাত
বক্তৃতা প্ৰদান কৰিছে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা
শ্ৰীযুত সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। ২৭ অক্টোবৰ, ২০১৭



সোণালী জয়ন্তী সমাৰোহৰ ২৭ অক্টোবৰ, ২০১৭ তাৰিখৰ
মুকলি সভাত বক্তৃতা প্ৰদান কৰিছে
অসম চৰকাৰৰ মাননীয় মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্তই



২৭ অক্টোবৰ, ২০১৭ তাৰিখৰ সাংস্কৃতিক অনুষ্ঠানৰ
উদ্বোধক শ্ৰীযুত লোকনাথ গোস্বামীদেৱক আদৰণি জনোৱা হৈছে




২৭ অক্টোবৰ, ২০১৭ তাৰিখৰ সাংস্কৃতিক অনুষ্ঠানত
গীত পৰিৱেশন কৰিছে জুবলী বৰুৱাই




মহাবিদ্যালয় মহিলা কোষৰ দ্বাৰা আয়োজিত
শিশু দিৱস অনুষ্ঠানৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ নৱ নিৰ্মিত ভিডিঅ' কনফাৰেন্স কোঠা



মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ



মহাবিদ্যালয়ৰ ডিজিটেল গ্ৰন্থাগাৰ




মহাবিদ্যালয়ৰ নৱ নিৰ্মিত ৰাজনীতি বিজ্ঞান বিভাগ




মহাবিদ্যালয়ৰ নৱ নিৰ্মিত ইংৰাজী বিভাগ




মহাবিদ্যালয় মহিলা কোষৰ দ্বাৰা আয়োজিত
শিশু দিবস অনুষ্ঠানৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ নব নিৰ্মিত ভিডিঅ' কনফাৰেন্স কোঠা



মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰ



মহাবিদ্যালয়ৰ ডিজিটেল গ্ৰন্থাগাৰ



মহাবিদ্যালয়ৰ নব নিৰ্মিত ৰাজনীতি বিজ্ঞান বিভাগ



মহাবিদ্যালয়ৰ নব নিৰ্মিত ইংৰাজী বিভাগ